# সূত্ৰধাৰ

১-১৫ ডিচেম্বৰ ১৯৯১ □ ছয় টকা

# অসম

## বৰ্তমান আৰু ভৱিষ্যত

# মানৱ অধিকাৰ

শ্ৰীকিশোৰ কুমাৰ কলিতা. পাঠশালা


সূত্ৰধাৰ

তৃতীয় বছৰ, একবিংশ সংখ্যা
১-১৫ ডিচেম্বৰ, ১৯৯১
Vol. III. No. 21
1-15 December, 1991



সাময়িক প্ৰসংগ

**সাংবাদিকতাৰ ৰাজনীতি আৰু সাংবাদিক ৬**

অসমৰ সংবাদ জগতত নিৰপেক্ষতাৰ নামত নিঃশব্দে সোমোৱা ৰাজনৈতিক সংকীৰ্ণতাৰ ওপৰত আলোকপাত কৰিছে 'সাংবাদিকতাৰ ৰাজনীতি আৰু সাংবাদিক' শীৰ্ষক প্ৰতিবেদনত অনিৰুদ্ধ দত্তই।

প্ৰচ্ছদ নিবন্ধ

**মানৱ অধিকাৰঃ জিমি কাৰ্টাৰৰ বাগিচাৰ পৰা আল্ফাৰ পণবন্দীলৈ ১৪**

'মানৱ অধিকাৰ' বিষয়টো পৃথিৱীৰ সমাজৰ বহু চৰ্চিত আৰু বহু বিতৰ্কিত সামাজিক ধাৰণা সমূহৰ ভিতৰত অন্যতম। এই ধাৰণাটোৰ প্ৰকৃত অৰ্থ সম্পৰ্কত ইতিমধ্যে বিভিন্ন ব্যাখ্যাই বিষয়টোক এক জটিল ৰূপ দিছে। অৰূপ জ্যোতি চৌধুৰীয়ে তেখেতৰ প্ৰচ্ছদ নিবন্ধত আন্তৰ্জাতিক ঘোষণাৰ অনুচ্ছেদ সমূহ দাঙি ধৰাৰ লগতে বৰ্তমানৰ পটভূমিত এই বিষয়টো অবলোকন কৰিছে।

লগতে

মানৱ অধিকাৰ, সন্ত্ৰাসবাদ আৰু অসম শিৰোণামাৰে অসমৰ কেইবা গৰাকী বিশিষ্ট সাংবাদিক, শিক্ষক, আইনজীৱী আৰু চিন্তাশীল বুদ্ধিজীৱীলৈ আগবঢ়োৱা এলানি প্ৰশ্নৰ ভিত্তিত তেখেত সকলৰ বক্তব্য প্ৰকাশ পাইছে 'মুকলি মঞ্চ' শিতানত।

বিশেষ নিবন্ধ

**অসমঃ বৰ্তমান আৰু ভৱিষ্যত ২৬**

আজিৰ অসম যে নানাবিধ জটিল সমস্যাৰ গভীৰ অন্ধকাৰৰ দ্বাৰা আচ্ছন্ন তাত কোনো সন্দেহ নাই। এই অসমৰ বৰ্তমান আৰু ভৱিষ্যত সম্বন্ধে প্ৰখ্যাত বুদ্ধিজীৱী সুজিৎ চৌধুৰীয়ে অসমঃ বৰ্তমান আৰু ভৱিষ্যত নামৰ নিবন্ধেৰে এলানি লেখা আগবঢ়াইছে।

চিঠি ৪
সম্পাদকীয় ৫
কবিতা ৩৪
গল্প ৪২
উপন্যাস ৪৬
গ্ৰন্থবাৰ্তা ৫৩
প্ৰাতাহিক ৬২

ৰাজধানী সংবাদ

মন্ত্ৰী-বিধায়কৰ প্ৰমোদ ভ্ৰমণৰ পয়মাল □ হৰেন বুঢ়াগোহাঞি ৯

ৰাজনীতি

শান্তি স্থাপনৰ ক্ষেত্ৰত আলোচনাৰ বিকল্প নাই □ হিতেন মহন্ত ১২

গ্ৰন্থজগত

এজন কিতাপ চোৰৰ আত্মহত্যাৰ সমবেদনাত □ গীতাৰ্থ পাঠক ৩১

দৃষ্টিকোণ

বহিৰাগতৰ সমস্যা □ হোমেন বৰগোহাঞি ৩৫

সাময়িকী

অসমৰ ছাত্ৰ সমাজৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত □ স্বপ্না বেজবৰুৱা ৩৯

বিশ্ববিদ্যালয়ৰ বাতৰি

ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু ইয়াৰ ভিতৰ চ'ৰাঃ এক স্পষ্টীকৰণ □ পঞ্জীয়ক ডিব্ৰুগড় বিশ্ববিদ্যালয় ৪৬

শিল্প-সংস্কৃতি

সত্ৰীয়া সংস্কৃতিৰ মনোজ্ঞ অনুষ্ঠান □ সবিতা লহকৰ ৫৩

মতামত

চৰকাৰৰ ঐতিহাসিক সিদ্ধান্ত □ নৰকান্ত বৰদলৈ ৫৪

সাহিত্য

কবীন ফুকনৰ মুখাৰ আঁৰৰ 'ভাববাদ' □ কুমুদ বৰুৱা ৫০

খেলধেমালি

দক্ষিণ আফ্ৰিকাৰ আন্তৰ্জাতিক ক্ৰিকেটত প্ৰৱেশ □ মালবিকা পাঠক ৬১



সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি

সম্পাদনা সহকাৰী
মালবিকা পাঠক

মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি

কলা নিৰ্দেশক
চম্পক বৰবৰা

কাৰ্যধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰ্বী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিত: □ ফোন- ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

**Calcutta:-**
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

**Delhi:-**
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

**Bombay:-**
Mr. Subhajit Mitra
12, Shankar Jyoti 10th Road.
Chembur
Bombay-400071
Ph. 555, 4491


OKDISCD

## জ্যোতিষঃ প্ৰমাণ, প্ৰচাৰ আৰু অন্যান্য প্ৰসংগ

আপোনাৰ শাৰদীয় সংখ্যা সূত্ৰধাৰত প্ৰকাশ পোৱা প্ৰসেনজিৎ চৌধুৰী দেৱৰ উপৰোক্ত শিৰোনামাৰ প্ৰবন্ধটি পঢ়িলো। প্ৰবন্ধটিৰ যোগে লেখকে জ্যোতিষক এক অন্ধবিশ্বাস বুলিয়ে প্ৰতিপন্ন কৰিবলৈ বিচাৰিছে। মোৰ ব্যক্তিগত ভাবে জ্যোতিষৰ ওপৰত আস্থা আৰু সামান্য চৰ্চাও আছে। সেয়ে বিষয়টোৰ ওপৰত দু-আষাৰ লিখিলো। শ্ৰীচৌধুৰী দেৱৰ আলোচনাটো যথেষ্ট দীঘলীয়া গতিকে আমি তেখেতৰ গোটেই প্ৰবন্ধটো সামৰি নলৈ চমুকৈ কেইটামান কথা আলোচনাৰ বাবে দাঙি ধৰিছো। আশা কৰো এই বিষয়ত তেখেতৰ মতামত আগবঢ়াব। জ্যোতিষ যদি অন্ধবিশ্বাস বা কু-সংস্কাৰেই হয় তেন্তে সচেতন ৰাইজেও এই বিষয়ত তেখেত সকলৰ মতামত আগবঢ়াই এনে অন্ধবিশ্বাস সমাজৰ পৰা দূৰ কৰা উচিত আৰু যদি জ্যোতিষ বিজ্ঞান হয় তেন্তে তাক উপযুক্ত মৰ্যাদা দিয়া উচিত বুলি মই ভাবো।

শ্ৰীযুত চৌধুৰী দেৱৰ যি কেইটা যুক্তিৰ ওপৰত আমি একমত হ'ব নোৱাৰিলো তাৰে কেইটামান মাত্ৰ আমি তলত উল্লেখ কৰিলো।

প্ৰথমতে উল্লেখ কৰিব খুজিছো তেখেতৰ পৰস্পৰ বিৰোধী উক্তি। তেখেতে অনুমান কৰে যে, জ্যোতিষৰ শতকৰা ৫ ভাগ ভৱিষ্যৎ বাণী ফলিয়ায়, কিন্তু তেখেতেই এটি তথ্য সহকাৰে দেখুৱালে যে শতকৰা ১০ ভাগ ভৱিষ্যৎবাণী ফলিয়ায় এইটোৱে তেখেতৰ জ্যোতিষৰ প্ৰতি থকা অবিশ্বাস আৰু অনাস্থাৰ ভাবটোকে প্ৰকাশ কৰে।

দ্বিতীয়তে কাকতালীয় সংযোগৰ যিটো যুক্তি দিয়া হৈছে সি বৰ দুৰ্বল যুক্তি। এটি জাতকৰ জন্ম সময়তে কোষ্ঠী প্ৰস্তুত কৰা হয়। এনে ক্ষেত্ৰত কাকতালীয় সংযোগৰ কোনো প্ৰশ্ন নাহে। ৰাজনৈতিক বা অন্যান্য ভৱিষ্যৎ বাণীৰ ক্ষেত্ৰত এটা মন কৰিবলগীয়া কথা যে, জ্যোতিষীয়ে এজন লোকৰ জীৱনৰ সকলো দিশ চাই ভৱিষ্যৎ বাণী নকৰিবও পাৰে কাৰণ ই বৰ জটিল কাম। যেনেকৈ এজন চকুৰ ডাক্তৰক চকু দেখুৱাবলৈ যাওঁতে তেওঁ ৰোগীৰ অন্যান্য সকলো বিলাক অসুখ চাই নলয়।

তৃতীয়তে তেখেতৰ আলোচনাটো বিজ্ঞান সন্মত বুলি আমি মানি লব পৰা নাই। যেহেতু বিজ্ঞান সন্মত দৃষ্টিভংগী হ'ল বিষয়টোক ভিতৰৰ পৰা বিশ্লেষণ কৰি চোৱা। বাহিৰৰ পৰা নহয়। তেখেতৰ প্ৰবন্ধত কোনো জ্যোতিষৰ এষাৰো উক্তি পোৱা নগ'ল।

চতুৰ্থতে প্ৰবন্ধকাৰে উল্লেখ কৰা তথ্যৰ পৰাই দেখা গৈছে যে জ্যোতিষৰ শতকৰা ১০ ভাগ ভৱিষ্যৎ বাণী ফলিয়ায়। আমি ভাবো এইটো বৰ ডাঙৰ সাফল্য। পৃথিৱীৰ শ্ৰেষ্ঠ বৈজ্ঞানিক সকলৰ চেষ্টাত হেজাৰৰ মাজত এজনো যদি মুমূৰ্ষু কেন্সাৰ ৰোগী আৰোগ্য হয় তেন্তে গোটেই পৃথিৱীতে জয়ঢোল কোবায়। তেনে ক্ষেত্ৰত জ্যোতিষৰ ১০ শতাংশ ভৱিষ্যৎ বাণী ফলিওৱাতো কম সাফল্যনে? যি ভৱিষ্যৎ সম্পৰ্কে বৰ্তমানৰ বিজ্ঞান সম্পূৰ্ণ অন্ধ। কৃত্ৰিম উপগ্ৰহৰ সহায়ত ২৪ ঘন্টাৰ বতৰৰ যি ভৱিষ্যৎ বাণী কৰে তাতো 'সম্ভাৱনা' শব্দটোৰ প্ৰয়োগ নকৰাকৈ নোৱাৰে আৰু বহু ক্ষেত্ৰতেই সেই ভৱিষ্যৎ বাণী মিছা প্ৰমাণিত হয়। এজন সাধাৰণ লোকৰ দৃষ্টিৰেও তেনে ভৱিষ্যৎ বাণী কৰিব পাৰি।

পঞ্চমতে তেখেতে বাতৰিত প্ৰকাশ পোৱা ৰাশিফলৰ সত্যতা সম্পৰ্কে সন্দেহ প্ৰকাশ কৰিছে। এইটো অৱশ্যেই সন্দেহ কৰিবলগীয়া। পৃথিৱীৰ প্ৰায় ৩০০ কোটি লোকক মাত্ৰ ১২টা ৰাশিৰ ১২ ভাগত ভাগ কৰি তেওঁলোকৰ ভৱিষ্যৎ বাণী কৰাটো সম্ভৱ জানো? তাতে আকৌ তেওঁলোকৰ পৰিবেশৰ, বয়সৰ ব্যক্তিগত সমস্যাৰ ভিন্নতা আদি আছেই। এনে ক্ষেত্ৰত ভৱিষ্যৎ বাণী ফলিওৱাৰ আশা বৰ ক্ষীণ। তথাপি সূক্ষ্মদৰ্শী জ্যোতিষীয়ে প্ৰতিটো ৰাশিৰ লোকৰ এটা নিৰ্দিষ্ট সময়ত হ'ব পৰা সম্ভাব্য 'প্ৰৱণতা' সম্পৰ্কে কিছু আভাস দিয়ে। বহুক্ষেত্ৰত ইয়াৰ সত্যতা প্ৰমাণো পোৱা যায়। তদুপৰি পাঠকে যেতিয়া সন্তুষ্টি লাভ কৰে তেন্তে সেই ৰাশিফল প্ৰকাশ কৰাত আমাৰ কি আপত্তি থাকিব পাৰে?

সামৰণিত আমি শ্ৰীচৌধুৰীদেৱে উল্লেখ কৰা বিষয় কেইটিৰ ওপৰতে তেখেতৰ মতামত আৰু প্ৰতিক্ৰিয়া ব্যক্ত কৰিব বুলি আশা ৰাখিছো। আমি ভাবো প্ৰাগৈতিহাসিক কালৰে পৰা পৰাশৰ, চৰক, বৰাহমিহিৰ, খনা আদি ভাৰতীয় জ্যোতিষী সকলে অন্ধ বিশ্বাসৰ চৰ্চা কৰা নাছিল। বৰ্তমানৰ সাধাৰণ ভাবে প্ৰচলিত সময়ৰ সূক্ষ্মতম জোখ এক চেকেণ্ডৰ ১৫০ ভাগৰ ১ ভাগ সময়ৰ হিচাপ উলিয়ায় (অনুপল, প্ৰত্যনুপল) সেই সময়ত হোৱা গ্ৰহ নক্ষত্ৰৰ গতিবিধি নিৰ্ধাৰণ কৰাটো যে উচ্চ খাপৰ বিজ্ঞান তাক স্বীকাৰ কৰিবই লাগিব। কিন্তু আমি আমাৰ ঐতিহ্যক পাহৰি সকলো কথা পশ্চিমীয়া দৃষ্টিৰেহে চাব বিচাৰো। তথাপিতো তেখেতৰ লেখাটিয়েই প্ৰমাণ দিছে যে পশ্চিমীয়া জগততো বৰ্তমান সময়তেই জ্যোতিষৰ জনপ্ৰিয়তা কিমান। কাভুৰ চাহাবৰ দৰে কোনোবা জ্যোতিষ বিদ্বেষীয়ে চৰাইৰ হতুৱাই মংগল চোৱা ঘটনাৰ পৰা জ্যোতিষৰ বিচাৰ নহয়। তদুপৰি এই কথা নিশ্চয় সকলোৱেই স্বীকাৰ কৰিব লাগিব যে বিজ্ঞান কোনো জনমতৰ ওপৰত প্ৰতিষ্ঠিত নহয়। আইনষ্টাইনৰ সূত্ৰক যেনেকৈ ৩০০ কোটি লোকৰ ভোটৰ আধাৰত প্ৰতিষ্ঠা কৰা হোৱা নাছিল বা সেই ভোটে সেই সত্যক মিছা বুলিও প্ৰমাণ কৰিব নোৱাৰে তেনেকৈ কোনো বিজ্ঞান বা জ্যোতিষৰ সূত্ৰকো গণভোটৰ মাধ্যমেৰে বিচাৰ কৰাটো শুদ্ধ নহয়, সাধনা আৰু গৱেষণাৰ দ্বাৰাহে ইয়াৰ প্ৰকৃত স্বৰূপ বুজিব পৰা হ'ব। সেয়ে আমি ভাবো জ্যোতিষক কু-সংস্কাৰ বা অন্ধ বিশ্বাস হিচাপে নলৈ ইয়াৰ ওপৰত পৰীক্ষা নিৰীক্ষা গৱেষণা আদি চলাই তাৰ পৰা কেনেকৈ অধিক সুফল বা সফলতা লাভ কৰিব পাৰো তাৰ চেষ্টা কৰাটোহে অধিক বিজ্ঞান সন্মত কাম হ'ব।

নগেন্দ্ৰনাথ বৰা
ডিমৌ

## 'গণতন্ত্ৰ'– পশ্চিমীয়া ভাষ্য

ছোভিয়েত প্ৰেছিডেন্ট মিখাইল গৰ্বাচভৰ "মুক্তকৰণ" আৰু "পুনৰ গঠন" নীতিৰ দ্বাৰা পৰ্যায়ক্ৰমে বিশ্ব সমাজতান্ত্ৰিক শিবিৰৰ পিতৃস্থান ছোভিয়েত ইউনিয়নৰ পৰা সমাজতন্ত্ৰক অপসাৰণ কৰা হ'ল। প্ৰথমে প্ৰচাৰ কৰা হ'ল যে অত্যধিক কেন্দ্ৰিকতা আৰু ৰাষ্ট্ৰীয় মালিকানাৰ বাবেই ছোভিয়েতৰ উৎপাদন আৰু উন্নয়ন প্ৰক্ৰিয়া স্থবিৰ হৈ পৰে। মুক্ত বাণিজ্য (মুক্ত অৰ্থনীতি) আৰু ব্যক্তিগত মালিকানাৰ ওপৰত থকা নিয়ন্ত্ৰণৰ বাবে ৰাষ্ট্ৰৰ বিকাশৰ গতি পিছপৰি যায় বুলি কোৱা হয়। ফল স্বৰূপে এই অৱস্থাৰ নিৰাময়ৰ অৰ্থে পেৰেষ্ট্ৰইকাৰ প্ৰয়োজন হ'ল। এইখিনিলৈকে সকলো কথাই ঠিক আছিল। উশাহ নোপোৱা চৰকাৰী নিয়ন্ত্ৰণৰ মাজত যে এখন সমাজৰ সৰ্বাংগীন বিকাশ সম্ভৱ নহয় তাক ভালকৈয়ে অনুভৱ কৰা হ'ল। সেয়ে পেৰেষ্ট্ৰাইকাৰ মাজত ছোভিয়েতৰ জনসাধাৰণে এক নতুন প্ৰতিশ্ৰুতি পোৱাটো অতি স্বাভাৱিক আছিল।

কিন্তু পেৰেষ্টাইকাৰ অজুহাতত গণতন্ত্ৰ আৰু সংস্কাৰৰ নামত ছোভিয়েতৰ জনসাধাৰণে তথা বিশ্ব সমাজতান্ত্ৰিক শিবিৰে অতি চৰম মূল্য দিব লগীয়া হ'ল। বিশেষকৈ সমাজতন্ত্ৰক উৎখাত কৰি ছোভিয়েতৰ বৰ্তমান শাসক শ্ৰেণীয়ে সাম্ৰাজ্যবাদী শক্তিৰ লগত যি আপোচৰ নীতি গ্ৰহণ কৰিলে তাৰ ফলত বিশ্বত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হ'ল তৃতীয় বিশ্বৰ দেশ সমূহে আৰু তাৰ কোটি কোটি জনসাধাৰণ। ছোভিয়েত নেতৃত্বই নিজ দেশৰ বৃহৎ শক্তিৰ মৰ্যাদা ত্যাগ কৰাৰ ফলত এফালে তথাকথিত শীতল যুদ্ধৰ অৱসান হ'ল বুলি সাম্ৰাজ্যবাদী শক্তিয়ে কৰা হৰ্ষোল্লাসৰ বিপৰীতে তৃতীয় বিশ্বৰ দেশ সমূহে আজি বন্ধুহীন অৱস্থা এটাত আহি উপস্থিত হব লগীয়া হৈছে। ইয়াৰ বাস্তৱ উদাহৰণ হ'ল ইৰাক। ইৰাকে কুৱেইট দখল কৰি অন্যায় কৰিছিল সঁচা, সেই বুলি সেই একেটা অজুহাততে পশ্চিমীয়া দেশ সমূহে ইৰাকক কুৱেইটৰ পৰা অপসাৰিত কৰাৰ পিছতো সেই দেশৰ বিৰুদ্ধে যি জঘন্য সাম্ৰাজ্যবাদী ষড়যন্ত্ৰ চলাই যাব লাগিছে তাক কোনো আত্মসন্মানবোধ সম্পন্ন তৃতীয় বিশ্বৰ দেশে সমৰ্থন কৰা উচিত নহব। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু বৃটেইনৰ প্ৰচেষ্টাত ৰাষ্ট্ৰসংঘত শেহতীয়াকৈ ইৰাকৰ তেল বিক্ৰীৰ পৰা পোৱা ধনৰ মালিকানা ৰাষ্ট্ৰসংঘক প্ৰদান কৰি যি প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল– এইটো এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ ওপৰত জল্‌জল্ পট্‌পট্ হস্তক্ষেপ স্বৰূপ। অথচ একেবোৰ শক্তিয়ে পশ্চিম এছিয়াত ইজৰাইলৰ আগ্ৰাসী ভূমিকাক নিয়ন্ত্ৰণ কৰিবলৈ আজিলৈকে এনে কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰিলে। ছোভিয়েত ৰাছিয়াৰ শাসকচক্ৰই সাম্ৰাজ্যবাদী শক্তিৰ ওচৰত নিজকে আত্মসমৰ্পণ নকৰা হ'লে ইৰাকৰ ওপৰত এনে অপমানজনক প্ৰস্তাৱ গ্ৰহণ কৰিব পৰা হ'লহেঁতেন। ইয়াৰ পৰা এইটো অনুমান কৰিব পাৰি যে ভৱিষ্যতে কাষ্ট্ৰ', ছাদ্দাম হুছেইন আদিৰ দৰে সাম্ৰাজ্যবাদ বিৰোধী যিকোনো শক্তিৰ বিৰুদ্ধে সাম্ৰাজ্যবাদী শক্তি সমূহে নিৰ্লজ্জ ষড়যন্ত্ৰ চলাই যোৱাত (বা হস্তক্ষেপ) দ্বিধাবোধ নকৰিব।

আনহাতে গণতন্ত্ৰ আৰু দ্ৰুত সংস্কাৰৰ সপক্ষে ওকালতি কৰা বৰিচ য়েল্টচিন আৰু তেওঁৰ দলে ৰাছিয়ান কমিউনিষ্ট পাৰ্টিক বেআইনী ঘোষণা কৰি পাৰ্টিৰ কাৰ্যালয় সমূহত তলা লগোৱাটো কেনে ধৰণৰ মুক্ত গণতন্ত্ৰ? গণতন্ত্ৰত যদি সকলো লোকৰে ব্যক্তি স্বাধীনতা অক্ষুণ্ণ থাকে তেন্তে এটা মতাদৰ্শক নিষিদ্ধ কৰিব বিচৰাটো কেনে ধৰণৰ গণতান্ত্ৰিক নমুনা হব পাৰে? কমিউনিষ্ট পাৰ্টিয়ে জনসাধাৰণৰ আশা আকাংক্ষা পূৰণত ব্যৰ্থ হ'লে, অৱশ্যেই য়েল্টচিনৰ দলে জন সমৰ্থন লাভ কৰিব। তাৰ বাবে কাৰ্যালয়ৰ দুৱাৰত তলা লগোৱাৰ প্ৰয়োজন ক'ত? ইয়াৰ পৰা অনুমান কৰাত টান নহয় যে ৰাছিয়াত আজি যি গণতন্ত্ৰৰ ঢৌ উঠিছে সি সাম্ৰাজ্যবাদী 'গণতন্ত্ৰ'ৰহে প্ৰতিধ্বনি। বিশ্বৰ বজাৰত সাম্ৰাজ্যবাদী বহুজাতিক কোম্পানী সমূহৰ আধিপত্য স্থাপনেই হ'ল ইয়াৰ লক্ষ্য। এনে গণতন্ত্ৰই তৃতীয় বিশ্বৰ কোটি কোটি ক্ষুধাতুৰ জনসাধাৰণলৈ কোনো আশাৰ বাণী বহণ কৰিব পৰা নাই আৰু নোৱাৰেও। বৰং ইয়াৰ নামতে যোৱা সাত দশক ধৰি লাভ কৰা সমাজতন্ত্ৰৰ সকলোবোৰ ইতিবাচক দিশক নস্যাৎ কৰি দেখুৱাবৰহে চেষ্টা চলিব ধৰিছে। ভাৰতবৰ্ষকে ধৰি তৃতীয় বিশ্বৰ অগণন জনসাধাৰণৰ বাবে সমাজতান্ত্ৰিক পথহে উন্নয়নৰ প্ৰকৃত পথ। ই অৱশ্যে ভাৰতৰ দৰে লেজুত ধৰি বল নিদিয়া বিধৰ সমাজতন্ত্ৰ নহয়। সমাজবাদৰ এই পথ সাম্ৰাজ্যবাদ বিৰোধী যৌথ সংগ্ৰামৰ পথ। উন্নয়নশীল দেশ সমূহে সাম্ৰাজ্যবাদ বিৰোধী যৌথ সংগ্ৰামৰ যোগেদি বিকাশৰ ধাৰা অব্যাহত ৰাখিব নোৱাৰিলে নিকট ভৱিষ্যতত বহুতো দেশে নিজৰ স্বাধীনতা জলাঞ্জলি দিব লগীয়া হবগৈ। এয়ে আজিৰ "পশ্চিমীয়া গণতন্ত্ৰৰ' মৰ্মাৰ্থ।

বিপ্লৱ বৰ্ধন





# আল্ফাৰ 'স্বাধীন অসম'

আল্ফাই অসমক স্বাধীন কৰিব।

কেনেকৈ?

আল্ফাই অসমক স্বাধীন কৰিব বাংলাদেশৰ সহায়েৰে – যি বাংলাদেশে যোৱা এটা শতাব্দী ধৰি সেই দেশৰ অতিৰিক্ত জনসংখ্যাৰ বোজা অসমৰ ওপৰত জাপি দি আহিছে; যি বাংলাদেশে অসমলৈ অবিৰামভাবে অনুপ্ৰবেশকাৰী পঠিয়াই অসমৰ সামাজিক আৰু ৰাজনৈতিক জীৱনত ভয়ংকৰ জটিলতাৰ সৃষ্টি কৰিছে; যি বাংলাদেশৰ অঘোষিত সম্প্ৰসাৰণবাদৰ বিৰুদ্ধে অসমে বহু বছৰ ধৰি আন্দোলন কৰিব লগা হৈছে; যি বাংলাদেশে এতিয়াও অসমলৈ অনুপ্ৰবেশকাৰী পঠিয়াই সেই দৰিদ্ৰ দেশৰ ক্ৰমবৰ্ধমান জন-বিস্ফোৰণৰ সমস্যাৰ সমাধান কৰাৰ চক্ৰান্ত কৰি আছে।

আল্ফাই অসমক স্বাধীন কৰিব পাকিস্তানৰ সহায়েৰে – যি পাকিস্তানত সেই দেশৰ জন্মলগ্নৰ পৰাই বিৰাজ কৰিছে কেৱল হত্যাৰ ৰাজনীতি, গণতন্ত্ৰৰ ধৰ্ষণ, স্বৈৰাচাৰ আৰু মধ্যযুগীয় সংৰক্ষণশীলতা; যি পাকিস্তানৰ প্ৰধান লক্ষ্য হ'ল ভাৰতত চিৰস্থায়ী অশান্তিৰ সৃষ্টি কৰি এই দেশক সকলো প্ৰকাৰে দুৰ্বল কৰি ৰখা; যি পাকিস্তানে ভাৰতক খন্ড-বিখন্ড কৰি বাংলাদেশৰ স্বাধীনতা অৰ্জনত ভাৰতে কৰা সহায়ৰ পোতক লব খোজে।

আল্ফাই অসমক স্বাধীন কৰিব সেইবোৰ দুৰ্নীতি পৰায়ণ অসমীয়া ব্যৱসায়ী আৰু উদ্যোগপতিৰ সহায়েৰে – কুখ্যাত 'চাউল-কেলেংকাৰিৰ' খলনায়কৰ সহায়েৰে –যিবোৰ মানুহে দুখীয়া অসমীয়াৰ মুখৰ ভাত কাঢ়ি নি স্বজাতিক তিলে তিলে হত্যা কৰিবলৈ কুন্ঠাবোধ নকৰে; যিবোৰ মানুহে নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে স্বদেশ আৰু স্বজাতিৰ প্ৰতি চৰম বিশ্বাসঘাতকতা কৰিব পাৰে; যিবোৰ মানুহে শোষণ মুক্ত আৰু দুৰ্নীতি মুক্ত স্বাধীন অসম গঢ়িব খোজে নিজে দুৰ্নীতিৰ পংকত আকন্ঠ নিমজ্জিত হৈ আৰু নিজৰ মানুহকে নিৰ্মম ভাবে শোষণ কৰি।

কেইজনমান বিপথগামী আৰু অল্প বুদ্ধি ডেকা ল'ৰাই বাৰু এনেকৈয়ে অসমক স্বাধীন কৰিব খোজে। কিন্তু এটা মহান আৰু শতাব্দী প্ৰাচীন সভ্যতা সংস্কৃতিৰ অধিকাৰী অসমীয়া জাতিয়েও কি পাকিস্তান আৰু বাংলাদেশৰ সহায়তে অসমক স্বাধীন কৰাৰ এই উন্মাদ প্ৰয়াসক সমৰ্থন কৰে? তেওঁলোকে কি সঁচাকৈয়ে এই কথা বিশ্বাস কৰে যে পাকিস্তান আৰু বাংলাদেশে অসমীয়া মানুহৰ মৰমত গলি গৈ পৰম নিঃস্বাৰ্থভাবে অসমক স্বাধীন হোৱাত সহায় কৰিব খোজে?

অসমীয়া মানুহৰ চৰিত্ৰৰ এটা প্ৰধান দুৰ্বলতা হ'ল এয়েই যে তেওঁলোকে সকলো কাম কৰিব খোজে খুব 'লাহে লাহে'। কথাবোৰো বুজে খুব 'লাহে লাহে'। অসম আন্দোলনৰ সৰ্বনাশী স্বৰূপটো আৰু আন্দোলনৰ নেতা সকলৰ দুৰ্মতি বুজিবলৈ তেওঁলোকৰ সময় লাগিল দহ বছৰ। এতিয়া আল্ফাই আৰম্ভ কৰা আত্ম-ধ্বংসী আন্দোলনটোৰ স্বৰূপ বুজিবলৈকো তেওঁলোকৰ বোধহয় আৰু দহবছৰ সময় লাগিব। সিমান দিনলৈ অসম আৰু অসমীয়াৰ কিবা অস্তিত্ব বাকী থাকিবনে? যিখিনি মানুহে অসম আন্দোলনত ঢুলীয়াৰ ভাও লৈ গোটেই জাতিটোক সৰ্বনাশী আবেগত মতলীয়া কৰিছিল আৰু অসমক প্ৰায় ধ্বংসস্তূপত পৰিণত কৰিছিল, ঠিক সেই একেখিনি মানুহেই আজি আল্ফাৰো অন্ধ সমৰ্থক আৰু প্ৰচাৰকৰ ভূমিকাত অৱতীৰ্ণ হৈছে। অসমীয়া সকলে কেতিয়াও অভিজ্ঞতাৰ পৰা শিক্ষা নলবনে? যিবোৰ মানুহে তেওঁলোকক বিপথে পৰিচালিত কৰি অসমক আজি মানৱতাৰ বধ্যভূমিত পৰিণত কৰিছে, সেই একেখিনি মানুহৰ ছলাহী কথাতে তেওঁলোক এতিয়াও ভোল গৈ থাকিবনে?



CSISCD


# সাংবাদিকতাৰ ৰাজনীতি আৰু সাংবাদিক

অনিৰুদ্ধ দত্ত

অসমৰ দুগৰাকী পূৰ্ণকালীন সাংবাদিকক অলপতে সৈন্য বাহিনীয়ে কৰা গ্ৰেপ্তাৰৰ ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যখনৰ কেতবোৰ মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সাংবাদিক সকলৰ 'প্ৰেছ ক্লাব', বিভিন্ন জিলাৰ সাংবাদিক সংস্থা, ৰাজনৈতিক দল, ছাত্ৰ সংস্থা, গণ্য-মান্য বুদ্ধিজীৱী আদি সকলোৱেই একমুখে ঘটনাৰ তীব্ৰ নিন্দা কৰিছে। যিমানেই সীমিত নহওক লাগিলে, সংবাদপত্ৰৰ যি স্বাধীনতা তাক অক্ষুত কৰি ৰখাৰ বাবে সমাজ জীৱন বদ্ধপৰিকৰ হৈ থকা অৱস্থাত, এনে প্ৰতিক্ৰিয়া বা নিন্দা নিতান্তই স্বাভাৱিক আৰু অত্যন্ত সংগত।

যোৱা ২৫ নবেম্বৰৰ দিনা, গুৱাহাটীৰ পৰা প্ৰকাশিত ইংৰাজী দৈনিক 'ছেন্টিনেল'ৰ চাব-এডিটৰ ৰাজীৱ বৰাক আৰু একেটা গোষ্ঠীৰ পৰাই প্ৰকাশিত

> উক্ত ব্যক্তি দুগৰাকীক সাংবাদিক হোৱাৰ বাবেই আটক কৰা হোৱা নাই আৰু তেওঁলোকক আটক কৰাৰ কাৰণ সমূহৰ লগত, তেওঁলোকৰ সাংবাদিকতা বা বৃত্তিগত কোনো কথা জড়িত নহয়। সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সৈতে তেওঁলোক প্ৰত্যক্ষ ভাবে জড়িত আৰু এই কথা তেওঁলোকৰ স্বীকাৰোক্তিতো প্ৰকাশ পাইছে।



সাংবাদিক মনজিৎ মহন্ত

অসমীয়া দৈনিক 'আজিৰ অসম'ৰ ষ্টাফ ৰিপ'ৰ্টাৰ মনজিৎ মহন্তক ২৬ নবেম্বৰৰ দিনা গুৱাহাটীৰ পৰাই সৈন্য বাহিনীয়ে গ্ৰেপ্তাৰ কৰে। ৰাজীৱ বৰা গ্ৰেপ্তাৰ হয় গুৱাহাটীৰ ৰূপ নগৰত থকা তেওঁৰ বাসস্থানৰ পৰাই আৰু পিছদিনা সেই ঠাইলৈ মনজিৎ মহন্ত যাওঁতে তেওঁকো গ্ৰেপ্তাৰ কৰি পেলায়। উল্লেখ কৰিব পাৰি যে শ্ৰীবৰাৰ বাস ভৱনলৈ যোৱা আন চাৰিজন যুৱককো সেনাই একেদিনাই গ্ৰেপ্তাৰ কৰে। এই প্ৰতিবেদন লেখাৰ সময়লৈকে, অসম চৰকাৰৰ সূত্ৰ মতে, দুয়ো গৰাকী সাংবাদিককে গুৱাহাটীৰ আদালতে ৭ দিনৰ বাবে (২৯ নৱেম্বৰৰ পৰা) পুলিচৰ জিম্মাত বন্দী হিচাপে ৰাখিবলৈ নিৰ্দেশ দিয়ে।

সাংবাদিক দুগৰাকীৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত ইতিমধ্যে গুৱাহাটীৰ সাংবাদিক সকলে সভা অনুষ্ঠিত কৰে। এনে কাৰ্যৰ দ্বাৰা ৰাজ্য চৰকাৰে সাংবাদিকৰ স্বাধীনতা খৰ্ব কৰিছে আৰু সাংবাদিকক নিৰাপত্তা দিব নোৱৰা চৰকাৰে পদত্যাগ কৰা উচিত বুলি সভাই প্ৰস্তাৱ গ্ৰহণ কৰে। লগতে সাংবাদিক দুগৰাকীক মুক্ত নকৰা পৰ্যন্ত চৰকাৰৰ সকলো ধৰণৰ কাৰ্যসূচী, প্ৰেছ বিজ্ঞপ্তি আদিৰ বৰ্জনো আৰম্ভ কৰি দিয়ে। সম্পাদকীয় স্তম্ভ এদিনৰ বাবে উকা কৰি ৰখাৰো সিদ্ধান্ত লয়। তাৰ উপৰিও, গুৱাহাটী মহানগৰীত ২৯ নবেম্বৰৰ দিনা এক প্ৰতিবাদ শোভা যাত্ৰাও অনুষ্ঠিত কৰে। উল্লেখযোগ্য যে সাংবাদিকসকলে লোৱা বৰ্জনৰ সিদ্ধান্তৰ ভিতৰত ক্ষমতাধিষ্ঠ ৰাজনৈতিক দল কংগ্ৰেছ (ই)-কো সামৰা হয়।

কিন্তু লক্ষণীয় বিষয়টো হৈছে যে সাধাৰণ ৰাইজৰ মনত সাংবাদিক সকলক কৰা গ্ৰেপ্তাৰে যিদৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে, তেনেদৰে কি আৰু কেনে ধৰণৰ অভিযোগৰ ভিত্তিতনো গ্ৰেপ্তাৰ কৰা হ'ল



ফটো: 'সময় প্ৰবাহ'ৰ সৌজন্যত

চাব-এডিটৰ ৰাজীৱ বৰা



সেই সম্পৰ্কে যথেষ্ট বিভ্ৰান্তিও হোৱা দেখা গ'ল। কিয়নো, ২৮ নবেম্বৰৰ 'দৈনিক অসম'ত এই বুলি প্ৰকাশিত হৈছিল যে দুয়ো গৰাকী সাংবাদিককে আল্ফাৰ কাম কাজৰ সৈতে জড়িত বুলি পোৱা অভিযোগৰ ভিত্তিতহে সৈন্য বাহিনীয়ে গ্ৰেপ্তাৰ কৰিলে বুলি ৰাজ্য চৰকাৰৰ মুখপাত্ৰই দাবী কৰিছে। জনা মতে, তাৰ আগদিনা অৰ্থাৎ সাংবাদিকৰ আগত অসম চৰকাৰৰ হৈ গৃহ আয়ুক্ত তপনলাল বৰুৱাই স্পষ্ট ভাষাৰে সেই কথা কৈছিল কিন্তু ৰাজ্যখনৰ মাত্ৰ ওপৰত উল্লিখিত কাকতখনৰ বাদে আন সকলোতে চৰকাৰৰ সেই বক্তব্য উহ্য হৈ থাকিল। লগতে এই কথাও সত্য যে চৰকাৰৰ কাৰ্যসূচী বৰ্জন কৰিবলৈ সাংবাদিকসকলে লোৱা সিদ্ধান্তৰ ফলত, সাংবাদিক দুগৰাকীক কিয় গ্ৰেপ্তাৰ কৰা হৈছিল তাৰ চৰকাৰী ব্যাখ্যা অসমৰ জনসাধাৰণে জনাৰ পৰা বঞ্চিত হৈ থাকিব লগা হ'ল।

২৯ নবেম্বৰৰ দিনা সন্ধিয়াহে অসমৰ ৰাইজে ৰেডিঅ' আৰু দূৰদৰ্শনৰ বাতৰি যোগে সাংবাদিক দুগৰাকী গ্ৰেপ্তাৰ হোৱা কাৰণ সমূহৰ আভাস পালে। সেই দিনা আগবঢ়োৱা ৰাজ্য চৰকাৰৰ বক্তব্য আছিল এনে ধৰণৰ–

"উগ্ৰপন্থী সন্ত্ৰাসৰ বিৰুদ্ধে চলি থকা অভিযানৰ সময়ত বিভিন্ন তথ্য আৰু আটকাধীন উগ্ৰপন্থীৰ পৰা পোৱা তথ্যৰ ভিত্তিত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সৈতে জড়িত থকা বুলি যথেষ্ট প্ৰমাণ পোৱা কোনো কোনো লোকক জেৰাৰ বাবে আটক কৰিব লগা হৈছে। তেনেকৈ আটক কৰিব লগীয়া হোৱা লোকৰ ভিতৰতে দুগৰাকী ব্যক্তি বাতৰি কাকতৰ সাংবাদিক হোৱাৰ বাবে গুৱাহাটী প্ৰেছ ক্লাবে অসন্তুষ্টি প্ৰকাশ কৰাটো ৰাজ্য চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। চহৰৰ সাংবাদিক সকলৰ অনুভূতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু সন্মান জনোৱাৰ লগতে এই সন্দৰ্ভত ৰাজ্য চৰকাৰে তেখেত সকলৰ আৰু লগতে ৰাইজৰ জ্ঞাতাৰ্থে সবিনয়ে জনাব খোজে যে উক্ত ব্যক্তি দুগৰাকীক সাংবাদিক হোৱাৰ বাবেই আটক কৰা হোৱা নাই আৰু তেওঁলোকক আটক কৰাৰ কাৰণ সমূহৰ লগত, তেওঁলোকৰ সাংবাদিকতা বা বৃত্তিগত কোনো কথা জড়িত নহয়। সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সৈতে তেওঁলোক প্ৰত্যক্ষ ভাবে জড়িত আৰু এই কথা তেওঁলোকৰ স্বীকাৰোক্তিতো প্ৰকাশ পাইছে।

"এইখিনিতে চৰকাৰে দোহাৰিব খোজে



আল্ফাৰ হাতত নিহত সাংবাদিক কমলা শইকীয়া।

যে সংবাদপত্ৰৰ স্বাধীনতাক চৰকাৰে সদায়েই এক অমূল্য আদৰ্শ ৰূপে গণ্য কৰি আহিছে আৰু এই আদৰ্শ ৰক্ষাৰ বাবে ৰাজ্য চৰকাৰে কেতিয়াও চেষ্টাৰ ত্ৰুটি কৰা নাই। সম্পূৰ্ণ ভিন্ন কাৰণত আটক কৰিব লগীয়া হোৱা দুজন ব্যক্তি ঘটনাক্ৰমে সংবাদপত্ৰৰ সৈতে জড়িত থকাৰ বিষয়টোৱে সংবাদপত্ৰৰ স্বাধীনতাক খৰ্ব কৰা নুবুজায়।

> তেওঁ নিজে আল্ফাৰ বাবে এক যোগাযোগ কেন্দ্ৰ হিচাপে কাম কৰিছিল আৰু 'ছেন্টিনেল' কাকতৰ কাৰ্যালয়ত থকা টেলিফোন ব্যৱহাৰ কৰি, দিল্লী আৰু কলিকতাত থকা আল্ফা কৰ্মী সকলক খবৰ সৰবৰাহ কৰি দিছিল। আল্ফাৰ প্ৰতি আগবঢ়োৱা এনে সহায়ৰ বিনিময়ত, তেওঁক ভৱিষ্যতে অষ্ট্ৰেলিয়াত ফটোগ্ৰাফিৰ কোৰ্চ অধ্যয়ন কৰাৰ বাবদ সমুদায় খৰচ বহণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। পুলিচৰ জেৰাতেই হেনো এই কথাও স্বীকৃত হৈছে যে 'আজিৰ অসম' কাকতৰ সংবাদদাতা মনজিৎ মহন্তই আল্ফাৰ গুৱাহাটী মহানগৰ গোটটোৰ প্ৰচাৰ সচিব ৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল।

ৰাজ্য চৰকাৰে পৰিষ্কাৰ ভাবে আৰু দৃঢ়তাৰে ৰাজহুৱা ভাবে পুনৰ ঘোষণা কৰিব খোজে যে সংবাদপত্ৰৰ আৰু বৃত্তিগত কাৰ্যকলাপৰ বাবে প্ৰতিজন সাংবাদিকৰ স্বাধীনতা নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ কেৱল আগ্ৰহীয়েই নহয়, দৃঢ় সংকল্পবদ্ধও।"

"ৰাজ্য চৰকাৰে আশা কৰিছে যে শ্ৰদ্ধাভাজন সাংবাদিক সকলে চৰকাৰৰ এই দ্ব্যৰ্থহীন ঘোষণা আৰু প্ৰতিশ্ৰুতি অনুধাৱন কৰিব আৰু তেখেত সকলৰ মনত সৃষ্টি হোৱা বিভ্ৰান্তিও এই ঘোষণা আৰু প্ৰতিশ্ৰুতিয়ে নিৰসন কৰিব।"

উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে সম্প্ৰতি এই দাবীও কৰিছে বুলি প্ৰকাশ যে "ছেন্টিনেল" কাকতৰ চাব এডিটৰ ৰাজীৱ বৰাক সৈন্য বাহিনীয়ে নগদ সাত হেজাৰ টকা সহ গ্ৰেপ্তাৰ কৰিছিল। উক্ত টকাখিনি ধীৰাজ মোহন গগৈ নামৰ আল্ফা বুলি অভিযুক্ত এজন যুৱকে আন এজন আল্ফা কৰ্মীক দিবৰ বাবে শ্ৰীবৰাৰ হাতত দিছিল। জেৰাৰ সময়ত শ্ৰীবৰাই হেনো স্বীকাৰ কৰিছে যে তেওঁ নিজে আল্ফাৰ বাবে এক যোগাযোগ কেন্দ্ৰ হিচাপে কাম কৰিছিল আৰু 'ছেন্টিনেল' কাকতৰ কাৰ্যালয়ত থকা টেলিফোন ব্যৱহাৰ কৰি, দিল্লী আৰু কলিকতাত থকা আল্ফা কৰ্মী সকলক খবৰ সৰবৰাহ কৰি দিছিল। আল্ফাৰ প্ৰতি আগবঢ়োৱা এনে সহায়ৰ বিনিময়ত, তেওঁক ভৱিষ্যতে অষ্ট্ৰেলিয়াত ফটোগ্ৰাফিৰ কোৰ্চ অধ্যয়ন কৰাৰ বাবদ সমুদায় খৰচ বহণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। পুলিচৰ জেৰাতেই হেনো এই কথাও স্বীকৃত হৈছে যে 'আজিৰ অসম' কাকতৰ সংবাদদাতা মনজিৎ মহন্তই আল্ফাৰ গুৱাহাটী মহানগৰ গোটটোৰ প্ৰচাৰ সচিব ৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল। সাংবাদিক দুগৰাকীক গ্ৰেপ্তাৰ কৰাৰ ক্ষেত্ৰত এয়াই হৈছে চৰকাৰী বক্তব্য।"

সংবাদপত্ৰৰ স্বাধীনতা অক্ষুণ্ণ ৰখাৰ বাবে চৰকাৰে বিবৃতি যোগে দিয়া প্ৰতিশ্ৰুতি সাধাৰণভাবে আদৰণীয় কিন্তু কাৰ্যক্ষেত্ৰত সেয়া কিদৰে প্ৰতিফলিত হয় সেইটোহে গুৰুত্বপূৰ্ণ কথা। তাৰ উপৰিও, এই কথাও সত্য যে বেআইনী আল্ফাৰ লগত জড়িত বুলি চৰকাৰে সম্প্ৰতি দাবী কৰিলেও সেই দাবী আদালতৰ মজিয়াত প্ৰমাণিত হ'ব লাগিব। প্ৰমাণিত হলেহে তেওঁলোক জগৰীয়া বুলি চিহ্নিত হ'ব, তাৰ আগলৈকে নহয়। এনেস্থলত, প্ৰশ্ন স্বাভাৱিকতেই

উঠে যে সাংবাদিক গ্ৰেপ্তাৰ জানো যুক্তিযুক্ত।

সন্দেহ নাই যে সাংবাদিক সকল দেশৰ সংবিধানৰ উৰ্ধ্বত নহয়। বাতৰি কাগজো নহয়। আনকি স্বয়ং চৰকাৰো নহয়। এনে অৱস্থাত সাংবাদিকৰ স্বাধীনতা বুলি যি ফেৰা অধিকাৰ আছে সেয়াও সংবিধান বহিৰ্ভূত নহয়। সেই স্বাধীনতাও আকৌ এগৰাকী সাংবাদিকৰ বাবে কেৱলমাত্ৰ তেওঁৰ সাংবাদিকতা অৰ্থাৎ বৃত্তিগত কাৰ্যকলাপৰ বাবেহে, আন কামৰ বাবে নহয়। বৃত্তিগত কাৰ্যকলাপত চৰকাৰী বেচৰকাৰী প্ৰতিষ্ঠানে হস্তক্ষেপ কৰিলেহে সাংবাদিকতাৰ স্বাধীনতা খৰ্ব হয়। গুৱাহাটীৰ সাংবাদিক দুগৰাকীক চৰকাৰৰ মতে বৃত্তিগত কাৰ্যকলাপৰ বাবে নহয় আন কেতবোৰ সাংবাদিকতা-বহিৰ্ভূত কাৰ্য-কলাপৰ বাবেহে গ্ৰেপ্তাৰ হৈছে। গতিকে এনে ক্ষেত্ৰত, ততালিকেই অৰ্থাৎ আদালতত প্ৰমাণিত নোহোৱা পৰ্যন্ত এনে গ্ৰেপ্তাৰক প্ৰেছৰ স্বাধীনতাৰ ওপৰত আক্ৰমণ বুলি কোৱাটো কিমানদূৰ যুক্তিসংগত হ'ব সেই কথা প্ৰণিধানযোগ্য। অৱশ্যে এইটো ঠিক যে প্ৰিয় সহকৰ্মী দুগৰাকীৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদ জনোৱাৰ অধিকাৰ বা তেওঁলোকক মুক্তিৰ দাবী জনোৱাৰ অধিকাৰ সাংবাদিক সকলৰ আছে, কিন্তু সংবাদপত্ৰৰ স্বাধীনতা আক্ৰমিত হৈছে বুলি কোৱাৰ থলহে তেনেই দুৰ্বল। দৰাচলতে নাই বুলি কলেও অত্যুক্তি কৰা নহয়।

মন কৰা দৰকাৰ যে সাংবাদিকৰ বৃত্তিগত স্বাধীনতাৰ ওপৰত হস্তক্ষেপ যে শইকীয়া চৰকাৰৰ দিনত এতিয়ালৈকে একেবাৰেই হোৱা নাই তেনে নহয়। কিছুদিনৰ আগেয়ে, গুৱাহাটীৰ পৰা প্ৰকাশিত 'নৰ্থ-ইষ্ট টাইমছ' কাকতৰ সম্পাদকৰ কোঠালিত, অস্ত্ৰধাৰী পুলিচ বিষয়া সোমাই তৰ্জন-গৰ্জন কৰাৰ এটা ঘটনা ঘটিছিল। কাকতখনত প্ৰকাশিত এটা বাতৰিৰ বাবেই পুলিচে তেনে এক অশোভনীয় ঘটনা ঘটাইছিল। নিঃসন্দেহে সেই ঘটনা আছিল সাংবাদিকতা বৃত্তিৰ ওপৰত এক নিৰ্লজ্জ হস্তক্ষেপ আৰু ভাবুকি। ৰাজ্য চৰকাৰে যেনিবা ভালেকেইদিনৰ পিছত উক্ত পুলিচ বিষয়া গৰাকীৰ ওপৰত প্ৰশাসনীয় ব্যৱস্থা লৈ ঘটনাটোৰ সামৰণি মাৰিলে। কিন্তু উক্ত ঘটনাই ৰাজ্যখনৰ সাংবাদিক আৰু সংবাদপত্ৰ সমূহৰ মাজত যি ধৰণৰ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব লাগিছিল, তেনেকুৱা একো নহল। নিন্দা-গৰিহণাৰ বিবৃতি দিয়েই সকলোবোৰ খালাচ হোৱা পৰিলক্ষিত হ'ল। প্ৰতিবাদ সভা-সমিতি একোৱেই নহ'ল।

অপ্ৰিয় হলেও সত্য যে একেধৰণৰ ঘটনাই পৰিলক্ষিত হ'ল আল্ফাৰ হাতত নিহত হোৱা সাংবাদিক কমলা শইকীয়াৰ ক্ষেত্ৰতো। নিজৰ লেখা আৰু সংবাদৰ বাবেই শিৱসাগৰ চহৰৰ সেই প্ৰবীণ সাংবাদিক গৰাকীয়ে আল্ফাৰ হাতত প্ৰাণ এৰিলে। অত্যন্ত নিষ্ঠুৰ আছিল সেই মৃত্যু। লেখাৰ অৰ্থাৎ সাংবাদিকতা বৃত্তিৰ যি স্বাধীনতা তাৰ পতাকা উৰ্ধ্বত তুলি ৰাখিবলৈ গৈয়েই তেখেত আল্ফাৰ ৰোষত পৰিছিল। নিঃসন্দেহে সেই ঘটনা আছিল

কিন্তু দুগৰাকী সাংবাদিকৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত যিদৰে ৰাজ্য চৰকাৰৰ কাৰ্যসূচী, বিবৃতি আদি বৰ্জন কৰাৰ সিদ্ধান্ত ললে, তেনেধৰণৰ কোনো কাৰ্যসূচীয়েই আল্ফাৰ ক্ষেত্ৰত লোৱা নাছিল নিজৰ লগৰে এগৰাকীয়ে প্ৰেছৰ স্বাধীনতাৰ সুনাম ৰাখি নিহত হোৱা সত্ত্বেও। সাংবাদিক সকলৰ এনে দুতৰপীয়া ভূমিকাই সাধাৰণ ৰাইজৰ মাজত সন্দেহ সৃষ্টি কৰিবলৈ বাধ্য।

সাংবাদিকতাৰ স্বাধীনতাৰ ওপৰত এক মুক্ত আক্ৰমণ। উক্ত ঘটনাৰ প্ৰতিবাদ কৰি সাংবাদিক সকলে গুৱাহাটী মহানগৰীৰ বুকুত এক সমদল উলিয়ালে সঁচা। কিন্তু দুগৰাকী সাংবাদিকৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত যিদৰে ৰাজ্য চৰকাৰৰ কাৰ্যসূচী, বিবৃতি আদি বৰ্জন কৰাৰ সিদ্ধান্ত ললে, তেনেধৰণৰ কোনো কাৰ্যসূচীয়েই আল্ফাৰ ক্ষেত্ৰত লোৱা নাছিল নিজৰ লগৰে এগৰাকীয়ে প্ৰেছৰ স্বাধীনতাৰ সুনাম ৰাখি নিহত হোৱা সত্ত্বেও। সাংবাদিক সকলৰ এনে দুতৰপীয়া ভূমিকাই সাধাৰণ ৰাইজৰ মাজত সন্দেহ সৃষ্টি কৰিবলৈ বাধ্য।

বিগত কালছোৱাত অসমৰ সাংবাদিক সকলৰ মৰ্যাদা যে অনেক অৱনমিত হৈছে সেই কথা লুকাই লাভ নাই। কাৰণ তেওঁলোকৰ মাজতে এনেকুৱা লোকেও কাৰ্যনিৰ্বাহ কৰি আছে যি সকলে আন নেলাগে বিগত নিৰ্বাচনটোতেই বিভিন্ন ৰাজনৈতিক দল আৰু গোষ্ঠীৰ প্ৰাৰ্থীত্ব লৈ প্ৰতিদ্বন্দ্বিতা কৰিছিল। ইয়াৰ পিছত সেই সকলেই যদি আকৌ নিৰপেক্ষতাৰ নেওঁতা আওঁৰায়, তেন্তে তাত কাৰো বিশ্বাস নোহোৱাটোৱেই স্বাভাৱিক। এনে সাংবাদিকো আছে, যি সকলৰ কাকতৰ তৰফৰ পৰা এফালে ভাৰতীয় সংবিধান মানি লোৱাৰ প্ৰতিশ্ৰুতি ৰেজিষ্ট্ৰেচন কৰাৰ সময়তেই দি থোৱা হৈছে অথচ তেখেত সকলে সংবিধান বহিৰ্ভূত 'স্বাধীন অসম'ৰ ওপৰত সভাই সমিতিয়ে সাংবাদিকতাৰ পোছাক পিন্ধিয়েই বক্তৃতা দি ফুৰিছে। এনে সাংবাদিকো আছে যি সকলে লেখাই-মেলাই দিল্লী আৰু দিচপুৰৰ চৰকাৰক অহৰহ 'ফেচিষ্ট' বুলি আখ্যা দি আছে। ফেচিবাদ হৈছে সমগ্ৰ মানৱতাৰেই শত্ৰু। চৰকাৰ এটাক তেনেদৰে মূল্যায়ন কৰাৰ অধিকাৰ সাংবাদিকৰ আছে বুলিয়েই সাধাৰণ ৰাইজে বুজে। কিন্তু সেই সকলেই যেতিয়া 'ফেচিষ্ট' চৰকাৰে দিয়া ধনৰ বিনিময়ত নিজৰ নিজৰ কাকততে চৰকাৰী বিজ্ঞাপনো পৰম আগ্ৰহেৰে ছপায়, তেতিয়া তেওঁলোকৰ দ্ব্যৰ্থ ভূমিকা অত্যন্ত নাঙঠ ৰূপত দেখা পাই ৰাইজে বিব্ৰত বোধ কৰে। এনেধৰণৰ দুতলীয়া ভূমিকা একাংশৰ ক্ষেত্ৰত থকা বাবেই আৰু হয়তো নিৰ্বাচনৰ আগ মুহূৰ্তত হিতেশ্বৰ শইকীয়া তথা কংগ্ৰেছ দলক পৰাজিত কৰিবলৈ ৰাইজৰ প্ৰতি মুক্ত আহ্বান জনাই সম্পূৰ্ণ এক ৰাজনৈতিক অৱস্থান একাংশই গ্ৰহণ কৰি শেহান্তত হতাশ হোৱা বাবেই দেখা গৈছিল যে গুৱাহাটীৰ সাংবাদিক দুগৰাকীক গ্ৰেপ্তাৰৰ প্ৰতিবাদ কল্পে হোৱা ২৯ নবেম্বৰৰ শোভাযাত্ৰাত 'হিতেশ্বৰ শইকীয়া মুৰ্দাবাদ' ধ্বনিৰহে প্ৰাবল্য ঘটিছিল।

ৰাজনৈতিক জগতৰ সংকীৰ্ণতা, সাংবাদিকতাৰ জগতখনত বিয়পি পৰিলে সংবাদ মাধ্যমৰ নিৰপেক্ষতা আৰু পবিত্ৰতা বিনষ্ট হোৱাটো ধুৰূপ। ৰাজনৈতিক চক্ৰ বা চৰকাৰ সমূহে সংবাদ জগতত প্ৰভাব বিস্তাৰ কৰিবলৈ অহৰহ সৰ্বতো প্ৰকাৰে চেষ্টা চলাই থকাটো কাৰো অবিদিত নহয়। তেনেবোৰ চেষ্টাক প্ৰতিহত কৰিব পৰাটোহে সাংবাদিকতাৰ কৃতিত্ব। দুয়োটা মহলৰ পৰা এই যুঁজ অহৰহ চলি থকাটোৱেই নিয়ম। কিন্তু সেই যুঁজত সদায় সাংবাদিক সকল জয়ী হোৱাটোহে সৰ্বসাধাৰণ ৰাইজে বিচাৰে। সেয়ে নহলে, কেতিয়াবা কৰবাত সাংবাদিক অপমানিত বা অপদস্থ হলে ৰাজপথত আনন্দৰ কিৰিলিহে শুনা যাব, প্ৰতিবাদ নহয়। ■







# মন্ত্ৰী-বিধায়কৰ প্ৰমোদ ভ্ৰমণৰ পয়মাল

ৰাজ্য জুৰি বিতৰ্কৰ সৃষ্টি কৰা, অসমৰ মন্ত্ৰী-বিধায়কৰ বিদেশ ভ্ৰমণৰ অন্ত পৰিল। যোৱা ১৫ নবেম্বৰত দলটো গুৱাহাটী পায়হি। উক্ত ভ্ৰমণক কেন্দ্ৰ কৰি স্থানীয় কাকত সমূহে মন্ত্ৰী-বিধায়কসকলক কটু সমালোচনা কৰাও পৰিলক্ষিত হ'ল। অসম বিধান সভাৰ সচিবালয়ে আয়োজন কৰা উক্ত বিদেশ ভ্ৰমণ যে 'অধ্যয়নমূলক' ভ্ৰমণ নাছিল, কেৱল মাত্ৰ আমোদ প্ৰমোদৰহে আছিল সেই বিষয়ে ভ্ৰমণসূচীখন এবাৰ অধ্যয়ন কৰিলেই সহজে ক'ব পাৰি। উক্ত ভ্ৰমণক কেন্দ্ৰ কৰি নানা চাঞ্চল্যকৰ বা-বাতৰি পৰিবেশন হ'ল যদিও, কিছু কথা অন্ধকাৰৰ গৰ্ভতে লুকাই থকা দেখা গ'ল। কেইজন সদস্যইনো বিদেশ ভ্ৰমণ কৰিলে, তাৰো সঠিক সংখ্যাটো নোলাল। এখন ইংৰাজী দৈনিক কাকতে আকৌ প্ৰতিনিধি দলটোৰ পূৰণা ভ্ৰমণসূচীখনকে 'বক্স' আকাৰে বাতৰি পৰিবেশন কৰিলে। কিন্তু অসম বিধান সভাৰ সচিবালয়ৰ অনুৰোধ ক্ৰমে যে স্থানীয় "ইষ্ট ওৱেষ্ট হলিডেইজ" নামৰ ট্ৰেভেল এজেন্সীটোৱে পূৰ্বতে দাখিল কৰা ভ্ৰমণসূচীৰ কিছু সাল-সলনি ঘটাই খৰচকীয়া আৰু কম ব্যয়ৰ এখন নতুন ভ্ৰমণসূচী যে প্ৰস্তুত কৰি দিছিল, সেই খবৰ নোলালেই। ফলত প্ৰতিনিধি দলটো ১০ নবেম্বৰৰ পৰিবৰ্তে ৮ নবেম্বৰৰ দিনাই কলিকতাৰ পৰা বেংকক অভিমুখে ৰাওনা হয় এয়াৰ ইণ্ডিয়াৰ ৩০৬ বিমানযোগে। অন্যহাতেদি স্থানীয় বাতৰি কাকতৰ মতে প্ৰতিনিধি দলটো ১৭ নবেম্বৰৰ দিনাহে হংকঙৰ পৰা কলিকতালৈ ঘূৰি অহাৰ কথা আছিল। কিন্তু নতুন ভ্ৰমণসূচী মতে দলটো ১৪ নবেম্বৰতেই ভ্ৰমণ সমাপ্ত কৰি কলিকতাত উপস্থিত হয় আৰু ১৫ নবেম্বৰত গুৱাহাটী পায়হি। অন্য এখন দৈনিক কাকতে আকৌ অসম বিধান সভাৰ এগৰাকী উপ-সচিবে বিদেশী বস্তু কঢ়িয়াই আনি জৰিমণা ভৰিলে বুলি অসত্য বাতৰি প্ৰকাশ কৰি বাহবা ল'লে। প্ৰকৃততে উপ-সচিব গৰাকীয়ে অধিক মূল্যৰ এপদ বস্তুও অনা নাছিল, আনিছিল অন্য এগৰাকী বিষয়াইহে।

সেই সময়ত প্ৰতিনিধি দলটোত আছিল, অসম বিধান সভাৰ অধ্যক্ষ, ৪ গৰাকী মন্ত্ৰী, ১৯ গৰাকী বিধায়ক, ৪ গৰাকী অসম বিধান সভাৰ সচিবালয়ৰ বিষয়া আৰু ১১ গৰাকী বেচৰকাৰী সদস্য (তালিকা দ্ৰষ্টব্য)। বিশ্বস্ত সূত্ৰৰ পৰা জানিব পৰা মতে প্ৰতিনিধি দলটোৰ তালিকাত বিধায়ক ছহিদুল আলম চৌধুৰী, স্বাস্থ্য মন্ত্ৰী লাংথাছাৰ আত্মীয় ভোগেশ্বৰ শ্যাম আৰু বিধায়ক প্ৰফুল্ল কুমাৰ মহন্তৰ পুত্ৰ স্যমন্তক কাশ্যপৰ নামো সন্নিবিষ্ট হৈছিল। কিন্তু তেওঁলোকৰ কোনো এজনেই বিদেশ ভ্ৰমণলৈ যোৱা নাছিল। গতিকে বিদেশ ভ্ৰমণ কৰা সদস্যৰ সংখ্যা আছিল মুঠতে ৩৯ জনহে। কাকতত প্ৰকাশ হোৱাৰ দৰে ৪২ জন নাছিল। তাৰ উপৰিও ভ্ৰমণৰ সময়ছোৱাত প্ৰতিনিধি দলটোৱে যাতে কোনো অসুবিধাৰ সন্মুখীন নহয়, তালৈ লক্ষ্য ৰাখি ট্ৰেভেল এজেন্সী"য়ে ভ্ৰমণকাৰী দলটোৰ লগতে অপৰ্ণা চতুৰ্বেদী নামৰ এগৰাকী যুৱতীক এচৰ্কট (Escort) হিচাপে পঠাইছিল বুলি জনা যায়। উক্ত যুৱতী গৰাকীক লেখত ধৰিলে দলটোত মুঠ সদস্যৰ সংখ্যা ৪০ জন বুলি ক'ব পাৰি।

এতিয়া ঘাই প্ৰশ্ন হ'ল, কাৰ খৰচত উক্ত মন্ত্ৰী আৰু বিধায়কসকলে বিদেশ ভ্ৰমণ কৰিবলৈ সুযোগ লাভ কৰিলে? এই প্ৰশ্নৰ সমিধান পাবলৈ হ'লে ট্ৰেভেল এজেন্সীটোৱে ভ্ৰমণৰ বাবদ প্ৰস্তুত কৰি দিয়া মুঠ খৰচৰ বিষয়ে অৱগত হব লাগিব। উক্ত এজেন্সীয়ে ভ্ৰমণৰ বাবদ সৰ্বমুঠ খৰচ ধাৰ্য কৰি দিছিল ১৬,৯৪৮ টকা। এই সমুদায় খৰচৰ ভিতৰত আছিল, বিমান ভাড়াৰ বাবদ ৯২৩৪ টকা। চৰকাৰৰ বাবে কৰ ৭২৭ টকা। ভিছা মাচুল ৩০০ টকা। বিমান বন্দৰৰ কৰ ৩০০ টকা। হোটেলত থকা-খোৱা, পৰিবহন আৰু গাইডৰ (Guide) খৰচকে সামৰি সৰ্বমুঠ ৬৩৮৭ টকা। উল্লেখযোগ্য যে সদস্যসকলৰ ব্যক্তিগত জেপ খৰচ উক্ত ভ্ৰমণৰ খৰচৰ লগত সামৰা হোৱা নাই। জেপ খৰচৰ বাবদ প্ৰতিজন সদস্যই ৫২০ ডলাৰকৈ (প্ৰায় ১৬০০০) বিদেশী মুদ্ৰা কিনি লব পৰা নিয়ম আছে যদিও সদস্যজনে ইচ্ছা কৰিলে তাতোকৈ কম বিদেশী মুদ্ৰা ক্ৰয় কৰিব পাৰে। ভ্ৰমণ কৰা সদস্যৰ তালিকালৈ লক্ষ্য কৰিলে দেখা যায় যে এজেন্সীটোৱে ধাৰ্য কৰি দিয়া খৰচৰ বিপৰীতে মন্ত্ৰী আৰু বিধায়ক সকলে গাইপতি মাত্ৰ ১০ হাজাৰকৈহে টকা জমা দিছিল। গতিকে তেওঁলোকে দিবলৈ বাকী থকা ৬৯৪৮ টকা জমা নিদিয়াকৈয়ে কেনেকৈ আৰু কি ভাবে বিদেশৰ প্ৰমোদ ভ্ৰমণ সমাপ্ত কৰি স্বদেশলৈ উভতি আহিল, সেই কথা সম্প্ৰতি ৰহস্য হৈয়ে ৰ'ল। কিন্তু কেতবোৰ মহলৰ মতে উক্ত ৰহস্যৰ সম্ভেদ হেনো দিব পাৰিব কেৱল অসম বিধান সভাৰ সচিবালয়েহে। ৰহস্যৰ সম্ভেদ বিচাৰি এদিন নিশ্চয় অসম বিধান সভাৰ মজিয়া যে উথলি উঠিব, তাত কোনো সন্দেহ নাই।

জানিব পৰা মতে ৰাজ্য চৰকাৰে মন্ত্ৰী-বিধায়ক সকলৰ উক্ত বিদেশ ভ্ৰমণ সম্পৰ্কত উদ্গনি দিবলৈ বিচৰা নাছিল। মন্ত্ৰী সকলে বিদেশ ভ্ৰমণ কৰা সম্পৰ্কত থকা কেন্দ্ৰীয় চৰকাৰৰ নীতি-নিৰ্দেশনাৰ বিষয়ে অৱগত কৰাবলৈ ৰাজ্য চৰকাৰৰ সংসদী পৰিক্ৰমা বিভাগে যোৱা ২ নবেম্বৰত মন্ত্ৰী সকলৰ জ্ঞাতাৰ্থে এখন নীতি-নিৰ্দেশনা (Guide-line) প্ৰেৰণ কৰে। উক্ত নিৰ্দেশনাৱলীত কোৱা হৈছে যে মন্ত্ৰী সকলে বিদেশ ভ্ৰমণৰ বাবে যাত্ৰা কৰাৰ অন্ততঃ ৬ সপ্তাহৰ আগতে ৰাজ্য চৰকাৰৰ সংসদী পৰিক্ৰমা বিভাগলৈ তথ্য-সহকাৰে প্ৰস্তাৱ দাখিল কৰিব লাগিব। প্ৰস্তাৱিত বিদেশ ভ্ৰমণ চৰকাৰী পদ-মৰ্যাদাৰে হবনে অথবা ভ্ৰমণ কৰিব খোজা ৰাষ্ট্ৰখনৰ চৰকাৰ বা সংগঠনৰ নিমন্ত্ৰণ ক্ৰমে হব। চৰকাৰী প্ৰতিনিধি হিচাপে ভ্ৰমণ কৰিলে, প্ৰতিনিধি দলটোৰ গঠন আৰু সদস্য সকলৰ ব্যক্তিগত তথ্য উল্লেখ থাকিব লাগিব। ভ্ৰমণ কৰিব খোজা ৰাষ্ট্ৰখনৰ বিষয়ববীয়া সকলৰ লগত সম্পাদন হব লগা কাৰ্য আৰু তাত থাকিব লগা সময় উল্লেখ থাকিব লাগিব। এই ভ্ৰমণৰ পৰা সামগ্ৰিক ভাবে ৰাজ্য চৰকাৰৰ কিবা উপকাৰ হবনে নহয়। সকলো ধৰণৰ প্ৰয়োজনীয় তথ্য-পাতিৰে সৈতে উক্ত প্ৰস্তাৱ দাখিল কৰিব লাগিব। সংসদী

পৰিক্ৰমা বিভাগে প্ৰস্তাৱটো সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত বিশদ ভাবে আলোচনা কৰিব আৰু প্ৰশাসনীয় সিদ্ধান্ত জনাব। মন্ত্ৰীৰ ব্যক্তিগত ভ্ৰমণৰ ক্ষেত্ৰত অৱশ্যে মন্ত্ৰী সভাৰ (Cabinet) অনুমোদন প্ৰযোজ্য হব (Office Memorandum No. PARL. 24/90/51. Date- 2.11.91)। উক্ত মন্ত্ৰী কেইগৰাকীৰ ভ্ৰমণ সংক্ৰান্তত মন্ত্ৰীসভাই অনুমোদন দিলে নে নাই জানিব পৰা নাই।

বিদেশ ভ্ৰমণ কৰা ৰাজ্যখনৰ এগৰাকী ৰাজ্যিক মন্ত্ৰীয়ে (চিত্তৰঞ্জন পাটোৱাৰী, বৰ্তমান এম এল এ) অধিক মূল্যৰ বিদেশী বস্তু ক্ৰয় কৰি বিমান বন্দৰত শুল্ক নিদিয়াকৈ সাৰি আহিবলৈ প্ৰচেষ্টা চলাওঁতে বিমান কোঠত ধৰা পৰা ঘটনাটো ৰাজ্যখনৰ বাবে যে অপমানজনক আছিল, সেই কথা সকলোৰে জ্ঞাত। এই সংক্ৰান্তত স্থানীয় ট্ৰেভেল এজেন্সীটোৱে আগতীয়াকৈ অসম বিধান সভাৰ সচিবালয়ক জনাইছিল যে কাষ্টমচ ক্লিয়েৰেন্সৰ বাবে তেওঁলোক দায়বদ্ধ নহব। ইয়াৰ উপৰিও এজেন্সীটোৱে পৃথককৈ শুল্ক বিভাগৰ কিছুমান নীতি-নিয়মৰ কথাও দলটোৰ সদস্য সকলক অৱগত কৰিছিল বুলি জনা যায়। শ্ৰীপাটোৱাৰীয়ে শুল্ক বিভাগৰ সেই স্থায়ী আদেশ (Standing order) আওকাণ কৰাৰহে প্ৰমাণ পোৱা গ'ল।

ভাৰতত বসতি কৰা এজন লোকে চমু বিদেশ ভ্ৰমণলৈ গ'লে বয়-বস্তু সম্পৰ্কীয় কিছুমান নীতি-নিয়ম (Baggage rules) জনাটো অতীব প্ৰয়োজন। শুল্ক বিভাগৰ উক্ত নিয়মাৱলীৰ মতে যদি এগৰাকী ব্যক্তিয়ে কেমেৰা, ভি ডি অ' কেমেৰা, ভি ডি অ' কেছেট, ৰেকৰ্ডাৰ, গহনাপাতি বা অধিক মূল্যৰ ঘড়ী আদি উচ্চ মূল্যৰ বস্তু লগত আনিব খোজে, তেতিয়াহ'লে উভতি অহাৰ আগে আগে শুল্ক বিষয়াৰ পৰা সেই বস্তুবোৰৰ বাবে এখন ৰপ্তানি প্ৰমাণ পত্ৰ বিচাৰিব লাগিব। এই প্ৰমাণ পত্ৰ থাকিলে শুল্ক ভৰিব নালাগে আৰু অসুবিধাত পৰাৰ সম্ভাৱনা কম। ২০ হাজাৰতকৈ অধিক মূল্যৰ গহনাপাতি বিশেষকৈ সোণৰ গহনা ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ অনুমতি অবিহনে অনাটো নিষেধ। গহনাপাতিৰ বাহিৰে ব্যক্তিগত ভাবে ব্যৱহাৰ কৰা শুল্ক মুক্ত (duty free) সামগ্ৰী আনিব পাৰে। তাৰ উপৰি ২000 টকা পৰ্যন্ত সামগ্ৰী শুল্ক নিদিয়াকৈ আনিব পাৰে। যদি বিদেশত থকাৰ সময় ৩ দিনতকৈ কম বা যদি

### প্ৰমোদ ভ্ৰমণৰ বাবে বিদেশলৈ ৰাওনা হোৱাসকল আৰু খৰচৰ বাবদ জমা দিয়া ধনৰ পৰিমাণঃ

**কংগ্ৰেছ**

| | | |
|---|---|---|
| ১। | গোবিন্দ চন্দ্ৰ লাংথাছা, মন্ত্ৰী | ৭৭,৭৯২ টকা (পৰিয়ালসহ) |
| ২। | কুলবাহাদুৰ ছেত্ৰী, মন্ত্ৰী | ১0,000 টকা |
| ৩। | জগত পাটগিৰি, মন্ত্ৰী | ১0,000 টকা |
| ৪। | চিত্তৰঞ্জন পাটোৱাৰী, এম এল এ | ১0,000 টকা |
| ৫। | জয়চন্দ্ৰ নাগবংশী, এম এল এ | ১0,000 টকা |
| ৬। | কুশল চাহু, এম এল এ | ১0,000 টকা |
| ৭। | মুজিবুৰ ৰহমান, এম এল এ | ১0,000 টকা |
| ৮। | চন্দন কুমাৰ চৰকাৰ, এম এল এ | ১0,000 টকা |
| ৯। | ৰুদ্ৰ পৰাজুলি, এম এল এ | ১0,000 টকা |
| ১0। | বৰ্ণবাস তাঁতী, এম এল এ | ১0,000 টকা |
| ১১। | জামান সিং ব্ৰহ্ম, এম এল এ | ১0,000 টকা |
| ১২। | অমিয়া গগৈ, এম এল এ | ২৭,000 টকা (পৰিয়ালসহ) |
| ১৩। | পৃথিবী মাঝি, এম এল এ | ১0,000 টকা |

**অসম গণ পৰিষদ**

| | | |
|---|---|---|
| ১৪। | প্ৰফুল্ল কুমাৰ মহন্ত, এম এল এ | ৩0,000 টকা (পৰিয়ালসহ) |
| ১৫। | জয়নাথ শৰ্মা, এম এল এ | ১0,000 টকা |
| ১৬। | ডাঃ কমলা কলিতা, এম এল এ | ২৬,৯৪৮ টকা (পৰিয়ালসহ) |
| ১৭। | যতীন মালী, এম এল এ | ১0,000 টকা |
| ১৮। | ৰেণুপমা ৰাজখোৱা, এম এল এ | ১0,000 টকা |
| ১৯। | বুবুল দাস, এম এল এ | ১0,000 টকা |
| ২0। | ভূপেন ৰয়, এম এল এ | ১0,000 টকা |
| ২১। | বিনোদ গোৱালা, এম এল এ | ১0,000 টকা |
| ২২। | সত্যেন্দ্ৰ নাথ মজুমদাৰ, এম এল এ (বিজেপি) | ১0,000 টকা |
| ২৩। | চন্দ্ৰমোহন পাটোৱাৰী, এম এল এ (নিৰ্দলীয়) | ২৭,000 টকা (পৰিয়ালসহ) |

**অসম বিধান সভা সচিবালয়ঃ**

| | |
|---|---|
| ২৪। | জীৱকান্ত গগৈ, অধ্যক্ষ |
| ২৫। | সত্যেন্দ্ৰনাথ ডেকা সচিব |
| ২৬। | দিবাকৰ তালুকদাৰ, যুটীয়া সচিব |
| ২৭। | সূৰ্য কুমাৰ চাংমাই, উপ সচিব, |
| ২৮। | দুৰ্গা প্ৰসাদ ফুকন, অধ্যক্ষৰ সচিব |

**প্ৰতিনিধি দলটোৰ লগত যোৱা বেচৰকাৰী সদস্য সকলঃ**

| | |
|---|---|
| ২৯। | শ্ৰীমতী বি গগৈ, অধ্যক্ষ গগৈৰ পত্নী |
| ৩0। | ৰূপক কুমাৰ গগৈ, অধ্যক্ষৰ পুত্ৰ |
| ৩১। | শ্ৰীমতী এ লাংথাছা, স্বাস্থ্য মন্ত্ৰীৰ পত্নী |
| ৩২। | মিছ এ, লাংথাছা, স্বাস্থ্য মন্ত্ৰীৰ জীয়াৰী |
| ৩৩। | এন, লাংথাছা, স্বাস্থ্য মন্ত্ৰীৰ পুত্ৰ |
| ৩৪। | জয়শ্ৰী গোস্বামী মহন্ত, প্ৰফুল্ল কুমাৰ মহন্তৰ পত্নী |
| ৩৫। | ৰীতা চৌধুৰী, চন্দ্ৰমোহন পাটোৱাৰীৰ পত্নী |
| ৩৬। | কল্যাণী কলিতা মালী, যতীন মালীৰ পত্নী |
| ৩৭। | গনেশ চন্দ্ৰ গগৈ, অমিয়া গগৈৰ স্বামী |
| ৩৮। | সমীৰ কেমপ্ৰাই, মন্ত্ৰী লাংথাছাৰ আত্মীয় |
| ৩৯। | দিপালী ডেকা, সত্যেন্দ্ৰ ডেকাৰ পত্নী |



বিনামূলীয়া বা ৰেহাই মূল্যৰ টিকটত ভ্ৰমণ কৰিছে বা কোনো নিৰ্দিষ্ট দেশৰ পৰা আহিছে বা বয়স ১২ বছৰতকৈ কম, তেনেহ'লে উক্ত ভট্টাৰ (allowance) পৰিমাণ কম হব। শুল্ক বিহীন ভট্টাৰ ভিতৰত ২00 টা চিগাৰেট, ৫0 টা চিগাৰ, ২৫0 গ্ৰাম ধপাত আৰু 0.৯৫ লিটাৰ পানীয় মদ। শুল্ক নিদিয়াকৈ অনা নিষেধ সামগ্ৰী সমূহ হ'ল– মটৰ চাইকেল, স্কুটাৰ আৰু মপেড। আগ্নেয়াস্ত্ৰৰ ৫0 টাতকৈ অধিক কাৰ্টিজ। ৫00 টকাৰ অধিক মূল্যৰ কাপোৰ-কানি। বিভিন্ন আকাৰৰ টি ভি চেটৰ ক্ষেত্ৰত ৩৫0–৪৫00 টকা পৰ্যন্ত অতিৰিক্ত শুল্ক দিব লাগিব। ২000 টকাতকৈ অধিক মূল্যৰ সামগ্ৰীৰ বাবে শতকৰা ২৫0 ভাগ শুল্ক দিব লাগিব।

এটা কথা স্বীকাৰ্য যে চিত্তৰঞ্জন পাটোৱাৰীয়ে ২000 টকাতকৈ অধিক মূল্যৰ এটা ভি চি আৰ ক্ৰয় কৰি স্বদেশলৈ অনাটো কোনো অপৰাধমূলক কাৰ্য হোৱা নাছিল। কিন্তু শ্ৰীপাটোৱাৰীয়ে উক্ত সামগ্ৰীৰ ক্ৰয় মূল্যৰ বিপৰীতে শুল্ক পৰিশোধ কৰিবলৈ বিমান বন্দৰৰ ৰঙা সংকেতৰ (Red Channel) পথেদিহে যোৱাৰ নিয়ম আছিল যদিও তেওঁ তাকে নকৰি সেউজ সংকেতৰ (Green Channel) পথেদি সাৰি আহিবলৈ প্ৰচেষ্টা চলোৱাটোহে অপৰাধ সদৃশ আছিল। অৱশ্যে শ্ৰীপাটোৱাৰী সাৰিব নোৱাৰিলে, ধৰা পৰি গ'ল। ফলত তেওঁ অধিক দামত ক্ৰয় কৰি অনা সামগ্ৰীৰ সম্পূৰ্ণ শুল্ক পৰিশোধ কৰিবলৈ বাধ্য হয়। কলিকতাৰ দমদম বিমান বন্দৰত সংঘটিত হোৱা উক্ত ঘটনাই ৰাজ্যখনত এক আলোড়নৰ সৃষ্টি কৰাও পৰিলক্ষিত হয়। কাৰণ শ্ৰীপাটোৱাৰী সেই সময়ত মন্ত্ৰী পদত বাহাল আছিল। সেই দিশৰ পৰা তেওঁৰ পদ মৰ্যাদাৰ লগতে ৰাজ্যখনৰ সন্মানৰ প্ৰশ্নও জড়িত হৈ আছিল।

জানিব পৰা মতে শ্ৰীপাটোৱাৰী সেউজ সংকেতৰ পথেদি ওলাই আহিবলৈ সাজু হওঁতেই বিমান বন্দৰত থকা শুল্ক বিষয়াই তেওঁক থমকি ৰ'বলৈ নিৰ্দেশ দিয়ে। কাৰণ শুল্ক বিষয়াই আগতীয়াকৈ জানিব পাৰিছিল যে শ্ৰীপাটোৱাৰীৰ বেগত এটা ভি চি আৰ আছে। কাৰণ তেওঁৰ বেগত এটা চিহ্ন দেখা পাইছিল। উক্ত চিহ্ন অংকিত কৰি দিছিল বেংককৰ বিমান বন্দৰতেই, সেই দেশৰ শুল্ক বিষয়াই। কিন্তু শ্ৰীপাটোৱাৰীয়ে উক্ত চিহ্নৰ সাঁথৰ ভাঙিব পৰা নাছিল। ফলত তেওঁ লাঞ্ছিত হব লগাত পৰিল।

বাতৰি কাকতবোৰত অগোচৰ হৈ থকা কথাটো হ'ল যে নতুন অসম গণ পৰিষদৰ নেতা ভৃগু কুমাৰ ফুকন আৰু বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাও উক্ত বিদেশ ভ্ৰমণলৈ যোৱাৰ কথা আছিল। ট্ৰেভেল এজেন্সীটোৱে তেওঁলোকৰ বাবেও প্ৰাথমিক যা-যোগাৰ কৰিছিল। কিন্তু এক অজ্ঞাত কাৰণতহে একেবাৰে শেষ মুহূৰ্তত শ্ৰীফুকনৰ নাম বাদ পৰিছিল আৰু শ্ৰীকলিতাই নিজে জমা দিয়া টকা শেষ মুহূৰ্তত ওভোতাই আনিছিল।

যি কি নহওক, অসমলৈ সৈন্য বাহিনী অহাৰ বাবে আৰু সৈন্যৰ আতিশয্যৰ বিৰুদ্ধে বিধান সভাৰ মজিয়াত দপদপোৱা অসম গণ পৰিষদৰ নেতা জয়নাথ শৰ্মা, প্ৰফুল্ল কুমাৰ মহন্ত, ডাঃ কমলা কলিতা আৰু জাতীয় স্বতন্ত্ৰ মৰ্চাৰ চন্দ্ৰমোহন পাটোৱাৰী আদিয়ে অসমৰ বৰ্তমান অৱস্থাত কৰা এনে প্ৰমোদ ভ্ৰমণে উক্ত দল সমূহক শলঠেকত পেলোৱাৰ উপৰিও জনমানসতো তেওঁলোকৰ ভাবমূৰ্তি ক্ষুণ্ন কৰিলে। অসম বিধান সভাৰ আগন্তুক অধিবেশনত এই প্ৰসংগই নিঃসন্দেহে এক আমোনজনক ঘটনাৰ সৃষ্টি কৰিব।

হৰেন বুঢ়াগোহাঞি


## ১৫ বছৰীয়া ৰাজহুৱা ভৱিষ্যনিধি আঁচনি–

১৫ বছৰীয়া ৰাজহুৱা ভৱিষ্যনিধি আঁচনিৰ সঞ্চয়ে বছৰি ১২ শতাংশ কৰমুক্ত সুদৰ উপৰিও দিয়ে আয়কৰ ৰেহাই। ১00 টকাৰ পৰা ৬0 হেজাৰ টকালৈকে সঞ্চয় কৰিব পৰা আৰু ঋণৰো সুবিধা লাভ কৰিব পৰা এই আঁচনিত সঞ্চিত সমুদায় ধন সম্পদ কৰ মুক্ত সেয়ে–

ভৱিষ্যনিধি আঁচনিত কৰিলে সঞ্চয়,
দুশ্চিন্তা কমিব আৰু কমিব সংশয়।

অধিক তথ্যৰ বাবে ডাকঘৰ কৰ্তৃত্ব প্ৰাপ্ত এজেন্টৰ সৈতে যোগাযোগ কৰক।

ক্ষুদ্ৰ সঞ্চয়ঃ অসম






OKDISCD

# শান্তি স্থাপনৰ ক্ষেত্ৰত আলোচনাৰ বিকল্প নাই

হিতেন মহন্ত

বাতৰিত প্ৰকাশ পাইছে যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়েই আল্‌ফাৰ সৈতে আলোচনা কৰাৰ বাবে আগ্ৰহী। বাতৰিত এইটোও প্ৰকাশ পাইছে যে আল্‌ফাইও কেন্দ্ৰীয় চৰকাৰৰ সৈতে প্ৰত্যক্ষ আলোচনা কৰাৰ বাবে আগ্ৰহী। অসমৰ ৰাইজৰ বাবে এই মুহূৰ্তত ইয়াতকৈ অধিক সুখৰ আৰু শুভ সংবাদ আন একো হ'ব নোৱাৰে।

বিশ্বৰ যিকোনো ৰাজনৈতিক সমস্যা এতিয়া আলোচনাৰ জৰিয়তেহে সমাধানৰ ওপৰত সকলোৱে গুৰুত্ব আৰোপ কৰিছে। বিশ্বৰ পৰিবৰ্তিত পৰিস্থিতিত এতিয়া এইটোৱে অমোঘ নিয়মত পৰিণত হৈছে। ৰাজনৈতিক সমস্যা সমাধানৰ বাবে এতিয়া যুদ্ধ বা হিংসাৰ কোনো স্থান নাই। আনহে নেলাগে পশ্চিম এছিয়াত শান্তি স্থাপনৰ উদ্দেশ্যে এতিয়া আমেৰিকা যুক্ত ৰাষ্ট্ৰৰ মধ্যস্থতাত ইজৰাইলো আগবাঢ়ি আহিছে। পেলেষ্টাইনী সকলৰ সৈতে দীৰ্ঘদিন ধৰি যুদ্ধত লিপ্ত থকাৰ পিছত ইজৰাইলৰ দৰে সামৰিক ভাবে শক্তিশালী দেশ এখনে অৱশেষত উপলব্ধি কৰিব পাৰিছে যে সামৰিক শক্তিৰ বলেৰে তেওঁলোকে শান্তিৰে শুই থাকিব নোৱাৰে। শান্তিৰে শুই থাকিবলৈ হলে যিকোনো দেশ বা যিকোনো পক্ষৰ সৈতে মিত্ৰতাৰহে প্ৰয়োজন।

সেইদৰে দীৰ্ঘদিন ধৰি গৃহযুদ্ধ চলি থকাৰ পিছত ভিয়েতনামৰ মধ্যস্থতাতেই এতিয়া কম্বোডিয়াৰ পৰা নিৰ্বাসিত প্ৰিন্স নৰোদম ছিহানুক পুনৰ নিজ দেশলৈ প্ৰত্যাবৰ্তন কৰাই নহয়, কম্বোডিয়াৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈছে। প্ৰিন্স নৰোদম ছিহানুকৰ প্ৰত্যাৱৰ্তনৰ উদ্দেশ্য হ'ল কম্বোডিয়াত চিৰদিনৰ বাবে শান্তি স্থাপন কৰা। উল্লেখযোগ্য যে ভিয়েতনামৰ নেতৃত্বৰ বাবেই প্ৰিন্স নৰোদম ছিহানুকে নিজ দেশ কম্বোডিয়াৰ পৰা নিৰ্বাসিত হ'ব লগা হৈছিল। অৱশেষত ভিয়েতনামৰ নেতৃত্ব আৰু কম্বোডিয়াৰ নেতৃত্বই উপলব্ধি কৰিলে যে সামৰিক শক্তিৰ বলেৰে সেই দেশৰ ৰাজনৈতিক সমস্যা সমাধান সম্ভৱ নহয়। যুদ্ধই কেতিয়াও শান্তি স্থাপন কৰিব নোৱাৰে।

বিশ্বৰ এই পৰিবৰ্তিত ৰাজনৈতিক ধাৰা যদিহে কোনোবাই উপলব্ধি কৰিব নোৱাৰে বা নোখোজে তেনেহলে তাতকৈ দুৰ্ভাগ্যজনক বিষয় আন একো হ'ব নোৱাৰে। আনহাতে এই পৰিবৰ্তিত ৰাজনৈতিক ধাৰা উপলব্ধি কৰিব নোৱৰা বা নোখোজাৰ অন্তৰালত কু-স্বাৰ্থ বা ন্যস্ত স্বাৰ্থ নিহিত হৈ থকাৰ কথাটো অনস্বীকাৰ্য।

অসমত আল্‌ফা সমস্যাই জটিলতা ধাৰণ কৰাৰ পিছৰে পৰা ৰাজ্যখনৰ শুভ বুদ্ধি সম্পন্ন ব্যক্তি বা সংগঠনে আল্‌ফাৰ সৈতে চৰকাৰ আলোচনাত বহাৰ বাবে মাত মাতি আহিছিল। কিন্তু পৰিতাপৰ কথাটো হ'ল এয়ে যে বিগত অগপ চৰকাৰৰ দিনত আলোচনাৰ জৰিয়তে আল্‌ফা সমস্যা সমাধানত মুঠেই গুৰুত্ব আৰোপ কৰা নহ'ল। কোৱা বাহুল্য অগপ চৰকাৰৰ শাসনৰ মাজভাগৰ পৰাই আল্‌ফা সমস্যাই জটিল ৰূপ ধাৰণ কৰিছিল। কিন্তু সেই সময়ত আল্‌ফাৰ সৈতে আলোচনাৰ বিষয়টো উত্থাপন কৰাৰ লগে লগেই অগপ চৰকাৰৰ নেতৃবৃন্দই সেইটো কেন্দ্ৰীয় চৰকাৰৰ বিষয়বস্তু বুলি গা এৰা দি চলিছিল। অৰ্থাৎ ইচ্ছাকৃতভাবেই আলোচনাৰ বিষয়টো এৰাই চলা হৈছিল। আলোচনাৰ জৰিয়তে এই ৰাজনৈতিক সমস্যা সমাধানত আগ্ৰহী নোহোৱাৰ বাবেই ইয়াৰ পিছৰ পৰিণতিৰ বিষয়ে বহলাই কোৱাৰ প্ৰয়োজন নাই। গা এৰা দিয়া মনোভাবৰ বাবেই এটা সময়ত আলোচনাৰ বিষয়টো এনেদৰে তল পৰি গ'ল যে সেই বিষয়ৰ ওপৰত কোনোৱে একো নোকোৱা হ'ল। এটা সময়ত এই সমস্যাটো এটা কেতিয়াও শেষ নোহোৱা প্ৰক্ৰিয়া বুলি অনুভৱ কৰা হ'ল।

কিন্তু যোৱা ৩০ জুনত নতুন চৰকাৰখনে শপত গ্ৰহণ কৰাৰ পিছৰ পৰা আল্‌ফাৰ সৈতে চৰকাৰৰ আলোচনাৰ বিষয়টোৱে পুনৰ গুৰুত্ব লাভ কৰে। বিশেষকৈ ৰাজ্যখনত সামৰিক বাহিনী নিয়োগ কৰাৰ পিছৰে পৰা বিভিন্ন সামাজিক সংগঠন আৰু বিৰোধী ৰাজনৈতিক দলবোৰে আল্‌ফাৰ সৈতে চৰকাৰ আলোচনাত বহাৰ বাবে দাবী জনায়। ইয়াৰে কিছু সংখ্যক বিৰোধী ৰাজনৈতিক দলে আল্‌ফাৰ সৈতে কেন্দ্ৰীয় চৰকাৰ প্ৰত্যক্ষ আলোচনাত বহাৰ বাবে দাবী জনায়। অগপ, নঅগপ আৰু চি পি আই এই বিৰোধী ৰাজনৈতিক দলৰ অন্তৰ্ভুক্ত। এই দলকেইটাই অভিযোগ কৰে যে মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই আল্‌ফাৰ সৈতে আলোচনা হোৱাত বিধি পথালি দিছে। তেওঁলোকে এইটোও অভিযোগ কৰে যে মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই আল্‌ফাৰ সৈতে আলোচনা হোৱাটো নিবিচাৰে। কিন্তু লক্ষ্যণীয় বিষয়টো হ'ল এয়ে যে কিছু সংখ্যক বিৰোধী ৰাজনৈতিক দলে শইকীয়াৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন কৰিলেও আল্‌ফাই কিন্তু এই সন্দৰ্ভত এতিয়ালৈকে একো মত মতা নাই। অৰ্থাৎ আল্‌ফা সংগঠনে এই পৰ্যন্ত উক্ত অভিযোগ উত্থাপন কৰা নাই।

আনহাতে নতুন চৰকাৰখন শাসন ক্ষমতালৈ অহাৰ পিছত আলোচনাৰ বিষয়টোৱে স্থান পালেও ইয়াৰ ভিত্তি কি হ'ব নাইবা কি পৰ্যায়ত আলোচনা হ'ব এই বিষয়ে স্পষ্টভাবে একো কোৱা হোৱা নাছিল। তাৰ উপৰি কেন্দ্ৰীয় নেতৃবৰ্গই এই সন্দৰ্ভত মাজে সময়ে দাঙি ধৰা পৰস্পৰ বিৰোধী বক্তব্যই আলোচনাৰ বিষয়টো আশাহীন কৰি তুলিছিল। বিশেষকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী এছ বি চবনে যেতিয়া ক'লে যে অসমত সামৰিক বাহিনী থকা পৰ্যন্ত আল্‌ফাৰ সৈতে আলোচনা সম্ভৱ নহয়, তেতিয়া এই ৰাজনৈতিক সমস্যাটো সমাধানৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছা সম্পৰ্কে স্বাভাৱিকতে সন্দেহৰ ভাব জগাই তুলিছিল।

সি যি কি নহওক অৱশেষত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়েই ঘোষণা কৰিছে যে আল্‌ফাৰ সৈতে আলোচনা কৰাৰ বাবে ৰাজী আছে। আনকি বাতৰিত এইটোও প্ৰকাশ পাইছে যে আল্‌ফাৰ সৈতে আলোচনা কৰাৰ বাবে মুখ্য মন্ত্ৰীয়ে আল্‌ফাৰ সৈতে যোগাযোগ স্থাপন কৰিছে। এই বাতৰিয়ে স্বাভাৱিকতে অসমৰ শান্তিকামী ৰাইজৰ মাজত আশাৰ সঞ্চাৰ কৰিছে।

এনে এটা অৱস্থাত এই আলোচনাৰ ভিত্তি কি হ'ব বা কি পৰ্যায়ত আলোচনাৰ পাতনি মেলা হ'ব সেইটো গৌণ বিষয়হে, মুখ্য নহয়। আলোচনাত বহাটোৱেই হ'ব মুখ্য বিষয়। আল্‌ফাই ইতিমধ্যে স্পষ্ট কৰি দিছে যে স্বাধীন অসমৰ দাবীটো অন্তৰ্ভুক্ত কৰিলে তেওঁলোকে আলোচনাত বহাৰ বাবে সাজু আছে। তেনেহলে আলোচনাৰ মেজ মেলত স্বাধীন অসমৰ দাবীটো অন্তৰ্ভুক্তই হওক। ইয়াত আপত্তি থকাৰ কাৰণ কি থাকিব পাৰে? যিহেতু স্বাধীন অসমৰ দাবীটো অন্তৰ্ভুক্ত হ'লেই যে সেইটো মানি লোৱাটো নুবুজায়। কিন্তু সেইটো আলোচনাৰ বিষয়বস্তু হ'ব পাৰে। আল্‌ফাই স্বাধীন অসম কিয় বিচাৰিছে সেইটো শুনাৰ ক্ষেত্ৰত চৰকাৰৰ কি আপত্তি থাকিব পাৰে? প্ৰথমে স্বাধীন অসমৰ দাবীৰেই আলোচনা হওক। স্বাভাৱিকতে সেই দাবী চৰকাৰে মানি নল'ব। এই দাবী মানি নোলোৱাৰ লগে লগেই হয়তো আল্‌ফাৰ নেতৃবৰ্গই আলোচনাৰ মেজ পৰিত্যাগ কৰিব। কিন্তু সেইটোৱেই হ'ব পাৰে আলোচনাৰ আৰম্ভণি। আলোচনাত বহাৰ লগে লগেই চৰকাৰ আৰু আল্‌ফাৰ মাজত থকা ব্যৱধান কিছু পৰিমাণে হলেও হ্ৰাস পাব। তাৰ উপৰি আল্‌ফাই যিবোৰ কাৰণ বা দাবীৰ ভিত্তিত স্বাধীন অসমৰ দাবী উত্থাপন কৰিছে, সেইবোৰ যদিহে কেন্দ্ৰীয় চৰকাৰে পূৰণ কৰাৰ বাবে আগবাঢ়ি আহে, তেনেহলে স্বাধীন অসমৰ দাবী পৰিহাৰ কৰাৰ বাবেও নিশ্চয় আল্‌ফাই চিন্তা চৰ্চা কৰিব।

আনহাতে আল্‌ফাই যদিহে আলোচনাৰ বাবে আগবাঢ়ি আহে, তেনেহলে কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰেই হওক আলোচনাত বহাৰ বাবে বিলম্ব কৰিব নালাগিব। কাৰণ সামৰিক বাহিনী নিয়োগেৰে আল্‌ফাৰ সদস্য সকলক হয়তো কৰায়ত্ত কৰিব পৰা যাব। কিন্তু এই সমস্যাৰ ৰাজনৈতিক সমাধান সম্ভৱ নহ'ব। আনহাতে ৰাজনৈতিক সমাধানৰ অবিহনে আল্‌ফা সমস্যা স্থায়ী সমাধান সম্ভৱ নহ'ব।

এইখিনিতে এটা কথা মনত ৰাখিব লাগিব যে আল্‌ফা আৰু চৰকাৰ উভয়ে আলোচনাৰ বাবে আগবাঢ়ি আহিলেও ন্যস্তস্বাৰ্থ মহলে সদায়ে এই ক্ষেত্ৰত বাধা কৰিবলৈ চেষ্টা কৰিব। এনে প্ৰচেষ্টাৰ বিৰুদ্ধে অসমৰ ৰাইজ সজাগ থাকিব লাগিব। কিয়নো ৰাজ্যখনত শান্তি স্থাপনৰ ক্ষেত্ৰত আলোচনাৰ কোনো বিকল্প নাই। সু

সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব।
বছৰেকীয়া বৰঙণি: ১৩২ টকা (২৪ টা সংখ্যা)
ছমহীয়া বৰঙণি: ৬৬ টকা (১২ টা সংখ্যা)
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট অথবা চেক যোগে পূৰবী প্ৰকাশন প্ৰা: লি:, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১

ইৰাণৰ বিপ্লৱী হত্যাকাণ্ডবোৰৰ পৰা আৰম্ভ কৰি আইৰিছ ৰিপাব্লিকান আৰ্মিয়ে কৰা নৃশংস হিংসাত্মক কাৰ্য-কলাপবোৰলৈকে সমগ্ৰ পৃথিৱীত যিবোৰ লোম-হৰ্ষক ভয়ংকৰ ঘটনা ঘটিব লাগিছে সেই সকলোবোৰৰে মূলতে আছে নিজৰ আদৰ্শত অন্ধভাবে বিশ্বাসী কিছুমান অকৃত্ৰিম আৰু নিষ্ঠাবান মানুহ।

*জন মাৰ্টিমাৰ, অবজাৰ্ভাৰ, ৫ আগষ্ট ১৯৭৯*

◆

এইচ জি ওৱেলছ আৰু ৰেবেকা ওৱেষ্ট দহ বছৰ ধৰি গভীৰ প্ৰেমৰ বন্ধনত আবদ্ধ আছিল। ওৱেলছে কৈছিল যে তেওঁক আকৃষ্ট কৰিছিল ৰেবেকা ওৱেষ্টৰ 'কঠিন মনটো'ৱে। আনহাতে ৰেবেকা ওৱেষ্টে কৈছিল যে তেওঁ ওৱেলছৰ প্ৰতি আকৃষ্ট হৈছিল তেওঁৰ গাৰ আখৰোটৰ নিচিনা গোন্ধটোৰ কাৰণে।

*গাৰ্ডিয়ান, ১৬ মে' ১৯৮৩*

◆

এজন ঔপন্যাসিক হিচাপে মই নিজকে কবি, সন্ত, বৈজ্ঞানিক আৰু দাৰ্শনিকতকৈ শ্ৰেষ্ঠ বুলি ভাবো। তেওঁলোকে জীৱনৰ মাত্ৰ একোটা দিশ সম্পৰ্কেহে কিছু কথা জানে। মোৰ নিচিনাকৈ জীৱনৰ সামগ্ৰিক ৰূপটো সম্পৰ্কে তেওঁলোকে একো নাজানে।

*ডি এইচ লৰেন্স*

◆

যি কোনো মানুহৰ আত্ম-জীৱনী উপভোগ্য হবলৈ হ'লে তাৰ বেছিভাগ কথাই অসত্য হোৱা দৰকাৰ।

*পেট্ৰিচিয়া বিয়েৰ*

◆

এখন কিতাপৰ লেখকজনৰ লগত যদি মই মাত্ৰ আধা ঘন্টা কথা পাতিবলৈ সুযোগ পাওঁ তেন্তে সেই কিতাপখন মই আৰু কেতিয়াও নপঢ়ো।

*উড্ৰো উইলছন*

◆

মহাকাশ যুগত মানুহে মাত্ৰ দুঘন্টাৰ ভিতৰতে গোটেই পৃথিৱী প্ৰদক্ষিণ কৰিব পাৰিব। তেওঁক এঘন্টা সময় লাগিব বিমানেৰে পৃথিৱী প্ৰদক্ষিণ কৰিবলৈ; বাকী এঘন্টা লাগিব নিজৰ ঘৰৰ পৰা বিমান বন্দৰলৈ যাবলৈ।

*নিল মেক্‌এল্‌ৰয়, লুক মেগাজিন, ১৮ ফেব্ৰুৱাৰী, ১৯৫৮*

প্ৰচ্ছদ নিবন্ধ

# মানৱ অধিকাৰ

## জিমি কাৰ্টাৰৰ বাদামৰ বাগিচাৰ পৰা আল্‌ফাৰ পণবন্দীলৈ

অৰূপজ্যোতি চৌধুৰী

আজিৰ পৃথিৱীৰ বিতৰ্কিত সামাজিক, ৰাজনৈতিক ধাৰণা সমূহৰ ভিতৰত অন্যতম হৈছে মানৱ অধিকাৰ। এই ধাৰণাটোৰ প্ৰকৃত অৰ্থ সম্পৰ্কত দাঙি ধৰা বিভিন্ন ব্যাখ্যাই এই বিতৰ্কিত ধাৰণাটোৰ অৰ্থ স্পষ্ট কৰাৰ পৰিবৰ্তে ইয়াক আৰু জটিল কৰিহে তুলিছে। বিশ্বৰ দৰবাৰত মানুহৰ মৌলিক তথা অবিচ্ছেদ্য অধিকাৰৰ পৃষ্ঠপোষকতা কৰা আমেৰিকাৰ ৰাষ্ট্ৰপতি জিমি কাৰ্টাৰৰ বাদামৰ বাগিচাত দাসত্বৰ বন্ধনত থকা নিগ্ৰোবিলাকৰ মানৱ অধিকাৰ ক'ত? তৃতীয় বিশ্বত পেট ভৰাই খাবলৈ নোপোৱাৰ সমস্যাই সৃষ্টি কৰা সামাজিক, অৰ্থনৈতিক প্ৰেক্ষাপটত মানৱ অধিকাৰৰ কিবা মূল্য আছেনে? লেটিন আমেৰিকাৰ দেশ সমূহত এজনৰ পিছত এজনকৈ সামৰিক একনায়কত্ববাদৰ শাসকে মানুহৰ মৌলিক অধিকাৰ সমূহৰ প্ৰতি দেখুওৱা চূড়ান্ত নিৰ্লিপ্ততাৰ পিছতো মানৱ অধিকাৰ এতিয়াও অৰ্থপূৰ্ণনে? নিজস্ব এক বাসভূমিৰ কাৰণে অহৰহ সংগ্ৰাম চলাই অহা পেলেষ্টাইনী সকলৰ কাৰণে মানৱ অধিকাৰৰ গুৰুত্ব কেনে ধৰণৰ? এই সকলোবোৰ প্ৰশ্নই জুমুৰি দি ধৰি উঠাৰ লগতে ভাৰতৰ পটভূমিতো আজি মানৱ অধিকাৰৰ তাৎপৰ্য বিচাৰ কৰি চোৱাৰ নিশ্চয় প্ৰয়োজন আছে। দৰাচলতে এই মানৱ অধিকাৰ নো কি? কেনে ধৰণৰ ঐতিহাসিক পটভূমিত ইয়াৰ জন্ম? আৰু ই কাৰ বাবে? এইবোৰ প্ৰশ্নই আজি বহুতৰে মনত সমগ্ৰ ধাৰণাটো সম্পৰ্কে বেলেগ বেলেগ দৃষ্টিভংগীৰ জন্ম দিছে।

ৰাষ্ট্ৰ সংঘৰ চনদত এইবুলি স্পষ্ট উল্লেখ আছে যে "...it stands determined to re-affirm faith in fundamental human rights, in the dignity and worth of the human person, in the equal rights of man and woman and of nations large and small." এই ঘোষণাৰ সৈতে সংগতি ৰাখিয়েই ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ পৃষ্ঠপোষকতাত মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণাপত্ৰ আনুষ্ঠানিক ভাবে গ্ৰহণ কৰা হয়। এইদৰে পোন প্ৰথমবাৰৰ কাৰণে মানুহৰ ইতিহাসত মানুহৰ অধিকাৰ ৰক্ষা কৰাৰ দায়িত্ব আন্তৰ্জাতিক মঞ্চৰ এক সাৰ্বজনীন দায়িত্বত পৰিণত হয়। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ গৃহীত হোৱাৰ পিছত UNESCOৰ সঞ্চালক প্ৰধানৰ উদ্যোগত ১০ ডিচেম্বৰ তাৰিখটোক মানৱ অধিকাৰ দিৱস হিচাপে স্বীকৃতি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ১৯৫০ চনৰ ৪ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰ সংঘৰ সাধাৰণ সভাই ৪২৩(V) নম্বৰ প্ৰস্তাৱৰ জৰিয়তে সকলো সদস্য ৰাষ্ট্ৰকে ১০ ডিচেম্বৰ তাৰিখটোক মানৱ অধিকাৰ দিৱস হিচাপে গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়।

মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণা পত্ৰত মুঠ ৩০টা অনুচ্ছেদ আছে। ইয়াৰে প্ৰথম দুটা আৰু শেষৰ তিনিটা অনুচ্ছেদ সাধাৰণ প্ৰকৃতিৰ। অনুচ্ছেদ ৩ৰ পৰা ২১লৈকে ব্যক্তিগত, অসামৰিক আৰু ৰাজনৈতিক অধিকাৰ সমূহ সন্নিবিষ্ট কৰা হৈছে। আনহাতেদি ২২-২৭ অনুচ্ছেদ লৈকে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সমূহ সন্নিবিষ্ট কৰা হৈছে। উল্লেখযোগ্য যে মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণা আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্বাধীনতা ঘোষণা পত্ৰৰ আৰ্হিত প্ৰস্তুত কৰা হৈছিল। য'ত মানুহৰ জীৱন তথা স্বাধীনতাৰ অবিচ্ছেদ্য অধিকাৰক স্বীকৃতি দিয়া হৈছিল। ইয়াৰ উপৰিও ১৭৮৯ চনৰ ফৰাচী বিপ্লৱৰ স্বতন্ত্ৰতা, সমতা আৰু ভ্ৰাতৃত্বৰ আদৰ্শয়ো মানৱ অধিকাৰৰ ঘোষণাক বহু পৰিমাণে প্ৰভাৱান্বিত কৰিছিল।

### মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণাৰ অনুচ্ছেদ সমূহঃ

*অনুচ্ছেদ ১ঃ* সকলো মানুহেই মুক্ত তথা সমমৰ্যাদা আৰু অধিকাৰ লৈ জন্ম গ্ৰহণ কৰিছে। তেওঁলোক প্ৰত্যেকেই যুক্তি আৰু বিবেকৰ অধিকাৰী আৰু সেয়েহে প্ৰত্যেকেই এজনে আনজনৰ কাৰণে ভ্ৰাতৃত্ববোধেৰে কাম কৰি যোৱা উচিত।

*অনুচ্ছেদ ২ঃ* প্ৰত্যেক মানুহৰে কোনো বৈষম্য নোহোৱাকৈ মানৱ অধিকাৰৰ ঘোষণা পত্ৰত উল্লেখ কৰা অধিকাৰ সমূহ ভোগ কৰাৰ অধিকাৰ আছে। এই ক্ষেত্ৰত জাতি, বৰ্ণ, লিংগ, ভাষা, ধৰ্ম, ৰাজনৈতিক দৃষ্টিভংগী, সামাজিক পটভূমি, সম্পত্তি, জন্ম আদিৰ ভিত্তিত কোনো ধৰণৰ বৈষম্যমূলক আচৰণ কৰা নহ'ব।

তদুপৰি কোনো এখন দেশৰ ৰাজনৈতিক তথা আন্তৰ্জাতিক মৰ্যাদাৰ ভিত্তিতো কোনো ধৰণৰ বৈষম্য দেখুওৱা নহ'ব।

*অনুচ্ছেদ ৩ঃ* প্ৰত্যেক মানুহৰে জীৱনৰ স্বতন্ত্ৰতা আৰু নিৰাপত্তাৰ অধিকাৰ থাকিব।

*অনুচ্ছেদ ৪ঃ* কোনো মানুহকে দাসত্বৰ বন্ধনত ৰাখিব পৰা নাযাব। দাসত্ব আৰু দাস ব্যৱসায়ক সকলো প্ৰকাৰ নিষিদ্ধ কৰা হ'ব।

*অনুচ্ছেদ ৫ঃ* কোনো ব্যক্তিকেই নিৰ্যাতন বা নিষ্ঠুৰ অমানৱীয় তথা মৰ্যাদা হানিকৰ ব্যৱহাৰ তথা শাস্তি দিব পৰা নাযায়।

*অনুচ্ছেদ ৬ঃ* প্ৰত্যেক মানুহৰে পৃথিৱীৰ সকলো ঠাইতে আইনৰ চকুত ব্যক্তি হিচাপে স্বীকৃত হোৱাৰ অধিকাৰ থাকিব।

*অনুচ্ছেদ ৭ঃ* আইনৰ চকুত সকলো সমান আৰু সকলোৱেই কোনো বৈষম্য নোহোৱাকৈ আইনৰ সম অধিকাৰ লাভ কৰিব। মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণাত সন্নিবিষ্ট অধিকাৰ সমূহ ৰক্ষণাবেক্ষণৰ কাৰণেও সকলোৱে সম অধিকাৰ পাব।

*অনুচ্ছেদ ৮ঃ* সংবিধানে স্বীকৃতি দিয়া মৌলিক অধিকাৰ সমূহ কাৰোবাৰ দ্বাৰা ভংগ হলে তাক সুনিশ্চিত কৰিবলৈ প্ৰত্যেকৰে উপযুক্ত ৰাষ্ট্ৰীয় মঞ্চৰ জৰিয়তে অধিকাৰ থাকিব।

*অনুচ্ছেদ ৯ঃ* কোনো ব্যক্তিকেই স্বেচ্ছাচাৰী ভাবে গ্ৰেপ্তাৰ বা দেশান্তৰ কৰিব পৰা নাযাব।

*অনুচ্ছেদ ১০ঃ* মানুহৰ অধিকাৰ নিৰ্ণয় তথা অপৰাধমূলক অভিযোগ বিচাৰ কৰাৰ ক্ষেত্ৰত প্ৰত্যেকৰে নিৰপেক্ষ আদালতৰ জৰিয়তে ন্যায় লাভ কৰাৰ অধিকাৰ থাকিব।

*অনুচ্ছেদ ১১(১)ঃ* যিকোনো আইন ভংগৰ অভিযোগ থকা ব্যক্তিক ৰাজহুৱা বিচাৰৰ জৰিয়তে অভিযুক্ত নকৰালৈকে নিৰপৰাধী হিচাপে গণ্য কৰা হ'ব আৰু বিচাৰৰ ক্ষেত্ৰত নিজৰ প্ৰতিৰক্ষাৰ বাবে তেওঁ সকলো ধৰণৰ সা-সুবিধা পাব।

*অনুচ্ছেদ ১১(২)ঃ* অপৰাধ হিচাপে স্বীকৃত নোহোৱা কোনো এক কাৰ্য পিছলৈ অপৰাধ হিচাপে স্বীকৃত কৰিব পৰা নাযাব। তদুপৰি অপৰাধ কৰা সময়ত থকা শাস্তিৰ ব্যৱস্থাতকৈ পিছত শাস্তিৰ পৰিমাণ বঢ়াই দিব পৰা নাযাব।

*অনুচ্ছেদ ১২ঃ* কোনো মানুহৰে পৰিয়াল, বাসগৃহ, চিঠি-পত্ৰ তথা তেওঁৰ সন্মান আৰু খ্যাতিৰ ওপৰত কোনো ধৰণৰ স্বেচ্ছাচাৰী হস্তক্ষেপ কৰিব পৰা নাযাব। এনে হস্তক্ষেপৰ বিৰুদ্ধে প্ৰত্যেকেই আইনৰ ৰক্ষণাবেক্ষণ লাভ কৰিব।

*অনুচ্ছেদ ১৩(১)ঃ* প্ৰত্যেক ব্যক্তিৰে নিজৰ ৰাষ্ট্ৰৰ সীমাৰ ভিতৰত মুক্ত ভাবে বিচৰণ আৰু বাস কৰাৰ অধিকাৰ আছে।

*অনুচ্ছেদ ১৩(২)ঃ* প্ৰত্যেক মানুহৰে যিকোনো দেশ এৰি যোৱাৰ আৰু নিজৰ দেশলৈ ঘূৰি অহাৰ অধিকাৰ থাকিব।

*অনুচ্ছেদ ১৪(১)ঃ* প্ৰত্যেক ব্যক্তিৰে আন দেশত ৰাজনৈতিক আশ্ৰয় বিচৰাৰ অধিকাৰ থাকিব।

*অনুচ্ছেদ ১৪(২)ঃ* এই অধিকাৰ অৰাজনৈতিক অপৰাধ তথা ৰাষ্ট্ৰসংঘ বিৰোধী কাৰ্যকলাপৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব।

*অনুচ্ছেদ ১৫(১)ঃ* প্ৰত্যেক ব্যক্তিৰেই জাতীয়তাৰ অধিকাৰ থাকিব।

*অনুচ্ছেদ ১৫(২)ঃ* কোনো ব্যক্তিকেই

### মানুহৰ অধিকাৰ ৰক্ষাৰ সম্পৰ্কীয় বিভিন্ন ঘোষণাৱলী

১। মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণা, ১০ ডিচেম্বৰ ১৯৪৮।
২। মানুহৰ অধিকাৰ আৰু কৰ্তব্যৰ সন্দৰ্ভত আমেৰিকাৰ ঘোষণা, ২ মে ১৯৪৮।
৩। উপনিবেশ সমূহক স্বাধীনতা দিয়াৰ সন্দৰ্ভত ৰাষ্ট্ৰ সংঘৰ ঘোষণা, ১৪ ডিচেম্বৰ ১৯৬০।
৪। জাতি আৰু জাতিগত বৈষম্যৰ ওপৰত UNESCOৰ ঘোষণা, ২৭ নৱেম্বৰ ১৯৭৮।
৫। মানুহক শাৰীৰিক নিৰ্যাতন আৰু নিষ্ঠুৰ তথা মৰ্যাদাহানিকৰ শাস্তি প্ৰদানৰ পৰা ৰক্ষণাবেক্ষণ সম্পৰ্কীয় ৰাষ্ট্ৰ সংঘৰ ঘোষণা, ৯ ডিচেম্বৰ ১৯৭৫।
৬। ৰাজনৈতিক আশ্ৰয় সম্বন্ধীয় ৰাষ্ট্ৰ সংঘৰ ঘোষণা, ১৪ ডিচেম্বৰ ১৯৭৬।
৭। সামাজিক উন্নতি আৰু বিকাশ সম্বন্ধে ৰাষ্ট্ৰ সংঘৰ ঘোষণা, ১১ ডিচেম্বৰ, ১৯৬৯।
৮। মানুহক ভোক আৰু অপৰিপুষ্টিৰ পৰা উদ্ধাৰ কৰাৰ সন্দৰ্ভত ৰাষ্ট্ৰ সংঘৰ সাৰ্বজনীন ঘোষণা ১৭ ডিচেম্বৰ, ১৯৭৪।
৯। বিজ্ঞান আৰু কাৰিকৰী উন্নয়নক শান্তি আৰু মানৱ জাতিৰ উপকাৰৰ নিমিত্তে ব্যৱহাৰ কৰাৰ সন্দৰ্ভত ৰাষ্ট্ৰ সংঘৰ ঘোষণা, ১০ নৱেম্বৰ ১৯৭৫।
১০। যুৱ সম্প্ৰদায়ৰ মনত শান্তিৰ ধাৰণাটো বিকাশ কৰিবলৈ আৰু জনসাধাৰণৰ মাজত উমৈহতীয়া বুজাবুজিৰ সৃষ্টি কৰাৰ সন্দৰ্ভত ৰাষ্ট্ৰ সংঘৰ ঘোষণা, ৭ ডিচেম্বৰ ১৯৬৫।
১১। আন্তৰ্জাতিক সাংস্কৃতিক সহযোগিতাৰ নীতিৰ সন্দৰ্ভত UNESCOৰ ঘোষণা, ৪ নৱেম্বৰ ১৯৬৫।
১২। শিশুৰ অধিকাৰ সম্পৰ্কীয় ৰাষ্ট্ৰ সংঘৰ ঘোষণা, ২০ নৱেম্বৰ ১৯৫৯।
১৩। জৰুৰী কালীন অৱস্থা আৰু সশস্ত্ৰ সংঘাতৰ সময়ত মহিলা আৰু শিশুৰ অধিকাৰ সম্পৰ্কে ৰাষ্ট্ৰ সংঘৰ ঘোষণা, ১৪ নৱেম্বৰ ১৯৭৪।
১৪। মানসিক ভাবে বাধাগ্ৰস্ত ব্যক্তিৰ বাবে ৰাষ্ট্ৰ সংঘৰ ঘোষণা, ২০ ডিচেম্বৰ ১৯৭১।
১৫। শাৰীৰিক ভাবে অক্ষম লোকৰ অধিকাৰ সম্বন্ধে ৰাষ্ট্ৰ সংঘৰ ঘোষণা, ৯ ডিচেম্বৰ ১৯৭৫।
১৬। যুদ্ধ বন্দীৰ ব্যৱহাৰ সন্দৰ্ভত ৰাষ্ট্ৰ সংঘৰ দ্বাৰা নিৰূপিত নিৰ্দিষ্ট নিম্নতম উপায় ১৯৫৫।
১৭। সকলো ধৰণৰ জাতিগত বৈষম্য আঁতৰ কৰাৰ ৰাষ্ট্ৰ সংঘৰ ঘোষণা ২০ নৱেম্বৰ ১৯৬৩।
১৮। মহিলাৰ বিৰুদ্ধে বৈষম্য মূলক আচৰণ বন্ধ কৰাৰ ৰাষ্ট্ৰ সংঘৰ ঘোষণা, ৭ নৱেম্বৰ ১৯৬৭।
১৯। অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সন্দৰ্ভত আন্তৰ্জাতিক চনদ ১৬ ডিচেম্বৰ, ১৯৬৬। (বলবৎকৰণ ৩ জানুৱাৰী ১৯৭৬)।
২০। অসামৰিক আৰু ৰাজনৈতিক অধিকাৰ সন্দৰ্ভত ৰাষ্ট্ৰ সংঘৰ আন্তৰ্জাতিক চনদ ১৬ ডিচেম্বৰ ১৯৬৬ (বলবৎকৰণ ২৩ মাৰ্চ ১৯৭৬)।
২১। মানৱ অধিকাৰৰ ইউৰোপীয় চনদ, ৪ নৱেম্বৰ ১৯৫০ (বলবৎকৰণ ৩ ছেপ্টেম্বৰ ১৯৫৩)।
২২। ইউৰোপীয় সামাজিক চনদ, ১৮ অক্টোবৰ ১৯৬১ (বলবৎ ২৬ ফেব্ৰুৱাৰী ১৯৬৫)।
২৩। আমেৰিকাৰ মানৱ অধিকাৰ চনদ, ২২ নৱেম্বৰ ১৯৬৯ (বলবৎকৰণ ১৮ জুলাই ১৯৬৮)।
২৪। সকলো ধৰণৰ জাতিগত বৈষম্য দূৰ কৰাৰ ৰাষ্ট্ৰসংঘৰ আন্তৰ্জাতিক চনদ, ২১ ডিচেম্বৰ ১৯৬৫ (বলবৎকৰণ ৪ জানুৱাৰী ১৯৬৯)।
২৫। বৰ্ণবৈষম্য সম্পৰ্কত ৰাষ্ট্ৰ সংঘৰ আন্তৰ্জাতিক চনদ, ৩০ নৱেম্বৰ ১৯৬৩ (বলবৎকৰণ ১৮ জুলাই ১৯৭৬)।

OLDISCD



১৯৬৭ চনৰ ১০ ডিচেম্বৰ তাৰিখ মানৱ অধিকাৰ দিৱস উপলক্ষে ৰাষ্ট্ৰ সংঘৰ সাধাৰণ সভাৰ আমন্ত্ৰিত সদস্য সকলৰ আগত পণ্ডিত ৰবিশংকৰ আৰু ইহুদী মেনস্হইনে এটি অনুষ্ঠানৰ ভিত্তিত West Meets East নামৰ এখন লং প্লেয়িং ৰেকৰ্ড প্ৰস্তুত কৰা হৈছিল

স্বেচ্ছাচাৰী ভাবে তেওঁৰ জাতীয়তাৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব পৰা নাযাব বা জাতীয়তাৰ সলনিত বাধা দিব পৰা নাযাব।

অনুচ্ছেদ ১৬(১)ঃ পূৰ্ণ বয়সৰ পুৰুষ আৰু মহিলা জাতি আৰু জাতীয়তা তথা ধৰ্ম-নিৰ্বিশেষে বিবাহ সম্পন্ন কৰি পৰিয়াল গঠন কৰাৰ অধিকাৰ থাকিব।

অনুচ্ছেদ ১৬(২)ঃ দুয়ো পক্ষৰ পূৰ্ণ সন্মতি অনুসৰিহে বিবাহ সম্পন্ন কৰা হ'ব।

অনুচ্ছেদ ১৬(৩)ঃ পৰিয়াল হৈছে সমাজৰ প্ৰাকৃতিক তথা মৌলিক গোট। সমাজ আৰু ৰাষ্ট্ৰই ইয়াক ৰক্ষণাবেক্ষণ দিব।

অনুচ্ছেদ ১৭(১)ঃ প্ৰত্যেক ব্যক্তিৰেই ব্যক্তিগত তথা সমূহীয়া ভাবে সম্পত্তি আহৰণ কৰাৰ অধিকাৰ থাকিব।

অনুচ্ছেদ ১৭(২)ঃ কোনো ব্যক্তিকেই স্বেচ্ছাচাৰী ভাবে সম্পত্তিৰ পৰা ব[illegible] কৰা নহ'ব।

অনুচ্ছেদ ১৮ঃ প্ৰত্যেক মানুহৰে চিন্তা, বিবেক আৰু ধৰ্মৰ অধিকাৰ থাকিব।

অনুচ্ছেদ ১৯ঃ প্ৰত্যেক ব্যক্তিৰেই দৃষ্টিভংগী আৰু প্ৰকাশৰ স্বাধীনতা থাকিব।

অনুচ্ছেদ ২০(১)ঃ প্ৰত্যেক ব্যক্তিৰেই শান্তিপূৰ্ণভাবে সমবেত আৰু সংগবদ্ধ হোৱাৰ স্বাধীনতা থাকিব।

অনুচ্ছেদ ২০(২)ঃ কোনো ব্যক্তিকে এটা অনুষ্ঠানত থাকিবলৈ বাধ্য কৰিব নোৱাৰি।

অনুচ্ছেদ ২১(১)ঃ প্ৰত্যেক ব্যক্তিৰেই প্ৰত্যক্ষ বা পৰোক্ষভাবে নিজৰ ৰাষ্ট্ৰৰ শাসনত অংশগ্ৰহণ কৰাৰ অধিকাৰ থাকিব।

অনুচ্ছেদ ২১(২)ঃ প্ৰত্যেক ব্যক্তিৰেই চৰকাৰী চাকৰিৰ ক্ষেত্ৰত সম অধিকাৰ থাকিব।

অনুচ্ছেদ ২১(৩)ঃ সাৰ্বজনীন ভোটাধিকাৰ তথা গোপন ভোটৰ ভিত্তিত আয়োজিত নিৰ্বাচনত জনসাধাৰণৰ ইচ্ছাই যে ক্ষমতাৰ উৎস সেই কথা প্ৰতীয়মান হ'ব লাগিব।

অনুচ্ছেদ ২২ঃ প্ৰত্যেক মানুহৰে সামাজিক নিৰাপত্তাৰ অধিকাৰ আছে আৰু এই অধিকাৰ সুনিশ্চিত কৰিবলৈ ৰাষ্ট্ৰীয় প্ৰচেষ্টা, আন্তৰ্জাতিক সহযোগেৰে প্ৰচেষ্টা চলাব পৰা যাব।

অনুচ্ছেদ ২৩(১)ঃ প্ৰত্যেক মানুহৰে কাম কৰাৰ অধিকাৰ আৰু স্বেচ্ছাই জীৱিকাৰ পথ বাছি লোৱাৰ অধিকাৰ আছে। তদুপৰি প্ৰত্যেকৰে কামৰ অনুকূল পৰিবেশ তথা নিবনুৱা অৱস্থাৰ বিৰুদ্ধে ৰক্ষণাবেক্ষণৰ অধিকাৰ থাকিব।

অনুচ্ছেদ ২৩(২)ঃ প্ৰত্যেক মানুহৰে কোনো বৈষম্য নোহোৱাকৈ সম কাম আৰু সম আয়ৰ অধিকাৰ থাকিব।

অনুচ্ছেদ ২৩(৩)ঃ নিয়োগ প্ৰাপ্ত প্ৰত্যেক লোকৰে মানৱীয় মৰ্যাদা উপযুক্ত হোৱাকৈ নিজৰ আৰু পৰিয়ালৰ কাৰণে পাৰিশ্ৰমিক পোৱাৰ অধিকাৰ থাকিব।

অনুচ্ছেদ ২৩(৪)ঃ প্ৰত্যেক ব্যক্তিৰেই নিজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে Trade Union গঠন বা Trade Unionত যোগ দিয়াৰ অধিকাৰ থাকিব।

অনুচ্ছেদ ২৪ঃ প্ৰত্যেক ব্যক্তিৰেই জিৰণিৰ অধিকাৰ, কামৰ নিৰ্দিষ্ট সময়সীমা আৰু পাৰিশ্ৰমিক সহ ছুটীৰ অধিকাৰ থাকিব।

অনুচ্ছেদ ২৫(১)ঃ প্ৰত্যেক ব্যক্তিৰেই নিজৰ আৰু পৰিয়ালৰ কাৰণে উপযুক্ত খাদ্য, বস্ত্ৰ, সংস্হান, চিকিৎসা, তথা নিবনুৱা অৱস্হা ৰুগীয়া অৱস্হা, শাৰীৰিক অসমৰ্থতা, বিধৱা অৱস্হা তথা বৃদ্ধ অৱস্হাত নিৰাপত্তাৰ ব্যৱস্হাকে ধৰি জীৱন ধাৰণৰ উপযুক্ত মানদন্ড ৰক্ষা কৰাৰ অধিকাৰ থাকিব।

অনুচ্ছেদ ২৫(২)ঃ মাতৃ আৰু শিশু সকলক বিশেষ ধৰণৰ সহায় আগবঢ়োৱা হ'ব।

অনুচ্ছেদ ২৬(১)ঃ প্ৰত্যেক মানুহৰে শিক্ষাৰ অধিকাৰ থাকিব। অন্ততঃ প্ৰাথমিক শিক্ষালৈকে বিনামূলীয়া শিক্ষাৰ ব্যৱস্হা কৰা হ'ব। বুনিয়াদী শিক্ষা বাধ্যতামূলক কৰা হ'ব। কাৰিকৰী শিক্ষা সহজলভ্য কৰি পেলোৱা হ'ব আৰু যোগ্যতাৰ ভিত্তিত সকলোৱেই উচ্চ শিক্ষা লাভ কৰিবলৈ সমৰ্থ হ'ব।

অনুচ্ছেদ ২৬(২)ঃ মানুহৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰ কাৰণে তথা মানুহৰ মৌলিক অধিকাৰ তথা অবিচ্ছেদ্য স্বাধীনতা সমূহৰ প্ৰতি সন্মান বঢ়োৱাৰ কাৰণে শিক্ষা ব্যৱস্হাক পৰিচালিত কৰা হ'ব। তদুপৰি ই ৰাষ্ট্ৰ সমূহৰ মাজৰ বুজাবুজি, সহিষ্ণুতা তথা বন্ধুত্ব শক্তিশালী কৰিব আৰু শান্তিৰ বাহক হিচাপে ৰাষ্ট্ৰসংঘৰ কাৰ্যাৱলীকো আগুৱাই নিব।

অনুচ্ছেদ ২৬(৩)ঃ শিশু সকলক কি ধৰণৰ শিক্ষা প্ৰদান কৰা হ'ব সেই সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰাৰ অধিকাৰ অভিভাৱক সকলৰ থাকিব।

অনুচ্ছেদ ২৭(১)ঃ প্ৰত্যেক ব্যক্তিৰেই মুক্তভাবে নিজৰ সাংস্কৃতিক জীৱনত অংশগ্ৰহণ কৰাৰ অধিকাৰ থাকিব। তদুপৰি তেওঁলোকে বৈজ্ঞানিক অগ্ৰগতিতো ভাগ লব পাৰিব।

অনুচ্ছেদ ২৭(২)ঃ প্ৰত্যেক ব্যক্তিৰেই নিজে উদ্ভাৱন কৰা বৈজ্ঞানিক, সাহিত্যিক তথা কলাৰ সৃষ্টিক নৈতিক তথা বস্তুগত ৰক্ষণাবেক্ষণ লাভ কৰাৰ অধিকাৰ থাকিব।

অনুচ্ছেদ ২৮ঃ প্ৰত্যেক ব্যক্তিৰেই এনে এক সামাজিক তথা আন্তৰ্জাতিক শৃংখলা গঢ়ি তোলাৰ অধিকাৰ আছে য'ত মানৱ অধিকাৰ ঘোষণাৰ অধিকাৰ সমূহ সম্পূৰ্ণ ভাবে নিশ্চিত কৰিব পাৰি।

অনুচ্ছেদ ২৯(১)ঃ প্ৰত্যেক ব্যক্তিৰেই সমাজৰ প্ৰতি কৰ্তব্য আছে যাৰ জৰিয়তে ব্যক্তিত্বৰ মুক্ত আৰু পূৰ্ণ বিকাশ সম্ভৱপৰ হয়।

অনুচ্ছেদ ২৯(২)ঃ ব্যক্তিয়ে অধিকাৰ আৰু স্বাধীনতা সমূহ ভোগ কৰোতে কেৱল মাত্ৰ আইনে আৰোপ কৰা বাধাৰ সমুখীন হ'ব। এনে বাধা সমাজৰ সকলোৰে কাৰণে স্বাধীনতা সুৰক্ষিত কৰিবলৈ তথা নৈতিকতা, ৰাজহুৱা শৃংখলা আৰু সমাজৰ সামূহিক কল্যাণৰ স্বাৰ্থত আৰোপ কৰিব পৰা যাব।

অনুচ্ছেদ ২৯(৩)ঃ এই অধিকাৰবোৰ কোনো ক্ষেত্ৰতেই ৰাষ্ট্ৰসংঘৰ উদ্দেশ্য আৰু নীতিৰ বিৰুদ্ধে ব্যৱহাৰ কৰিব পৰা নাযাব।

অনুচ্ছেদ ৩০ঃ এই ঘোষণা পত্ৰত সন্নিবিষ্ট কোনো অধিকাৰকে ৰাষ্ট্ৰ, সামাজিক গোট বা ব্যক্তিৰ এনে অধিকাৰ হিচাপে ধৰিব পৰা নাযাব যাৰ জৰিয়তে এই ঘোষণা পত্ৰৰ যিকোনো অধিকাৰ বা স্বাধীনতা খৰ্ব হোৱাৰ সম্ভাৱনা থাকে।

উল্লেখযোগ্য যে ৰাষ্ট্ৰ সংঘৰ চনদৰ ৬২(২) অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰ সংঘৰ অন্যতম অংগ অৰ্থনৈতিক আৰু সামাজিক পৰিষদক মানৱ অধিকাৰৰ ৰক্ষণাবেক্ষণ তথা বিকাশকৰণৰ বাবে দায়িত্ব প্ৰদান কৰা হৈছে। চনদৰ ৬৮ অনুচ্ছেদৰ অধীনত এই পৰিষদে মানৱ অধিকাৰ ৰক্ষাৰ স্বাৰ্থত বিভিন্ন আয়োগ গঠন কৰিব পাৰে। ইতিমধ্যেই এই পৰিষদে মানৱ অধিকাৰ, মহিলাৰ মৰ্যাদা, বাতৰি কাকতৰ স্বাধীনতা, সংখ্যালঘুৰ ৰক্ষণাবেক্ষণ আদি বিভিন্ন দিশত বহুতো আয়োগ আৰু উপ-আয়োগ গঠন কৰিছে।

ইয়াৰ উপৰিও মানৱ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত স্বতন্ত্ৰভাবে কাৰ্যনিৰ্বাহ কৰা Amnesty Internationalৰ কথাও এই প্ৰসংগতে উল্লেখ কৰিব পাৰি। যদিও আন্তৰ্জাতিক মানৱ অধিকাৰ ঘোষণা পত্ৰ মানুহৰ অধিকাৰ নিশ্চিত কৰাৰ দিশত এক শক্তিশালী পদক্ষেপ তথাপিও এই অধিকাৰ সমূহ বলবৎ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ অসমৰ্থতাই বহু সময়ত মানৱ অধিকাৰক সমাজৰ আৰ্থিক ভাবে শক্তিশালী শ্ৰেণীটোৰেই ৰক্ষণাবেক্ষণৰ হাতিয়াৰ হৈ পৰা দেখা গৈছে, কিন্তু Amnesty Internationalয়ে প্ৰায় সকলোবোৰ দেশতেই সংঘটিত মানৱ অধিকাৰ ভংগৰ বিভিন্ন ঘটনাৱলীৰ নিৰপেক্ষ বিশ্লেষণেৰে এই তীব্ৰ অস্ত্ৰ প্ৰতিযোগিতাৰ কবলত পৰি আজি ৩য় বিশ্বৰ দেশ সমূহৰ বেছি ভাগেই সাম্ৰাজ্যবাদৰ ওচৰত আৰ্থিক ভাবে নত হ'ব লগা হৈছে। ৩য় বিশ্বত নিৰাপত্তাহীনতাৰ সৃষ্টি কৰি তাৰ ৰাষ্ট্ৰ সমূহৰ অৰ্থনৈতিক স্বাধীনতা হৰণ কৰাৰ সাম্ৰাজ্যবাদী ষড়যন্ত্ৰত আজি ৩য় বিশ্বৰ বেছিভাগ মানুহেই ভাত-কাপোৰ তথা থকা ঠাইৰ সমস্যাৰে জৰ্জৰিত হৈ পৰিছে। এনে অৱস্হাৰ পৰিপ্ৰেক্ষিতত এই বিৰাট দৰিদ্ৰ জনগণৰ কাৰণে মানৱ অধিকাৰৰ কিবা তাৎপৰ্য আছেনে? যি আমেৰিকা যুক্তৰাষ্ট্ৰই আন দেশলৈ সাহায্য আগবঢ়াওঁতে মানৱ অধিকাৰ ভংগ নকৰাৰ পূৰ্ব চৰ্ত বিচাৰে সেই আমেৰিকা যুক্তৰাষ্ট্ৰই ৩য় বিশ্বৰ কোটি

**Punishments for, and measures for coping with, terrorist and disruptive activities**

**3. Punishment for terrorist acts. — (1)** Whoever with intent to overawe the Government as by law established or to strike terror in the people or any section of the people or to alienate any section of the people or to adversely affect the harmony amongst different sections of the people does any act or thing by using bombs, dynamite or other explosive substances or inflammable substances or fire-arms or other lethal weapons or poisons or noxious gases or other chemicals or by any other substances (whether biological or otherwise) of a hazardous nature in such a manner as to cause, or as is likely to casue, death of, or injuries to, any person or persons or loss of, or damage to, or destruction of, property or disruption of any supplies or services essential to the life of the community, or detains any person and threatens to kill or injure such person in order to compel the Government or any other person to do or abstain from doing any act, commits a terrorist act.

*সন্ত্ৰাসবাদী কাৰ্যকলাপৰ এই ব্যাপক ব্যাখ্যাৰে ৰাষ্ট্ৰই মানৱ অধিকাৰক স্বীকৃতি দিছে নে ধ্বংস কৰিছে?*

এটা কথা স্পষ্ট ভাবে দেখুৱাই দিছে যে মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণা পত্ৰত স্বাক্ষৰকাৰী দেশ সমূহতেই কি জঘন্যভাবে মানুহৰ অধিকাৰ ভংগ কৰা হৈছে। অলপতে প্ৰকাশিত Amnesty Internationalৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ওপৰত দিয়া প্ৰতিবেদনে সেই দেশত Juvenile Delinquent সকলৰ ওপৰত চলোৱা নিৰ্মম শাস্তিৰ ব্যৱস্হাই যে মানৱ অধিকাৰক প্ৰহসনত পৰিণত কৰিছে তাকেই নিঃসন্দেহে প্ৰমাণিত কৰিলে।

তদুপৰি মাৰ্কিন তথা আন আন পশ্চিমীয়া দেশ সমূহে সমগ্ৰ বিশ্বতে অস্ত্ৰ ব্যৱসায়ৰ পোহাৰ মেলি ৩য় বিশ্বৰ মূল দৰিদ্ৰতাৰ সমস্যাটোক নিৰ্মমভাবে আওকাণ কৰিছে।


কোটি মানুহৰ মানৱ অধিকাৰক যে নিজেই অৰ্থহীন কৰি পেলাইছে – তাক সোঁৱৰাই দিয়াৰ প্ৰয়োজন নিশ্চয় আহি পৰিছে।

ভাৰতবৰ্ষৰ পটভূমিতো মানৱ অধিকাৰৰ প্ৰসংগটো আজি বিশেষ গুৰুত্বপূৰ্ণ হৈ উঠিছে। স্বাধীনতাৰ ৪৪ বছৰৰ পিছতো আজি ভাৰতৰ বৃহৎ সংখ্যক জনসাধাৰণ খাদ্য-বস্ত্ৰ সংস্হানৰ মৌলিক সমস্যাৰে জৰ্জৰিত। এনে অৱস্হাৰ পৰিপ্ৰেক্ষিতত চৰম দৰিদ্ৰতা, নিবনুৱা সমস্যা আদি আটায়ে মিলি সৃষ্টি কৰা সামূহিক হতাশা গ্ৰস্ততাৰ অৱস্হাত এহাতে যেনেকৈ মোহভংগ এচাম যুৱকে ৰাষ্ট্ৰৰ বিভিন্ন প্ৰান্তত বিচ্ছিন্নবাদী প্ৰৱণতাৰ পাতনি মেলিছে ঠিক সেইদৰে ৰাষ্ট্ৰ যন্ত্ৰয়ো ক্ৰমবৰ্ধমান ভাবে এক নিষ্ঠুৰ

চৰিত্ৰ পৰিগ্ৰহ কৰি মানৱ অধিকাৰৰ প্ৰসংগটো আৰু অধিক অৰ্থপূৰ্ণ কৰি তুলিছে। আজি ভাৰতৰ পাঞ্জাব, কাশ্মীৰ তথা প্ৰান্তীয় ৰাজ্য অসমত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ মাজেৰে বিভিন্ন উগ্ৰপন্থী সংগঠনে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সুনিশ্চিত কৰিব বিচাৰিছে। এই অৱস্থাত আজি মানৱ অধিকাৰৰ প্ৰসংগটো বিশেষ আলোচনাৰ বিষয় হৈ পৰাটো অস্বাভাৱিক নহয়। কিন্তু এই মানৱ অধিকাৰ আচলতে কোনে ভংগ কৰিছে? ৰাষ্ট্ৰই নে উগ্ৰপন্থী সংগঠন সমূহে। আমাৰ বোধেৰে এই প্ৰশ্নটোৰ উত্তৰ একে-আষাৰতে দিয়াৰ পৰিবৰ্তে ইয়াৰ অন্তৰালৰ নিহিত হৈ থকা সামাজিক অৰ্থনৈতিক প্ৰেক্ষাপট স্পষ্ট ভাবে উল্লেখ কৰি লব লাগিব। উগ্ৰপন্থী সংগঠন সমূহে যেতিয়া নিজৰ আদৰ্শ তথা কাৰ্যপন্থাৰ সৈতে সমন্বয় নৰখা মানুহক গুলীয়াই হত্যা কৰে, নিঃসন্দেহে তেতিয়া মানৱ অধিকাৰ ভংগ কৰা হয়। আনহাতেদি ৰাষ্ট্ৰই যেতিয়া সন্ত্ৰাসবাদ আৰু উগ্ৰপন্থী দমনৰ নামত ক'লা আইন থাৰ্ড ডিগ্ৰী পদ্ধতি প্ৰয়োগ তথা ব্যাপক হাৰত সামৰিক তথা পুলিচী অত্যাচাৰ চলাই মানৱ অধিকাৰ তেতিয়াও নিশ্চয় ভংগ হয়। সেয়েহে যি দৰিদ্ৰতা, নিবনুৱা সমস্যা, ভোকৰ সমস্যা আদিৰ পৰিপ্ৰেক্ষিতত মানুহে সন্ত্ৰাসবাদৰ ফালে ঢাপলি মেলিব লগীয়া হয় সেই সমস্যা সমূহৰ প্ৰতি অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব আৰোপ কৰিলে মানৱ অধিকাৰ ভংগৰ প্ৰশ্নটো বহুখিনি ম্লান হৈ পৰিব।

আমাৰ বোধেৰে এক শ্ৰেণী সৰ্বস্ব সমাজ ব্যৱস্থাত মানৱ অধিকাৰৰ প্ৰকৃত মূল্যায়ন সম্ভৱপৰ নহয়। কিন্তু তথাপিও এই সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন নোহোৱালৈকে অৰ্থনৈতিক সমস্যা সমূহৰ সক্ৰিয় সমাধানে সংশ্লিষ্ট সকলোকে বহুখিনি সকাহ দিব।

আজি অসমত উগ্ৰপন্থী সংগঠন সংযুক্ত মুক্তি বাহিনীৰ কাৰ্যকলাপক ভিত্তি কৰি মানৱ অধিকাৰৰ প্ৰশ্নটোৱে যথেষ্ট গুৰুত্ব লাভ কৰিছে। এই সংগঠনে স্বাধীন অসমৰ চূড়ান্ত লক্ষ্যত উপনীত হ'বৰ নিমিত্তে যি এক নিৰ্বাচিত হত্যাৰ পথ গ্ৰহণ কৰিছে সেয়া মানুহৰ অধিকাৰৰ ওপৰত এক স্পষ্ট অনুপ্ৰৱেশ বুলি স্বীকাৰ কৰিবই লাগিব। ইতিহাসে আমাক এটা কথা সদায়ে দেখুৱাই আহিছে যে ৰাষ্ট্ৰ বিৰোধী হিংসাত্মক আন্দোলনে ৰাষ্ট্ৰক দুৰ্বল কৰাৰ পৰিবৰ্তে আৰু অধিক শক্তিশালী কৰি তোলে। ইয়াৰ ফলশ্ৰুতি স্বৰূপে কল্যাণকামী ৰাষ্ট্ৰৰ



*নিগ্ৰো সকলৰ অধিকাৰ ৰক্ষাৰ সংগ্ৰামত মাৰ্টিন লুথাৰ কিং।*

পৰিবৰ্তন মুখী কাৰ্যকলাপ বন্ধ হৈ নিষ্ঠুৰতাৰ ভিত্তিত ৰাষ্ট্ৰৰ নগ্ন ৰূপ প্ৰদৰ্শিত হয়। তদুপৰি এনে হিংসাত্মক দৃষ্টিভংগীয়ে ৰাষ্ট্ৰ যন্ত্ৰক আইন শৃংখলাৰ নামত নিজৰ মৌলিক কৰ্তব্য সমূহৰ পৰাও আঁতৰি থকাৰ সুযোগ দিয়ে। আমি বিশ্বাস কৰো যে ৰাষ্ট্ৰ তথা জনসাধাৰণ উভয়ৰে পাৰস্পৰিক সহযোগিতাতহে মানৱ অধিকাৰৰ ধাৰণাটো অৰ্থবহ হৈ পৰে। সেয়েহে কেৱল মাত্ৰ উগ্ৰপন্থীৰ হিংসাত্মক দৃষ্টিভংগীয়ে নহয়, ৰাষ্ট্ৰ যন্ত্ৰৰ বৰ্বৰতাকো আমি স্পষ্ট ভাষাত গৰিহণা দিওঁ।

এটা কথা এই প্ৰসংগতে স্বীকাৰ কৰিবই লাগিব যে যি ভাৰতবৰ্ষই মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণা পত্ৰত স্বাক্ষৰকাৰী হিচাপে নিজৰ প্ৰগতিবাদী তথা গণতান্ত্ৰিক চৰিত্ৰৰ ধ্বজা উৰুৱাব বিচাৰে সেই ৰাষ্ট্ৰ যন্ত্ৰই সন্ত্ৰাসবাদ দমনৰ নামত গ্ৰহণ কৰা কিছুমান আইন মানৱ অধিকাৰ ভংগৰ চূড়ান্ত পদক্ষেপ তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বিশেষকৈ Armed Forces Special Power Act আৰু TADA এই দুয়োখনে মানৱ অধিকাৰৰ ওপৰত ৰাষ্ট্ৰ সন্ত্ৰাসৰ স্পষ্ট দৃষ্টান্ত। এই দুয়োখন আইনৰ ব্যৱস্থাৱলী ইমানেই অমানৱীয় যে অবিচ্ছেদ্য হিচাপে স্বীকৃত মানুহৰ জীৱনৰ অধিকাৰকই প্ৰায় নোহোৱা কৰি পেলোৱাৰ উপক্ৰম কৰিছে। এই আইন সমূহ গণতান্ত্ৰিক ভাৰতবৰ্ষৰ তথাকথিত প্ৰগতিবাদী চৰিত্ৰৰ ওপৰত নিঃসন্দেহে এক কলংক স্বৰূপ। আজি অসমত এই দুয়োখন আইন প্ৰৱৰ্তনৰ জৰিয়তে সন্ত্ৰাসবাদ নিৰ্মূল কৰণৰ বাবে চলোৱা প্ৰচেষ্টাত বহু নিৰীহ তথা নিৰপৰাধী লোকৰ মানৱ অধিকাৰ যে ভংগ হৈছে তাত কোনো সন্দেহ নাই। কিন্তু তাৰ লগতে আমি এই কথাও মনত ৰখা উচিত যে অসমত মানৱ অধিকাৰ ভংগৰ প্ৰশ্নটো কেৱল ৰাষ্ট্ৰ সন্ত্ৰাসৰ একপক্ষীয় প্ৰতিচ্ছবি দাঙি ধৰাটো বাস্তৱৰ এক বিকৃত ৰূপ দিয়াহে হ'ব। বিশেষকৈ উগ্ৰপন্থী সংগঠন আলফাই নিৰ্বাচিত হত্যা আৰু পণবন্দী সমস্যাটোৰে মানৱ অধিকাৰ ভংগৰ অভিযোগত সমানেই দায়গ্ৰস্ত নহয়নে? আমি মানৱ অধিকাৰৰ নিৰপেক্ষ বিশ্লেষক হিচাপে উভয় পক্ষৰে বৰ্বৰতাক স্পষ্ট ভাষাত গৰিহণা দিওঁ আৰু মানৱ অধিকাৰৰ প্ৰশ্নটোক ৰাষ্ট্ৰ সংঘৰ ঘোষণাৰ আৰ্হিত বিচাৰ কৰাটো বিচাৰো। ■







# মানৱ অধিকাৰ, সন্ত্ৰাসবাদ আৰু অসম

*টোকাঃ* যোৱা কিছুদিনৰ পৰা অসমত মানৱ অধিকাৰ উলংঘন কৰা হৈছে বুলি বিভিন্ন মহলৰ পৰা অভিযোগ শুনা গৈছে। আনহাতে যোৱা কিছুদিন ধৰি অসমত এটা নতুন কথা শুনা গৈছে। এইবাৰ 'মুকলি মঞ্চ'ৰ আলোচনাৰ বিষয় হ'ল মানৱ অধিকাৰ আৰু সন্ত্ৰাসবাদ। অসমৰ কেইবাজনো বিশিষ্ট সাংবাদিক, শিক্ষক, আইনজীৱী আৰু চিন্তাশীল বুদ্ধিজীৱীয়ে এই দুটা প্ৰশ্নৰ ওপৰত তেওঁলোকৰ সু-চিন্তিত মতামত প্ৰকাশ কৰিছে।

**কমল চন্দ্ৰ মজুমদাৰ**

*অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া আৰু অৰ্থনীতিবিদ*

১ মানুহে জাক পাতি বা সমাজ পাতি থাকিলেও কোনো ব্যক্তি বিশেষেই নিজৰ খেয়াল খুচি বা ইচ্ছা মতে জীয়াই থাকিব নোৱাৰে। মানুহৰ ইচ্ছা শক্তি সমাজ বা গোষ্ঠীৰ ইচ্ছা শক্তিৰ ওপৰত নিৰ্ভৰশীল। মানৱ সভ্যতাৰ আদিম পুৱাৰে পৰা প্ৰাচীন গ্ৰীক বা ভাৰতীয় সভ্যতাই পূৰ্ণতাপ্ৰাপ্ত হোৱালৈকে হয়তো পৃথিৱীৰ কোনো অংশত কোনো লোকে কিছু অধিকাৰ ভোগ কৰিছিল। কিন্তু কৰ্তৃত্ব সদায় শাসকবৰ্গ বা পুৰোহিতৰ ওপৰত ন্যস্ত আছিল। গ্ৰীচ দেশতো মানুহৰ অধিকাৰ ভোগৰ সমতাতকৈও কিছুলোকে বেছি সমতা পাইছিল। ব্যক্তি বিশেষৰ অধিকাৰ এই কৰ্তৃত্বৰ আজ্ঞাশীল আছিল। অন্যথা গ্ৰীক দাৰ্শনিক পণ্ডিত চক্ৰেটিছে বিষ পান কৰি দেহ ত্যাগ কৰিব নেলাগিলহেঁতেন। এই কাৰণেই খৃষ্টিয়ান আৰু বৌদ্ধ ধৰ্মই মানৱ সমাজক বলেৰে নহয়, মৰমেৰে গঠন কৰিবলৈ শিকনি দিছে। ৰুছোৰ দৰে পণ্ডিতেও মানৱ অধিকাৰৰ স্বত্ত্ব দাস সকলক দিব খোজা নাছিল। মুক্ত বিহংগৰ দৰে উৰি ফুৰা অধিকাৰ মানুহে কেতিয়াও ভোগ কৰাৰ সুঁচল নাই। ৰুছোৰ আপ্তবাক্য "মানুহে মুক্ত ভাবেই জন্ম গ্ৰহণ কৰে; কিন্তু চাৰিওফালে শিকলিৰে বান্ধ খাই থাকে।" ("Man is born free but everywhere he is found in chains)" ফেৰাতে উত্তৰটি লুকাই আছে। অৰ্থাৎ, মানৱ অধিকাৰৰ ওপৰত সদায়ে কিছু নহয় কিছু বাধা আৰোপ কৰা হয় মানুহৰ মংগলৰ বাবেই, যাতে সমাজ সুস্থিৰ আৰু আইন শৃংখলাৰ মাজত বৰ্তি থাকিব পাৰে। ৰাজন্যবৰ্গ আৰু জমিদাৰ সকলে ব্যক্তি অধিকাৰ তলতীয়া কৰি ৰাখিছিল। বৃটিছ শিল্পপতি সকলেও তেওঁলোকৰ কাৰখানাৰ বনুৱাৰ অধিকাৰ

## প্ৰশ্ন সমূহঃ

১। মানৱ অধিকাৰ বুলিলে আমি কি বুজো?

২। যোৱা কিছুদিনৰ পৰা অসমত মানৱ অধিকাৰ উলংঘন কৰা হৈছে বুলি বিভিন্ন মহলৰ পৰা অভিযোগ উঠিছে। এই অভিযোগৰ কিবা সত্যতা আছে বুলি আপুনি ভাবেনে? যদি ভাবে তেন্তে এই অভিযোগৰ সমৰ্থনত কেইটামান উদাহৰণ দাঙি ধৰিবনে?

৩। যোৱা কিছুদিন ধৰি অসমত এটা নতুন কথা শুনা গৈছে। সেইটো হ'ল ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ। ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ বুলিলে আপুনি কি বুজে?

৪। অসমত বিভিন্ন গোষ্ঠীৰ উগ্ৰপন্থী সকলে নৰহত্যা আৰু অপহৰণ আদি অপৰাধমূলক কাম কাজ কৰি আহিছে। নিৰপৰাধ মানুহক হত্যা বা অপহৰণ কৰিলে মানৱ অধিকাৰ লংঘন কৰা হয়নে নহয়?

৫। বহুতে ক'ব খোজে যে মানৱ অধিকাৰ ৰক্ষাৰ কাৰণে কাম কৰা সংগঠনবোৰে পুলিচ বা মিলিটেৰীৰ আতিশয্য যিমান নিন্দা কৰে, উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত নৰহত্যা আৰু অপহৰণৰ প্ৰশ্নত তেওঁলোকে নীৰৱতা অৱলম্বন কৰে। এই বিষয়ে আপুনি কি ক'ব খোজে?

মনা নাছিল। আনকি বহুদিনলৈ, ইংলন্ডত তিৰোতা মানুহক ভোটাধিকাৰৰ পৰা বঞ্চিত কৰি ৰাখিছিল।

মানৱ অধিকাৰ কি? বিজ্ঞান বা প্ৰযুক্তি বিদ্যাই প্ৰদান কৰা সা-সুবিধা সম্পদ ভোগ কৰাই মানৱ অধিকাৰ নহয়। গণতান্ত্ৰিক বা সমাজতান্ত্ৰিক প্ৰক্ৰিয়াত মানৱ অধিকাৰ ভোগ কৰালৈ চিন্তা চৰ্চা হৈ আছে। যি অধিকাৰে মানুহক মানুহ হিচাপে সভ্য সমাজত বাচি থকাৰ, সন্মান আৰু মৰ্যাদা, মান, ইজ্জত বজাই ৰাখি চলিব পৰা সুবিধা প্ৰদান কৰিব পাৰে, সেয়ে মানৱ অধিকাৰ। অন্যথা যুঁজ, বাগৰ, হিংসা, দ্বেষ, অসূয়া বৃদ্ধি পাই যাব।

১৯৪৮ চনত ৰাষ্ট্ৰ সংঘই ঘোষণা কৰা মতে মানৱ অধিকাৰ ঘাইকৈ দুই ভাগত ভগাব পাৰি। (১) ৰাজনৈতিক আৰু অসামৰিক (Civil) অধিকাৰ। (২) অৰ্থনৈতিক, সামাজিক আৰু কৃষ্টিমূলক অধিকাৰ। প্ৰথম ভাগত বাধা আৰোপ নকৰাকৈ বাচি থকাৰ অধিকাৰ মুক্তি আৰু নিৰাপত্তা, কোনো মানুহক দাস কৰি ৰাখিব নোৱাৰি, আইনৰ চকুত সকলো সমান, অমানুষিক অত্যাচাৰ দিব নোৱৰা, ব্যক্তি বিশেষৰ খেয়াল খুচি মতে কোনো লোককে আটক বা বহিষ্কাৰ কৰিব নোৱৰা, শুনানী বা বিচাৰ ব্যৱস্থা নকৰাকৈ শাস্তি প্ৰয়োগ কৰিব নোৱৰা, কোনো বাধা নোহোৱাকৈ নিজস্ব বা পৰিয়ালৰ গোপনীয়তা আৰু যোগাযোগ ৰক্ষা, অন্যায় অত্যাচাৰৰ বলি হ'লে আন দেশত আশ্ৰয় গ্ৰহণ ইত্যাদি। ইয়াৰ বাহিৰেও নিজস্ব জাতীয়তা, মৌলিক স্বাধীনতা, বাক, প্ৰকাশ, চিন্তা-চৰ্চাৰ স্বাধীনতা, চৰকাৰৰ কাম কাজ কৰাৰ, নিৰ্বাচনত যোগ দিয়াৰ আৰু সকলো কাম কাজ বৃত্তিত সমান অধিকাৰৰ স্বত্ত্ব ভোগ কৰাৰ– স্বাধীনতা। অৰ্থনৈতিক বা সামাজিক অধিকাৰৰ ভিতৰত প্ৰধানকৈ কৰ্মসংস্থানৰ সুযোগ, সুবিধা, নিবনুৱা হোৱাৰ পৰা ৰক্ষা, সম্প্ৰদায় বা জাতীয় কৃষ্টি সাধনত যোগ দিয়াৰ স্বত্ত্ব, শিক্ষা, জিৰণি, জীৱন ধাৰণৰ মানদন্ড উন্নত কৰি ৰখাৰ স্বত্ত্ব ইত্যাদি। ৰাষ্ট্ৰসংঘই ঘোষণা কৰা মতে এই অধিকাৰ সমূহ কম বেছি পৰিমাণে দেশৰ প্ৰায়বোৰ সংবিধানতে অন্তৰ্ভুক্ত বা সুনিশ্চিত কৰি ৰাখিছে। জাতি, বৰ্ণ, ধৰ্ম, লিংগ নিৰ্বিশেষে এই অধিকাৰ ভোগ কৰাটো মৌলিক অধিকাৰ; কিন্তু এই অধিকাৰ বাধাহীন বা সম্পূৰ্ণ মুক্ত নহয়। এই মৌলিক অধিকাৰ সমূহ জাতীয় সুৰক্ষা, নিৰাপত্তা, জনসাধাৰণৰ শান্তি-শৃংখলা বজাই ৰখা, নৈতিকতা আৰু জনস্বাস্থ্য ৰক্ষাৰ সমূহীয়া অধিকাৰ খৰ্ব নকৰিবলৈ বিধি ব্যৱস্থাৰ যি বাধ্যবাধকতাৰ উৰ্ধ্বত নহয় আৰু পৰিপন্থীও নহয়। মানৱ অধিকাৰৰ স্বত্ত্ব সাব্যস্ত কৰিবলৈ মানুহে দেশৰ, জাতিৰ বা সম্প্ৰদায়ৰ, নিজৰ কৰ্তব্যও পালন কৰিবলৈ বাধ্য থাকিব লাগিব। কৰ্তব্য কৰিলেহে অধিকাৰ ভোগৰ ক্ষমতা বৰ্তি থাকিব। অধিকাৰ মানেই আনুষংগিক কৰ্তব্য পালন।

২ যোৱা কিছুদিনৰ পৰা মানৱ অধিকাৰ লংঘন কৰা সম্পৰ্কে কাগজে পত্ৰে, আলাপ আলোচনাত প্ৰকাশ পাই আহিছে। এই অভিযোগবোৰ মানৱ অধিকাৰ লংঘন কৰাৰ গন্ডীৰ ভিতৰত পৰে নে নপৰে সি বিচাৰ্য বিষয়। এপাত তালে নেবাজে। অন্যায়, অধৰম, অত্যাচাৰ, অনাচাৰ, আতিশয্য, নিষ্ঠুৰতাৰ অভিযোগবোৰ অভিযোগেই। অভিযোগবোৰৰ সত্যাসত্য প্ৰমাণ হব লাগে। কাগজত প্ৰকাশ পালেই যে সত্য বা কাগজত প্ৰকাশ নেপালেই যে অসত্য এইটোও নহয়। আমাৰ দিনত ন্যায়পালিকা আৰু কাৰ্যপালিকাৰ তলৰ স্তৰত দুভাগ হোৱা নাছিল। প্ৰায় ডেৰকুৰি বছৰৰো অধিক কাল দন্ডাধীশ, জিলা দন্ডাধীশৰ কাম কৰাৰ অভিজ্ঞতাৰ কাৰণেই হওক বা অন্য কাৰণেই হওক, মূল নথিপত্ৰ, নোচোৱা নিচিন্তাকৈ ঘপ্ কৰে সত্যাসত্য সম্বন্ধে মত দিয়া মোৰ পক্ষে টান। তদুপৰি মানুহ ভেদে মতান্তৰ ঘটে। সেই কাৰণে, উদাহৰণ দাঙি ধৰাৰ প্ৰশ্ন নুঠে।

৩ মই সন্ত্ৰাসবাদ মানে ঘাইকৈ ৰাজনৈতিক সন্ত্ৰাসবাদকে বহল অৰ্থত বুজো। আন্তঃৰাষ্ট্ৰীয় বা বিশ্ব সন্ত্ৰাসবাদ যদি থাকিব পাৰে, ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদো থাকিব পাৰে। অৱশ্যে অৱস্থা আৰু সময় ভেদে ৰাজনৈতিক পৰিবৰ্তন বা বিবৰ্তনৰ মাজেৰে সময় আৰু সুবিধা বুজি গুণ, ধৰ্ম, প্ৰকৃতি, অঞ্চল আৰু চৰিত্ৰৰ গুণাগুণ সলনি হয় বা নামকৰণো সলনি হয়; সৰলীকৃত নামকৰণ হয় চিনাক্তকৰণৰ সুবিধাৰ কাৰণে। মূৰৰ আকৃতি অনুসৰি মূৰৰ পিন্ধা টুপিৰ যেনেকৈ আকৃতি সলনি হয়, তেনেকৈ সমাজবাদ বা গণতন্ত্ৰৰো আদৰ্শ সলনি হয় আৰু সন্ত্ৰাসবাদৰো প্ৰকৰণৰ বিভেদ হয়। প্ৰত্যেক সন্ত্ৰাসবাদৰে এটি বৈপ্লৱিক দৃষ্টিভংগী থাকে। চলিত চৰকাৰ বা ৰাষ্ট্ৰৰ শাসনযন্ত্ৰৰ (লাগিলে গণতন্ত্ৰ, সমাজতন্ত্ৰ, ৰাজতন্ত্ৰ, সামন্তবাদী তন্ত্ৰ) যি চৰকাৰেই নহওক সন্ত্ৰাসবাদী হত্যা, লুণ্ঠন, অপহৰণ, ভীতি প্ৰদৰ্শন বিহ্বলতা আদিক প্ৰতিৰোধ কৰিবলৈ ৰাষ্ট্ৰীয় চৰকাৰেও আইন শৃংখলা ৰক্ষা কৰিবলৈ [illegible] শান্তি প্ৰতিষ্ঠা কৰিবলৈ আইনৰ বিধান কট্‌কটীয়া কৰে, জৰুৰীকালীন অৱস্থাৰ সৃষ্টি কৰি প্ৰতি বিপ্লৱী দৃষ্টিভংগীৰে পুলিচ, মিলিটেৰীৰ দ্বাৰা দমন নীতি প্ৰয়োগ কৰে। এই দমন নীতি আইন সংগত হ'লে ক'বৰ একো নাই। মতামত ভেদে এই দমন নীতি কঠোৰ হ'লে বা আতিশয্য হ'লে কিছুলোকে অসহিষ্ণু হয় বা হবৰ বাধ্য হয় আৰু প্ৰতিপক্ষক ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ বুলি আখ্যা দিব পাৰে। জম্মু, কাশ্মীৰ, পাঞ্জাৱ বা অসমো তাৰ ব্যতিক্ৰম নহয়। ই কোনো ৰাজনীতি বিজ্ঞানৰ বিধি ব্যৱস্থাসন্মত নহবও পাৰে।

সাধাৰণতে ৰাজনৈতিক সন্ত্ৰাসবাদক যদিও সাম্ৰাজবাদী কুফল বুলি গণ্য কৰা হয় তথাপিও, সাম্ৰাজ্যবাদী বুৰ্জোৱা মহলবোৰে আন্তৰ্জাতিক সন্ত্ৰাসবাদৰ কাৰণে আনৰ ওপৰত দোষ জাপিবলৈ চেষ্টা কৰে। সাম্ৰাজ্যবাদৰ প্ৰতিক্ৰিয়াৰ অতি চূড়ান্ত ৰূপ সন্ত্ৰাসবাদলৈ ৰূপান্তৰিত হয়। ঠাই ভেদে আৰু অৱস্থা অনুসৰি ঔপনিবেশিক শাসন, শোষণৰ বাবেও এই প্ৰক্ৰিয়া সম্ভৱ হব পাৰে। নাগৰিক বা মানৱিক অধিকৰ সমূহ ভংগ বা অগ্ৰাহ্য হোৱাৰ সম্ভৱ ঘটিলে পুঁজিবাদী জগতত যি সন্ত্ৰাসবাদৰ সৃষ্টি হয় সি নতুন সংকটৰ সাক্ষ্য দিয়ে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰৰাষ্ট্ৰ বিভাগৰ দ্বাৰা প্ৰচাৰিত তথ্য অনুযায়ী ১৯৬৮ চনৰ পৰা ১৯৮০ চনলৈ গোটেই পৃথিৱী জুৰি ৭৩০০০টা সন্ত্ৰাসমূলক কাৰ্য সংঘটিত হৈছিল। তীব্ৰতৰ শ্ৰেণী সংগ্ৰামৰ পৰিপ্ৰেক্ষিতত সাম্ৰাজ্যবাদে বা ঔপনিবেশ বাদে সাৰ্বভৌম দেশ বা চৰকাৰৰ বিৰুদ্ধে ভীতি প্ৰদৰ্শনৰ ছাপ সৃষ্টি কৰে। বোমা বৰ্ষণ, ৰকেট নিক্ষেপ, গৃহদাহ, পুৰুষ, নাৰী, শিশু অপহৰণ, গুৰুত্বপূৰ্ণ পদবীধাৰী বিষয়াৰ অপহৰণ, হত্যা, লুণ্ঠন আদিৰ ঘটনা বিশ্বজুৰি প্ৰকাশ হৈ আছে। "কুক্লাক্স কেলন" আমেৰিকাৰ বৰ্ণ বিদ্বেষৰ এটি পুৰণি সন্ত্ৰাসবাদৰ নাম। সন্ত্ৰাসবাদীবোৰে সামাজিক বিশৃংখলা সৃষ্টি কৰি বহু পৰিমাণৰ বিঘিনি ঘটায়, গণতান্ত্ৰিক শক্তিক দুৰ্বল কৰে, জনমানসত ভীতি সঞ্চাৰ কৰে। কিন্তু ব্যক্তিগত সন্ত্ৰাসবাদ এটা ভ্ৰান্ত কৰ্ম কৌশল; যি বৈপ্লৱিক আন্দোলনক ক্ষতি কৰে আৰু জনসাধাৰণৰ পৰা বিচ্ছিন্ন কৰে। গতিকে সকলো ৰাজনৈতিক সন্ত্ৰাসবাদক আলাপ, আলোচনাৰ মাজেৰেহে ৰাজনৈতিক সমাধানৰ সূত্ৰ বিচাৰি উলিওৱা উচিত যাতে দেশত সৰ্বাত্মক উন্নতি ব্যাহত নহয়, অত্যাচাৰ, নিপীড়ন, শোষণৰ পৰা মানুহে ৰক্ষা পাব পাৰে। অহিংসাৰ পথ মুকলি হয়। এইবোৰৰ দৃষ্টান্ত দাঙি ধৰিলে এটা বৰ দীঘলীয়া ঐতিহাসিক বৃত্তান্ত হব। তাৰ বিবৰণ দিয়া আজিৰ উত্তৰ নহয়।

৪ নৰহত্যা, লুণ্ঠন, অপহৰণ যদি সৰ্ব দেশতে আৰু সৰ্বকালতে অপৰাধ বুলি গণ্য কৰি আহিছে, সেই কাৰ্য উগ্ৰপন্থী বা নৰম পন্থী বা সোঁপন্থী বা বাওঁপন্থীয়ে সংঘটিত নকৰক কিয়? প্ৰথম প্ৰশ্নৰ উত্তৰতে মানৱ অধিকাৰ সম্বন্ধে থূলমূল বিবৰণ দিয়া হৈছে। গতিকে অপৰাধ আৰু মানৱ অধিকাৰ ভংগৰ সূক্ষ্ম প্ৰভেদ আছে। অপৰাধ কৰিলে বিধি ব্যৱস্থা, আইনৰ দ্বাৰা বিচাৰ কৰি দন্ড বিহাৰো ব্যৱস্থা সকলো ৰাষ্ট্ৰতে আছে। আমাৰ দেশো তাৰ ব্যতিক্ৰম নহয়। মানুহে যেতিয়া জীৱন দান দিব নোৱাৰে, জীৱন নিয়াৰো অধিকাৰ নাই। সেয়েহে নিজৰ জীৱন নিজে নাশ কৰাকো 'আত্মহত্যা' কৰা অপৰাধ বুলি ধৰা হয় আৰু শাস্তিৰো বিধান আছে। অপৰাধীক বিচাৰ কৰি প্ৰাণদন্ড বিহিলেও বিচাৰত ভুল ভ্ৰান্তি হব পাৰে বুলি উচ্চ আৰু উচ্চতম ন্যায়ালয়ত আপীলৰ ব্যৱস্থা আছে। সৰ্বোপৰি দেশৰ সৰ্বময় কৰ্তা বা ৰাষ্ট্ৰপতিৰ ওচৰত ক্ষমা ভিক্ষাৰো বিধান আছে যাতে এটাও নিৰপৰাধী মানুহে শাস্তি ভুগিব নোৱাৰে। লাগিলে বিচাৰৰ ভুল হৈ বা অপ্ৰমাণিত হৈ অপৰাধী মানুহ সাৰি যাওক। এয়ে প্ৰচলিত আইনৰ বিধান। গতিকে, মানৱ অধিকাৰ ভংগৰ কি কথা?

৫ নৰহত্যা, অপহৰণ কাৰ্য যি পন্থীৰ দ্বাৰাই সংঘটিত নহওক, সকলোৰে নিন্দনীয়। শান্তি ৰক্ষক বেতনভোগী পুলিচ বা মিলিটাৰীৰ দ্বাৰা সংঘটিত নিৰপৰাধী লোকৰ ওপৰত বা আইন মতে চলা লোকৰ ওপৰত কৰা আতিশয্যও নিন্দনীয়। আইন বহিৰ্ভুত বিধি ব্যৱস্থা ভংগ কৰাও সমানেই নিন্দনীয়। শতকৰা কেইভাগ এনে নিন্দনীয় কাৰ্য প্ৰকাশ পায়? পৃথিৱীত অহৰহ বহু ঘটনাই বা নিন্দনীয় কাৰ্যই ঘটি আছে। সেইবোৰৰ ভু কেইজনে পায় বা খবৰ ৰাখে? অপ্ৰকাশৰ বেদনাৰ ঢৌ সাগৰতে মাৰ যায়। নীৰৱতাৰ বেদনা আৰু গভীৰ।

এই সকলোবোৰ কথা আৰু কাৰ্যকে মই "কালস্য কুটিলা গতি" বুলি ক'ব খোজো। আপুনি "কালান্তৰ" বুলিও আখ্যা দিব পাৰে। 'অল্পমতি বিস্তৰেণ'–

## কনকসেন ডেকা

*সম্পাদক, অগ্ৰদূত*

১ সাম্প্ৰতিক কালত মানৱ অধিকাৰ সম্পৰ্কে মাৰ্কিন যুক্তৰাষ্ট্ৰই বেছিকৈ চিন্তা-চৰ্চা কৰা হৈছে যদিও সেইখন দেশতে প্ৰকৃতাৰ্থত মানৱ অধিকাৰ ভংগ হোৱাৰ অভিযোগ উত্থাপিত হৈছে। অলপতে কেতবোৰ অপৰাধত ভালেমান কিশোৰক প্ৰাণদন্ড বিহা হৈছে আৰু বুজন সংখ্যকে এতিয়াও মৃত্যুৰ ক্ষণ গণি চেলত সময় কটাইছে। এই ক্ষেত্ৰত প্ৰথম অসহনীয় দিশটো হ'ল– প্ৰাণদন্ডৰ শাস্তি বিহি সমাজৰ পৰা উঠি অহা কেতবোৰ যুৱক-যুৱতীক নিশ্চিহ্ন কৰিবলৈ বিচৰা হৈছে। যিটো সময়ত বিশ্বৰ দেশে দেশে মৃত্যুদন্ড ৰহিত কৰিবলৈ বিচৰা হৈছে সেই সময়তেই এইদৰে কেতবোৰ কিশোৰৰ জীৱন নাশ কৰাটো অমানৱীয় কাৰ্য। তেওঁলোকক হেলাৰঙে সুপথলৈ ঘূৰাই অনাৰ সুবিধা আছে। দ্বিতীয়তে মৃত্যুদন্ডৰ আজ্ঞা পোৱা সকলৰ সৰহ সংখ্যকেই কৃষ্ণাংগ আৰু এই লৈ মাৰ্কিন যুক্তৰাষ্ট্ৰতেই প্ৰতিবাদৰ ধ্বনি উঠিছে। যিয়েই নহওক মাৰ্কিন যুক্তৰাষ্ট্ৰই দাবী কৰে যে সেইখন দেশৰ নাগৰিকে সৰ্বাধিক অধিকাৰ লাভ কৰে। অৱশ্যে মাৰ্কিন নাগৰিক সকলে মত প্ৰকাশৰ ক্ষেত্ৰত যথেষ্ট অধিকাৰ লাভ কৰাটো সঁচা; কিন্তু সিয়েই মানুহৰ পূৰ্ণ বিকাশৰ বাবে কোনোপধ্যেই যথেষ্ট নহয়। এজন মানুহে পূৰ্ণ বিকাশৰ বাবে প্ৰয়োজনীয় আহিলা লাভ কৰাৰ অধিকাৰ আছে। সেই দৃষ্টিকোণেৰে চাবলৈ গ'লে অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ সুবিধা পোৱাটো প্ৰতিজন মানুহৰেই প্ৰাথমিক অধিকাৰ। তাৰ পিছতেই শিক্ষা, মত প্ৰকাশ আৰু আনুষংগিক বিষয় সমূহৰ অধিকাৰৰ বিষয় আহি পৰে। সমাজতান্ত্ৰিক দেশত মত প্ৰকাশৰ অফুৰন্ত স্বাধীনতা পোৱা নাযায় বুলি কোৱা হয় যদিও অন্ন-বস্ত্ৰ-বাসস্থানৰ লেখীয়া প্ৰাথমিক আহিলা সমূহ পোৱাটো এক প্ৰকাৰ নিশ্চিত বুলি ক'ব পাৰি।

২ অসমত মানৱ অধিকাৰ বুলিলে কেৱল এটা দিশৰ ওপৰতহে আলোকপাত কৰা হৈছে। বিভিন্ন মহলত প্ৰচাৰ কৰা হৈছে যে ৰাজ্যখনত চৰকাৰে পুলিচ-মিলিটাৰীৰ দ্বাৰা মানুহৰ মৌলিক অধিকাৰ খৰ্ব কৰা হৈছে। প্ৰতিজন নাগৰিকৰেই জীয়াই থকাৰ অধিকাৰটো যে সবাতোকৈ গুৰুত্বপূৰ্ণ সেই বিষয়ে ব্যাখ্যা কৰিবলৈ যোৱাটো বাহুল্য মাথোন। কিন্তু চৰকাৰী যন্ত্ৰৰ দ্বাৰা কাৰোবাক সেই অধিকাৰৰ পৰা বঞ্চিত কৰাটো যিদৰে গৰ্হিত কাৰ্য, তেনেদৰেই বেচৰকাৰী সন্ত্ৰাসৰ বলি হৈ জীৱনৰ অধিকাৰৰ পৰা বঞ্চিত হোৱাটোও কোনো গুণে কম গৰ্হিত নহয়। কাৰ্যতঃ অসম আন্দোলনৰ সময়ৰ পৰাই ৰাজ্যখনত মানৱ অধিকাৰ লংঘন কৰা হৈ আহিছে। নেলী, গহপুৰ, ধূলাত কিদৰে মানৱ অধিকাৰ লাঞ্ছিত হৈছিল সেই কথা আমাৰ স্মৃতিপটত এতিয়াও কেঁচা হৈ আছে। সু-সাহিত্যিক দীন কলিতা, সু-সাংবাদিক কমলা শইকীয়া কিদৰে বেচৰকাৰী সন্ত্ৰাসৰ বলি হৈছিল সেয়াও মনত আছে। আনহাতে চৰকাৰী সন্ত্ৰাসৰ বলি হৈও এই কালছোৱাত খৰ্গেশ্বৰ তালুকদাৰৰ পৰা আৰম্ভ কৰি ৰাজু বৰুৱালৈ বহুতেই প্ৰাণ বিসৰ্জন দিব লগা হৈছে। এই সকলোবোৰেই মানৱ অধিকাৰ লংঘনৰ দৃষ্টান্ত।

৩ যোৱা কিছুদিন ধৰি স্বাৰ্থজড়িত কেতবোৰ মহলে ন্যস্ত স্বাৰ্থ পূৰণৰ অৰ্থে ৰাষ্ট্ৰৰ অপব্যাখ্যা প্ৰচাৰেৰে ৰাইজক বিপথগামী কৰিবলৈ চেষ্টা কৰা দেখা গৈছে। গণতান্ত্ৰিক শাসন ব্যৱস্থাত ৰাষ্ট্ৰ এক কল্যাণকামী মহীয়ান অনুষ্ঠান। কৰ্ম সংস্থাপনকে ধৰি নাগৰিকৰ মৌলিক অধিকাৰ সমূহ যোগান ধৰিবলৈ ৰাষ্ট্ৰ নীতিগত ভাবে দায়বদ্ধ। অৱশ্যে ই ৰাষ্ট্ৰৰ সম্পদ আৰু ত্ৰুটিমুক্ত পৰিবেশৰ ওপৰত নিৰ্ভৰশীল। জীৱন, সম্পত্তি ইত্যাদিৰ নিৰাপত্তা নিশ্চিত কৰাটো যে ৰাষ্ট্ৰৰ প্ৰাথমিক কৰ্তব্য তাক ব্যাখ্যা কৰাৰ প্ৰয়োজন

OKDISCD

নাই। সেয়েহে নিৰাপত্তা বিঘ্নিত হোৱাৰ উপক্ৰম হ'লেই ৰাষ্ট্ৰৰ 'পক্ষে হস্তক্ষেপ কৰাটো অপৰিহাৰ্য হৈ পৰে। যোৱা কিছুদিন ধৰি অসমত উগ্ৰপন্থীয়ে নিৰ্বিচাৰে মানুহ হত্যা কৰিছে, অপহৰণ কৰিছে, বলপূৰ্বক ধন সংগ্ৰহ কৰিছে। আইনৰ শাসন (আইনৰ শাসনেই বৰ্বৰতাৰ পৰা মানুহক সভ্যতাৰ পোহৰলৈ আনিছে) বিঘ্নিত হৈছে। এনে ক্ষেত্ৰত চৰকাৰে বিভিন্ন মাধ্যমেদি সমাজত শান্তি স্থাপন আৰু আইনৰ শাসন প্ৰবৰ্তন কৰাটো প্ৰাথমিক কৰ্তব্য। অৱশ্যে সেই দায়িত্ব পালন কৰিবলৈ যাওঁতে পুলিচ-মিলিটাৰীয়ে যে অত্যাচাৰ কৰাৰ লেখীয়া কেতবোৰ অবাঞ্চিত কাৰ্য সংঘটিত কৰিছে তাৰো যথেষ্ট প্ৰমাণ আছে। আমাৰ পুলিচ-মিলিটাৰী সকলৰ পৰা বৰ্তমানতকৈ ভাল আচৰণ আমি বিচাৰো; কিন্তু এইটোও স্বীকাৰ কৰি লব লাগিব যে এই পুলিচ-মিলিটাৰী সকল ভিন্ন গ্ৰহৰ দেৱদূত নহয়। সেই সকল আমাৰ সমাজৰেই লোক আৰু এইখন সমাজৰ লোকতকৈ তেওঁলোকৰ চৰিত্ৰ ব্যতিক্ৰম হব বুলি আশা কৰাটো যুক্তিহীন। যিয়েই নহওক বৰ্তমানৰ অভিযোগ সমূহৰ পটভূমিত আমাৰ পুলিচ-মিলিটাৰী সকলক এইদৰে প্ৰশিক্ষণ দিব লাগে যাতে তেওঁলোকৰ চৰিত্ৰ সমালোচনাৰ ঊৰ্দ্ধত হয়।

৪ প্ৰথম প্ৰশ্নৰ উত্তৰটোতেই আছে।

৫ উগ্ৰপন্থীৰ দ্বাৰাই হওক অথবা পুলিচ-মিলিটাৰীৰ দ্বাৰাই হওক- হত্যা-অপহৰণৰ লেখীয়া কাৰ্য সমানেই গৰিহণাৰ যোগ্য। মানৱ অধিকাৰ ৰক্ষাৰ মুখা পিন্ধি যদিহে কোনো সংগঠনে উগ্ৰপন্থীৰ দুষ্কাৰ্যক সমালোচনা নকৰে আৰু কেৱল পুলিচ-মিলিটাৰীৰ আতিশয্যকহে গৰিহণা দিয়ে তেন্তে তাত নাস্ত স্বাৰ্থ জড়িত থকা সম্বন্ধে নিশ্চিত হব পাৰি। সেই মহলটোহে মানৱ অধিকাৰ সুৰক্ষা দিয়াৰ ভাও জুৰি উগ্ৰপন্থী সকলকহে উৎসাহ যোগায় আৰু এক অৰাজক অৱস্থাৰ সৃষ্টি কৰিবলৈ বিচাৰে। অৱশ্যে উগ্ৰপন্থী সকলৰ পৰা নিৰাপদ দূৰত্বত থাকি এই মহলটোৱে ঘোলা পানীত মাছ মাৰি সামাজিক প্ৰতিপত্তি লাভ কৰিবলৈ বিচাৰে।



ধীৰেন্দ্ৰনাথ বেজবৰুৱা
*সম্পাদক, ছেন্টিনেল*

১ মানৱ অধিকাৰ বুলিলে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত যিবোৰ অধিকাৰ ব্যক্তি স্বাধীনতাৰ ভিত্তিত প্ৰত্যেক নাগৰিকক দিয়া হয় সেইবোৰকেই বুজায়। ইয়াৰ ভিতৰত মুক্তভাবে আত্মপ্ৰকাশ কৰাৰ অধিকাৰ, সংগঠন কৰাৰ অধিকাৰ, শান্তিপূৰ্ণভাবে প্ৰতিবাদ কৰাৰ অধিকাৰ, আদালতত গোচৰ দাখিল কৰাৰ অধিকাৰ ইত্যাদি সন্নিবিষ্ট হৈ আছে। গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ বাহিৰত মানৱ অধিকাৰৰ প্ৰশ্ন উত্থাপন কৰাটো অবান্তৰ আৰু অবাস্তৱ।

২ মানৱ অধিকাৰৰ উলংঘন বিভিন্ন ধৰণে হ'ব পাৰে। তাৰ ভিতৰত জৰুৰীকালীন পৰিস্থিতি আৰু সন্ত্ৰাসবাদ উল্লেখযোগ্য। অৱশ্যে এই দুবিধ পৰিস্থিতিৰ বাহিৰতো আৰু একেবাৰে তথাকথিত 'স্বাভাৱিক' পৰিস্থিতিৰ মাজতো টাডাৰ দৰে আইন প্ৰবৰ্তন কৰি বা সংবিধানৰ সংশোধন কৰিও মানৱ অধিকাৰ উলংঘন কৰিব পাৰি। আনকি এইবোৰ পন্থা অৱলম্বন নকৰাকৈও কাৰোবাক ন্যায় বিচাৰৰ পৰা বঞ্চিত কৰি বা প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰিও মানৱ অধিকাৰ লংঘন কৰাটো সম্ভৱ। আৰু এনে ধৰণৰ মানৱ অধিকাৰৰ লংঘন ভাৰতত দৈনিক হৈয়েই আছে। গতিকে এনে ধৰণৰ মানৱ অধিকাৰৰ উলংঘন হোৱা অভিযোগ যদি উঠিছে তেন্তে এই অভিযোগ সঁচা বুলি স্বীকাৰ নকৰি উপায় নাই। কাৰোবাক চাকৰিৰ পৰা বিনা কাৰণত বৰ্খাস্ত কৰা, যোগ্য জনক প্ৰাপ্য চাকৰিৰ পৰা বঞ্চিত কৰি অযোগ্য জনক মকৰল কৰা, বিনা দোষত বা কেৱল সন্দেহত কাৰোবাক বন্দী কৰি ৰখা, এটা প্ৰবন্ধ বা বাতৰি বা সম্পাদকীয়ৰ বাবে এজন লেখক বা সাংবাদিকক অপমান, হাৰা শাস্তি বা আটক কৰা, ইত্যাদি কাণ্ড মানৱ অধিকাৰৰ উলংঘন বুলি ধৰিব লাগিব। লগতে কোনো সন্ত্ৰাসবাদী গোষ্ঠীয়ে কাৰোবাক ডকা-হকা দি টকা-পইছা বা অস্ত্ৰ আদি লৈ যোৱা বা কাৰোবাক হত্যা বা অপহৰণ কৰা কাৰ্যও মানৱ অধিকাৰ লংঘন কৰা কাৰ্য। গতিকে এই অভিযোগবোৰত যেতিয়া কেৱল সামৰিক বাহিনী বা পুলিচৰ কাৰ্যকলাপৰ কথা কোৱা হয় আৰু সন্ত্ৰাসবাদী সকলৰ কাৰ্যকলাপৰ বিৰুদ্ধে কোনো অভিযোগ অনা নহয়, তেতিয়া এনে অভিযোগবোৰ একপক্ষীয় হৈ পৰে। এনে পক্ষপাতিতাৰ ভিত্তিত যেই কোনো পৰিবেশতে মানৱ অধিকাৰ ৰক্ষা হোৱাৰ পৰিবৰ্তে উলংঘন হোৱাৰ সম্ভাৱনাই বেছি।

৩ দৰাচলতে সন্ত্ৰাসবাদ ৰাষ্ট্ৰীয় পৰ্যয়তেই আৰম্ভ হৈছিল বুলি ক'ব পাৰি। ১৮শ শতিকাৰ শেষ ভাগত, ফৰাচী বিপ্লৱৰ সময়ত। আজিও যেতিয়া ৰাষ্ট্ৰশক্তি সন্ত্ৰাসবাদ দমন কৰাৰ খাতিৰতে হওক বা আন কাৰণতে হওক, ৰাইজৰ মাজত সন্ত্ৰাসৰ তাণ্ডৱলীলা সৃষ্টি কৰে, তেনে এটা পৰিস্থিতিক ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ বুলি নকৈ নোৱাৰি। ইয়াৰ উপৰিও যেতিয়া ৰাষ্ট্ৰই সন্ত্ৰাসবাদত ইন্ধন যোগায় – যেনেকৈ বড়ো আন্দোলনৰ আৰম্ভণিত ৰ ৰ (RAW) যোগেদি বড়ো সন্ত্ৰাসবাদীক সন্ত্ৰাসবাদৰ কাৰিকৰী প্ৰশিক্ষণ দিয়া হৈছিল – তেতিয়াও আমি ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ স্বৰূপ দেখা পাইছিলো।

৪ এনেবোৰ অপকৰ্মৰ যোগেদি নিশ্চয় মানৱ অধিকাৰ লংঘন কৰা হয়।

৫ কথাটো মূলতঃ সঁচা। কিন্তু লগতে এইটো কথাও অনস্বীকাৰ্য যে যিবোৰ কাম সন্ত্ৰাসবাদীয়ে কৰিলে আমি নিন্দা কৰো বা আমাৰ নিন্দা কৰাৰ অধিকাৰ থাকে, সেই একোবোৰ কামত পুলিচ বা সামৰিক বাহিনী লিপ্ত হোৱাৰ কোনো অধিকাৰ নাই। এই ধৰণৰ হুলেৰে হুল কঢ়া ব্যৱস্থাৰ মাজেদি গণতন্ত্ৰ বাচি থাকিব নোৱাৰে। এখন ৰাষ্ট্ৰৰ নাগৰিকৰ পক্ষে নিজৰ পুলিচ বা সামৰিক বাহিনীৰ হাতত অযথা লাঞ্ছিত বা নিৰ্যাতিত হোৱাৰ সমান দুখৰ কথা একো হ'ব নোৱাৰে। তেওঁলোকক নাগৰিকৰ ৰক্ষক হ'বলৈহে ৰাইজে বেতন দিয়ে।

অনুৰাধা দত্ত
*অধ্যাপিকা, ৰাজনীতি বিজ্ঞান, গুৱাহাটী বিশ্ববিদ্যালয়*

১ যুগে যুগে মানৱ অধিকাৰৰ ব্যাখ্যা হৈ আহিছে। সংবিধান বা নিৰ্দিষ্ট চনদ ব্যতিৰেকেও এই অধিকাৰ থাকে আৰু থকা উচিত। আধুনিক যুগত ইয়াৰ বিস্তৰ ব্যাখ্যা পোৱা যায়।

১৭৭৬ চনৰ আমেৰিকাৰ "স্বাধীনতাৰ ঘোষণা পত্ৰ"ত বহু উল্লিখিত তলৰ কথাকেইটা কোৱা হৈছিল– "আমি এই সত্যকেইটা স্বতঃসিদ্ধ বুলি ভাবো যে সকলো মানুহৰে সমভাবে সৃষ্টি হয়, যে সকলোকে সৃষ্টিকৰ্তাই কিছুমান অপসৰণ অসাধ্য অধিকাৰেৰে বিভূষিত কৰে যে এনেবোৰ অধিকাৰৰ ভিতৰত আছে জীৱন, স্বাধীনতা আৰু সুখ লাভ কৰাৰ অধিকাৰ।" ১৭৮৯ চনত ঐতিহাসিক ফৰাচী বিপ্লৱৰ "মানুহ আৰু নাগৰিক"ৰ ঘোষণা পত্ৰৰ এটা দফাত কোৱা হৈছিল– "প্ৰতিটো ৰাজনৈতিক সংস্থাৰ লক্ষ্য হৈছে মানুহৰ স্বাভাৱিক আৰু নিৰ্দিষ্ট সীমাৰেখা টানি নিব নোৱৰা অধিকাৰ সমূহ ৰক্ষা কৰা।" এই অধিকাৰ সমূহ হৈছে স্বাধীনতা, সম্পত্তি, নিৰাপত্তা আৰু অত্যাচাৰৰ বিৰুধে প্ৰতিৰোধৰ অধিকাৰ। দ্বিতীয় মহাসমৰ সম্পূৰ্ণ নহওঁতেই সন্মিলিত জাতি সংঘৰ চনদ ৰচিত হৈছিল। ইয়াৰ প্ৰস্তাৱনাৰ একাংশত আছে যে সন্মিলিত জাতি সংঘত মিলিত হোৱা ভিন ভিন দেশৰ জনসাধাৰণ/জাতি সমূহে এইটো বিষয়ে প্ৰতিশ্ৰুতিবদ্ধ হৈছে যে মৌলিক মানৱ অধিকাৰ ৰক্ষিত হব আৰু ৰক্ষিত হব মানুহ হিচাপে মানুহৰ মৰ্যাদা আৰু গুৰুত্ব, নৰ-নাৰীৰ সমান অধিকাৰ, ডাঙৰ সৰু সকলো জাতিৰ সমান অধিকাৰ– জাতি সমূহৰ চনদ ১৯৪৫ চনৰ ২৪ অক্টোবৰৰ পৰা প্ৰবৰ্তিত হৈ আহিছে। সবাৰো ওপৰত জাতি সংঘই ১৯৪৮ চনৰ ১০ ডিচেম্বৰত ৩০ দফীয়া সাৰ্বজনীন মানৱাধিকাৰ ঘোষণা পত্ৰ গ্ৰহণ কৰিছিল। ইয়াৰ আৰ্হিত ইউৰোপীয় মানৱাধিকাৰ ঘোষণাপত্ৰ গ্ৰহণ কৰিছিল তাৰ উপৰি সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক বিষয়ত নানা চনদ, চুক্তিপত্ৰ আৰু ঘোষণা গৃহীত হৈ আহিছে।

মুঠতে ৰবীন্দ্ৰনাথৰ সুৰত সুৰ মিলাই লবলৈ গ'লে– "মানুহক মনুষ্যত্বৰ গৌৰৱেৰে গৰ্বিত কৰিব পৰা স্বাভাৱিক স্বতঃসিদ্ধ অধিকাৰবোৰেই মানৱ অধিকাৰৰ সমষ্টি। সামাজিক সংস্থাবোৰে (ৰাষ্ট্ৰও তেনে এক গুৰুত্বপূৰ্ণ সংস্থা) এই অধিকাৰ সাব্যস্ত কৰাত সহায় কৰা উচিত।

২ অসমত মানৱ অধিকাৰ ভংগৰ অভিযোগ প্ৰায় প্ৰতিদিনে স্থানীয় সংবাদ পত্ৰ আৰু একাধিক ৰাষ্ট্ৰীয় সংবাদপত্ৰত ধাৰাবাহিক প্ৰকাশ হৈছে। চৰকাৰী পক্ষৰ মতে বৰ্তমানৰ 'অপাৰেচন ৰাইন'ৰ ব্যৱহাৰ বজৰঙৰ দৰে নহব যাৰ দ্বাৰা বুজা যায় বজৰঙৰ সময়ত মানৱ অধিকাৰৰ নিৰ্যাতন হৈছিল। বৰ্তমান অভিযানতো বহুতো প্ৰমাণিত অভিযোগৰ তালিকা ওলাইছে। সিবিলাক দূৰ কৰি হিংসামুক্ত পৰিবেশ সৃষ্টি কৰা উচিত দেশৰ কাৰণে, সমাজ আৰু পৰিয়ালৰ শান্তিৰ কাৰণে।

৩ স্বাধীনতাৰ পিছৰে পৰা সৈন্যবাহিনী নিৰাপত্তা বাহিনীক প্ৰশাসনত সহায় কৰিবলৈ সঘনে ব্যৱহাৰ কৰাটো ক্ষতিজনক বুলি বিভিন্ন মহলে বিবেচনা কৰিছে। ভাৰতবৰ্ষত ৰাষ্ট্ৰ যন্ত্ৰটো যিমান পৰা যায় শক্তিশালী কৰা হৈছিল ১৯৫১ চনৰ পৰা ১৯৭০ চনলৈ ৪৭৬ বাৰ সৈন্য বাহিনীক আভ্যন্তৰীণ সংঘৰ্ষ দমন কৰিবলৈ নিয়োগ কৰা হৈছিল। ১৯৭৯ চনৰ জুন মাহৰ পৰা ১৯৮০ চনৰ ডিচেম্বৰ মাহলৈ চৌষষ্ঠীবাৰ সৈন্য বাহিনী এনেদৰে নিয়োগ কৰা হৈছিল। লগে লগে ১৯৫৬ চনত সৈন্য বাহিনীৰ বিশেষ অধিকাৰ আইন গ্ৰহণ কৰা হৈছিল। ব্যক্তি স্বাধীনতা দমনৰ কাৰণে "মিছা" আইনৰ পিছত ৰাষ্ট্ৰীয় নিৰাপত্তা আইন প্ৰবৰ্তিত হ'ল Judicial Review ব্যৱস্থা থকা সত্বেও এই আইন সমূহৰ উদ্দেশ্য আছিল– সৈন্য বাহিনীক মুকলি ভাবে চৰকাৰৰ সমস্যা সমাধানত সহায় কৰিবলৈ নিয়োগ কৰা। এই আইন সমূহে মিলিটাৰী আৰু পেৰা-মিলিটাৰী শক্তিক যথেষ্ট শক্তিশালী কৰে। ১৯৮২-৮৩ চনত অসমৰ অৱস্থা চাই পাকিস্তানৰ এজন লেখকে কৈছে যে এইদৰে নাগৰিক অধিকাৰ নাইকিয়া কৰি, প্ৰেছ চেন্সৰছিপ প্ৰবৰ্তন কৰি, জধে মধে মানুহক বন্দী কৰাৰ নীতি অব্যাহত ৰাখিলে বে-সামৰিক প্ৰশাসন সামৰিক শক্তিৰ ওপৰত এহাতে অধিক নিৰ্ভৰশীল হৈ পৰিব আনহাতে মিলিটাৰীয়ে শক্তিৰ সোৱাদ পাব – এনে ঘটনা পাকিস্তান আৰু বাংলাদেশত হৈছে। সামৰিক শক্তিক বাৰে বাৰে প্ৰশাসনৰ সহায়লৈ নিমন্ত্ৰণ জনালে সংসদীয় প্ৰক্ৰিয়াবোৰৰ ওপৰত আঘাত পৰিব। আজিৰ ভাৰতবৰ্ষত ৰাজনীতিবিদৰ মূল্যবোধ দৃষ্টিভংগী প্ৰকাশ কৰিবলৈ সৈন্য বাহিনী লাগে। ৰমেশ থাপ্পাৰে এঠাইত লেখিছে- ভাৰতবৰ্ষৰ মধ্যবিত্ত শ্ৰেণীৰ পৰা অহা নতুনচাম বিষয়ববীয়াই ৰাজনীতিত সৈন্য বাহিনীৰ কৃষ্টিৰ এটা অংশ কৰি পেলাব যদিও বৰ্তমান দুয়োটাৰ মাজত যথেষ্ট দূৰত্ব আছে। ৰাষ্ট্ৰৰ পৰিচালকবৰ্গৰ উদ্যোগত ব্যাপক আকাৰত জধে মধে চলা বা চলোৱা দমন বা হিংসামূলক প্ৰক্ৰিয়াই ৰাষ্ট্ৰ সন্ত্ৰাসৰ আখ্যা পায়। সাধাৰণ আইন শৃংখলা ৰক্ষাৰ কাৰণে পুলিচ বাহিনী থাকে আৰু এওঁলোক কাৰ্যক্ষম হব লাগে কিন্তু সোধ-পোচৰ নামত অকথ্য শাৰীৰিক অত্যাচাৰ আৰু বে-আইনী গ্ৰেপ্তাৰ আৰু নিৰাপত্তা বাহিনীৰ জিম্মাত অন্যায় ভাবে ৰাখি নানা অত্যাচাৰ কৰিলেই ই ৰাষ্ট্ৰসন্ত্ৰাসৰ ভিতৰত পৰে।

৪ মানৱ অধিকাৰৰ তাৎপৰ্যৰ বিষয়ে প্ৰথম প্ৰশ্নোত্তৰত কোৱা হৈছে। কোনো ক্ষেত্ৰতে ৰাষ্ট্ৰই হওক বা ব্যক্তিয়েই হওক বা কোনো অনুষ্ঠানে নিৰপৰাধী কোনো লোকক সামান্যতম শাস্তিও দিব নোৱাৰে– ই মানৱ অধিকাৰ ভংগৰ গুৰুতৰ অপৰাধ।

৫ প্ৰতিটো সংস্থা, চৰকাৰেও নিজৰ দৃষ্টিভংগীৰে ব্যাখ্যা আগবঢ়ায়। মানৱ অধিকাৰ ৰক্ষাৰ সংস্থাই প্ৰমাণিত তথ্য দিলে সিবিলাকৰ নিৰাময়ৰ কৰ্তব্য চৰকাৰৰ। নিৰ্বাচিত চৰকাৰৰ কৰ্তব্য অভিযোগ নুঠাৰ পৰিস্থিতি এটাৰ সৃষ্টি কৰা। অসমত দুই/এক মানৱ অধিকাৰ ৰক্ষাৰ সংগঠনে উগ্ৰপন্থীৰ কাৰ্যত নিমাত থকা পৰিলক্ষিত হৈছে। গতিকে বৰ্তমান প্ৰয়োজনীয় কথা হ'ল নিৰপেক্ষ ভাবে সন্ত্ৰাসমুক্ত পৰিবেশ সৃষ্টি কৰিব লাগে– সন্ত্ৰাস ৰাষ্ট্ৰৰ পৰা উৎপন্ন হওক বা ব্যক্তিৰ পৰা সকলোৰে কৰ্তব্য হিংসামুক্ত পৰিবেশ সৃষ্টি কৰিব লাগে আৰু সকলো ধৰণৰ সন্ত্ৰাসৰ বিৰোধিতা কৰিব লাগে।

(শ্ৰীমতী) জ্যোতি. তালুকদাৰ
*অধিবক্তা, গুৱাহাটী উচ্চ ন্যায়ালয়*

১ মুক্ত, স্বাধীন আৰু নিৰ্বিৰোধ জীৱন যাপনৰ বাবে মানুহৰ যি জন্মগত অধিকাৰ তাকেই মানৱ অধিকাৰ বোলে

ৰাষ্ট্ৰসংঘৰ চনদত মানুহৰ এই অমূল্য অধিকাৰক গুৰুত্বপূৰ্ণ স্হান প্ৰদান কৰা হৈছে। ভাৰতীয় সংবিধানতো ২১ আৰু ২২ অনুচ্ছেদত মানৱ অধিকাৰৰ গুৰুত্ব স্বীকৃত হৈছে। মানৱ অধিকাৰৰ মূল তত্ত্ব হ'ল– আইনে নিৰ্ধাৰিত কৰি দিয়া পন্হাৰ বাহিৰে অইন কোনো উপায়েৰে জীৱন আৰু ব্যক্তি স্বাধীনতা খৰ্ব কৰিব নোৱাৰিব। বে-আইনী ভাবে কাকো আটক কৰা মানৱ অধিকাৰৰ পৰিপন্হী। আইন সংগতভাবে কাৰোবাক আটক কৰিলেও, গ্ৰেপ্তাৰৰ কাৰণ সমূহ পৰীক্ষাকৰণৰ দায়িত্ব অসামৰিক কৰ্তৃপক্ষক (বিচাৰপতি সকলক) দিয়া হৈছে, পুলিচ মিলিটাৰীক দিয়া হোৱা নাই। মানৱ অধিকাৰৰ লগত মংগলকামী ৰাষ্ট্ৰ স্বাধীনতা আৰু মৌলিক অধিকাৰ– এই আটাইবোৰ প্ৰসংগ ওত-প্ৰোতভাবে জড়িত।

২ অভিযোগটো তেনেই অসত্য বুলি কোৱা কঠিন। মানৱ অধিকাৰ উলংঘাৰ প্ৰশ্নটো দেশৰ প্ৰচলিত আইনৰ লগত জড়িত। অসমত সৈন্য বাহিনী নিয়োগ কৰা হৈছে– "সৈন্য বাহিনী বিশেষ ক্ষমতা' আইনৰ অধীনত। এই আইনৰ বিধান মতে সৈন্য বাহিনীয়ে কাৰোবাক গ্ৰেপ্তাৰ কৰিলে লগে লগে আৰক্ষীক চমজাই দিব লাগে। জেৰা কৰাৰ অধিকাৰ সৈন্য বাহিনীৰ নাই। কিন্তু ৭৫% ভাগৰ ক্ষেত্ৰতেই সৈন্য বাহিনীয়ে গ্ৰেপ্তাৰ কৰা লোকসকলক দুই-তিনিদিন কিম্বা ততোধিক নিজৰ শিবিৰত ৰাখি অত্যাচাৰ কৰাৰ খবৰ পোৱা গৈছে। আনকি বহু ক্ষেত্ৰত সৈন্য বাহিনীৰ অত্যাচাৰত মৃত্যু পৰ্যন্ত হৈছে। হাজোৰ স্বৰ্গীয় ৰাজকমল চৌধুৰীৰ মৃত্যু এই ক্ষেত্ৰত উল্লেখযোগ্য। তেওঁক গ্ৰেপ্তাৰ কৰাৰ দুদিন পিছতেই মৃত বুলি ঘোষণা কৰা হ'ল। এইটো এটা সহজ সৰল হত্যাকান্ড– এই বিষয়ে অকণো সন্দেহ নাই। এনে ধৰণৰ উদাহৰণ আৰু ভালেমান আছে।

৩ ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ বুলিলে ৰাষ্ট্ৰই সংঘটিত কৰা সন্ত্ৰাসৰ কথাকে বুজো। হিটলাৰৰ জাৰ্মানীত ইহুদী সকলৰ বিৰুদ্ধে আৰু ইজৰাইলত আৰৱ সকলৰ বিৰুদ্ধে যি সন্ত্ৰাস চলিছিল বা চলিছে মোটামুটিকৈ তাকেই ৰাষ্ট্ৰসন্ত্ৰাস বুলিব পাৰি। জনসাধাৰণৰ মাজত ত্ৰাসৰ সঞ্চাৰ কৰি জনসাধাৰণৰ সংঘবদ্ধ দাবী আৰু আশা আকাংক্ষাক মষিমূৰ কৰিবলৈ ৰাষ্ট্ৰই পৰিকল্পিত ভাবে যি সন্ত্ৰাস সংঘটিত কৰে সেয়েই ৰাষ্ট্ৰীয় সন্ত্ৰাস।

৪ মানৱ অধিকাৰ ৰক্ষাৰ দায়িত্ব অকল ৰাষ্ট্ৰৰহে বুলি কলে ভুল কৰা হব। সংবিধান আৰু আইনে নিৰ্ধাৰিত কৰি দিয়া গন্ডীৰ ভিতৰত অবাধ আৰু উন্মুক্ত বিচৰণৰ অধিকাৰ সকলো ভাৰতীয় নাগৰিকৰে আছে। সেই অধিকাৰ খৰ্ব কৰাৰ এক্তিয়াৰ কাৰো নাই। – লাগিলে সেয়া চৰকাৰেই হওক কিম্বা উগ্ৰপন্হীয়েই হওক। তদুপৰি নিৰীহ লোকক হত্যা কৰি আজিলৈকে পৃথিৱীত কোনো সংগঠনে তাৰ লক্ষ্যত উপনীত হব পৰা নাই। উগ্ৰপন্হী সকলে তেওঁলোকৰ লক্ষ্যত উপনীত হবলৈ ৰাষ্ট্ৰৰ লগত সংঘৰ্ষত লিপ্ত হোৱাটো এটা বেলেগ কথা। পুলিচ মিলিটাৰীৰ লগত প্ৰত্যক্ষ বা পৰোক্ষ সংগ্ৰামত প্ৰবৃত্ত হোৱাটো বে-আইনী হ'লেও অৰ্থনৈতিক হয়তো নহয়। কিন্তু সংগ্ৰামৰ নামত নিৰপৰাধী লোকক হত্যা কিম্বা অপহৰণ অক্ষমনীয়।

৫ অসমত বৰ্তমান জনমত তিনি ধৰণেৰে সংগঠিত হোৱা যেন অনুমান হয়। আঞ্চলিক দল বা তেওঁলোকৰ সহযোগী সকল উগ্ৰপন্হী সকলৰ প্ৰতি কিছু নৰম। কংগ্ৰেছ (ই) আৰু তেওঁলোকৰ সমৰ্থক দল কিম্বা গোষ্ঠীসমূহ উগ্ৰপন্হী সকলৰ প্ৰতি খৰ্গহস্ত। এই দুই কুমেৰু সুমেৰুৰ মাজত আৰু এক জনমত আছে যিয়ে চৰকাৰ আৰু উগ্ৰপন্হী দুয়ো পক্ষকে সমালোচনা কৰে। ৰাষ্ট্ৰ সন্ত্ৰাস আৰু উগ্ৰপন্হীৰ দ্বাৰা সংঘটিত কৰা সন্ত্ৰাস দুয়োবিধেই নিন্দনীয়। সন্ত্ৰাস সন্ত্ৰাসেই, অকল উগ্ৰপন্হীয়েই সংঘটিত কৰা বুলিয়েই সন্ত্ৰাস গ্ৰহণযোগ্য হব নোৱাৰে। আমাৰ মতে সকলো ধৰণৰ সন্ত্ৰাসৰ বিৰুদ্ধে জনসাধাৰণৰ সকলো গোষ্ঠীয়েই উদাত্ত কণ্ঠে প্ৰতিবাদ কৰিব লাগে।


ড০ ফণী গগৈ

*অধ্যাপক ৰাজনীতি বিজ্ঞান;*
*গুৱাহাটী বিশ্ববিদ্যালয়*


১ যিবিলাক অধিকাৰ উপভোগ কৰি এজন ব্যক্তিয়ে মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধন কৰে, মৰ্যাদাপূৰ্ণ, মুক্ত, নিৰাপদ আৰু সুখী জীৱন যাপন কৰে, সক্ৰিয় সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনত লিপ্ত থাকি ব্যক্তি আৰু সামাজিক জীৱন পূৰ্ণ কৰে, সেইবিলাক অধিকাৰকে থূলমূল ভাবে মানৱ অধিকাৰ বোলে।

২ সংবাদ পত্ৰতে নিৰপৰাধী মানুহক জধেমধে গুলিয়াই হত্যা কৰা, গ্ৰেপ্তাৰ কৰি মানসিক আৰু শাৰীৰিক যন্ত্ৰণা দিয়া, নাৰীক ধৰ্ষণ কৰা আদি বাতৰি ওলাই আছে। এই বিলাকৰ প্ৰতিবাদ কৰি মুনিহ-তিৰোতা ৰাজপথলৈ ওলাই আহি বিক্ষোভ প্ৰদৰ্শনো কৰিছে। এই বিলাকৰ সত্যতা নিৰ্ভীক, নিৰপেক্ষ সাংবাদিক আৰু সংবাদ পত্ৰই আৰু কোনো ন্যায়িক তদন্তই বস্তুনিষ্ঠ ভাবে প্ৰতিপন্ন কৰা উচিত আৰু সত্যতা প্ৰমাণিত হ'লে দোষীক উপযুক্ত শাস্তি বিহাৰ দিহা কৰা উচিত। সত্যতা থকাটো বা নথকাটো অনুমানৰ বা মতামতৰ বিষয় নহয়। ইতিমধ্যে স্বয়ং মুখ্য মন্ত্ৰীয়ে কিছুমান অপৰাধ হোৱা কথাটো স্বীকাৰ কৰিছে, দোষী জোৱান আৰু বিষয়াক শাস্তি দিয়াৰ কথা কৈছে আৰু সংঘটিত অপৰাধৰ কাৰণে দুখ প্ৰকাশ কৰিছে।

৩ বিশ্ব জুৰি উদ্‌যাপিত হোৱা মে' দিৱসৰ জন্ম যে ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ পৰাই হৈছিল তাক কোনে নাজানে? এখন ৰাষ্ট্ৰই অপৰ্যাপ্ত বিত্ত ব্যয় কৰি সশস্ত্ৰ আৰক্ষী আৰু সেনাবাহিনী ৰাখে দেশক আৰু দেশৰ মৰ্যাদা ৰক্ষা কৰিবলৈ, নাগৰিকৰ জীৱন, সম্পত্তি আৰু মৰ্যাদাৰ নিৰাপত্তা দিবলৈ। কিন্তু ৰূঢ় বাস্তৱত আইন-শৃংখলাৰ নামত নাগৰিকৰ জীৱনকে আদি কৰি সকলো অধিকাৰ ক্ষুণ্ণ কৰা দৃষ্টান্তও বিচাৰি হাবাথুৰি খাব নালাগে। গতিকে ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ ধাৰণাত কোনো নতুনত্ব নাই। বৰং ইয়াৰ এটা দীঘলীয়া বেদনাদায়ক ইতিহাসহে স্পষ্ট হৈ আছে। ১৯৭৫ চনৰ জৰুৰীকালীন অৱস্হাত ঘটোৱা ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ কথা কোনেও নাপাহৰে।

৪ ব্যক্তি আৰু ব্যক্তি জীৱন এক লক্ষ্য, আনৰ লক্ষ্য পূৰোৱাৰ আহিলা হ'ব নোৱাৰে। মানৱ অধিকাৰৰ এই মৌলিক ভিত্তিৰ জ্ঞান আৰু ইয়াৰ প্ৰয়োগ সৰ্বাত্মক ভাবে হ'বলৈ মানুহে সভ্যতাৰ জখলাত আৰু বহুত বগাব লাগিব। নিৰপৰাধী মানুহৰ হত্যা বা অপহৰণৰ কথা বাদেই অপৰাধী লোকক হত্যা আৰু অপহৰণ কৰি যন্ত্ৰণা দিয়া কামেও বহল অৰ্থত মানৱ অধিকাৰ লংঘন কৰিব। বহুদেশত প্ৰাণ দন্ডৰ প্ৰথা উঠাই লোৱা আৰু অপৰাধীক সংশোধন কৰি সৎ পথলৈ অনাৰ চেষ্টা মানৱ অধিকাৰ দৃষ্টি-ভংগীৰ পৰাই কৰা হৈছে।

৫ নৰহত্যা, অপহৰণ বা আন আতিশয্য পুলিচ মিলিটেৰীয়েই কৰক বা কোনো উগ্ৰপন্হীয়েই কৰক, উভয় ক্ষেত্ৰতে স্পষ্ট ভাবে মানৱ অধিকাৰ লংঘন কৰা হয়। ক্ষমতা ৰাজনীতিৰ মঞ্চতহে নিন্দা বা নীৰৱতাৰ প্ৰশ্ন আহি পৰিছে। বৰ্তমান পৰিস্হিতিত ৰাষ্ট্ৰীয় বা বিশ্ব পৰ্যায়ত ক'তোৱেই প্ৰকৃত আৰু ফলপ্ৰসূ মানৱ অধিকাৰ ৰক্ষা কৰা সংগঠন সৃষ্টি হোৱা নাই। এই বিষয়ে অৱশ্যে চিন্তা আৰু চেষ্টা নিশ্চয় হৈছে।


হৃষীকেশ ৰয়

*অধিবক্তা, গুৱাহাটী*
*উচ্চ ন্যায়ালয়*


১ 'মানৱ অধিকাৰ' বুলিলে মই এনেকৈয়ে বুজো যে ই এনে এক আহিলা যিয়ে নেকি প্ৰতিজন ব্যক্তিয়ে পশুৰ দৰে জীৱন যাপন কৰাৰ বিপৰীতে মৰ্যাদা আৰু আনুষংগিক সকলো অধিকাৰেৰে জীয়াই থাকিবলৈ সমৰ্থবান কৰি তোলে। অসভ্য আৰু বৰ্বৰৰ দ্বাৰা শাসিত এখন দেশতহে আমি পশুৰ দৰে জীৱন যাপন কৰিব লগা মানুহ পাব পাৰো।

২ এই সময়ছোৱাত অসমত মানৱ অধিকাৰ খৰ্ব কৰা ভালেমান উদাহৰণ নিশ্চয় আছে। সহজেই আমাৰ মনত উদয় হব পৰা উদাহৰণ হিচাপে, ভূমকাত 'চিকিউৰিটি ফ'ৰ্চে' বড়ো গাভৰুক বলাৎকাৰ কৰাৰ কথাকে ক'ব পাৰি। ইয়াৰ বাবেও সৰ্বজনবিদিত অনেক উদাহৰণ আছে। যেনে "সন্দেহযুক্ত উগ্ৰপন্হী" (নিৰ্দোষী) বুলি আটক কৰি গুৰুতৰ শাস্তি প্ৰদান কৰা অলেখ ঘটনা বা আইন প্ৰয়োগ কৰা শাখা (agencies) সমূহৰ জনসাধাৰণক টাডা (TADA)-ৰ দৰে উগ্ৰ কঠোৰ আইনৰ দ্বাৰা দায়ী কৰিব বিচৰা ধৰণৰ বাঢ়ি অহা প্ৰৱণতাৰ কথাকে আঙুলিয়াব পাৰি।

৩ ৰাষ্ট্ৰ সন্ত্ৰাসক ক্ষমতা সন্ত্ৰাস বুলি ক'ব পাৰি। কোনো ব্যক্তি বা দলগত ভাবে সংঘটিত প্ৰতিটো সন্ত্ৰাসমূলক কাৰ্যকে সন্ত্ৰাস আইনৰ বাবে বিচাৰযোগ্য অপৰাধ হৈ পৰে আৰু ই গুৰুতৰ শাস্তি মাতি আনে। অন্যহাতে ৰাষ্ট্ৰৰ হাতিয়াৰ পুলিচ বা সেনা বাহিনীয়ে সন্ত্ৰাস আইনৰ জৰিয়তে যিবোৰ সন্ত্ৰাসমূলক কাৰ্য সংঘটিত কৰে আৰু ইয়াৰ ফলত বৰ্তমানৰ পৰিপ্ৰেক্ষিতত যি সকল ইয়াৰ ভুক্তভোগী হয়, তেওঁলোকৰ তাত কোনো প্ৰতিকাৰ নাই।

৪ মোৰ বোধেৰে কোনো ব্যক্তি বা দলৰ দ্বাৰা যিকোনো ব্যক্তিকে কৰা হত্যা বা যিকোনো নিৰ্দোষী ব্যক্তিকে বন্দী কৰি ৰখা কাৰ্যই মানৱ অধিকাৰ খৰ্ব কৰাৰ কথাকে সূচায় আৰু এনে কাৰ্যৰ ফলত এনে লোকসকল বলি হব লগা হয়। এই কথাষাৰত উগ্ৰপন্হীয়ে একমত হব বুলি আশা কৰিছো। এনে হত্যা বা অপহৰণ বা বৃহত্তৰ স্বাৰ্থৰ খাতিৰত কৰা ধাৰণাই তেওঁলোকক প্ৰৰোচিত কৰে যাক নেকি সামগ্ৰিক ভাবে জনসাধাৰণে সমৰ্থন কৰিব বা সমৰ্থন নকৰিবও পাৰে।

৫ এই প্ৰশ্নটো বিভিন্ন মানৱ অধিকাৰৰ সংস্হা সমূহৰ তেওঁলোকৰ লক্ষ্য আৰু উদ্দেশ্যৰ ভিত্তিত পৰীক্ষা কৰি চাব লাগিব। সৰ্বসাধাৰণতে ৰাষ্ট্ৰ সন্ত্ৰাসৰ ফলত বলি হোৱা ব্যক্তি সকলৰ কাৰণ সমূহক তেওঁলোকে প্ৰাধান্য দিয়াৰ বাবেই বোধহয় উগ্ৰপন্হী সকলে সৃষ্টি কৰা সন্ত্ৰাসমূলক কাৰ্যৰ প্ৰতি তেখেতসকলে কাণ-সাৰ নিদিয়ে। সূ


# এক অমূল্য সম্ভাৰ

আজিয়েই পঢ়ক! কালিলৈনো কিয়?
কোনেনো জানে? কাইলৈ কি হ'ব?

বিপ্লৱাত্মক ভাবাদৰ্শৰ বুদ্ধিজীৱী আৰু বৈজ্ঞানিক; ১৯৭৭-৭৮ চনৰ অসমৰ সৰ্বপ্ৰথম সৎ-আঞ্চলিকতাবাদ আৰু অসমৰ সৎ-জাতীয়তাবাদী বিশ্ববিশ্ৰুত আলোড়নৰ প্ৰতিষ্ঠাতা তথা বাটকটীয়া সু-চিকিৎসক ৰূপে অসম বিখ্যাত ডাঃ নেছাৰ আহমেদ দেৱৰ নিৰ্ভেজাল খাটী জাতীয়তাবাদী কলমেৰে নিগৰি ওলোৱা সু-স্বাদু অমৃতসম অসম প্ৰেম আৰু অসমৰ নতুন পুৰুষলৈ জনোৱা আহ্বান সম্বলিত গীতি-কবিতাৰ এক অমূল্য আৰু অনন্য সম্ভাৰ –আটকধুনীয়া বেটুপাতেৰে প্ৰকাশ পালে।

১। মোৰ মন সমুদ্ৰৰ ঢৌ – বেচ ১৩.00 টকা
২। আল-কোৰআনৰ অসমীয়া ভাঙনি – খনে ১৫ টকা (১ম আৰু ২য় খন্ড)
৩। পঞ্জছুৰাৰ অসমীয়া ভাঙনি – খনে ৫.00 টকা

পোৱা ঠাই সমূহ ঃ– ষ্টুডেন্টছ লাইব্ৰেৰী, কল্পনা বুক ষ্টল, শৰ্মা বুক হাউছ, শৰ্মা বাতৰি প্ৰতিষ্ঠান পানবজাৰ, মহন্ত বুকষ্টল পল্টনবজাৰ, অৰুণোদয়, আমবাৰী, এন্টাৰপ্ৰাইজ কিতাপঘৰ শিলপুখুৰী, দি বি এন্টাৰপ্ৰাইজ চান্দমাৰী, তদুপৰি দিছপুৰ, বশিষ্ঠ, বেলতলা, বামুনী ময়দান, ভৰলুমুখ, মাছখোৱা আদি।

জোলজালাল জেলিকাদ প্ৰকাশন
মাৰফৎ– জেউতি ক্লিনিকছ বিল্ডিং
কুমাৰপাৰা, এফ এ পথ, গুৱাহাটী
পিন-৭৮১০০৯


OKDISCD

# অসম
## বৰ্তমান আৰু ভৱিষ্যত

সুজিৎ চৌধুৰী

যোৱা প্ৰায় এটা যুগ ধৰি অসমে প্ৰায় প্ৰতি দিনেই সৰ্বভাৰতীয় বাতৰি কাকতবোৰৰ সংবাদ – শিৰোনামাত এক বিশেষ গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। বাৰ বছৰৰ আগতে অসম আন্দোলনৰ সূচনা পৰ্বত সেই উল্লেখৰ সূত্ৰপাত হৈছিল; সাম্প্ৰতিক আল্‌ফা পৰ্বতো সেই ধাৰাবাহিকতা সমান গতিৰে বহমান হৈ আছে। অলপ. গভীৰ আৰু সতৰ্ক ভাবে বিবেচনা কৰি চালেই দেখা যাব যে এই সময় ছোৱাৰ ভিতৰত প্ৰেক্ষিত আৰু পটভূমিৰ বিস্তৰ পৰিবৰ্তন অৱশ্যেই ঘটিছে। সেই পৰিবৰ্তন বহুমুখী, বিচিত্ৰ আৰু নিগূঢ় জটিলতাৰ দ্বাৰা আবৃত। কেৱল পৰিণামৰ কথা বিচাৰ কৰি সেই পৰিবৰ্তনৰ স্বৰূপ নিৰ্ণয় কৰা সম্ভৱ নহয়, আকৌ গুণগত বিচাৰৰ যথাৰ্থ মাপকাঠি কি হব সেই বিষয়েও আমি সম্পূৰ্ণ অৱহিত নহয়। যিকোনো তাত্ত্বিক অনুসন্ধনৰ অনিবাৰ্য ব্যৰ্থতা বিশ্লেষণ কৰিবলৈ দাৰ্শনিক সকলে এটি দৃষ্টান্ত ব্যৱহাৰ কৰেঃ এটা আন্ধাৰ কোঠাত কেইজনমান অন্ধ মানুহে এনে এটা ক'লা মেকুৰী বিচাৰি ফুৰিছে– যিটো মেকুৰী সেই কোঠাটোত নাই। আজিৰ অসম যে নানা বিধ জটিল সমস্যাৰ গভীৰ অন্ধকাৰৰ দ্বাৰা আচ্ছন্ন সেই বিষয়ে কোনো সন্দেহ নাই। যিসকল লোকে সেইবোৰ সমস্যাৰ সমাধান কৰিবলৈ প্ৰয়াস কৰি আছে তেওঁলোকক অন্ধ বুলি কোৱাটো নিশ্চয় ধৃষ্টতা হব। কিন্তু তেওঁলোকৰ দৃষ্টিভংগী যে সম্পূৰ্ণ স্বচ্ছ সেই কথাও কোনেও শপত খাই ক'ব নোৱাৰে। তদুপৰি অসমৰ প্ৰকৃত সমস্যাটোনো কি, যিটোক সমস্যা বুলি ভবা হৈছে সেইটোৱেইবা আচল সমস্যা হয় নে নহয় এই প্ৰশ্নটো এতিয়ালৈকে সন্দেহাতীত ভাবে নিৰূপণ কৰা হোৱা নাই। সেই কাৰণে এটা আন্ধাৰ কোঠাত কিছুমান অন্ধ মানুহৰ দ্বাৰা এটা অনুপস্থিত ক'লা মেকুৰীৰ অনুসন্ধানৰ বিখ্যাত উপমাটি আজিৰ অসমৰ ক্ষেত্ৰত প্ৰয়োগ কৰাটো একেবাৰেই অসমীচীন নহয়। বৰং সেইটো কৰিলেহে অসমৰ পৰিস্থিতি বুজাত বেছি সহায় হব বুলি ক'ব পাৰি। একমাত্ৰ অসুবিধাটো হ'ল এয়ে যে আমাৰ দেশখন হ'ল মাটিৰ, মানুহবোৰ হ'ল তেজ মাংসৰ আৰু সমস্যাটো হ'ল মানৱিক অস্তিত্বৰ। দাৰ্শনিক তত্ত্বৰ নৈৰ্ব্যক্তিক বিশ্লেষণৰ সাফল্য বা ব্যৰ্থতা কোনোটোৱেই জৰুৰী নহয়। কিন্তু মানৱিক সমস্যাৰ ক্ষেত্ৰত সেই কথা নাখাটে। সমস্যাৰ স্বৰূপ নিৰ্ণয় কৰা আৰু সমাধানৰ সঠিক পন্থা নিৰূপণ কৰা এই দুয়োটা কামেই এইক্ষেত্ৰত এটা অত্যাৱশ্যক কৰ্তব্য হৈ পৰে। সেইটো নকৰিলেই ধ্বংস অনিবাৰ্য।

> অসম আন্দোলনৰ দাবীবোৰ ৰচিত হৈছিল এটা সুদূৰপ্ৰসাৰী লক্ষ্যৰ প্ৰতি দৃষ্টি ৰাখি। সেই লক্ষ্যটো হ'ল অসমীয়া জাতিসত্তাৰ বিকাশৰ প্ৰক্ৰিয়াক সম্পূৰ্ণ কৰি এখন একভাষী অসম ৰাজ্য গঠন কৰা। এইটোৱেই হ'ল অসম আন্দোলনৰ অন্তৰ্বস্তু আৰু আল্‌ফায়ো ঠিক ইয়াৰ পৰাই তাৰ আদৰ্শগত ৰছদ সংগ্ৰহ কৰিছে। এই লক্ষ্য চৰিতাৰ্থ কৰিবৰ কাৰণে ভাৰতীয় জাতীয়তাবাদৰ আশ্ৰয় গ্ৰহণ কৰাটোৱেই যথাৰ্থ হবনে নহয় এই প্ৰশ্নটোক কেন্দ্ৰ কৰি নানা দ্বিধা, দ্বন্দ্ব আৰু সংশয়ে শতাব্দী কাল ধৰি অসমীয়া মধ্যবিত্ত মানসক আলোড়িত কৰি আহিছে।

প্ৰথমেই এই কথা স্বীকাৰ কৰি লোৱা ভাল যে আজিৰ অসমক যিবোৰ সমস্যাই গ্ৰাস কৰিব ধৰিছে সেইবোৰৰ স্বৰূপ নিৰ্ণয় কৰা বৰ সহজ কাম নহয়। সমাধানৰ পথ নিৰ্দেশ কৰা কামটো তাতোকৈও কঠিন। কিন্তু সেই বুলি সমাধানৰ প্ৰয়াসত বিৰতি দিয়াৰ প্ৰশ্নই উঠিব নোৱাৰে। আচলতে বিৰতি কোনেও দিয়াও নাই। অসমৰ বাতৰি কাকত আৰু আলোচনীবোৰত সমাজ সচেতন বহু মানুহে প্ৰতি দিনেই এই বিষয়টো সম্পৰ্কে আলোচনা কৰিছে। এই এটা ক্ষেত্ৰত অসমীয়া বুদ্ধিজীৱী সমাজে সৰ্বভাৰতীয় বিচাৰতো বিশিষ্টতা দাবী কৰিব পাৰেঃ ৰাজ্যখনৰ আৰ্থ-সামাজিক যিকোনো প্ৰশ্নত তেওঁলোকৰ লেখা সকলো সময়তে সক্ৰিয় আৰু জনমতক প্ৰভাৱিত কৰাৰ ক্ষেত্ৰতো তেওঁলোকৰ ভূমিকা এতিয়াও যথেষ্ট শক্তিশালী। পশ্চিমবংগৰ লগত তুলনা কৰিলেই অসমীয়া বুদ্ধিজীৱী সকলৰ এই বিশিষ্টতাৰ স্বৰূপটো সহজেই চকুত পৰে। পশ্চিমবংগত ৰাজনীতি নিৰপেক্ষ ভাবে সমাজক প্ৰভাৱিত কৰাৰ ক্ষমতা. সেই ৰাজ্যৰ বুদ্ধিজীৱী সকলে একেবাৰে হেৰুৱাই পেলাইছে বুলিয়েই ক'ব পাৰি। আনহাতে অসমত ৰাজনৈতিক উত্থান-পতন অনেক ক্ষেত্ৰতেই বুদ্ধিজীৱী সকলৰ সমৰ্থনৰ ওপৰত স্পষ্টভাবে নিৰ্ভৰশীল। নিয়ন্তাৰ এই ভূমিকা অসমীয়া বুদ্ধিজীৱী সকলে নিশ্চয় নিজৰ যোগ্যতাৰ বলেৰেই অৰ্জন কৰিছে। কিন্তু যিকোনো প্ৰাপ্তিতেই দিয়া আৰু পোৱাৰ দুটা দিশ থাকে। মোৰ ধাৰণা, অসমীয়া বুদ্ধিজীৱী সমাজৰ প্ৰধান অংশটোৱে জনমতক প্ৰভাৱিত কৰাৰ দুৰ্লভ ক্ষমতাটো আয়ত্ত কৰাৰ লগে লগে নিজেও জনগণৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱাৰ প্ৰবণতা অৰ্জন কৰিছে। এই কাৰণে এই মুহূৰ্তত অসম সম্পৰ্কে তেওঁলোকৰ চিন্তা ভাবনা ঘাইকৈ তিনিটা দুৰ্বলতাৰ দ্বাৰা আক্ৰান্ত যেন ধাৰণা হয়। প্ৰথমতঃ তেওঁলোকৰ চিন্তা ভাবনা অতিমাত্ৰাত সৰলীকৃত। দ্বিতীয়তে, সি বুদ্ধিৰ চৰ্চাতকৈও আবেগৰ তাড়নাৰ দ্বাৰা বেছিকৈ প্ৰভাৱিত। তৃতীয়তে, যিটো সমস্যাৰ প্ৰকৃত স্বৰূপ আচলতে বহুমুখী, তাক কিন্তু বেছিভাগ সময়তে একমুখী আৰু খণ্ডিত ৰূপত দাঙি ধৰাৰ প্ৰবণতা তেওঁলোকৰ মাজত দেখা যায়। অসমৰ সামগ্ৰিক স্বাৰ্থতেই এই দুৰ্বলতাবোৰ সম্পৰ্কে সকলোৱেই সচেতন হোৱা প্ৰয়োজন। আমাৰ বৰ্তমান আলোচনাও যে এই দুৰ্বলতা বোৰৰ পৰা সম্পূৰ্ণ মুক্ত থাকিব এনে এটা দাবী কৰাটো বলিয়ালিহে হব। আচলতে আমাৰ লক্ষ্য একেবাৰে সীমাবদ্ধ। এটা জটিল সমস্যা বুজিবৰ কাৰণে কিবা এটা সহজ উপায় আৱিষ্কাৰ কৰা সম্ভৱ হয় নে নহয় সেই কথাটোকেই আমি বিচাৰ কৰি চাবলৈ যত্ন কৰিম। আমি যত্ন কৰিম সমগ্ৰ পটভূমিটোৰ পৰম্পৰা নিৰূপণ কৰিবলৈ আৰু, কোনবোৰ প্ৰশ্নৰ ভিত্তিত সেই পৰম্পৰাবোৰৰ পৰিসীমা চিহ্নিত হৈছিল সেইটোকো সঠিক ভাবে নিৰ্ধাৰণ কৰিবলৈ। এনে কৰিলেহে সমস্যাটো সম্যক ভাবে বুজাত সহায় হব বুলি আমাৰ ধাৰণা।

> এই এটা ক্ষেত্ৰত অসমীয়া বুদ্ধিজীৱী সমাজে সৰ্বভাৰতীয় বিচাৰতো বিশিষ্টতা দাবী কৰিব পাৰেঃ ৰাজ্যখনৰ আৰ্থ-সামাজিক যিকোনো প্ৰশ্নত তেওঁলোকৰ লেখা সকলো সময়তে সক্ৰিয় আৰু জনমতক প্ৰভাৱিত কৰাৰ ক্ষেত্ৰতো তেওঁলোকৰ ভূমিকা এতিয়াও যথেষ্ট শক্তিশালী। পশ্চিমবংগৰ লগত তুলনা কৰিলেই অসমীয়া বুদ্ধিজীৱী সকলৰ এই বিশিষ্টতাৰ স্বৰূপটো সহজেই চকুত পৰে। পশ্চিমবংগত ৰাজনীতি নিৰপেক্ষ ভাবে সমাজক প্ৰভাৱিত কৰাৰ ক্ষমতা সেই ৰাজ্যৰ বুদ্ধিজীৱী সকলে একেবাৰে হেৰুৱাই পেলাইছে বুলিয়েই ক'ব পাৰি।

ৰবীন্দ্ৰনাথে যদিও কৈছিল যে আৰম্ভৰ আগতো এটা আৰম্ভ থাকে; তথাপি আমি এতিয়াই ১৯৭৯ চনৰ আগলৈ যাব খোজা নাই। ইয়াৰ আগৰ যি আৰম্ভণি পৰ্ব আছিল সি আমাৰ আলোচনাৰ পৰৱৰ্তী পৰ্যায়ত প্ৰসংগক্ৰমে আহিবই। এতিয়া প্ৰশ্ন হৈছে যে ১৯৭৯ চনত অৰ্থাৎ অসম আন্দোলনৰ সূচনা লগ্নত অসমৰ সমস্যা বুলিলে কোনটো সমস্যাক আটাইতকৈ জৰুৰী বা গুৰুত্বপূৰ্ণ বুলি অসমীয়া জনসাধাৰণৰ আগত দাঙি ধৰা হৈছিল? নিশ্চয় সেইটো আছিল বিদেশী সমস্যা অৰ্থাৎ বাংলাদেশৰ পৰা অহা অনুপ্ৰবেশকাৰীৰ সমস্যা। এই অনুপ্ৰবেশকাৰী সকলৰ সংখ্যা ৫০ লাখতকৈও বেছি আছিল বুলি নিৰূপণ কৰিছিল অসমৰ এটি সন্মানিত শিক্ষক সংস্থাই। তাৰ লগতে এই কথাও কোৱা হৈছিল যে বাংলাদেশে সুপৰিকল্পিত ভাবে এই অনুপ্ৰবেশকাৰী সকলক অসমলৈ পঠাইছিল; আচলতে ই আছিল এটা আগ্ৰাসন অভিযান। অসমীয়া জনসাধাৰণৰ মনত সংগত কাৰণতে গভীৰ দুঃশ্চিন্তা হৈছিল, কাৰণ ইমান বিপুল সংখ্যক অনুপ্ৰবেশকাৰীয়ে অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু ভাষিক স্বাৰ্থ বিপন্ন কৰিব বুলি তেওঁলোকৰ মনত ভয় সোমাইছিল। অৱশ্যে কোনো কোনোৱে বিশেষকৈ বাওঁপন্থী সকলে আন কেইটামান প্ৰশ্ন তুলিবলৈকো চেষ্টা কৰিছিল। তেওঁলোকৰ বক্তব্য আছিল এই যে– অসমৰ সমস্যাটো মূলতে হ'ল অৰ্থনৈতিক অনগ্ৰসৰতাৰ সমস্যা; উন্নয়নৰ চেষ্টা আৰু অধিক সবল কৰি তুলিলেই এই সমস্যা সমাধান কৰা সম্ভৱ বুলি তেওঁলোকে বিশ্বাস কৰিছিল। কিন্তু তেওঁলোকৰ সেই বিশ্লেষণ সেই সময়ত কোনেও বিবেচনা কৰি চাবলৈ ৰাজী নহ'ল। কাৰণ অসমীয়া সমাজৰ সাংস্কৃতিক অস্তিত্বই যে বিপন্ন সেই কথাৰ স্বীকৃতি সেই বিশ্লেষণত নাছিল। এই কথাখিনি উল্লেখ কৰা এই কাৰণেই প্ৰয়োজন যে সাংস্কৃতিক বিপন্নতাৰ আশংকাৰ পৰা মানুহৰ মনত যি ধৰণৰ আবেগৰ সঞ্চাৰ হয়, সেই আবেগৰ পৰাই অসম আন্দোলনে তাৰ মূল শক্তিটো আহৰণ কৰিছিল। অৰ্থনীতিতকৈও সাংস্কৃতিক প্ৰশ্নৰ অগ্ৰাধিকাৰটোৱেই যে অসম আন্দোলনৰ প্ৰধান চালিকা শক্তি আছিল এই সত্যটো আজিলৈকে যথাযোগ্য ভাবে স্বীকৃত হোৱা নাই।

অসম চুক্তিৰ চৰ্ত প্ৰণয়নৰ সময়ত দেখা গ'ল যে সেই চুক্তিত সাংস্কৃতিক সংৰক্ষণৰ কথাটো আছে হয় কিন্তু তাক সিমান গুৰুত্ব দিয়া হোৱা নাই। চুক্তিখনত বিদেশী বিতাৰণৰ বিষয়টো যথেষ্ট গুৰুত্ব সহকাৰেই

OKDISCD

উল্লেখ কৰা হৈছে; কিন্তু তাৰ লগতে কেইটামান অৰ্থনৈতিক চৰ্ততো যথেষ্ট গুৰুত্ব দিয়া হৈছে। ইয়াৰ পৰাই বুজা গ'ল যে ছবছৰ ধৰি চলা অসম আন্দোলনৰ সময়ত অৰ্থনৈতিক বিষয়বোৰক গৌণ স্থানলৈ ঠেলি দিয়া হৈছিল; কিন্তু পিছত সেইটো ভুল বুলি উপলব্ধি কৰা হ'ল। কিয় এনে হ'ল তাৰ এটাই মাত্ৰ ব্যাখ্যা সম্ভৱ। আন্দোলনৰ সফলতাৰ কাৰণে জনসাধাৰণক আবেগৰ দ্বাৰা উদ্দীপ্ত কৰাৰ প্ৰয়োজন আছিল; তাৰ কাৰণে অসমীয়া সমাজৰ সাংস্কৃতিক বিপদৰ আশংকাক বেছি গুৰুত্ব দিয়াৰ প্ৰয়োজন হৈছিল। কিন্তু যেতিয়া আন্দোলন সফলতাৰ দুৱাৰ মুখত গৈ উপস্থিত হ'ল তেতিয়া স্বাভাৱিক কাৰণতে অৰ্থনীতিক অগ্ৰাধিকাৰ দিয়া হ'ল, সংস্কৃতিক নহয়। চুক্তি সম্পাদনৰ পৰৱৰ্তী পাঁচ বছৰত অগপ চৰকাৰ সফল হ'ল নে বিফল হ'ল সি এটা সুকীয়া বিচাৰৰ বিষয়। কিন্তু মন কৰিব লগীয়া কথাটো হ'ল এই যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যিমানবোৰ বিষয় সম্পৰ্কে আলাপ আলোচনা কৰিছে সেইবোৰৰ প্ৰায় আটাইখিনিয়েই অৰ্থনৈতিক দাবীৰ লগত জড়িত। যিবোৰ সংবাদপত্ৰ আৰু সংগঠন অসম আন্দোলনৰ সহযোগী আছিল তেওঁলোকৰ বক্তব্যতো অৰ্থনীতিৰ কথাই অধিক প্ৰাধান্য পাইছে। সংস্কৃতিৰ প্ৰশ্নটো তল পৰি যোৱা নাই সঁচা; কিন্তু তাৰ সংৰক্ষণৰ কাৰণে নতুন কোনো ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন কোনেও অনুভৱ কৰা নাই। সংস্কৃতিৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা লোৱা হৈছে সেইবোৰ লোৱা হৈছে কেৱল অসমীয়া সংস্কৃতিৰ বিকাশ আৰু সম্প্ৰসাৰণৰ কাৰণে। অৱশ্যে সেইবোৰ প্ৰয়াসৰ ফলাফল কি হৈছে সেই প্ৰশ্ন একেবাৰে সুকীয়া। এই পটভূমিত এটা প্ৰশ্ন স্বাভাৱিক ভাবেই অনিবাৰ্য হৈ উঠেঃ সাংস্কৃতিক অস্তিত্বৰ ক্ষেত্ৰত বিপদৰ যি আশংকা কৰা হৈছিল তাৰ সঁচাকৈয়ে কিবা বাস্তৱ ভিত্তি আছিল নে?

অসম আন্দোলনৰ সহযোগী এখন ইংৰাজী বাতৰি কাকতে সম্প্ৰতি এটা দীঘল সম্পাদকীয় প্ৰবন্ধ লিখি এই কথা প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে যে বিদেশী সমস্যাই আছিল অসম আন্দোলনৰ একমাত্ৰ ইছ্যু (issue) আৰু সেই সমস্যাৰ সমাধান কৰিবলৈ কোনো চেষ্টা নকৰাকৈ অসম চুক্তি কাৰ্যকৰী কৰাৰ কথা কোৱাটো বাতুলতা মাত্ৰ। আন্দোলনৰ সামগ্ৰিক প্ৰেক্ষিতৰ বিচাৰত কথাটো অৱশ্যে সত্য। কিন্তু ৰাজনৈতিক সত্য যে কিমানখিনি আপেক্ষিক সেই কথাও এই বক্তব্যৰ উপস্থাপনৰ মাজত স্পষ্ট হৈ উঠিছে। অসম আন্দোলনৰ ছবছৰ আৰু অগপ শাসনৰ পাঁচ বছৰ– এই এঘাৰ বছৰত ৰাজ্যৰ ৰাজনীতিৰ কেন্দ্ৰ বিন্দু আছিল অসম আন্দোলনৰ ৰাজনৈতিক দৰ্শন। ইমানৰ পিছতো যদি অসম আন্দোলনৰ লক্ষ্য সম্পৰ্কে অসমীয়া ৰাইজক

> **অসম আন্দোলনৰ ছবছৰ আৰু অগপ শাসনৰ পাঁচ বছৰ– এই এঘাৰ বছৰত ৰাজ্যৰ ৰাজনীতিৰ কেন্দ্ৰ বিন্দু আছিল অসম আন্দোলনৰ ৰাজনৈতিক দৰ্শন। ইমানৰ পিছতো যদি অসম আন্দোলনৰ লক্ষ্য সম্পৰ্কে অসমীয়া ৰাইজক অৱহিত কৰিবলৈ বিস্তৰ বাগাড়ম্বৰ কৰাৰ প্ৰয়োজন হয় তেতিয়া হ'লে বুজিব লাগিব যে সেই সময়ত বিদেশী সমস্যা সম্পৰ্কে মানুহৰ মনত যিমানখিনি শংকা ঘনীভূত হৈছিল এতিয়া যিকোনো কাৰণতে নহওক কিয় সেই শংকা আগতকৈ বহুখিনি হ্ৰাস পাইছে।**

অৱহিত কৰিবলৈ বিস্তৰ বাগাড়ম্বৰ কৰাৰ প্ৰয়োজন হয় তেতিয়া হ'লে বুজিব লাগিব যে সেই সময়ত বিদেশী সমস্যা সম্পৰ্কে মানুহৰ মনত যিমানখিনি শংকা ঘনীভূত হৈছিল এতিয়া যিকোনো কাৰণতে নহওক কিয় সেই শংকা আগতকৈ বহুখিনি হ্ৰাস পাইছে। মাত্ৰ ছমাহৰ আগতে বিধান সভাৰ যি নিৰ্বাচন হৈ গ'ল তাত আঞ্চলিক দলৰ সমস্যা খুউব কম নাছিল। কিন্তু এনেকুৱা এটা মাত্ৰ দলৰ কথা মনত পৰা নাই যিটো দলে নিৰ্বাচনী প্ৰচাৰত বিদেশী সমস্যাক প্ৰথম বা প্ৰধান ইছ্যু (issue) হিচাপে ব্যৱহাৰ কৰিছিল। নিৰ্বাচনী ইস্তাহাৰবোৰত কথাটো হয়তো উল্লেখ কৰা হৈছে, কিন্তু সেইটো কৰা হৈছে কেৱল অলংকাৰ হিচাপে। সভা-সমিতি বা সমদলত ক'তো বিদেশী সমস্যা সম্পৰ্কে এটা মাত্ৰ শব্দও উচ্চাৰিত হোৱা নাছিল। এঘাৰ বছৰ ধৰি যিটো সমস্যা অসমৰ জ্বলন্ত সমস্যা হৈ আছিল সি যে অৱশেষত হিম ঘৰত আশ্ৰয় লব লগা হ'ল তাৰ পৰাই বুজা গ'ল যে অসমত ইতিমধ্যে এটা ডাঙৰ ৰাজনৈতিক পৰিবৰ্তন ঘটি গ'ল। কিন্তু সেই পৰিবৰ্তনৰ পটভূমি বিশ্লেষণ কৰা কামটো এতিয়াও বাকী আছে। অথচ এইটো আছিল এটা অতি জৰুৰী প্ৰাসংগিক বিষয়।

এই কথা কোৱা সম্ভৱ যে জুনৰ নিৰ্বাচনৰ আগত আৰু পিছত অসমৰ ৰাজনৈতিক পৰিমণ্ডলৰ আটাইতকৈ বেছি ঠাই দখল কৰি আছিল আল্‌ফা তথা অসম সংযুক্ত মুক্তি বাহিনীয়ে। তেতিয়াৰ পৰাই অন্যান্য ৰাজনৈতিক প্ৰসংগবোৰ আলোচনা কৰাৰ সুযোগ সীমাবদ্ধ হৈ গৈছে। আলোচনা কিম্বা বিশ্লেষণ সকলোতে একমাত্ৰ আল্‌ফাই প্ৰাধান্য পাইছে। এতিয়া প্ৰশ্ন হৈছে, যি ৰাজনৈতিক ঘটনা প্ৰবাহে আল্‌ফাৰ জন্ম দিছে সেই প্ৰবাহৰ অন্যান্য অনুষংগবোৰ বাদ দি আল্‌ফাৰ সমস্যাটো বিচ্ছিন্নভাবে বা একক ভাবে বুজাটো সম্ভৱনে? সম্ভৱ নহয়। আৰু নহয় কাৰণেই অসম আন্দোলনৰ ৰাজনীতি আৰু দৰ্শন তাৰ ভিতৰৰ দ্বিধা আৰু দ্বন্দ্ব সময়ৰ ব্যৱধানত তাৰ আবৰ্তন আৰু বিবৰ্তন, যিবোৰ বিষয়ক কেন্দ্ৰ কৰি আল্‌ফাৰ অৱস্থান – এই আটাইবোৰ বিষয়ক সামৰিহে অসমৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতি বুজিবলৈ চেষ্টা কৰাটো উচিত হব। আল্‌ফা আকাশত ওলমি থকা এটা নিৰালম্ব বস্তু নহয়। অসমৰ মাটিৰ পৰাই সি তাৰ জীৱনী ৰস আহৰণ কৰিছে।





অসমৰ মাটিৰ ৰাজনীতিতেই তাৰ শিপাও পোত খাই আছে। সেই কাৰণে আল্‌ফাৰ চৰিত্ৰ নিৰ্ণয় কৰিবলৈ হ'লে সেই শিপাৰো সমাধান কৰিব লাগিব।

স্বীকাৰ কৰা ভাল যে আল্‌ফাৰ পিছত এক ধৰণৰ গণ সমৰ্থন নোহোৱা নহয়। আল্‌ফাৰ ৰাজনৈতিক লক্ষ্য, দৃষ্টিভংগী আৰু কাৰ্যকলাপ সম্পূৰ্ণ ভাবে সমৰ্থন কৰে– এনেকুৱা মানুহ হয়তো খুউব বেছি নাই। কিন্তু এনেকুৱা অসংখ্য মানুহ আছে যি সকলে আল্‌ফাৰ প্ৰতি সস্নেহ মমত্ববোধ অনুভৱ কৰে। পুলিচ আৰু প্ৰশাসনৰ পৰা যে আল্‌ফাই বহুদিন ধৰি সহায় সমৰ্থন পাই আহিছে তাৰ কাৰণো ইয়াৰ মাজতে লুকাই আছে। এই সমৰ্থনৰ পিছত যিটো মনস্তত্ত্বই কাম কৰিছে সেইটো হ'ল এই যে অসমীয়া ৰাইজে আৰম্ভণিৰে পৰাই আল্‌ফাক অসম আন্দোলনৰ মূল আদৰ্শ আৰু ধাৰাবাহিকতাৰ উত্তৰাধিকাৰী বুলি গণ্য কৰি আহিছে। অগপ-ই যিটো কাম কৰিব নোৱাৰিলে সেই কাম আল্‌ফাই কৰিব পাৰিব– এনে এটা ধাৰণা বা বিশ্বাস বহুতৰ মনতে আছে বা সৌ সিদিনালৈকে আছিল। মানুহৰ চকুত আল্‌ফা হ'ল আন্দোলনৰ পৰা ওপজা সেই ধৰণৰ সন্তান- যি সন্তান অলপ দুৰ্বিনীত, দুঃসাহসী, মাত্ৰাজ্ঞানহীন; কিন্তু সি অতিমাত্ৰাই আন্তৰিক, ব্ৰতী আৰু মূল লক্ষ্যত অবিচল। সংসাৰত এই ধৰণৰ উদণ্ড সন্তানে যি ধৰণৰ অলপ অতিৰিক্ত প্ৰশ্ৰয় পাই থাকে আল্‌ফায়ো স্বাভাৱিক ভাবে ঠিক তাকেই পাইছে।

কিন্তু যুক্তিৰ কষটি শিলত বিচাৰ কৰি চালে দেখা যাব যে আল্‌ফাই অসম আন্দোলনৰ উত্তৰাধিকাৰ কোনো মতেই বহণ কৰা নাই। অসম আন্দোলনৰ লগত আল্‌ফাৰ দৃষ্টিভংগীৰ পাৰ্থক্যটো যে অনেক ক্ষেত্ৰতে একেবাৰে মৌলিক, কেইটামান দৃষ্টান্ত দিলেই সি স্পষ্ট হব–

(১) অসম আন্দোলনৰ মূল শক্তিটোকেই সংগ্ৰহ কৰা হৈছিল ভাৰতীয় সংবিধান আৰু ভাৰতীয় আইনৰ প্ৰতি আনুগত্যৰ পৰা। যিবোৰ মানুহ সংবিধান আৰু আইনৰ সংজ্ঞা অনুযায়ী ভাৰতীয় নাগৰিকত্বৰ অধিকাৰী নহয় তেওঁলোকৰ বিৰুদ্ধে আইন সঠিক ভাবে প্ৰয়োগ কৰিব লাগে বুলি দাবী কৰিয়েই আন্দোলন কৰা হৈছিল। বিদেশী খেদা আন্দোলনৰ 'বিদেশী' সংজ্ঞাটো আছিল সম্পূৰ্ণৰূপে সংবিধানৰ ওপৰত নিৰ্ভৰশীল। আনহাতে আল্‌ফাই ভাৰতীয় সংবিধান আৰু আইন কোনোটোকেই নামানে। এইবোৰক সম্পূৰ্ণ অস্বীকাৰ কৰিয়েই তেওঁলোকৰ যাত্ৰা আৰম্ভ হৈছিল।

> **'বাংলাদেশী' বসতি অঞ্চল বুলি পৰিচিত এটা অঞ্চলত আছুৰ স্বেচ্ছাসেৱক বাহিনীয়ে ১৯৮৩ চনত আক্ৰমণ চলাইছিল। আল্‌ফাৰ নেতা অৰবিন্দ ৰাজখোৱা সেই অঞ্চললৈ গৈছিল ১৯৯০ চনত। ৰাজখোৱাই তেওঁৰ ডায়েৰিত এইবুলি আনন্দ প্ৰকাশ কৰিছে যে যিখন গাঁৱত ১৯৮৩ চনত ৰক্তাক্ত সংঘৰ্ষ হৈছিল, এতিয়া তাত মুছলমান খেতিয়ক সকলে উন্নয়ন পৰিষদৰ তত্ত্বাৱধানত মনৰ আনন্দেৰে খেতি কৰি আছে।**

(২) অসম ৰাজ্যখন কেন্দ্ৰ তথা ভাৰতীয় মূল ভূখণ্ডৰ উপনিবেশ– এনে এটা প্ৰতিপাদ্য অসম আন্দোলনত একেবাৰেই উচ্চাৰিত হোৱা নাছিল। বৰং কোৱা হৈছিল যে বাংলাদেশেহে অসমক উপনিবেশ কৰিবলৈ চেষ্টা কৰিছে। উল্লেখ কৰা দৰকাৰ যে ভাৰতীয় মূল ভূখণ্ডৰ ৰাজনৈতিক দলবোৰ বিশেষকৈ জনতা পাৰ্টি আৰু ভাৰতীয় জনতা পাৰ্টি অসম আন্দোলনৰ সক্ৰিয় সমৰ্থক আছিল। বিজেপি-ৰ সমৰ্থন আছিল সৰ্বাত্মক। সেই সম্পৰ্কৰ সূত্ৰ ধৰিয়েই অসম আন্দোলনৰ দুটা পৰ্যায়ৰ দুজন নেতা- উমা শৰ্মা আৰু হিৰণ্য ভট্টাচাৰ্য– ভাৰতীয় জনতা পাৰ্টিৰ ৰাজনীতিৰ লগত জড়িত হৈ পৰিছিল। হিৰণ্য ভট্টাচাৰ্যইতো সেই ৰাজনীতি এতিয়াও কৰি আছে। কেন্দ্ৰীয় সচিবালয়ত, বিশেষকৈ গৃহ দপ্তৰত, সৰ্বভাৰতীয় সংবাদপত্ৰ জগতত, আনকি কংগ্ৰেছ (ই) দলতো অসম আন্দোলনৰ সমৰ্থনৰ সংখ্যা বৰ কম নাছিল। অৰ্থাৎ মূল ভাৰতীয় ভূখণ্ডৰ লগত অসম আন্দোলনৰ কোনো সংঘাতেই নাছিল বা তাৰ ক্ষেত্ৰতও নাছিল। বৰং তাৰ পৰা অসম আন্দোলনে নৈতিক সমৰ্থন আৰু কোনো কোনো সময়ত কাৰ্যকৰী সহায়তাও লাভ কৰিছিল।

আল্‌ফাই কিন্তু মূল ভাৰতীয় ভূখণ্ডকেই প্ৰধানতম শক্তি বুলি চিহ্নিত কৰিছে আৰু তাৰ ঔপনিবেশিক শৃংখলৰ পৰা অসমক মুক্ত কৰাটোকেই অসমীয়া জনসাধাৰণৰ প্ৰাথমিক কৰ্তব্য বুলি চিহ্নিত কৰিছে। অসম আন্দোলনৰ ঘনিষ্ঠতম সহযোগী ভাৰতীয় জনতা পাৰ্টিক আল্‌ফাই অভিহিত কৰিছে ভাৰতীয় শোষক শক্তিৰ আটাইতকৈ প্ৰতিক্ৰিয়াশীল প্ৰবক্তা হিচাপে। ইয়াৰ পৰা স্পষ্ট ভাবেই বুজা গৈছে যে সৰ্বভাৰতীয় প্ৰেক্ষিত সম্পৰ্কে অসম আন্দোলনৰ দৃষ্টিভংগী আৰু আল্‌ফাৰ মূল্যায়ন সম্পূৰ্ণ দুটা বিপৰীত মেৰুত অৱস্থিত।

(৩) বাংলাদেশী সকলৰ ব্যাপক অনুপ্ৰবেশৰ পৰা ওপজা আশংকাৰ পৰাই বিদেশী খেদা আন্দোলন গঢ় লৈ উঠিছিল। 'বাংলাদেশে হেলিকপ্তাৰেদি চৰ অঞ্চললৈ অস্ত্ৰ পঠাইছে;' 'বাংলাদেশী ৰাজাকাৰ সকলক দলে দলে অসমলৈ পঠিওৱা হৈছে'– এই ধৰণৰ অজস্ৰ বাতৰিয়ে সেই সময়ত অসম আন্দোলনৰ শক্তি বৃদ্ধি কৰিছিল। প্ৰথম অৱস্থাত যিয়েই নহওক কিয় পিছলৈ কিন্তু বাংলাদেশ আৰু বাংলাদেশী সম্পৰ্কে আল্‌ফাৰ ভয় হ্ৰাস পাবলৈ ধৰে। 'বাংলাদেশী' বসতি অঞ্চল বুলি পৰিচিত এটা অঞ্চলত আছুৰ স্বেচ্ছাসেৱক বাহিনীয়ে ১৯৮৩ চনত আক্ৰমণ চলাইছিল। আল্‌ফাৰ নেতা অৰবিন্দ ৰাজখোৱা সেই অঞ্চললৈ গৈছিল ১৯৯০ চনত। ৰাজখোৱাই তেওঁৰ ডায়েৰিত এইবুলি আনন্দ প্ৰকাশ কৰিছে যে যিখন গাঁৱত ১৯৮৩ চনত ৰক্তাক্ত সংঘৰ্ষ হৈছিল,





OKDISCD

এতিয়া তাত মুছলমান খেতিয়ক সকলে উন্নয়ন পৰিষদৰ তত্ত্বাৱধানত মনৰ আনন্দেৰে খেতি কৰি আছে।

এই ক্ষেত্ৰত আটাইতকৈ চাঞ্চল্যকৰ যিটো ঘটনা ঘটিছে সেই কথা আজি সকলোৱে জানে। আল্‌ফাই আজি বাংলাদেশক নিজৰ আশ্ৰয়স্থল হিচাপে ব্যৱহাৰ কৰিছে। আৰু বাংলাদেশৰ সৈন্য বাহিনীৰ পৰা সামৰিক প্ৰশিক্ষণো লৈছে। বাংলাদেশক আশ্ৰয় হিচাপে ব্যৱহাৰ কৰি কেনেকৈ বাংলাদেশী সম্প্ৰসাৰণবাদৰ বিৰোধিতা কৰা যাব সেই সম্পৰ্কে আল্‌ফাৰ নেতা সকলৰ মনতো নিশ্চয় সংশয়ৰ উদ্ৰেক হৈছিল। আল্‌ফাৰ চেয়াৰমেন অৰবিন্দ ৰাজখোৱাই এই সম্পৰ্কে এটা সৰলীকৃত সিদ্ধান্ত কৰি তেওঁ ডায়েৰিত লিখিছে– 'আলোচনাৰ পিছত আমি জানিব পাৰিলো যে বাংলাদেশী জাতীয়তাবাদ আৰু বাংলা জাতীয়তাবাদৰ মাজত এটা পাৰ্থক্য আছে। বাংলাদেশৰ বিভিন্ন জাতিগোষ্ঠীৰ উমৈহতীয়া উন্নয়নৰ বাবে গঢ়ি উঠিছে বাংলাদেশী জাতীয়তাবাদ। ইত্যাদি। অৰ্থাৎ ৰাজখোৱাৰ উপলব্ধিত বাংলাদেশী জাতীয়তাবাদ সেই দেশৰ আঞ্চলিক সীমাত আবদ্ধ আৰু বাঙালী জাতীয়তাবাদ সম্প্ৰসাৰণবাদী। বিষয়টো কিন্তু ইমান সৰল আৰু নিৰামিষ নহয়। বাঙালী জাতীয়তাবাদৰ মূল প্ৰবক্তা শেখ মুজিব; সেই জাতীয়তাবাদৰ ভিত্তি ধৰ্মনিৰপেক্ষতা। তাৰ বিপৰীতে বাংলাদেশী জাতীয়তাবাদৰ উদ্যোক্তা হ'ল জিয়াউৰ ৰহমান; সেই জাতীয়তাবাদৰ প্ৰাথমিক উপাদান ইছলাম আৰু দ্বিতীয় উপাদান বাঙালীত্ব। প্ৰাক্তন ৰাষ্ট্ৰপতি এৰছাদো বাংলাদেশী জাতীয়তাবাদৰেই সমৰ্থক। অসম আন্দোলনৰ সূচনা পৰ্বতেই বাংলাদেশৰ শাসক গোষ্ঠীয়ে এই দ্বিতীয় বিধৰ জাতীয়তাবাদকেই নিজৰ ৰাজনৈতিক আদৰ্শ হিচাপে গ্ৰহণ কৰিছিল। এনে অৱস্থাত আজি হঠাৎ বাংলাদেশী জাতীয়তাবাদ সম্পৰ্কে নিজকে নিৰাপদ বোধ কৰা কথাটো যুক্তিৰ দ্বাৰা সমৰ্থনযোগ্য নহয়। প্ৰয়োজনৰ তাড়নাত তাৰ এটা সৰলীকৃত ব্যাখ্যা কৰিবলৈহে চেষ্টা কৰা হৈছে। সম্প্ৰসাৰণবাদৰ প্ৰশ্নই যদি উঠে তেনেহ'লে অসমৰ জনবিন্যাস বিবেচনা কৰি ধৰ্মনিৰপেক্ষ বাঙালী জাতীয়তাবাদ আৰু ইছলাম ভিত্তিক বাংলাদেশী জাতীয়তাবাদৰ মাজত কোনটো অসমৰ কাৰণে অধিক আশংকাজনক সেই হিচাপটো দেখোন অতি সহজেই কৰিব পাৰি।

আচল কথাটো হ'ল, অসম আন্দোলনৰ দৃষ্টিকোণৰ পৰা বাংলাদেশ আৰু বাংলাদেশী সকল চিহ্নিত হৈছিল অসমৰ প্ৰধানতম শত্ৰু হিচাপে; আজি আল্‌ফাৰ মূল্যায়নত বাংলাদেশ পৰিণত হৈছে অসমৰ স্বাধীনতাকামী সকলৰ প্ৰধান মিত্ৰ আৰু সহযোগী ৰাষ্ট্ৰত। আল্‌ফাৰ এই মূল্যায়নে বিদেশী খেদা আন্দোলনৰ মূল তত্ত্বটোকেই অসত্য বুলি প্ৰমাণ কৰি দেখুৱাইছে।

সেই কাৰণে এতিয়া এই কথা সংশয় নোহোৱাকৈ ক'ব পাৰি যে যুক্তিৰ বিচাৰত আল্‌ফাক কোনোপধ্যেই অসম আন্দোলনৰ আদৰ্শগত আৰু ভাবগত উত্তৰাধিকাৰী বুলি ক'ব নোৱাৰি। অথচ অসমীয়া জনমানসত আল্‌ফাই বিনা বিচাৰে এই উত্তৰাধিকাৰ স্বীকৃতি আদায় কৰিছে। আনকি অসমৰ সচেতন বুদ্ধিজীৱী মহলেও এই সম্পৰ্কে কোনো সংশয় প্ৰকাশ কৰা নাই বা প্ৰশ্ন উত্থাপন কৰা নাই। অৰ্থাৎ আল্‌ফা আৰু অসম আন্দোলনৰ মাজত দৃষ্টিভংগীৰ যি মৌলিক পাৰ্থক্য আৰু দুস্তৰ ব্যৱধান আছে, অসমীয়া জনসাধাৰণে সেই কথাৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাই। তেওঁলোকে ভাবে যে অসম আন্দোলনৰ অসমাপ্ত কাম সমাপ্ত কৰিবৰ কাৰণেই আল্‌ফাৰ জন্ম হৈছে। সেই কাৰণেই অসম আন্দোলনৰ পৰা ওপজা আৰু তাৰ লগত জড়িত হৈ থকা আটাইবোৰ সংগঠনেই পোনপটীয়াকৈ আল্‌ফাৰ বিৰোধিতা কৰিব পৰা নাই; বৰং তেওঁলোকৰ বহুতেই ভাবে যে আল্‌ফাৰ প্ৰতি নৈতিক সমৰ্থন জনোৱাটোহে যেন বাধ্যতামূলক।

ইয়াৰ পৰা পৰস্পৰৰ পৰিপূৰক দুটা সিদ্ধান্তত উপনীত হোৱাটো অনিবাৰ্য হৈ পৰে: প্ৰথমতঃ অসম আন্দোলনৰ ঘোষিত উদ্দেশ্য যিয়েই নহওক লাগে, তাৰ অব্যক্ত মৰ্মবাণীৰ মাজত অন্য এটা বাৰ্তাহে লুকাই আছিল। সেই বাৰ্তাৰ সন্ধান আন্দোলনকাৰী সকলৰ স্মাৰকলিপি, প্ৰস্তাৱ আৰু আলাপ আলোচনাৰ চৰকাৰী নথি পত্ৰৰ মাজত বিচাৰি পোৱাটো সম্ভৱ নহব। দ্বিতীয়তে, অসম আন্দোলনৰ ঘোষিত নীতিৰ লগত আল্‌ফাৰ যিমানেই মৌলিক মত পাৰ্থক্য নাথাকক কিয়, অন্তৰ্বস্তুৰ ফালৰ পৰা আল্‌ফা আৰু অসম আন্দোলনে একে মানসিকতাৰে প্ৰতিনিধিত্ব কৰিছে।

অসম আন্দোলনৰ আৰম্ভণিৰ সময়তে কেইটামান বাওঁপন্থী দলে, বিশেষকৈ চি পি আই আৰু চি পি এম-এ এই বুলি অভিযোগ কৰিছিল যে ই আচলতে এটা বিচ্ছিন্নতাবাদী আন্দোলন। পিছত অৱশ্যে তেওঁলোকে এই অভিযোগ আৰু দোহৰা নাই। ওপৰত আমি যি দুটা সিদ্ধান্ত কৰিলো তাৰ পৰা বহুতৰে ধাৰণা হব পাৰে যে আমি বোধহয় অসম আন্দোলনৰ ওপৰত সেই বিচ্ছিন্নতাবাদৰ অভিযোগটোকেই নতুনকৈ আৰোপ কৰিব বিচাৰিছো।' সেইটো কিন্তু নহয়। অসম আন্দোলনৰ মাজত অলপমান বিচ্ছিন্নতাবাদী উপাদান নিশ্চয় আছিল। কিন্তু সি প্ৰধানতম উপাদান কেতিয়াও নাছিল। ফলত ভাৰতীয় জাতীয়তাবোধ আৰু ভাৰতীয় সংবিধানৰ ওপৰত থিয় হোৱাটো অসম আন্দোলনৰ পক্ষে সম্ভৱ হৈছিল। সেই কাৰণে বিচ্ছিন্নতাবাদক অসম আন্দোলনৰ অন্যতম গোপন লক্ষ্য বুলি চিহ্নিত কৰাটো ভুল কথা হব। মূল কথাটো হৈছে, অসম আন্দোলনৰ দাবীবোৰ ৰচিত হৈছিল এটা সুদূৰপ্ৰসাৰী লক্ষ্যৰ প্ৰতি দৃষ্টি ৰাখি। সেই লক্ষ্যটো হ'ল অসমীয়া জাতিসত্তাৰ বিকাশৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি এখন এক ভাষী অসম ৰাজ্য গঠন কৰা। এইটোৱেই হ'ল অসম আন্দোলনৰ অন্তৰ্বস্তু আৰু আল্‌ফায়ো ঠিক ইয়াৰ পৰাই তাৰ আদৰ্শগত ৰছদ সংগ্ৰহ কৰিছে। এই লক্ষ্য চৰিতাৰ্থ কৰিবৰ কাৰণে ভাৰতীয় জাতীয়তাবাদৰ আশ্ৰয় গ্ৰহণ কৰাটোৱেই যথাৰ্থ হব নে নহয় এই প্ৰশ্নটোক কেন্দ্ৰ কৰি নানা দ্বিধা, দ্বন্দ্ব আৰু সংশয়ে শতাব্দী কাল ধৰি অসমীয়া মধ্যবিত্ত মানসক আলোড়িত কৰি আহিছে। সেই আলোড়নে এইবাৰেই যে প্ৰথমবাৰৰ কাৰণে সাৰ্বভৌম ৰাষ্ট্ৰ গঠনৰ আদৰ্শত অসমীয়া সমাজৰ একাংশক উদ্বুদ্ধ কৰিছে তেনে নহয়। তাৰো এটা ধাৰাবাহিকতা আছে। ইয়াক চিধাচিধি বিচ্ছিন্নতাবাদ বুলি চিহ্নিত কৰিলে ভুল কৰা হব। আচলতে আত্মৰক্ষাৰ সহজাত প্ৰৱণতাৰ পৰাই এই ক্ষোভৰ জন্ম। অসমীয়া জাতিসত্তাৰ বিকাশৰ প্ৰক্ৰিয়াৰ লগত ভাৰতীয় জাতীয়তাবাদৰ সমন্বয় সাধন সম্ভৱ হয় নে নহয়, এই প্ৰশ্নৰ মীমাংসা অসমীয়া বুদ্ধিজীৱী সমাজে এই পৰ্যন্ত কৰি উঠিব পৰা নাই। এই সংশয়বোধৰ পৰাই আল্‌ফাৰ জন্ম আৰু বিস্তাৰ। এই সংশয়ৰ এটা পটভূমি আছে, ধাৰাবাহিকতাও আছে। তাৰ এটা বিস্তৃত বিশ্লেষণো আলোচনাৰ এই পৰ্যায়তে কৰি পেলোৱা দৰকাৰ।

(আগলৈ)






# এজন কিতাপ চোৰৰ আত্মহত্যাৰ সমবেদনাত

গীতাৰ্থ পাঠক

জ্ঞান আহৰণৰ বাবে নিজৰ আত্মাটোক চয়তানৰ ওচৰত বিক্ৰী কৰি দিয়া ডাঃ ফষ্টাছ বা ফষ্টৰ কাহিনী আমি জানো। জ্ঞান আহৰণৰ বাবে লোকৰ কিতাপ পঢ়িবলৈ আনি ওভোতাই নিদিয়া অথবা চুৰি কৰা ঘটনা সততে ঘটি থকা দেখা যায়। কিন্তু কিতাপ চুৰ কৰি ধৰা পৰাৰ পিছত লাজে অপমানে আত্মহত্যা কৰাৰ ঘটনা বিৰল। এনে বিৰল ঘটনা এটা ঘটিছে কেইসপ্তাহমান আগেয়ে কলিকতা মহানগৰীত। কোনো এক বেংকত চাকৰি কৰা এক বঙালী ভদ্ৰলোকৰ কিতাপ পঢ়াটোৱেই আছিল জীৱনৰ উদ্দেশ্য বা নিচা। অকল কিতাপ পঢ়াটোৱেই নিচা বুলি কলে ভুল হ'ব, কিতাপ সংগ্ৰহ কৰাটোও তেওঁৰ নিচা আছিল। পঢ়িবলৈ ভাল লগা কিতাপসমূহ সদায়েই মানুহে নিজৰ সংগ্ৰহত ৰাখিব বিচাৰে। এই লোকজনে সময় পালেই কলিকতাৰ আলিপুৰত অৱস্থিত বিখ্যাত জাতীয় গ্ৰন্থাগাৰলৈ গৈছিল। তাত কিতাপ পঢ়িছিল। মানুহজনৰ বয়স প্ৰায় পঞ্চাশ। বিয়া কৰোৱা নাছিল। তেওঁ প্ৰচুৰ কিতাপ কিনিছিল। যি কি নহওক, নেশ্যনেল লাইব্ৰেৰীৰ পৰা এদিন কিতাপ এখন চুৰ কৰোতে তেওঁ ধৰা পৰিল।

পুলিচে তেওঁৰ ঘৰত তালাচী চলাই প্ৰায় আশীখনমান নেশ্যনেল লাইব্ৰেৰীৰ চীলমোহৰ থকা কিতাপ পালে। এই আটাইবোৰ কিতাপেই তেওঁ লাইব্ৰেৰীটোৰ পৰা চুৰ কৰিছিল। কিন্তু পুলিচে তেওঁৰ ঘৰত তালাচী চলাবলৈ গৈ তেওঁৰ ঘৰত থকা কিতাপৰ দ'ম দেখি আচৰিত হৈছিল আৰু ইমানবোৰ কিতাপৰ মাজৰ পৰা নেশ্যনেল লাইব্ৰেৰীৰ কিতাপসমূহ বিচাৰি উলিয়াওঁতে যথেষ্ট সময় লাগিছিল। এই আটাইবোৰ কিতাপ নিশ্চয় তেওঁ চুৰ কৰি সংগ্ৰহ কৰা নাছিল।

যি কি নহওক নেশ্যনেল লাইব্ৰেৰীৰ পৰা কিতাপ চুৰ কৰি ধৰা পৰাৰ পিছত সেই অপমান সহ্য কৰিব নোৱাৰি তেওঁ আত্মহত্যাৰ পথকেই বাছি ললে। আমাৰ সমাজত জ্ঞান-চৰ্চাৰ যি গৌৰৱ তাৰ তুলনাত চুৰ কৰা কামৰ কলংকৰ গভীৰতা বহু বেছি। আপুনি যিমানেই জ্ঞানলব্ধ পুৰুষ নহওক বিজ্ঞ ব্যক্তি নহওক এনে কলংক লৈ অন্ততঃ আমাৰ সমাজত জীয়াই থকাটো কঠিন। কোনো সাহসী ব্যক্তিয়ে এনে কলংকৰ পিছত জীয়াই থাকিব বিচাৰিলেও তেওঁ এক সামাজিক অৱজ্ঞা আৰু অপমানৰ মাজত স্লো-পয়জন সেৱন কৰাৰ দৰে তিলে তিলে ভুগি মৰিব লাগিব। এই বিচাৰ বিবেচনাৰ বাবেই তেওঁ শেষ পথ আত্মহত্যাকেই বাছি ললে। কোনো ব্যক্তিয়ে যদি মানুহ এজন হত্যা কৰে তেনেহলে হত্যা কৰা মানুহজনক তৎক্ষণাৎ সমাজে নৰহত্যাকাৰী আখ্যা দি ঘৃণা আৰু ভয়ৰ চকুৰে চাব। কিন্তু মানুহজনে কাক হত্যা কৰিলে কিয় হত্যা কৰিলে সেইবোৰ বিচাৰ নকৰে। একেদৰেই কিবা এবিধ চুৰ কৰি ধৰা পৰাৰ পিছত কোনো এজন মানুহক সমাজে একেই অৱজ্ঞা আৰু ঘৃণাৰ চকুৰেই চায়। মানুহজনে কি চুৰ কৰিলে, কিয় চুৰ কৰিলে সেইবোৰ বিচাৰ খুব কম মানুহেহে কৰে। আমি আলোচনা কৰা কলিকতাৰ বেংক কৰ্মচাৰীজনে কিতাপ চুৰ কৰাৰ বাবে যদিহে আমাৰ সমাজে সহানুভূতিৰ চকুৰে চালেহেঁতেন অথবা তেওঁক সাধাৰণ চোৰৰ দৰে নাচালেহেঁতেন তেনেহলে হয়তো তেওঁ নিজকে শেষ কৰি দিয়াৰ সিদ্ধান্ত নললেহেঁতেন।




পৃথিৱীত বহু ডাঙৰ ডাঙৰ পণ্ডিত বা সাহিত্যিকে কিতাপ চুৰি কৰাৰ কথা স্বীকাৰ কৰি থৈ গৈছে। ইয়াৰে দুই এজনে কিতাপ চুৰি কৰি ধৰাও পৰিছে। সেই বুলি তেওঁলোকে আত্মঘাতী সিদ্ধান্ত লোৱা নাই। মাৰ্ক টোৱেইনৰ এই জনপ্ৰিয় গল্পটো বহুতৰেই জনা তথাপি প্ৰসংগক্ৰমে উনুকিয়ালো। মাৰ্ক টোৱেইনৰ ঘৰত বহু কিতাপ, ঘৰৰ মজিয়াত, বিছনাত বা মেজত সিঁচৰতি হৈ পৰি থকা দেখি টোৱেইনৰ ঘৰলৈ অহা জনৈক বন্ধুৱে তেওঁক সুধিছিল কিয় তেওঁ কিতাপবোৰ এনেদৰে জধেমধে পেলাই থৈছে। উত্তৰত টোৱেইনে কৈছিল –'বন্ধুবৰ! যি পদ্ধতিৰে মই এই কিতাপবোৰ সংগ্ৰহ কৰিছো সেই পদ্ধতিৰে কিতাপ থোৱা চেল্‌ফ সংগ্ৰহ কৰাটো মোৰ বাবে অসম্ভৱ, সেয়েহে কিতাপবোৰৰ এই দশা।' টোৱেইনৰ উত্তৰত বন্ধুজনে বুজি পাইছিল যে টোৱেইনৰ দৰে ব্যক্তিয়েও কিতাপবোৰৰ সৰহভাগ চুৰি কৰি সংগ্ৰহ কৰিছিল।

তথাপি কিতাপ চুৰ কৰাটো সমৰ্থনযোগ্য কথা বুলি ভবাটো উচিত নহয়। লোকৰ কিতাপ পঢ়িবলৈ নি ওভোতাই নিদিয়া আৰু কিতাপ চুৰ কৰাটো গৰ্হিত কাম বুলিয়েই ভাবো। তথাপি লোভ সামৰিব নোৱাৰি পঢ়িবলৈ কিতাপ এখন চুৰ কৰা আৰু সাধাৰণ চুৰি কাৰ্যক সমান চকুৰে চাব নোৱাৰি। পেটৰ ভোকত কলমলাই থকা ফুটপাথৰ ভিখাৰী এজনে দোকানৰ পৰা পাউৰুটি এটি চুৰ কৰি খোৱা আৰু জ্ঞান অথবা মানসিক ভোকত কলমলাই থকা ব্যক্তি এজনে কিতাপ এখন অসৎ উপায়েৰে আহৰণ কৰাটো অৱশ্যে একেলেখীয়া বুলি কব পাৰি। আমাৰ মতে দুয়োবিধ চুৰিয়েই সহানুভূতি পোৱাৰ যোগ্য কিন্তু কোনো পধ্যেই সমৰ্থন পোৱাৰ যোগ্য নহয়।

যি কি নহওক, এই আত্মহত্যা কৰা বেংক কৰ্মচাৰীজনৰ ঘৰত যি বৃহৎ পৰিমাণৰ

কিতাপৰ সংগ্ৰহ আছিল সেই সংগ্ৰহ সঁচাকৈয়ে প্ৰশংসনীয়। নেশ্যনেল লাইব্ৰেৰীৰ পৰা চুৰ কৰি অনা কিতাপৰ সংখ্যা তেওঁৰ সংগ্ৰহৰ নগন্যতম অংশহে আছিল। কালহিলে কৈছিল যে আজিকালিৰ প্ৰকৃত বিশ্ববিদ্যালয় হৈছে গ্ৰন্থসংগ্ৰহ। প্ৰকৃততে এই আত্মঘাতী জ্ঞানপিপাসু ব্যক্তিজনে অকলে অকলে এক বিশ্ববিদ্যালয় গঢ়ি তুলিছিল! কিতাপ সংগ্ৰহ আৰু অধ্যয়ন, এই দুয়োটাৰ মাজত কিন্তু ব্যবধান আছে। কিতাপ এখন সংগ্ৰহ কৰা মানেই অধ্যয়ন কৰা নুবুজায়। বহু বিখ্যাত লেখকে সংগ্ৰহ কৰি থোৱা কিতাপ বহুদিনলৈকে নপঢ়ি থৈ দিয়াৰ উদাহৰণ আছে। এওঁলোকৰ মতে ভাল কিতাপ এখন হাতত থকা মানেই মগজুত থকা। কিতাপ সংগ্ৰহ কৰাৰ মানসিকতা নতুন নহয় – অতীতৰ পৰাই পণ্ডিত সকলৰ কিতাপ সংগ্ৰহ কৰাৰ প্ৰতি ধাউতি। এনেদৰেই আজিৰ যুগৰ আধুনিক পুথিভঁৰাল সমূহ গঢ়ি উঠিছে। মধ্যযুগীয় ইংৰাজ সাহিত্যিক চচাৰৰ কেন্টাৰবেৰী টেলচৰ পাতনিত এজন বিজ্ঞ ছাত্ৰৰ কথা চচাৰে কৈছে যিজন ছাত্ৰই তেওঁৰ বিছনাৰ কাষত এৰিষ্টটল আৰু তেওঁৰ দৰ্শনৰ ওপৰত লিখা কুৰিখন ক'লা আৰু ৰঙা বকলা লগোৱা কিতাপ সংগ্ৰহ কৰি ৰাখিছিল, অথচ তেওঁৰ লগৰীয়া ছাত্ৰবোৰে বেশ ভূষণ আৰু বাদ্যযন্ত্ৰ গোটোৱাতহে ব্যস্ত আছিল। চচাৰৰ উক্তিৰ পৰা বুজিব পাৰি যে মধ্যযুগত ২০খন কিতাপ যোগাৰ কৰিব পৰাটো অতি দুঃসাধ্য কাম আছিল। আজিৰ যুগত হাজাৰ হাজাৰ কিতাপ সংগ্ৰহ কৰাটো সহজ কাম। কিন্তু আজিও ভাল কিতাপ সংগ্ৰহ কৰাটো দুঃসাধ্য কাম বুলি কলেও বঢ়াই কোৱা নহ'ব। বেচেৰা কিতাপ চোৰ বেংক কৰ্মচাৰীজন আত্মঘাতী হ'ল – কিন্তু তেওঁক সমাজে ধিক্কাৰ দিয়াৰ আগে আগে এবাৰ ভাবি চাওক তেওঁ সংগ্ৰহ কৰা কিতাপৰ ভঁৰালটো মানৱ সভ্যতাৰ বাবে ঈৰ্ষৰি বস্তু হয়নে নহয়? আমাৰ সমাজত কিমানটা পৰিয়াল আছে যাৰ ঘৰত এনে কিতাপৰ সংগ্ৰহ আছে?

আজিকালি এচাম ধনবন্ত লোকৰ ঘৰত দামী দামী কিতাপ সুন্দৰকৈ সজাই থোৱা দেখা যায়। এইবোৰ কিন্তু কিতাপ নহয় –এইবোৰ চকী মেজ, আলমাৰীৰ দৰে আচবাবপত্ৰ। আমি সেইবোৰৰ কথা কোৱা নাই। আমি আত্মঘাতী বেংক কৰ্মচাৰীজনৰ দৰে কিতাপ সংগ্ৰহৰ কথা কৈছো। ভাৰতবৰ্ষৰ হাজাৰ হাজাৰ সাধু-সন্ততকৈ এই আত্মঘাতী কিতাপ চোৰ আৰু তেওঁৰ গ্ৰন্থ সংগ্ৰহৰ মাহাত্ম্য বহু বেছি। কিয়নো তেওঁ কিতাপ এখনক কেইখিলামান কাকত আৰু ছপা আখৰৰ বন্ধোৱা কিতাপ বুলিয়েই নাভাবিছিল।

'বন্ধু এইখন কিতাপ নহয়
এইখন যিয়ে স্পৰ্শ কৰিব
তেওঁ মানুহ এজন স্পৰ্শ কৰিব।'

(ৱাল্ট হুইটমেন, 'লিভছ অৱ গ্ৰাছ')

এওঁ ৱাল্ট হুইটমেনৰ দৰেই কিতাপ এখনক জীৱন্ত মানুহ বুলি গণ্য কৰিছিল। অবিবাহিত এই ব্যক্তিজনৰ কিতাপেই আছিল সংগী, হয়তো কিতাপেই আছিল তেওঁৰ দেহ-মনৰ ঐকান্তিক কাষৰ বস্তু। বৰ্তমানৰ এগৰাকী গ্ৰন্থ সমালোচক অশোক চোপ্ৰাই এবাৰ ভাল কিতাপ প্ৰসংগত এই বুলি লিখিছিল – 'মোৰ বাবে এখন ভাল কিতাপ পঢ়া মানে মোৰ এজন বন্ধুৱে এবাৰ কোৱাৰ দৰে যৌনসংগম কৰাৰ দৰে। কিতাপখন এবাৰ পঢ়িবলৈ আৰম্ভ কৰিলে জপাই থবলৈ সত নাযায় আৰু কিতাপখন পঢ়া শেষ কৰি আবেগিক আৰু শাৰীৰিক ভাবে নিষ্কাশিত নোহোৱালৈকে শান্তি নোহোৱা হয়।'

কিতাপ পঢ়াৰ এই স্বৰ্গীয় সুখৰ তাড়নাতেই আলোচ্য বেংক কৰ্মচাৰীজনে ভুল কৰি পেলাইছিল – ডাঃ ফষ্টাছৰ দৰে। কি কৰুণ এই মৃত্যু!!


## সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১০০% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।
সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।
সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেক্স ক্লিনিক**
এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১০০৯
ৰেলগেট নং - ৬

**ডাঃ এ, নেছাৰ**
এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)

## পথ

মূলঃ টোমাচ্ ট্রান্স্ট্রোয়েমাৰ্
অনুবাদঃ বীৰেশ্বৰ বৰুৱা


*[টোকাঃ টোমাচ্ ট্রান্স্ট্রোয়েমাৰৰ জন্ম ১৯৩১ চনত। তেওঁ চুইডেন দেশৰ অতিবাস্তৱবাদী কবি আৰু তেওঁৰ ভাষা চুইডিছ্। কেই বছৰমানৰ পৰা নোবেল বঁটাৰ বাবেও তেওঁৰ নামটো উত্থাপিত হৈ আহিছে। কবিতাটো মাৰ্কিন কবি ৰবাৰ্ট ব্লাইৰ অনুবাদৰ পৰা। মাৰ্কিন অনুবাদত কবিতাটোঃ Track. -বী. ব.]*


ৰাতি ২ বাজিল। বাহিৰৰ পথাৰ এখনত
ৰেলগাড়ীখন ৰৈ গ'ল। দিগন্তত নিষ্প্ৰাণ ভাবে
ধিমিকি ধিমিকি জ্বলি আছে
চহৰৰ পৰা অহা দূৰ-পোহৰৰ
ফিৰিঙতি।

যেন গভীৰ টোপনিত মগ্ন এজন মানুহ
আপোন কোঠালৈ যিজনে উভতি আহি
মনত পেলাব নোৱাৰিব
যে তাত তেওঁ আছিল।

অথবা অতি গভীৰ অসুখত ভূগি থকা এজন মানুহ
যাৰ দিন ৰাতিবোৰ
দিগন্তত উমি জ্বলা এমুঠি
দুৰ্বল নিষ্প্ৰাণ ফিৰিঙতিলৈ
পৰিণত হৈ আছে।

ৰেলগাড়ীখন সম্পূৰ্ণ নিশ্চল।
ঘড়ীত ২ বাজিল। প্ৰচণ্ড জোনাক, কেইটামান তৰা। □





## এগৰাকী অপৰূপা সুন্দৰীৰ স'তে

খবিৰ আহম্মেদ

সেই অপৰূপা সুন্দৰী গৰাকী নিশ্চয় এদিন আহিব
এক হাতত থাকিব তেওঁৰ নিমন্ত্ৰণী পত্ৰ আৰু আন হাতত
খোলা তৰোৱাল
আহিয়েই সুধিব, 'বন্ধু, তুমি কেনে আছা? ভালে
আছাতো?'
আৰু লগে লগেই মোৰ বুকুৰ গভীৰ অভ্যন্তৰত বহুৱাই
দিব
সেই সুতীক্ষ্ণ তৰোৱাল............

মানুহ গৰাকী আহিলে আচম্বিতেই আহিব
কোনো আগজাননী নিদিয়াকৈয়ে আহিব
দুৱাৰত থিয় দিব, পকেটত জোৰ কৰি ভৰাই দিব
নিমন্ত্ৰণী পত্ৰ
নিটোপল দুবাহুৰে শীতল বুকুত আঁকোৱালি লব আলফুলে
আমাৰ চকুত মিলি যাব চকু, বুকুত বুকু আৰু ওঁঠত ওঁঠ
সিৰাই সিৰাই উজানদি উঠিব কলিজা কঁপোৱা দুখ

মই জানো খুবেই নাছোৰবান্দা এই গৰাকী অপৰূপা নাৰী
অশৰীৰী কোনো কিছুৰ দৰে অবিৰাম মোৰ পিছে পিছে
ঘূৰি ফুৰে

লেখাৰ টেবিলতো মাজে মাজে দিগ্‌দাৰি দিয়ে
কোনো ফালে গলেও মোৰ পিছে পিছে যায়
কিতাপ পঢ়িলেও মোৰ আগে আগে পঢ়ে
তেওঁৰ হেনো পৰিচয় আছে ছেক্সপীয়েৰ, মাৰ্লো, গেটে
আনকি মেকিয়াভেলিৰ স'তে......

সেই যে জোৰাসাকোঁৰ সেই কিংবদন্তী, নাম যাৰ
বিশ্বকবি
ভুলক্ৰমে মানুহজনীৰ নাম দিছিল শ্যামকানু বুলি
ফ্ৰেঞ্চিচ বেকনে কৈছিল মানুহজনী স্বৰ্গৰ সোণালী
চাবিকাঠি
আৰু সেইযে সেই মহাকবি ছেক্সপীয়েৰ সাহিত্যৰ সম্ৰাট
সেই সম্ৰাটে কৈছিল, সৰু মমডাল নুমাই গ'লেই তেওঁ
আহে
আৰু বাৰে বাৰে প্ৰেম কৰে কেৱল কাপুৰুষৰ স'তে
তেওঁ হ'ল জীৱনৰ দৰকাৰী যতি আৰু যেতিয়া তেওঁ আহে
হিলদল ভাঙি হলেও আহে............

এনেদৰে সকলোবোৰ গুণাগঁথা কৰি
তেওঁৰ অহাবাট খুলি দিছো হাঁহি হাঁহি, খেলি খেলি
অৱশ্যে মোৰ নিজস্ব টোকা বহীত লিখি থৈ দিছো
তেওঁৰ বিৰুদ্ধে কিছু প্ৰতিবাদ। □






# বহিৰাগতৰ সমস্যা

হোমেন্‌ বৰগোহাঞি

*অসমত বিদেশী-খেদা আন্দোলন আৰম্ভ হোৱাৰ ঠিক আগে আগে হোমেন বৰগোহাঞিয়ে অধুনা-লুপ্ত 'নাগৰিকত' 'বহিৰাগতৰ সমস্যা' নাম দি এলানি প্ৰবন্ধ লিখিছিল (জুলাই-ছেপ্তেম্বৰ ১৯৭৮) আৰু ১৯৭৯ চনৰ নবেম্বৰ মাহত সেই প্ৰবন্ধমালা পুস্তিকা আকাৰে প্ৰকাশ হৈছিল। কলিকতাৰ এটি প্ৰতিষ্ঠানে সেই পুস্তিকাৰ ইংৰাজী অনুবাদ কৰি সমগ্ৰ ভাৰততে প্ৰচাৰ কৰিছিল। উক্ত প্ৰবন্ধমালাত হোমেন বৰগোহাঞিয়ে অসমৰ কাৰণে কাশ্মীৰৰ নিচিনা বিশেষ সাংবিধানিক ৰক্ষা-কবচ দাবী কৰিছিল। তেৱেঁই বোধহয় প্ৰথম অসমীয়া-যিজনে এনে দাবী উত্থাপন কৰিছিল। এই প্ৰবন্ধমালাৰ প্ৰাসংগিকতা এতিয়াও আছে বুলি অনুভৱ কৰি কেইবাজনো বিজ্ঞলোকে সেইবোৰৰ পুনৰ্মুদ্ৰণৰ কাৰণে পৰামৰ্শ দিছে। এই সংখ্যাৰ পৰা সূত্ৰধাৰত প্ৰবন্ধমালা ধাৰাবাহিক ভাবে প্ৰকাশ কৰা হৈছে।*

(১)

অসমলৈ বাহিৰৰ পৰা অহা মানুহৰ সোঁত কোনো দিনেই বন্ধ হোৱা নাই। খৰালিৰ ক্ষীণ সুঁতিৰ নিচিনাকৈ সি সদায় জিৰজিৰকৈ বৈয়েই থাকে। কিন্তু মাজে মাজে সি বাৰিষাৰ দুকুল ঢকা বানপানীৰ ৰূপ লয়, আৰু তেতিয়াই স্থানীয় অসমীয়া মানুহবোৰ নিজৰ অস্তিত্ব ৰক্ষাৰ চিন্তাত আতংকিত হৈ উঠে। তেওঁলোকৰ ভয় হয় যে বহিৰাগতৰ এই বানপানীয়ে নিজ দেশতে ক্ৰমশঃ সংখ্যালঘু হৈ অহা অসমীয়া লোকসকলক আৰু তেওঁলোকৰ ভাষা সংস্কৃতিক এদিন উটুৱাই নিশ্চিহ্ন কৰি পেলাব। এবাৰ সাপে খালে লেজুলৈকে ভয় হোৱাৰ দৰে বৃটিছ শাসনৰ আৰম্ভণিতে বঙলা ভাষাৰ দ্বাৰা অসমীয়া ভাষা স্থানচ্যুত হোৱাৰ দিন ধৰি যোৱা ডেৰশ বছৰে অসমীয়া সকলৰ মনৰ পৰা এই ভয় দূৰ হোৱা নাই।

যোৱা কিছুদিন ধৰি বহিৰাগতৰ সোঁতে হঠাৎ বানপানীৰ ৰূপ লৈছে। বিভিন্ন ঠাইৰ পৰা অসমলৈ মানুহৰ সোঁত বৈছে। দণ্ডকাৰণ্যত সংস্থাপিত বঙালী শৰণাৰ্থীসকলে তাত থাকিব নোৱাৰি কিছুদিনৰ আগতে দলে দলে পশ্চিমবংগলৈ ঘূৰি আহিছিল। পশ্চিমবংগৰ চৰকাৰে তেওঁলোকক পুলিচ-মিলিটাৰীৰ সহায়েৰে পুনৰ দণ্ডকাৰণ্যলৈ ঘূৰাই পঠাবলৈ চেষ্টা কৰাত তাৰে কিছুসংখ্যক লোকে আশ্ৰয়-শিবিৰৰ পৰা পলাই হাবি জংঘলত আশ্ৰয় লয়। আশংকা কৰা হৈছে যে তাৰে কিছুমান লোক আহি অসমত প্ৰবেশ কৰিছে। বাংলাদেশৰ নতুন চৰকাৰৰ আমোলত তাৰ সংখ্যালঘু হিন্দু সম্প্ৰদায়ে শেখ মুজিবৰ ৰহমানৰ দিনত লাভ কৰা সাময়িক আৰু ক্ষণস্থায়ী নিৰাপত্তাবোধ পুনৰ হেৰুৱাই পেলাইছে, আৰু তেওঁলোকৰো বহুতেই নিজৰ সাতাম-পুৰুষীয়া ঘৰবাৰী এৰি থৈ আশ্ৰয় বিচাৰি ত্ৰিপুৰা আৰু অসমত সোমাইছেহি। আদিতে পূৰ্ববংগৰ অধিবাসী বহুতো মুছলমান লোক এসময়ত ব্ৰহ্মদেশলৈ উঠি গৈ তাৰ স্থায়ী বাসিন্দাত পৰিণত হৈছিল। কিন্তু ব্ৰহ্মদেশৰ চৰকাৰে ৰাজনৈতিক কাৰণত কিছুদিনৰ আগতে সেই লোকসকলক বলপূৰ্বক উচ্ছেদ কৰি তাৰ পৰা খেদি পঠিয়ায়। পিছত অৱশ্যে ব্ৰহ্মদেশ আৰু বাংলাদেশৰ মাজত হোৱা এখন চুক্তিৰ ফলত ব্ৰহ্মদেশে সেই লোকসকলক ঘূৰাই লবলৈ সন্মত হৈছে; কিন্তু মাজৰ যি কেইমাহ সেই দুৰ্ভগীয়া মানুহবোৰ দুইখন দেশৰ মাজত ধোপগুটিত পৰিণত হৈছিল, সেই সময়তে তেওঁলোকৰ বহুতেই প্ৰাণ-ৰক্ষাৰ তাড়নাত দিহিঙে-দিপাঙে বিয়পি পৰে। তেওঁলোকৰো কিছু লোক অসমত সোমাইছেহি বুলি অনুমান কৰা হৈছে।

অসমীয়াসকলৰ মনত খুব স্বাভাৱিকতেই ভয়ৰ সঞ্চাৰ হৈছে যে বহিৰাগতৰ এই ব্যাপক অনুপ্ৰবেশৰ ফলত তেওঁলোকৰ ভাষা সংস্কৃতি আৰু জাতীয় অস্তিত্ব বিপন্ন হব। এই ভয় খুব যুক্তিসংগত। গতিকে ভয়ৰ কাৰণবোৰো নিশ্চয় দূৰ কৰিবলৈ চেষ্টা কৰিব লাগিব। কিন্তু পৃথিৱীত এনে কোনো মানৱিক সমস্যা নাই- যাৰ মাত্ৰ এটা দিশ থাকে বা থাকিব পাৰে। গতিকে কোনো এটা সমস্যাৰ উদ্ভৱ হ'লেই তাক যথাসম্ভৱ সকলো দিশৰ পৰাই বিচাৰ কৰি চাবলৈ চেষ্টা কৰা উচিত। কেৱল তেতিয়াহে তাৰ এটা স্থায়ী সমাধান উদ্ভাৱন কৰা সম্ভৱ। নহ'লে এটা সমস্যাৰ সমাধানে আৰু এটা নতুন সমস্যাৰ জন্ম দিব, এনেকৈ কোনোকালেই সমস্যাৰ ওৰ নপৰিব। উদাহৰণ স্বৰূপে ভাৰত-উপমহাদেশৰ সংখ্যা গৰিষ্ঠ মুছলমানে ১৯৪৭ চনৰ আগলৈকে ভাবিছিল যে দ্বি-জাতি তত্ত্বৰ ভিত্তিত মুছলমানৰ কাৰণে সুকীয়া এখন ৰাষ্ট্ৰৰ সৃষ্টি হ'লেই তেওঁলোকৰ উচ্চতম পাৰ্থিৱ আকাংক্ষা পূৰ্ণ হব। হ'লনে? পাকিস্তানৰ যোৱা ত্ৰিশ বছৰৰ ৰক্তাক্ত ইতিহাস করুণ মোহভংগ আৰু যন্ত্ৰণাৰ ইতিহাস নহয় নে? সমগ্ৰ ভাৰত উপমহাদেশৰে শতকৰা পঞ্চাশ ভাগ আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক সমস্যাৰো মূল উৎস দেশ বিভাজনেই নহয় নে?

সি যি কি নহওক, আলোচ্য সমস্যাটোৰ এটা অতি কৰুণ মানৱিক দিশ আমি সকলোৱেই সততে মনত ৰখা উচিত। নহ'লে আমি নিজকে মানুহ বুলি কোৱাৰ অধিকাৰ হেৰুৱাম। বাতৰি কাকতৰ বহুতো ভাল গুণ আৰু বহুতো মাৰাত্মক দোষ আছে। দোষৰ ভিতৰত এটা প্ৰধান দোষ হ'ল এয়েই যে ই মানুহ-সম্পৰ্কিত সকলো তথ্য আৰু সংবাদকে dehumanize কৰি পেলায়, অৰ্থাৎ মনুষ্যত্বৰহিত কৰি পেলায়। সাহিত্য আৰু সাংবাদিকতাৰ এই এটা প্ৰধান পাৰ্থক্য। সাহিত্যত মানুহ তাৰ সমস্ত সুখ-দুখ আনন্দ-বেদনাৰে জীৱন্ত হৈ ধৰা দিয়ে। সেই মানুহৰ লগত আপুনি অতি সহজেই সহানুভূতিৰ ডোলেৰে তাদাত্ম্য অনুভৱ কৰে। কিন্তু বাতৰি কাকতৰ মানুহ তেজ-মাংসৰ মানুহ নহয়, মানৱিক অনুভূতি সম্পন্ন মানুহ নহয়; সি কেৱল এটা নিৰ্জীৱ 'তথ্য' বা 'সংবাদ' বা 'পৰিসংখ্যান' মাত্ৰ। সেই কাৰণে কাকতে আপোনাক যেতিয়া খবৰ দিয়ে যে চীনৰ ভূমিকম্পত একলাখ লোকে মৰিল বা অন্ধ্ৰ প্ৰদেশৰ সামুদ্ৰিক ঘূৰ্ণীবতাহত দহ হাজাৰ মানুহ মৰিল বা ধুবুৰীৰ কোনোবা পৰাণ শেখে নিজৰ ল'ৰা তিৰোতাক পোহ-পাল দিব নোৱাৰি গোটেই পৰিয়ালটোকে হত্যা কৰিলে, তেতিয়া আপোনাৰ মস্তিষ্কই সেই খবৰবোৰক আন হাজাৰটা খবৰৰ দৰেই কেৱলমাত্ৰ খবৰ

OLDISCD

**সম্প্ৰতি সমগ্ৰ পৃথিৱীতে জনসংখ্যা যি অবিশ্বাস্য দ্ৰুতগতিৰে বাঢ়িব লাগিছে, তাৰ ফলত অহা পঞ্চাশ বছৰৰ ভিতৰত এই 'বহিৰাগত'ৰ সমস্যাটোৱেই পৃথিৱীৰ বেছিভাগ দেশৰ কাৰণে আটাইতকৈ ডাঙৰ সমস্যা হৈ উঠিব। তাৰ পূৰ্বাভাস আমি এতিয়াই পাইছো। বিলাতত গৈ দলে দলে প্ৰৱেশ কৰা ভাৰতীয় আৰু পাকিস্তানী সকলে ইতিমধ্যেই তাত বৰ্ণ সংগ্ৰাম আৰম্ভ কৰিছে। সৰ্বহাৰাৰ আন্তৰ্জাতিকতাত বিশ্বাসী দুখন কমিউনিষ্ট ৰাষ্ট্ৰ চীন আৰু ভিয়েতনামৰ মাজত সংঘৰ্ষ আৰম্ভ হৈছে এই 'বহিৰাগত'ৰ প্ৰশ্নটোক কেন্দ্ৰ কৰিয়েই। মানুহৰ সংখ্যা বাঢ়িছে, বাসযোগ্য মাটিৰ পৰিমাণ সেই অনুপাতে কমিছে–অতএৱ ভৱিষ্যতৰ পৃথিৱীৰ আটাইতকৈ ডাঙৰ সমস্যা হব এই 'বহিৰাগত'ৰ সমস্যা।**

বুলিয়েই গ্ৰহণ কৰে। সেই খবৰৰ অন্তৰালত থকা তেজ-মাংসৰ মানুহবোৰৰ যন্ত্ৰণাৰ কথা ভাবি মুহূৰ্তৰ কাৰণেও আপোনাৰ হৃদয় আলোড়িত নহয়। বাতৰি কাকতৰ 'মানুহ' আপোনাৰ কাৰণে এটা নিৰ্বিশেষ উপাধি 'খবৰ' মাত্ৰ; সি ভোকত কান্দি আধা-মৰা হোৱা শিশু নহয়, নিজৰ অভুক্ত শিশুৰ মৰণ যন্ত্ৰণা দেখি উন্মাদিনী হোৱা মাতৃ নহয়, প্ৰাণৰক্ষাৰ কাৰণে দিকবিদিক জ্ঞান হেৰুৱাই উন্মাদ-প্ৰায় হোৱা অত্যাচাৰিত উৎপীড়িত মানুহ নহয়।

বহুকালৰ আগতে পূৰ্ববংগৰ পৰা কিছুমান মুছলমান মানুহ গৈ ব্ৰহ্মদেশত বসতি কৰিছিল। এই বছৰত ব্ৰহ্মদেশৰ চৰকাৰে হঠাৎ সেই মানুহবোৰক ৰাজনৈতিক কাৰণত অবাঞ্ছিত বুলি গণ্য কৰিলে আৰু বনৰীয়া জন্তুৰ ওপৰত হিংস্ৰ চিকাৰী কুকুৰ লগাই দিয়াৰ নিচিনাকৈ সিহঁতৰ ওপৰত পুলিচ মিলিটাৰী লগাই দি মানুহবোৰক তাৰ পৰা খেদি পঠালে। আশ্ৰয় বিচাৰি সিহঁত আহিল আদিম বাসভূমি পূৰ্ববংগ অৰ্থাৎ এতিয়াৰ বাংলাদেশলৈ। মুছলমানৰ দেশ বাংলাদেশে একে জাতি বুলি সেই দুৰ্ভগীয়া গৃহচ্যুত মানুহবোৰক আশ্ৰয় দিলেনে? নিদিলে! কাৰণ আটাইতকৈ ডাঙৰ হৰিকথা, তাতোকৈ ডাঙৰ চাউল কথা। ব্ৰহ্মদেশৰ পৰা বিতাড়িত সেই হাজাৰ হাজাৰ মুছলমান মানুহ ইছলামিক ৰিপাব্লিক অব্ বাংলাদেশৰ কাৰণে মুছলমান নহয়; সিহঁত বাংলাদেশীৰ ভাতৰ পাতত ভাগ বহাবলৈ অহা অবাঞ্ছিত উৎপাত মাত্ৰ, বাংলাদেশৰ সংকুচিত অৰ্থনৈতিক সুযোগ আৰু পৰিমিত মাটিৰ ওপৰত অবাঞ্ছিত দাবীদাৰ মাত্ৰ! ঠাঁই নাই ঠাঁই নাই ছোটো সে তৰী আমাৰি সোনাৰ ধানে গিয়াছে ভৰি।' অৱশ্যে 'সোনাৰ বাংলাৰ' তৰী 'সোনাৰ ধানেৰে' ভৰি যোৱা নাই, সি ভৰি গৈছে পিলপিলকৈ বাঢ়ি অহা বাংলাদেশী মানৱ-সন্তানেৰে, অন্তহীন সমস্যাৰে ভৱিষ্যত সম্পৰ্কে দুৰ্ভাৱনাৰে। অতএৱ, বাংলাদেশৰ চৰকাৰেও পুলিচ মিলিটাৰী লগাই সেই মানুহবোৰক নিজৰ সীমান্ত পাৰ কৰি পুনৰ ব্ৰহ্মদেশলৈ খেদি দিলে। মাহৰ পিছত মাহ ধৰি এই ঘটনা চলি থাকিল। মানুহ নহয় যেন ফুটবল। ব্ৰহ্মদেশৰ চৰকাৰে সিহঁতক গোৰ মাৰি পঠিয়ায় বাংলাদেশৰ মাটিলৈ, বাংলাদেশে গোৰ মাৰি পঠিয়ায় ব্ৰহ্মদেশলৈ। বাতৰি কাকত পঢ়ি কল্পনা কৰাই টান যে দুখন দেশৰ মাজত বিবাদৰ বিষয় হৈ পৰা এই মানুহবোৰ আমাৰে নিচিনা তেজ-মাংসৰ মানুহ; সিহঁতৰ মাজত আছে নাবালক শিশু, বেমাৰী তিৰোতা, অথৰ্ব বৃদ্ধ। বাতৰি কাকত পঢ়ি কাৰো মনলৈ নাহে যে দুয়োখন দেশতে অবাঞ্ছিত এই গৃহহাৰা মানুহবোৰে হয়তো দিনৰ পিছত দিন, ৰাতিৰ পিছত ৰাতি, শ্বাপদ সংকুল দুৰ্গম অৰণ্যৰ মাজত, মুকলি আকাশৰ তলত নাখাই-নবৈ দিন কটাব লগা হৈছে; কিমান শিশু আৰু বৃদ্ধৰ কৰুণ মৃত্যু হৈছে, কিমান তিৰোতা আতংকত উন্মাদিনী হৈ গৈছে।

সেই একে ইতিহাস দণ্ডকাৰণ্যৰ পৰা পশ্চিমবংগলৈ ভাগি অহা ভগনীয়া সকলৰ; বাংলাদেশৰ পৰা অসম আৰু ত্ৰিপুৰালৈ পলাই অহা শৰণাৰ্থীসকলৰ; পেলেষ্টাইনৰ উদ্বাস্তু সকলৰ; কাম্বোদিয়াৰ পৰা বিতাড়িত ভিয়েতনামী সকলৰ। তাৰো আগতে দুহাজাৰ বছৰ ধৰি এই ইতিহাস আছিল সকলো দেশতে অবাঞ্ছিত চিৰ ভ্ৰাম্যমান ইহুদীসকলৰ। মানুহৰ ইতিহাসে এনেকৈ যুগ যুগ ধৰি ধৰ্ম, ভাষা, জাতি, আদৰ্শৰ নামত লাখ লাখ মানুহক দেশহীন আৰু গৃহহীন কৰি আহিছে, সিহঁতৰ অসহায় কৰুণ আৰ্তনাদৰ প্ৰতি নিজৰ কাণ বন্ধ কৰি ৰাখিছে। এই মানুহবোৰক অবাঞ্ছিত উৎপাত বা কেৱল ৰাজনৈতিক সমস্যা বুলি ভবাৰ আগতে নিজকে এবাৰ সিহঁতৰ অৱস্থাত কল্পনা কৰিবলৈ চেষ্টা কৰক; কল্পনা কৰিবলৈ চেষ্টা কৰক আপোনাৰ ল'ৰা-তিৰোতাক–গৃহহীন, নিৰাশ্ৰয়, পথক্লান্ত, অভুক্ত ল'ৰা-তিৰোতাক– দুখন দেশৰ পুলিচ মিলিটাৰীয়ে ফুটবলৰ দৰে ইফালৰ পৰা সিফাললৈ ঘূৰিয়াই থকাৰ দৃশ্য। যি কোনো মানৱিক সমস্যাৰ সমাধানৰ কাৰণে এইটোৱেই হ'ল একমাত্ৰ পূৰ্বচৰ্ত। আমি মানুহক মানুহ বুলি পাহৰি যেতিয়া একোটা তথ্য বা প্ৰতীক বা পৰিসংখ্যাৰ গোটত পৰিণত কৰো তেতিয়াই আমি মানুহৰ প্ৰতি অমানুহৰ দৰে আচৰণ কৰো, অৰ্থাৎ নিজেই অমানুহ হওঁ। ফলত কোনোদিনেই সমস্যাৰ স্থায়ী সমাধান নহয়, বৰং ন ন সমস্যাৰ সৃষ্টি হৈ গৈ থাকে।

এই বিষয়ে বিন্দুমাত্ৰ সন্দেহ নাই যে অসমলৈ বহিৰাগতৰ অবিৰাম সোঁত বৈ থাকিলে সি কালক্ৰমত নানা আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক সংঘৰ্ষৰ সৃষ্টি কৰিব আৰু তাৰ পৰিণাম কাৰো কাৰণে ভাল নহব। গতিকে এই সোঁত বন্ধ কৰিবই লাগিব। কেৱল এই প্ৰসংগত দুটা কথা স্মৰ্তব্য। প্ৰথমতে যিবোৰ মানুহ দলে দলে এনেকৈ আহিছে, সিহঁত বৰ দুৰ্ভগীয়া! সিহঁতৰ ঘৰতো ঠাই নাই, পৰতো ঠাই নাই। মানুহৰ ইতিহাসে যিবোৰ পৰ্বত প্ৰমাণ ভুলৰ সৃষ্টি কৰিছে, তাৰ বিষময় ফল ভোগ কৰিছে এই অসহায় অভিশপ্ত মানুহবোৰে। গতিকে সিহঁতক আমাৰ পদূলি মুখৰ পৰা লেই লেই ছেই ছেই কৰি খেদি পঠোৱাৰ আগতে আমি যেন মনত পেলাবলৈ চেষ্টা কৰো যে সিহঁতো আমাৰ নিচিনা তেজ-মাংসৰ মানুহ, সিহঁতৰ জীৱনত ক্ষুধা, ৰোগ, যন্ত্ৰণা আৰু অনিশ্চয়তাৰ শেষ নাই। সিহঁতক ইয়াৰ পৰা খেদি পঠালেই সমস্যাৰ অন্ত নপৰে বা আমাৰ দায়িত্বৰো অন্ত নপৰে। মানুহৰ দুঃখ-যন্ত্ৰণাৰ সমস্যা সকলো মানুহৰে উমৈহতীয়া সমস্যা। এই সমস্যাক সদায় ধৰ্ম, ভাষা বা সংস্কৃতিৰ প্ৰশ্নৰ উৰ্ধ্বত ঠাই দিব লাগিব। দ্বিতীয়তে, মানুহৰ শৰীৰটোৰ নিচিনাকৈ আধুনিক পৃথিৱীখনো এটা অখণ্ড জৈৱিক সংগঠনত পৰিণত হৈছে। আপোনাৰ ভৰিত এটা বিহফোহোঁৰা হ'লে শৰীৰৰ বাকী অংশও যেনেকৈ তাৰ যন্ত্ৰণাৰ পৰা মুক্ত হৈ থাকিব নোৱাৰে, ঠিক তেনেকৈ আধুনিক পৃথিৱীৰ কোনো সমস্যাই স্থানীয় সমস্যা নহয়। এখন বিশেষ ঠাই বা দেশৰ সমস্যাৰ শুভাশুভ পৰিণাম প্ৰত্যক্ষ বা পৰোক্ষভাবে গোটেই পৃথিৱীয়ে ভোগ কৰিব লগা হয়। অষ্ট্ৰেলিয়াৰ ভেৰা ছাগলীবোৰৰ যদি বেমাৰ হয় বা বিলাতৰ কয়লা-শ্ৰমিক সকলে যদি দীঘলীয়াকৈ ধৰ্মঘট কৰে বা আৰব দেশবোৰে যদি ৰাজনৈতিক কাৰণত খাৰুৱা তেলৰ উৎপাদনৰ কাম সাময়িকভাবে বন্ধ কৰি দিয়ে বা জুলফিকাৰ আলি ভুট্টোৰ ফাঁচি হব লগা হয় তেন্তে সেইবোৰ ঘটনাৰ পৰিণাম কেৱল নিজ নিজ অঞ্চলতেই সীমাবদ্ধ নাথাকিব; 'ইয়াতে মাৰিলে টিপা, গড়গাঁও পালেগৈ শিপা'ৰ নিচিনাকৈ পৃথিৱীৰ প্ৰত্যন্ত প্ৰান্তত তাৰ জোঁকাৰণি অনুভূত হব। তাৰ পৰিণাম ভোগ কৰিব লাগিব কেতিয়াও অষ্ট্ৰেলিয়া বা কোয়েইটৰ নাম নুশুনা নিৰক্ষৰ গাঁৱলীয়া ভাৰতীয় খেতিয়কে বা আফ্ৰিকাৰ আদিম পশু-পালকে। ঠিক সেইদৰে অসমলৈ জাকে জাকে অহা বহিৰাগতসকলক পুলিচ মিলিটাৰী লগাই সীমান্ত পাৰ কৰি থৈ আহিলেই আমি নিৰাপদ হ'লো বুলি ভাবিলে বা আমাৰ সমস্যাৰ সমাধান হ'ল বুলি ভাবিলে মাৰাত্মক ভুল কৰা হব। ভাতৰ পৰা মাখিৰ জাক বিচনীৰ বা দিলে আঁতৰি যায়, কিন্তু পিছ মুহূৰ্ততে সিহঁত আকৌ আহি ভাতত পৰে! মাখিৰ উৎপাতৰ পৰা স্থায়ীভাবে ৰক্ষা পোৱাৰ একমাত্ৰ উপায় হ'ল সিহঁতৰ উৎপত্তিস্থল ধ্বংস কৰা। ঠিক তেনেকৈ দেশে দেশে যিবোৰ পৰিস্থিতিয়ে লাখ লাখ মানুহক গৃহত্যাগী পৰিব্ৰাজকত পৰিণত কৰিছে, সেই পৰিস্থিতিবোৰ দূৰ নকৰালৈকে এই সমস্যাৰ কোনো স্থায়ী সমাধান নাই। সম্প্ৰতি সমগ্ৰ পৃথিৱীতে জনসংখ্যা যি অবিশ্বাস্য দ্ৰুতগতিৰে বাঢ়িব লাগিছে, তাৰ ফলত অহা পঞ্চাশ বছৰৰ ভিতৰত এই 'বহিৰাগত'ৰ সমস্যাটোৱেই পৃথিৱীৰ বেছিভাগ দেশৰ কাৰণে আটাইতকৈ ডাঙৰ সমস্যা হৈ উঠিব। তাৰ পূৰ্বাভাস আমি এতিয়াই পাইছো। বিলাতত গৈ দলে দলে প্ৰৱেশ কৰা ভাৰতীয় আৰু পাকিস্তানী সকলে ইতিমধ্যেই তাত বৰ্ণ সংগ্ৰাম আৰম্ভ কৰিছে। সৰ্বহাৰাৰ আন্তৰ্জাতিকতাত বিশ্বাসী দুখন কমিউনিষ্ট ৰাষ্ট্ৰ চীন আৰু ভিয়েতনামৰ মাজত সংঘৰ্ষ আৰম্ভ হৈছে এই 'বহিৰাগত'ৰ প্ৰশ্নটোক কেন্দ্ৰ কৰিয়েই। মানুহৰ সংখ্যা দ্ৰুতগতিৰে বাঢ়িছে, বাসযোগ্য মাটিৰ পৰিমাণ সেই অনুপাতে কমিছে–অতএৱ ভৱিষ্যতৰ পৃথিৱীৰ আটাইতকৈ ডাঙৰ সমস্যা হব এই 'বহিৰাগত'ৰ সমস্যা। পানী ওখৰ পৰা চাপৰলৈ বৈ যোৱাৰ দৰে ঘন-বসতিপূৰ্ণ অঞ্চলৰ পৰা অপেক্ষাকৃত কম জন-অধ্যুষিত অঞ্চললৈ মানুহৰ সোঁত ববই। ই প্ৰকৃতিৰ নিয়ম।

## (২)

অসমলৈ বহিৰাগতৰ সোঁত দিনে দিনে বাঢ়ি গৈ আছে। তাৰ প্ৰমাণ– ১৯৬১ চনৰ পৰা ১৯৭১, এই দহ বছৰৰ ভিতৰত অসমৰ শতকৰা জনসংখ্যা ৩৫ ভাগ বাঢ়িল। সমগ্ৰ দেশৰ ভিতৰতে জনসংখ্যা বৃদ্ধিৰ এইটোৱেই হ'ল সৰ্বোচ্চ হাৰ। অসমৰ থলুৱা মানুহৰ প্ৰজনন-ক্ষমতা আচম্বিতে বহুগুণ বাঢ়ি যোৱা বুলি ধৰি ললেও কেৱল তাৰ দ্বাৰাই এই বিপুল জনসংখ্যা বৃদ্ধিৰ কাৰণ ব্যাখ্যা কৰিব নোৱাৰি। এই জনসংখ্যা বৃদ্ধিৰ প্ৰধান কাৰণ হ'ল অসমলৈ বিপুল সংখ্যক বহিৰাগতৰ আগমন। ১৯৭১ চনৰ পিছতো আৰু কিমান মানুহ বাহিৰৰ পৰা আহিছে তাৰ প্ৰমাণ অহা ১৯৮১ চনৰ লোক পিয়লতহে পোৱা যাব।

যি কোনো সমস্যাৰ সমাধানৰ প্ৰধান পূৰ্বচৰ্ত হ'ল প্ৰথমে বৈজ্ঞানিক প্ৰণালীৰে সমস্যাটো অধ্যয়ন আৰু বিশ্লেষণ কৰা। কোনোবা মানুহৰ কঠিন বেমাৰ হ'লে বেমাৰীক চকুৰ আগত লৈ ৰাউচি জুৰিলেই বেমাৰ কেতিয়াও ভাল নহয়; চিকিৎসকে ৰোগীক ভালকৈ পৰীক্ষা কৰি ৰোগ চাই ঔষধ দিলেহে সি ভাল হব পাৰে। অসমলৈ বহিৰাগতৰ অবিৰাম আগমন নিশ্চয় এটা ডাঙৰ সমস্যা। কিন্তু এই সমস্যাৰ স্থায়ী সমাধানৰ কাৰণে আমি নিশ্চয় সমস্যাটোৰ প্ৰকৃত স্বৰূপ প্ৰথমে বুজি লব লাগিব। উদাহৰণ স্বৰূপে, সকলোৱেই একমুখে দাবী কৰিছে যে বহিৰাগতৰ সোঁত বন্ধ কৰিবলৈ ৰাজ্য চৰকাৰে কঠোৰ ব্যৱস্থা লব লাগে। এতিয়া প্ৰশ্ন হ'লঃ বহিৰাগত মানে আমি কাক বুজো? কেৱল অভাৰতীয় বিদেশীকেই আমি বহিৰাগত বুলি ক'ব খোজো, নে ভাৰতৰ আন আন ৰাজ্যৰ লোকসকলো অসমৰ ক্ষেত্ৰত বহিৰাগত? অসমৰ জনমত অনুধাৱন কৰি দেখা গৈছে যে বহিৰাগতৰ শ্ৰেণীত ভাৰতৰ আন আন ৰাজ্যৰ লোকসকলকো সামৰি লোৱা হৈছে, কাৰণ অসমত তেওঁলোকৰ সংখ্যা বৃদ্ধিও এই ৰাজ্যৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক স্বাৰ্থৰ পৰিপন্থী। যদি সেয়েই হয়, তেন্তে ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা অবিৰাম গতিৰে অসমলৈ আহি থকা লোকসকলক অসমত প্ৰৱেশ কৰিবলৈ নিদিবলৈ বা তেওঁলোকক অসমৰ পৰা উচ্ছেদ কৰিবলৈ ৰাজ্য চৰকাৰৰ এনে কোনো সাংবিধানিক অধিকাৰ আছে নে? সকলোৱেই জানে যে ৰাজ্য চৰকাৰৰ এনে কোনো সাংবিধানিক ক্ষমতা নাই। তেতিয়া হ'লে আমি এই কথা মানি লব লাগিব যে ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা আহি থকা বহিৰাগতসকলৰ ক্ষত্ৰত অসম চৰকাৰৰ একো কৰণীয় নাই, অথবা অসমত এই সকল বহিৰাগতৰ প্ৰৱেশ বন্ধ কৰিবলৈ সংবিধান-সংশোধনৰ দাবী কৰি অসমবাসীয়ে আন্দোলন কৰিব লাগিব। লগতে আমি এই কথাও ঠিৰাং কৰি লব লাগিবঃ অসমলৈ অহা কোন শ্ৰেণীৰ বহিৰাগতৰ সংখ্যা বেছি? বিদেশী অভাৰতীয়ৰ সংখ্যা বেছি, নে ভাৰতীয় বহিৰাগতৰ সংখ্যা বেছি? সামান্য সাধাৰণ জ্ঞানেও এই কথা কয় যে সীমান্ত-ৰক্ষী পুলিচৰ চকুত ধূলি দি দুৰ্গম অৰণ্য-পথেদি গোপনে অসমত প্ৰৱেশ কৰা বিদেশী লোকতকৈ প্ৰতিদিনে দহ-বাৰখন বিৰাট ৰেলগাড়ীত অসমলৈ অহা ভাৰতীয় বহিৰাগতৰ সংখ্যা বহু গুণে বেছি হব। অসমত বিদেশী লোকৰ অনুপ্ৰৱেশ বন্ধ কৰাটো বা অনুপ্ৰৱেশকাৰী বিদেশীক ততালিকে বহিষ্কাৰ কৰাৰ ব্যৱস্থা কৰাটো চৰকাৰৰ অৱশ্য পালনীয় কৰ্তব্য। সেই কৰ্তব্য যথোচিতভাবে পালন কৰিব নোৱাৰিলে চৰকাৰৰ কোনো ক্ষমা নাই। যি সকল ভাৰতীয় নাগৰিকে বিদেশী অনুপ্ৰৱেশকাৰীক আশ্ৰয় দিয়ে, তেওঁলোক দেশদ্ৰোহী, তেওঁলোকো শাস্তিৰ যোগ্য। কিন্তু আমি যদি এই কথা মানি লওঁ যে ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা লেঠাৰি নিছিগা সোঁতেৰে অসমলৈ আহি থকা লোক সকলো এই ৰাজ্যৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক স্বাৰ্থৰ কাৰণে সমানেই ক্ষতিকাৰক, আনহাতে এইসকল বহিৰাগত সংখ্যাত বিদেশী অভাৰতীয়তকৈ বহুগুণে বেছি, তেন্তে সেইসকল বহিৰাগতৰ ক্ষেত্ৰত আমি কি ব্যৱস্থা লম? প্ৰচলিত আইনৰ সংবিধান সংশোধন নকৰাকৈ এইসকল ভাৰতীয় বহিৰাগতকতো অসমলৈ সোমোৱাত আমি বাধা দিব নোৱাৰো বা তেওঁলোকক অসমৰ পৰা খেদি দিব নোৱাৰো। গতিকে যিসকল লোকে বহিৰাগতৰ সমস্যাটোৰ কাৰণে কেৱল চৰকাৰকেই দোষাৰোপ কৰি থাকে, তেওঁলোকে এটা বিষয়ত প্ৰথমেই মনস্থিৰ কৰি লব লাগিব যে অসমৰ সামগ্ৰিক আৰু দীৰ্ঘম্যাদী স্বাৰ্থত তেওঁলোকে ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰাও অসমলৈ জনস্ৰোত নিয়ন্ত্ৰিত হোৱাটো বিচাৰে আৰু তাৰ কাৰণে সংবিধানৰ প্ৰয়োজনীয় সংশোধন ঘটাবলৈ কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰিবৰ কাৰণে তেওঁলোকে আন্দোলন কৰিবলৈ প্ৰস্তুত।

এই কথাৰ অৰ্থ এই নহয় যে অসমলৈ বহিৰাগতৰ সোঁত বন্ধ হোৱাটো আমি নিবিচাৰো। বৰং সকলোতকৈ আমিয়েই বেছিকৈ বিচাৰো। কিন্তু আমি এইটো নিবিচাৰো যে কিছুমান লোকে নিজৰ সংকীৰ্ণ স্বাৰ্থ সিদ্ধিৰ কাৰণে জনসাধাৰণৰ ছেন্টিমেন্টক মূলধন কৰি প্ৰত্যেকটো সমস্যাকে ৰাজনৈতিক ৰূপ দিয়ক আৰু বিচাৰ বিশ্লেষণেৰে সমস্যাৰ সমাধানৰ চেষ্টা নকৰি কেৱল চিঞৰ-বাখৰৰ দ্বাৰা আন সকলোতকৈ নিজৰ দেশ-প্ৰেম বেছি বুলি জাহিৰ কৰিবলৈ চেষ্টা কৰক। অসমৰ কাৰণে বহিৰাগতৰ সমস্যাটো আজি হঠাতে উদ্ভৱ হোৱা এটা নতুন সমস্যা নহয়। স্বাধীনতা লাভৰ আগৰ কথা এতিয়া আৰু বাদেই দিলো, দেশ স্বাধীন হোৱাৰ পিছৰ পৰাই অবিৰাম গতিৰে অসমলৈ বহিৰাগতৰ সোঁত বৈয়েই আছে। ষাঠিৰ দশকতে ই তীব্ৰতম ৰূপ লয়। কিন্তু কিছুমান মানুহৰ কথা-বাৰ্তা শুনি এনেহে ধাৰণা হয়– যেন ইমানদিনে তেওঁলোকে শুইহে আছিল অথবা আন হাজাৰটা সমস্যাৰ কথা ভাবি থাকোতে বহিৰাগতৰ

সমস্যাটোৰ কথা ভাবিবলৈকে সময় পোৱা নাছিল; এতিয়া সাৰ পাই উঠি বা সময় পাই এই সমস্যাৰ ভয়াবহ ৰূপ দেখি তেওঁলোকে আতংকিত হৈ চীৎকাৰ কৰি উঠিছে। ক্ষমতালোভী হতাশা-গ্ৰস্ত ৰাজনীতিকৰ এটা সাধাৰণ লক্ষণ হ'ল এই যে তেওঁলোকে সদায় ছল চাই কঠীয়া পাৰিবলৈ চেষ্টা কৰে।

বহিৰাগতৰ সমস্যাটোৰ সমাধানৰ কাৰণে আমি প্ৰথমে সমস্যাটো বিশ্লেষণ কৰি চাবলৈ চেষ্টা কৰা উচিত। বহিৰাগত সকলক কি কি শ্ৰেণীত ভাগ কৰিব পাৰি? অসমলৈ কিহৰ সন্ধানত তেওঁলোক আহে? কি কি কাৰণত অসম বহিৰাগতৰ উপনিবেশত পৰিণত হৈছে? কেৱল চৰকাৰী কাৰ্য-ব্যৱস্থাৰ দ্বাৰাই বহিৰাগতৰ সোঁত বন্ধ কৰা সম্ভৱ নে?

প্ৰথমতেই বহিৰাগত সকলক দুটা স্পষ্ট শ্ৰেণীত ভাগ কৰিব পাৰি। এভাগ হ'ল ভাৰতীয়, আনভাগ অভাৰতীয়। ভাৰতীয় সকলৰ কথা পিছলৈ থৈ আমি প্ৰথমে অভাৰতীয় সকলৰ কথাই আলোচনা কৰো।

অসমৰ গাতে লাগি থকা তিনিখন বিদেশী ৰাষ্ট্ৰ আছে। পশ্চিমে বাংলাদেশ, উত্তৰে নেপাল আৰু ভূটান। ভূটানৰ পৰা অসমত অনুপ্ৰবেশ কৰা লোকৰ সংখ্যা নগণ্য। যিমান বিদেশী অনুপ্ৰবেশকাৰী অসমলৈ আহিছে, তেওঁলোকৰ প্ৰায় শতকৰা এশজনেই আহিছে নেপাল আৰু বাংলাদেশৰ পৰা।

১৯৪৭ চনত দেশ-বিভাজন হোৱাৰ ফলত তেতিয়াৰ পূৰ্ব-পাকিস্তানৰ প্ৰায় এক কোটি হিন্দু ভাৰতলৈ ভাগি আহিল। তেওঁলোকৰ বেছিভাগেই আশ্ৰয় ল'লে প্ৰতিবেশী পশ্চিমবংগ, ত্ৰিপুৰা আৰু অসমত। বহিৰাগতৰ এনে ব্যাপক প্ৰব্ৰজনে ঘাইকৈ দুটা সমস্যাৰ সৃষ্টি কৰেঃ সাংস্কৃতিক আৰু অৰ্থনৈতিক। বিপুল সংখ্যক শৰণাৰ্থীয়ে পশ্চিমবংগৰ অৰ্থনীতিত বিৰাট-হেঁচা দিলেও তাত সি একো সাংস্কৃতিক সমস্যাৰ সৃষ্টি নকৰিলে, কাৰণ তাত থলুৱা আৰু শৰণাৰ্থী দুয়ো শ্ৰেণী লোকৰে ভাষা আৰু সংস্কৃতি একে। পূৰ্ব পাকিস্তানৰ পৰা অহা বাঙালী শৰণাৰ্থীয়ে কিন্তু ত্ৰিপুৰাৰ খিলঞ্জীয়া অধিবাসী আদিম উপজাতিসকলৰ জীৱনত বিৰাট প্ৰলয়ৰ সৃষ্টি কৰিলে। নিজৰ ৰাজ্যতে তেওঁলোক সংখ্যালঘু হ'ল, নিজৰ ঘৰতে প্ৰবাসী হ'ল। কেৱল শৰণাৰ্থী বাঙালীসকলে দখল কৰাৰ ফলতেই এতিয়া ত্ৰিপুৰা এখন বাঙালী ৰাজ্যত পৰিণত হ'ল। কেইবালাখ বাঙালী শৰণাৰ্থীক অসমতো সংস্থাপিত কৰিব লগা হ'ল আৰু তাৰ ফলত অসমৰ সীমিত অৰ্থনৈতিক সুযোগ-সুবিধাৰ ওপৰত এইসকল লোকে ভাগ বহুওৱাৰ উপৰিও সি এটা সাংস্কৃতিক সমস্যাৰো সৃষ্টি কৰিলে। প্ৰথমতঃ এই নবাগত বাঙালীসকলে অসমৰ ভাষিক অনুপাত সাল-সলনি কৰি পেলালে, অৰ্থাৎ তেওঁলোকে অসমত স্থায়ীভাবে বসবাস কৰিবলৈ লোৱাৰ ফলত অসমত অসমীয়া ভাষী লোকৰ শতকৰা হাৰ স্বাভাৱিকতেই কিছু হ্ৰাস পালে। ১৯৬০ চনৰ ৰাজ্য ভাষা আন্দোলনৰ বিভিন্ন কাৰণৰ ভিতৰত ইও আছিল এটা অন্যতম কাৰণ। দ্বিতীয়তে, একে সময়তে অসমলৈ এই বিপুল সংখ্যক বাঙালীৰ আগমনে থলুৱা অসমীয়া সকলৰ মনত এটা পুৰণি ভয় নতুনকৈ জগাই তুলিলে, সেইটো হ'ল সকলো ফালৰ পৰাই অধিক পৰাক্ৰান্ত বঙলা ভাষা-সাহিত্যৰ গৰাহত পৰি অসমীয়া ভাষা নিশ্চিহ্ন নহলেও দুৰ্বল হোৱাৰ ভয়। মুঠতে স্বাধীনতাৰ পিছত অসমত কেইবালাখ বাঙালী শৰণাৰ্থীৰ পুনৰ্সংস্থাপনে এই ৰাজ্যত এক সামাজিক আৰু সাংস্কৃতিক টেনশ্যনৰ (tension) সূচনা কৰিলে। তুঁহ জুইৰ নিচিনাকৈ সি উমি উমি জ্বলি থাকে, বেছিভাগ সময়তেই তাৰ অস্তিত্ব পৰ্যন্ত অনুভৱ কৰিব নোৱাৰি, কিন্তু মাজে মাজে সি ভমককৈ জ্বলি উঠে। অসমীয়া সমাজৰ নেতৃত্ব প্ৰয়াসী বহুতো লোকৰ কাৰণে এই সমস্যাটো এটা প্ৰধান ৰাজনৈতিক মূলধন।

সি যি কি নহওক, অসমত স্থায়ীভাবে সংস্থাপিত এই বাঙালী লোকসকল এতিয়া আৰু বহিৰাগতৰ শ্ৰেণীত নপৰে। তেওঁলোকৰ বহিষ্কাৰৰ কথাও নিশ্চয় কোনেও নাভাবে। আশা কৰা যায় যে ১৯৬০ আৰু ১৯৭২ চনৰ মৰ্মন্তুদ ঘটনাৱলীৰ পিছত এই লোকসকলেও পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই থলুৱা মানুহৰ লগত মিলি জুলি চলিবলৈ চেষ্টা কৰিছে। কিন্তু ইমানৰ পিছতো এই কথা ক'ব নোৱাৰি যে তেওঁলোকৰ নিজৰ সমস্যা বা অসমৰ কাৰণে তেওঁলোকে সৃষ্টি কৰা সমস্যাৰ অন্ত পৰিছে। দেশ বিভাজনৰ পিছতো পূৰ্ব-পাকিস্তানৰ পৰা ভাৰতলৈ শৰণাৰ্থীৰ সোঁত বন্ধ নহ'ল। পাকিস্তানী আমোলত পূৰ্ব-পাকিস্তানৰ সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ ওপৰত অব্যাহত গতিৰে নিৰ্যাতন চলি থকাৰ ফলত প্ৰায় প্ৰতি বছৰেই অন্যান্য প্ৰতিবেশী ৰাজ্য কেইখনৰ লগতে অসমলৈকো শৰণাৰ্থীৰ সোঁত বৈ থাকিবলৈ ধৰিলে। সিয়েই যেনিবা দেশ বিভাজনৰ সময়ত বাৰিষাৰ ভৰা নদীৰ ৰূপ লৈছিল, পিছলৈ সি জিৰজিৰকৈ বৈ থকা খৰালিৰ ক্ষীণ সুঁতিৰ ৰূপ ল'লে। আইনৰ দৃষ্টিত এই পিছত অহা শৰণাৰ্থীসকলো আছিল অভাৰতীয় বিদেশী অনুপ্ৰবেশকাৰী। কিন্তু পূৰ্ব-পাকিস্তানত সাম্প্ৰদায়িক বৈষম্যৰ বলি হৈ নিৰ্যাতিত আৰু বিতাড়িত হোৱা এই লোকসকলক ভাৰত চৰকাৰে মানৱীয় বিবেচনাত দেশ-বিভাজনৰ বহুত পিছলৈকে আশ্ৰয় দিয়েই থাকিল। তাৰে বহুতো লোকে আহি অসমত আশ্ৰয় ল'লে। এনেদৰে অসমত বঙলা ভাষী লোকৰ সংখ্যা বাঢ়ি গৈ থাকিল, বাঢ়িলে বাঙালীসকলৰ প্ৰতি থলুৱা অসমীয়া মানুহৰ বিৰাগ আৰু বিদ্বেষৰ মনোভাব।

কিন্তু কেৱল বাঙালী হিন্দুৱেই অসমলৈ আহিছেনে? নহয়, বাঙালী মুছলমানো দলে দলে অসমলৈ আহিছে। ইতিহাসৰ কি কৰুণ পৰিহাস, যি মুছলমানে এদিন 'লড়কে লেংগে পাকিস্তান' বুলি, বজ্ৰকঠোৰ সংকল্প লৈছিল, পাকিস্তানৰ দাবীত ১৯৪৬ চনত কলিকতাত কুখ্যাত Direct Action Day-ৰ সৃষ্টি কৰিছিল, সেই মুছলমানৰ বহুতেই কিন্তু পাকিস্তান হোৱাৰ পিছত সেই পূণ্যভূমিৰ আশা ত্যাগ কৰি দলে দলে অসমলৈ আহিবলৈ ধৰিলে। আটাইতকৈ ডাঙৰ হৰি-কথা তাতকৈ ডাঙৰ চাউল-কথা। অৰ্থাৎ মানুহৰ প্ৰধান সমস্যাৰ মূলতে অৰ্থনৈতিক। এই অৰ্থনৈতিক সমস্যাৰ সমাধানো ওচৰ-চুবুৰীয়া আটাইবোৰ দেশ আৰু ৰাজ্যৰ উন্নতিৰ ওপৰত পৰস্পৰ নিৰ্ভৰশীল। যেতিয়ালৈকে বাংলাদেশ দাৰিদ্ৰ্যৰ অটল গহবৰত পৰি থাকিব, তেতিয়ালৈকে অসম বা পশ্চিমবংগও সমস্যামুক্ত হব নোৱাৰে; কাৰণ ক্ষুধাৰ দাবাগ্নিয়ে বাংলাদেশৰ মানুহক প্ৰতিবেশী অঞ্চললৈ খেদি-কুঁৰি আনিবই। বিহাৰৰ উন্নতি হ'লে অসমৰ মানুহে উলহত নাচি উঠা উচিত, কাৰণ কেৱল তেতিয়াহে অসমলৈ বিহাৰী ভাইসকলৰ অবিৰাম সোঁত সামান্য পৰিমাণে হ'লেও মন্হৰ হোৱাৰ আশা। প্ৰাণ ৰক্ষা মানুহৰ সহজাত প্ৰবৃত্তি। পৃথিৱীত এনে কোনো কাম নাই– যিটো কাম মানুহে নিজৰ প্ৰাণ ৰক্ষাৰ কাৰণে কৰিব নোৱাৰে। আনকি কিছুমান মানুহে প্ৰাণ-ৰক্ষাৰ কাৰণে চৰম সুবিধাবাদী ৰাজনীতি আৰু ভণ্ডামিও কৰিব পাৰে। ইতিহাসত যুগ যুগ ধৰি বিভিন্ন জনগোষ্ঠীয়ে নিৰাপদ বাসভূমি আৰু নিশ্চিন্ত অন্নসংস্থানৰ অন্বেষণত দেশে দেশান্তৰে প্ৰব্ৰজন কৰিয়েই ফুৰিছে। কেৱল আধুনিক কালতেই হঠাতে সেই প্ৰব্ৰজন বন্ধ হৈ যাব–এনে আশা নিশ্চয় কৰিব নোৱাৰি। এই সমস্যাৰ স্থায়ী সমাধান তেতিয়াহে সম্ভৱ হব–যেতিয়া প্ৰত্যেক ৰাষ্ট্ৰৰে শোষণমুক্ত আৰ্থ-সামাজিক ব্যৱস্থাই আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সহায়েৰে নিজ দেশৰ সকলো নাগৰিকৰে কৰ্ম আৰু অন্ন-সংস্থানৰ ব্যৱস্থা কৰি তেওঁলোকক নিজ দেশৰ চাৰি সীমাৰ মাজতে ধৰি ৰাখিবলৈ সমৰ্থ হব। অৱশ্যে তেতিয়াও যে সমস্যাৰ স্থায়ী সমাধান হব এনে আশা কৰিব নোৱাৰি। পৃথিৱীৰ জনসংখ্যা বৰ্তমানৰ গতিত বাঢ়ি গৈ থাকিলে এদিন এনে এটা অৱস্থা নিশ্চয় আহিব– যেতিয়া বিভিন্ন দেশে হয় আপোচ আৰু সহযোগিতাৰ জৰিয়তে বাসযোগ্য মাটিবোৰ ভগাই লবলৈ সন্মত হব লাগিব; অথবা যুদ্ধ-বিগ্ৰহৰ দ্বাৰা লোকক্ষয় কৰিবলৈ বাধ্য হব, অথবা world dictatorship বা বিশ্বজোৰা একনায়কত্ববাদ প্ৰতিষ্ঠিত হব লাগিব।

(আগলৈ)







# অসমৰ ছাত্ৰ সমাজৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত

স্বপ্না বেজবৰুৱা



অসমৰ ইতিহাস চালে দেখা যায় যে অসমৰ ছাত্ৰ সকল প্ৰতি পদে পদে আন্দোলন মুখী হৈ উঠিবলৈ বাধ্য হৈ আহিছে। অসমত তেল শোধনাগাৰৰ বাবে ছাত্ৰই আন্দোলন কৰিব লগা হৈছে, এমুঠি অন্নৰ বাবে খাদ্য আন্দোলন কৰিব লগা হৈছে, মাতৃ ভাষাৰ বাবে আন্দোলন কৰিব লগা হৈছে। নিজকে অসমীয়া বুলি চিনাকি দিবৰ বাবেও ছাত্ৰই অস্তিত্ব ৰক্ষাৰ আন্দোলন কৰিব লগা হৈছে। কিন্তু প্ৰশ্ন হ'ল তেওঁলোকক এইবোৰ কৰিবলৈ বাধ্য কৰায় কোনে? অপ্ৰিয় হলেও সত্য যে সকলো ৰাজনৈতিক নেতা আৰু দলেই অসমৰ সমস্যা সমূহৰ প্ৰতি কৰা চূড়ান্ত অৱহেলাৰ বাবে অসমৰ ছাত্ৰ সকল ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হয়। স্পষ্ট ভাবে ক'বলৈ হলে ৰাজনৈতিক দলবোৰে ছাত্ৰক আন্দোলনৰ পথলৈ ঠেলি দিয়ে। কেৱল এয়ে নহয়, প্ৰাপ্য বিচৰাৰ অপৰাধত তেওঁলোকক তিল তিলকৈ হত্যা কৰা হয়। এডোঙা তেজ কড়াল নৌমাৰোতেই আকৌ এডোঙা তপ্ত শোণিতেৰে ৰাজপথ ৰাঙলী কৰা হয়। তাৰ ওপৰেৰে পাৰ হৈ গৈ থাকে ৰাজনৈতিক দলৰ তথাকথিত জনপ্ৰিয় ৰাজনৈতিক নেতা সকল।


অসমৰ ছাত্ৰৰ মাজৰ পৰাই ৰাজনীতিৰ নতুন পোছাক পিন্ধি চৰকাৰ গঠন কৰাৰ পাছতো যোৱা পাঁচটা বছৰত অসমৰ শৈক্ষিক পৰিবেশৰ বিশেষ একো উন্নতি নহ'ল। তেজ আৰু মৃত্যুৰ বিভীষিকা নহলেও পুনৰ আন্দোলন কৰিব লগা হ'ল –পঢ়িবৰ বাবে পাঠ্যপুথি বিচাৰি। বন্ধ, শ্ল'গানৰ অন্ত নপৰিল। ছাত্ৰৰ বাবে ইয়াতকৈ আৰু দুখৰ কথা কি হ'ব পাৰে? বহুদিন অস্থিৰ ৰাজনৈতিক পৰিবেশৰ লগতে অসমত ৰাষ্ট্ৰপতি শাসন ওৰ পেলাবৰ বাবে যোৱা জুন মাহত অসমৰ জনসাধাৰণে এখন সুস্থিৰ চৰকাৰ গঠন কৰি দিলে। স্বাভাৱিকতেই জনসাধাৰণৰ লগতে ছাত্ৰ সমাজেও এটা সুস্থিৰ পৰিবেশৰ কামনা কৰিছিল। কিন্তু কিছু সংখ্যকে ভাবিছিল শইকীয়া মন্ত্ৰীসভা গঠন হোৱাৰ লগে লগে অসমত ১৯৮৩ চনৰ দৰে ৰক্তাক্ত পৰিস্থিতিৰ সৃষ্টি কৰিব। এই সংশয়ৰ কাৰণ সম্পৰ্কে শইকীয়া দেৱক এজন সাংবাদিকে সোধাত তেওঁ কৈছিল–

"অসমত ১৯৮৩ চনৰ দৰে পৰিস্থিতি হোৱাৰ কোনো কাৰণ নাই। কাৰণ তেতিয়াৰ দেশৰ পৰিস্থিতি আৰু এতিয়াৰ পৰিস্থিতি বহুত বেলেগ। এতিয়া অসমৰ জনসাধাৰণে শান্তি আৰু নিৰাপত্তা বিচাৰিছে। আমি সেই শান্তি আৰু নিৰাপত্তা দিম। নিৰ্বাচনী ইস্তাহাৰত আমি প্ৰতিশ্ৰুতি দিছো। সেই বিশ্বাসতে জনসাধাৰণে আমাক নিৰ্বাচিত কৰিছে।"

ৰাজ্যখনত শইকীয়া মন্ত্ৰীসভা গঠন হোৱাৰ লগে লগে খুউব কম সংখ্যক লোকে ৮৩ চনৰ দৰে পৰিবেশ অসমত সৃষ্টি হ'ব বুলি শংকা কৰিছিল। যদিও সৰহ সংখ্যকে ভাবিছিল এইবাৰ শইকীয়াই জনসাধাৰণৰ মনত কং (ই) দলৰ ভাবমূৰ্তি অধিক ভাল আৰু স্থায়ী কৰিবলৈ নতুন কৌশল অৱলম্বন কৰিব। অসমৰ জনসাধাৰণৰ ওপৰত শাসনৰ নামত শান্তি ৰক্ষাৰ নামত অশান্তিৰ সৃষ্টি কৰা শিকলি বিহীন এলছিছিয়ান কুকুৰৰ দৰে পুলিচ চি আৰ পি মেলি নিদিব। কিন্তু সময়ত দেখা গ'ল এইবাৰ জনসাধাৰণৰ মাজত শইকীয়া দেৱে বলিয়া কুকুৰৰ দৰে সামৰিক বাহিনী মেলি দিলে। যি বাটে ঘাটে যাকে য'তে পাই তাকে হত্যা কৰিছে আৰু অসমৰ ডেকা চামক, যিখিনি অসমৰ ভৱিষ্যত তেওঁলোকক জীৱনৰ বাবে এনেদৰে ঘৃণীয়া কৰিছে যাতে তেওঁলোক কোনো দিনে মূৰ দাঙি উঠিব

নোৱাৰে। সামৰিক বাহিনীয়ে বহুজনক শাৰীৰিক আৰু মানসিক ভাবে পংগু কৰি পেলাইছে। বৃদ্ধাৰ পৰা নাবালিকালৈকে বহুতৰ গাৰ কাপোৰ আজুৰিছে, ধৰ্ষণ কৰিছে। আনফালে আলফাই দিনে ৫ জন লৈকে কংগ্ৰেছ (ই) কৰ্মীক হত্যা কৰিছে। মুঠৰ ওপৰত অসমত এটা বিষাক্ত পৰিবেশে বিৰাজ কৰিছে। এনে এটা পৰিবেশত কোনো ছাত্ৰ ছাত্ৰী যে অধ্যয়নত ব্ৰতী হ'ব নোৱাৰে। নিজৰ আই বোপাই বাই-ভনী, ককাই-ভাই কোনো এজনে যেতিয়া সামৰিক বাহিনীৰ চাউনীত বৰ্ণনাতীত আতিশয্যত দিন কটাই, পণবন্দী হৈ মৃত্যুৰ ক্ষণ গণে, বন্দুকৰ গুলিত প্ৰাণ হেৰুৱাই তেতিয়া কোনো লোকেই পঢ়া-শুনাটো বাদেই মুকলিকৈ এটা উশাহো ল'ব নোৱাৰে। এনে এক শ্বাসৰুদ্ধ অৱস্থাৰ অৱসানৰ বাবে অসমৰ ছাত্ৰ সমাজ পুনৰবাৰ আন্দোলনমুখী হ'বলৈ বাধ্য হৈছে। এইবাৰো ছাত্ৰ সকলক বাধ্য কৰালে অসমৰ ৰাজনৈতিক দলবোৰে। কাৰণ ৰাষ্ট্ৰ সন্ত্ৰাস সৃষ্টি কৰিলে কং (ই) দলে। আনহাতে তাৰ প্ৰতিবাদৰ বাবেও কোনো ৰাজনৈতিক সংগঠন আগবাঢ়ি নাহিল আৰু জনসাধাৰণক একত্ৰিত কৰিব নোৱাৰিলে। আকৌ সদৌ অসম ছাত্ৰ সংস্থাই ৰাষ্ট্ৰ সন্ত্ৰাসৰ বিৰোধিতা কৰি, হিংসা বৰ্জিত পৰিবেশ বিচাৰি, অসমৰ জ্বলন্ত সমস্যা সমূহৰ সমাধান বিচাৰি আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰি ৰাজপথলৈ ওলাই আহিব লগা হ'ল। লগে লগে আৰম্ভ হ'ল ৰাজপথত ছাত্ৰ ছাত্ৰীৰ ওপৰত লাঠি চালনা, কন্দুৱা গেছ, শূন্যলৈ গুলি চালনা। কোনে জানে সেই শূন্যলৈ মৰা গুলি কেইজন ছাত্ৰৰ বুকুত নপৰিবহি?

ছাত্ৰ আন্দোলনৰ বৰ্তমানৰ প্ৰক্ৰিয়াটো ১৯৭৯ চনৰ আৰম্ভণিৰ দৰেই আৰম্ভ হৈছে। কোনো পূৰ্ব পৰিকল্পিত আঁচনি নোহোৱাকৈ জন সাধাৰণে স্বতঃস্ফূৰ্ত ভাবে ছাত্ৰ সকলৰ আহ্বানত সঁহাৰি জনাই জনসাধাৰণ ৰাজপথলৈ ওলাই আহিছে, বিভিন্ন সংগঠনে সঁহাৰি জনাইছে। এই সংগঠন সমূহক লৈ গঠন হৈছে 'সন্মিলিত সংগ্ৰাম সমিতি।' যিদৰে অসম আন্দোলনৰ সময়ত গঠন হৈছিল 'গণসংগ্ৰাম পৰিষদ'। অসম আন্দোলনৰ সহযোগী সংগঠন সমূহৰ উপৰিও এইবাৰ ভালে সংখ্যক অন্যান্য সংগঠন এই সমিতিত সোমাই পৰিছে। কাৰণ বৰ্তমান সকলো সংগঠনেই ৰাষ্ট্ৰ সন্ত্ৰাস, ক'লা আইন আদিৰ বিৰোধিতা




আন্দোলন আৰু চৰকাৰী দমনৰ ফলত যদি প্ৰতি পাঁচ বছৰৰ অন্তৰে অন্তৰে অসমৰ যুৱ শক্তি আৰু ছাত্ৰ শক্তিৰ অপচয় হৈ থাকিবলৈ হয় তেন্তে অসমত সৃষ্টি হোৱা শূন্যতা কোনো দিনে পূৰণ নহ'ব। গতিকে মুখ্য মন্ত্ৰী মহোদয় আৰু চৰকাৰে অসমৰ ছাত্ৰ সকলক আন্দোলনৰ পথৰ পৰা ওভোতাই আনি সুন্দৰ শৈক্ষিক পৰিবেশৰ সৃষ্টি কৰাটো প্ৰয়োজন হৈ পৰিছে।

কৰে। সকলোৱে অসমৰ জ্বলন্ত সমস্যা সমূহৰ সমাধান বিচাৰিছে আৰু অসমত শান্তি বিচাৰিছে। সন্মিলিত সংগ্ৰাম সমিতিত সোমাই পৰা সংগঠন সমূহৰ ভিতৰত আছে – সদৌ অসম ছাত্ৰ সংস্থা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, সন্মিলিত সাংস্কৃতিক সমাজ, সন্মিলিত যুৱ মৰ্চা, জাগ্ৰত মহিলা পৰিষদ, মূলা-গাভৰু সংস্থা, ৰেল কৰ্মচাৰী পৰিষদ, সদৌ চাহ জনজাতি ছাত্ৰ সংস্থা, মৰাণ ছাত্ৰ সংস্থা, সোনোৱাল কছাৰী ছাত্ৰ সংস্থা ইত্যাদি। ইয়াৰ উপৰিও অন্যান্য জনজাতি ছাত্ৰ সংস্থায়ো সহযোগৰ আশা দিছে। সদৌ অসম কেন্দ্ৰীয় আৰু অৰ্ধকেন্দ্ৰীয় কৰ্মচাৰী পৰিষদেও যোগদান কৰাৰ সম্ভাৱনা আছে। এইবাৰৰ সংগঠন সমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে অসম আন্দোলনতকৈও অধিক সংগঠন জড়িত হৈ পৰিছে। এইবাৰৰ আটছা, সাংস্কৃতিক সংগঠন, যুৱ মৰ্চা আদিৰ সহযোগ মন কৰিব লগীয়া।

ইতিমধ্যে অসমৰ গাঁৱে-ভূঞে নগৰে-চহৰে স্ব-ইচ্ছাই জনসাধাৰণে সন্মিলিত সংগ্ৰাম সমিতিৰ শাখা গঠন কৰিবলৈ আৰম্ভ কৰিছে। কম সময়ৰ ভিতৰতে ব্যাপক হাৰত এই সংগঠনে প্ৰসাৰতা লাভ কৰাৰ সম্ভাৱনা আছে। কাৰণ জনসাধাৰণৰ ইচ্ছা স্বতঃস্ফূৰ্ত। কোনেও কাকো লক্ষ্য উদ্দেশ্য বুজাব লগা হোৱা নাই।

এইদৰে জনসাধাৰণক একত্ৰিত কৰিবৰ বাবে সুবিধা কৰি দিলে চৰকাৰে নিজেই। অসমৰ বিভিন্ন অৰাজনৈতিক সংগঠনক একত্ৰিত কৰিবৰ বাবে আজি প্ৰায় ২/৩ বছৰৰ আগতে যোৰহাটৰ এখন সভাত এটা সংগঠনে প্ৰচেষ্টা চলাইছিল যদিও সেইটো সফল নহ'ল। কিন্তু এতিয়া বাৰে বাৰে সামৰিক বাহিনীৰ অত্যাচাৰে জনসাধাৰণক অতিষ্ঠ কৰি তোলাৰ বাবেই এনে সংগঠনৰ জন্ম সহজ হৈ উঠিল। এতিয়া এই সংগঠনে নিজা ববীয়াকৈ শাখা গঠন কৰিবলৈ আৰম্ভ কৰিছে। সংগঠনটো যিমানেই শক্তিশালী হৈ গৈ থাকিব আন্দোলনৰ কাৰ্যসূচীও সিমানেই তীব্ৰতৰ হৈ পৰিব। আৰু এনে তীব্ৰতৰ আন্দোলন দমন কৰিবলৈ যিমানেই পুলিচ বাহিনীক-প্ৰয়োগ কৰা হ'ব জনসাধাৰণ সিমানেই বিদ্ৰোহী হৈ পৰিব। এই বিদ্ৰোহী জনগণৰ কিছু সংখ্যকে হাতত অস্ত্ৰ তুলি লব আৰু কিছু সংখ্যকে গণতান্ত্ৰিক পদ্ধতিৰে কংগ্ৰেছ (ই) চৰকাৰৰ পতন অনিবাৰ্য কৰিব। এইবাৰ যিহেতু গণতান্ত্ৰিক পদ্ধতিৰে ৰাইজে কং (ই) দলক ক্ষমতাত বহুৱালে গতিকে গণতান্ত্ৰিক পদ্ধতিৰে ৰাইজক প্ৰতিবাদ সাব্যস্ত কৰিবলৈ দিয়াটোহে বেছি কৌশলপূৰ্ণ কাম হ'লহেঁতেন। ৰাইজৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰি ৰাইজৰ পৰা বিচ্ছিন্ন নোহোৱাকৈ থাকিব পাৰিলেহেঁতেন। তাকে নকৰি জনসাধাৰণক দমন কৰিবলৈ বিচাৰি হিতেশ্বৰ শইকীয়াই পদে পদে নিজৰ বিপদ



মাতি অনাৰ লগতে ৰাজনৈতিক সংকটৰ সৃষ্টি কৰি আহিছে। দেশত ৰাজনৈতিক সংকটৰ লগে লগে অৰ্থনৈতিক সংকটেও দেখা দিয়ে। কাৰণ ৰাজনৈতিক বিশৃংখলতাই দেশত অধিক ব্যয়ৰ বাট মুকলি কৰে। এইবোৰৰ লগত সামাজিক আৰু শৈক্ষিক স্খলন ওত-প্ৰোত ভাবে জড়িত। গতিকে এটা সুদূৰ প্ৰসাৰী বিষক্ৰিয়াৰ পৰা শইকীয়া দেৱে অসমৰ ছাত্ৰ সমাজ, জনগণ আৰু অসমৰ ভৱিষ্যতক ৰক্ষা কৰাৰ এটা উপায় হ'ল অসমত চৰকাৰী সন্ত্ৰাস বন্ধ কৰা। তেতিয়া জনসাধাৰণ আন্দোলন মুখী হবলৈ সুবিধা নাপাব। তাকে নকৰি জনসাধাৰণক সুসংগঠিত হৈ ৰাজপথলৈ ওলাই আহিবলৈ সুবিধা দিলে দেশৰ পৰিস্থিতি আৰু অধিক জটিল হৈ পৰিব। কাৰণ ইতিমধ্যে মানৱ অধিকাৰৰ বিষয়ে সৰ্বসাধাৰণ ৰাইজ সচেতন হৈ পৰিছে। ভাৰতীয় সংবিধান আৰু সেনাৰ অধিকাৰ সম্পৰ্কে তন্ন তন্ন কৈ বুজি পোৱা হৈছে। অসমক ভাৰতে শত্ৰু দেশক কৰাৰ দৰে কৰা সামৰিক অত্যাচাৰ বুজি পোৱা হৈছে। গতিকে এটা সময়ত অসমৰ ৰাইজে ভাৰতীয় সংবিধানৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিবলৈ বাধ্য হ'ব।

'সন্মিলিত সংগ্ৰাম সমিতি' সম্পৰ্কে সোধাত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি বিমল প্ৰসাদ চৌধুৰী আৰু সদৌ অসম ছাত্ৰ সংস্থাৰ সভাপতি অতুল বৰাই জানিবলৈ দিয়ে যে 'এই সন্মিলিত সংগ্ৰাম সমিতি সম্পূৰ্ণ অহিংস আৰু গণতান্ত্ৰিক পদ্ধতিৰে অধিক শক্তিশালী কৰি তোলা হ'ব। আৰু ৰাষ্ট্ৰসংস্থা চলি থাকিলে ইয়াৰ নেতৃত্বত প্ৰতিবাদৰ আন্দোলন তীব্ৰৰ পৰা তীব্ৰতৰ কৰি তোলা হ'ব। অসমৰ জনসাধাৰণে এতিয়া প্ৰথমে অসমৰ পৰা সামৰিক বাহিনীক তুলি নিয়াটো বিচাৰে। আমি হিংসা বৰ্জিত পৰিবেশৰ বাবে আলফাৰ লগত পোনপটীয়া আলোচনা হোৱাটো বিচাৰো।'

আছুৰ সভাপতি অতুল বৰাই কলে – 'আমি আন্দোলনৰ পক্ষপাতি নহয়। কিন্তু পুনৰ আন্দোলনৰ পথ লবলৈ চৰকাৰে আমাক বাধ্য কৰালে। কাৰণ চৰকাৰে সামৰিক বাহিনীৰ দ্বাৰা অসমত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। টকাৰ বিনিময়ত স্কুল কলেজৰ ছাত্ৰীক ধৰ্ষণ কৰাইছে। ছাত্ৰ-ছাত্ৰী সামৰিক বাহিনী আৰু পুলিচৰ ভয়ত পঢ়াটো বাদেই ঘৰত থাকিব নোৱাৰি পলাই ফুৰিছে। গতিকে এনে পৰিবেশৰ অন্ত পেলাবলৈকে আন্দোলনৰ পথ বাছি লব লগা হৈছে। চৰকাৰী দমনে সন্ত্ৰাসবাদৰ অন্ত নেপেলায়। বৰঞ্চ সন্ত্ৰাসবাদৰ বীজ ৰোপণহে কৰিব। অসমৰ সমস্যা সমূহ সমাধান কৰিবলৈ হলে ভাৰতীয় সংবিধানত ব্যাপক সংশোধনৰ প্ৰয়োজন হ'ব।"


অসমত শান্তি প্ৰতিষ্ঠা কৰিবলৈ হলে কেৱল সামৰিক বাহিনী মেলি দিলেই শান্তি প্ৰতিষ্ঠা নহয়। কাৰণ সামৰিক বাহিনী থকা সত্ত্বেও আলফাই বিভিন্ন প্ৰান্তত কংগ্ৰেছ কৰ্মী হত্যা কৰিয়েই আছে। ইতিমধ্যে গুৱাহাটীৰ মাউন্টেইন ডিভিজনৰ কমাণ্ডাৰ মেজৰ জনে স্বীকাৰ কৰিছে যে 'অসমৰ উগ্ৰপন্থী সকল দেশৰ আন উগ্ৰপন্থী সকলতকৈ অধিক শিক্ষিত। বৰ্তমান আলফাৰ কৰ্মী সকল পৰাই ফুৰিছে যদিও ৰাজ্যখনৰ পৰা আলফা নিৰ্মূল কৰাটো সেনা বাহিনীৰ পক্ষে সম্ভৱ নহয়।' যিটো কাম ভাৰতীয় সেনাবাহিনীৰ পক্ষে সম্ভৱ নহয় তেনে এটা কামৰ বাবে অসমৰ নিৰীহ জনসাধাৰণক হাৰা-শাস্তি কৰাৰ কোনো যুক্তি নাই। গতিকে চৰকাৰে আলফাৰ লগত আলোচনা কৰাৰ বাহিৰে কোনো পথ নাই। কিন্তু তাকে কৰিবলৈ হলে আলফাৰ নিষিদ্ধ সংগঠনৰ নিৰ্দেশ তুলি ললেহে আলোচনা সম্ভৱ হ'ব। কাৰণ অসম আন্দোলনৰ সময়ত আলোচনালৈ মাতি সদৌ অসম ছাত্ৰ সংস্থাৰ সমূহ নেতাকে বিমান বন্দৰত গ্ৰেপ্তাৰ কৰাৰ অভিজ্ঞতা আলফাৰো নিশ্চয় মনত আছে। যদি সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে অহিংস আন্দোলনৰ নেতাকে সেইদৰে প্ৰবঞ্চনা কৰা হয় তেন্তে এটা নিষিদ্ধ সংগঠনে চৰকাৰক কেনেকৈ বিশ্বাসত ল'ব?

অসমৰ ছাত্ৰ সমাজৰ ভৱিষ্যতৰ লগত আলফাৰ প্ৰসংগটো এই কাৰণেই টানি আনিব লগা হ'ল যে – অসমৰ সংগঠিত ছাত্ৰ সমাজে অসমৰ জ্বলন্ত সমস্যা সমূহৰ সমাধানৰ দাবীও আন্দোলনত তুলিছে। গতিকে সেই সমস্যা সমূহ সমাধান নোহোৱালৈকে আন্দোলন অব্যাহত থাকিব। আনহাতে এতিয়াৰ দৰে যদি চৰকাৰে দমনমূলক কাৰ্য চলাই থাকিবলৈ লয় তেন্তে ভৱিষ্যতে আকৌ ছাত্ৰ সকলৰ বহুতো ছহিদ হোৱাৰ, পংগু হোৱাৰ আশংকাই দেখা দিব। আনহাতে আলফা সংগঠনৰ লগতো বহুতো বিদ্ৰোহী ছাত্ৰ জড়িত হৈ পৰিছে। আকৌ আলফা ধৰাৰ নামত সামৰিক বাহিনীয়ে বহুতো ছাত্ৰ আৰু যুৱকক হত্যা কৰিছে আৰু জীৱনৰ বাবে পংগু কৰি পেলাইছে। বহু মাতৃৰ সন্মান হানি কৰিছে আৰু স্কুল কলেজৰ ছাত্ৰীক ধৰ্ষণ কৰিছে আৰু হত্যা কৰিছে। আনফালে কংগ্ৰেছ কৰ্মী হত্যাৰ নামত বহুতো অসমীয়া মানুহক হত্যা কৰিছে, বহুতো ছাত্ৰ-ছাত্ৰী, শিশুক পিতৃহাৰা কৰিছে, বহুতো, পৰিয়াল নিথৰুৱা হৈছে। এনে এটা অৱস্থাত ছাত্ৰ সকল আন্দোলন মুখী হোৱাতো স্বাভাৱিক। এইদৰে অসমৰ ছাত্ৰ সকল আন্দোলন মুখী হৈ থাকিব লগা হোৱাত ছাত্ৰ শক্তিৰ অপচয় হৈছে। ছাত্ৰ সকল মূল লক্ষ্য আৰু কৰ্তব্যৰ পৰা আঁতৰি আহিছে। ফলত অসমত শিক্ষাৰ ক্ষেত্ৰত বিৰাট শূন্যতাই দেখা দিছে। ইয়াৰ ফল সমগ্ৰ অসমীয়া জাতিয়ে ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, সামাজিক সকলো দিশতে ক্ষতি ভূগিব লগা হৈছে। এই সুদূৰ-প্ৰসাৰী কুফলৰ বাবে চৰকাৰ আৰু ৰাজনৈতিক দলেই একমাত্ৰ দায়ী।

আন্দোলন আৰু চৰকাৰী দমনৰ ফলত যদি প্ৰতি পাঁচ বছৰৰ অন্তৰে অন্তৰে অসমৰ যুৱ শক্তি আৰু ছাত্ৰ শক্তিৰ অপচয় হৈ থাকিবলৈ হয় তেন্তে অসমত সৃষ্টি হোৱা শূন্যতা কোনো দিনে পূৰণ নহ'ব। গতিকে মুখ্য মন্ত্ৰী মহোদয় আৰু চৰকাৰে অসমৰ ছাত্ৰ সকলক আন্দোলনৰ পথৰ পৰা ওভোতাই আনি সুন্দৰ শৈক্ষিক পৰিবেশৰ সৃষ্টি কৰাটো প্ৰয়োজন হৈ পৰিছে। কেৱল বিদ্যালয় চৰকাৰী কৰণেই শিক্ষাৰ উন্নতি নহয়। আৰু শিক্ষাক কেৱল নিবনুৱা সমস্যা সমাধান কৰা প্ৰতিষ্ঠান বুলি ধৰিলে শৈক্ষিক পৰিবেশ বিনষ্টহে হ'ব। শৈক্ষিক মানদণ্ড আৰু পৰিবেশৰ বাবে প্ৰস্তাবিত কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু আই আই টি শিক্ষানুষ্ঠান দুটি অতি শীঘ্ৰে প্ৰতিষ্ঠা কৰাত চৰকাৰে গুৰুত্ব দিয়ক যাতে তাকে বিচাৰি ছাত্ৰ সকলে পুনৰ আন্দোলন কৰিব লগা নহয়। বৰ্তমান শিক্ষানুষ্ঠানবোৰত চলি থকা আওপুৰণি বিষয় কেইটাকে ধৰি নাথাকি আধুনিক ঔদ্যোগিক দিশত নতুন নতুন বিষয়ৰ পাঠ্যক্ৰম প্ৰবৰ্তন কৰক। অসমৰ সম্পদ সমূহ অসমতে ব্যৱহাৰৰ বাবে ব্যৱস্থা কৰি ছাত্ৰ সকলক ইয়াৰ বাবে প্ৰস্তুত কৰি তোলক। আৰ্থিক দিশত শিক্ষানুষ্ঠান সমূহক সহায় আগবঢ়াওক। শিক্ষানুষ্ঠানত প্ৰশাসনীয় হস্তক্ষেপৰ পৰা বিৰত ৰাখি ছাত্ৰ সকলৰ দাবী সমূহ সহানুভূতিৰে বিবেচনা কৰি শৈক্ষিক পৰিবেশ ঘূৰাই আনক নহলে অসমৰ ভৱিষ্যৎ কন্টকময় হ'ব। ■

# সুৰজিৎ সিং বেদী

ডাঃ মুক্তি প্ৰসাদ গগৈ



শিলং চহৰখন বৰ ধুনীয়া। অন্যান্য ভাৰতীয় চহৰৰ দৰে আচল বজাৰ বা চহৰৰ মাজ ভাগৰ ঠাইখিনি বৰ ঘন বসতিৰ বাবে লেতেৰা – বিশেষকৈ বজাৰ কেইখন। গুৱাহাটী শিবলঙৰ বেলেগ বেলেগ ঠাই – বজাৰ হিচাপে নামকৰণ কৰা হৈছে – যেনে পুলিচ বজাৰ, পাণ বজাৰ, বৰ বজাৰ, পল্টন বজাৰ ইত্যাদি ইত্যাদি। হয়তো অলপ দোকান পোহাৰক কেন্দ্ৰ কৰিয়েই এই ঠাইবোৰ গঢ়ি উঠিছিল আৰু সেই বাবেই বজাৰ হিচাপে জনাজাত।

শিবলঙৰ আচল বজাৰৰ ঠাইবোৰ বাদ দি বাহিৰৰ ঠাইখিনিহে মোৰ প্ৰিয়। এইধৰণৰ পাহাৰীয়া চহৰৰ ভিতৰত মই দাৰ্জিলিঙক শিবলঙতকৈ বহুত বেছি ভাল পাওঁ। তাৰ কাৰণ বিশ্লেষণ কৰিবৰ চেষ্টা কৰিছো। দুয়োখন ঠাইৰে নিজৰ নিজৰ বিশেষত্ব আছে। সুন্দৰ পাহাৰ, জুৰি, সৰু-সুৰা জলপ্ৰপাত, লেক, কাঞ্চনজংঘাৰ সৌন্দৰ্য, গল্ফ ক'ৰ্ট, ধুনীয়া পাইন হাবি ইত্যাদি। কিন্তু মই দাৰ্জিলিঙক ভাল পোৱাৰ অন্য এটা কাৰণ বিচাৰি পাইছিলো। সেইটো হ'ল তাত চিনাকি মানুহৰ অভাৱ। শিবলঙৰ ৰাস্তাত ওলালেই 'কেতিয়া আহিলে?' 'কত আছে?' 'কেইদিন থাকিব?' 'গধূলি এবাৰ আহিবচোন।' 'এ জি অফিচত কাম আছিল নেকি?' ইত্যাদি সোধা অপৰ্যাপ্ত মানুহ।

তাৰ উপৰি দাৰ্জিলিঙৰ অন্যান্য সৰু-সুৰা বৈশিষ্ট্য আছে। দাৰ্জিলিঙৰ অতি সাধাৰণ মানুহে খেলিব পৰাকৈ স্নুকাৰ বা বিলিয়াৰ্ডচ্ ব্যৱস্থা আৰু তাৰ জনপ্ৰিয়তাই মোক বৰ আকৃষ্ট কৰিছিল। তাৰ আগতে এনে খেল কেৱল ডাঙৰ ক্লাবতহে দেখিছিলো আৰু কেৱল 'চাহাব'কহে খেলা দেখিছিলো। ১৯৫৪-৫৫ চনত দেখা এই খেলাৰ সুবিধা সাধাৰণ মানুহৰ 'ক্লাব' ঘৰবোৰ আজিকালি আছে নে নাই নাজানো। বহুত দিন দাৰ্জিলিঙলৈ ইচ্ছা থকা সত্ত্বেও যাব পৰা নাই।

শিবলঙৰ লগত মোৰ প্ৰথম পৰিচয় মই ডাক্তৰি পাছ কৰাৰ পাছত। তাৰ আগতে এবাৰো যোৱা নাই। যাবৰ প্ৰয়োজনো হোৱা নাছিল। শিবলঙতকৈও কলিকতালৈ সেই সময়ত বেছি যোৱা হৈছিল বিশেষকৈ পঢ়াশুনা, ব্যৱসায়-বাণিজ্য ইত্যাদিৰ বাবে। ৰেলেৰে ডিব্ৰুগড় তিনিচুকীয়াৰ পৰা গুৱাহাটী হৈ আমিনগাঁৱত নাও বা ফেৰীৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ পান্ডু – আৰু তাৰ পাছত আকৌ ৰেলেৰেই পূৰ্ববংগৰ পাৰ্বতিপুৰ ঈশ্বৰদিয়ে পূৰ্ববংগৰ অতি সেউজীয়া পথাৰ আৰু হাবিৰ মাজেদি গৈ কলিকতাৰ শিয়ালদহ ষ্টেচন মোৰ কাৰণে অন্ততঃ বেছি পোন ৰাস্তা যেন লাগিছিল। আৰু সেই কাৰণেই সঘনে যাতায়াত।

এবাৰ যোৱাৰ পাছত শিবলঙলৈ কিমান বাৰ গৈছো আনৰ দৰে মোৰো কোনো হিচাপ নাই, দাৰ্জিলিঙৰ দৰে শিবলঙৰ সৰু-সুৰা ৰেষ্টোৰেন্টবোৰ মোৰ বৰ প্ৰিয় নহয়, হয়তো সেই ধৰণৰ খোৱাৰ সোৱাদ সৰুৰে পৰা গঢ়ি নুঠিল বাবে। ১৯৫৬ চনত বাছষ্টেচনৰ ওচৰতে এখন হোটেলত দিনে দুটকাকৈ দি দুদিন আছিলো। বিছনাখন নিজৰ। তাৰ পাছলৈ বেছি ভাগ কোনোবা বন্ধু নাইবা এচেমব্লী হোষ্টেলতে বেছি ভাগ আছিলো। আৰু পাছলৈ হোটেল পাইনউড্। এইখন বৰ ভাল হোটেল। আজিকালি বহুত সলনি হ'ল কিন্তু ২৫-৩০ বছৰৰ আগত তাৰ পৰিবেশ সা-সুবিধা খোৱা-বোৱা অতি উত্তম আছিল। মই শিবলঙলৈ গলে তাত নাথাকিলেও এসাজ খাবলৈ নাইবা বাৰত বহি এগিলাচ বিয়েৰ খোৱা নিয়মৰ ভিতৰতে পৰি গৈছিল।

পাইনউড্ হোটেলৰ পৰিষ্কাৰ পৰিচ্ছন্নতা সেই সময়ৰ তাৰ খোৱাৰ সোৱাদ আৰু পৰিমাণ মই নালাগে বহুতেই ভাল পাইছিল। আগৰ দিনত কেৱল ইংৰাজ চাহাববোৰ নাইবা চহকী-দেশী চাহাববোৰেই এইধৰণৰ ডাঙৰ হোটেলবোৰত আছিল।

এই পাইনউড্ হোটেলৰ বাৰতেই তেখেতৰ মৃত্যুৰ দু-বছৰ মান আগতে স্বৰ্গীয় বিষ্ণুৰাভা দেৱক মই লগ পাইছিলো। তেখেত মোৰ ভিনিহি স্বৰ্গীয় চন্দ্ৰ ফুকন দেৱৰ বিশেষ বন্ধু আছিল। সেই সূত্ৰেই তেখেতৰ লগত অলপ ঘনিষ্ট হোৱা মোৰ বাবে সহজ হৈছিল।

এবাৰ এক বিশেষ কামত দু-দিনমানৰ বাবে শিবলঙলৈ গলো। এচেমব্লী হোষ্টেলতে ৰুম এটা ললো। কাৰণ হোটেলত বৰ খৰচ। সন্ধিয়া অকলশৰে পাইনউডতে খোৱাৰ ঠিক কৰিলো। মাজে সময়ে গৈ থকাৰ বাবে বিয়েৰাৰ আৰু অন্যান্য কৰ্মচাৰীয়েও চিনি পাইছিল। এচুকৰ টেবুল এখনত বহি মই এটা ব্ৰান্ডি বিচাৰিলো। লগতে অলপ গৰম পানী। তাৰ লগত খোৱাকৈ মিছামাছৰ পকোৰা ভজা আৰু চাইনিজ চিলিচস। কিছুমান মানুহ বাৰৰ টেবুলত লাগি থকা ওখ-টুলত বহি আছে। বাকী কেইজনমান লাউঞ্জৰ চোফাত। ডিচেম্বৰ মাহ, বেছ জাৰ, চিমনি দুই জোকাৰা জ্বলি আছে, সকলোৰে হাতত একো একোটা ড্ৰিংক।

ইফালে সিফালে মূৰ ঘূৰাই চালো কোনোবা চিনাকি মানুহ ওলাই নেকি। মই অৱশ্যে কোনোবা চিনাকি মানুহক লগো পাব খোজা নাই।

হঠাতে চকু পৰিল মোৰ অলপ দূৰত বহি থকা হৃষ্ট-পুষ্ট বলবান ৰঙা-বগা দাড়ি-গোফ থকা এজন মানুহ। বয়স প্ৰায় ৩৪/৩৫ বছৰমান হ'ব। তেৱোঁ মোৰ দৰে এটা গিলাচ লৈ বহি আছে। হঠাতে চকুৱে চকুৱে পৰিল। তেওঁ মূৰটো অলপ দোৱাঁই মিচিকি হাঁহি 'গুদ ইভিনিং' বুলি কলে, ময়ো 'গুদ ইভিনিং' কলো। হঠাতে মানুহজনক ভাল লাগিল। বোধ কৰো তেওঁৰো মোৰ প্ৰতি তেনে ভাবেই হৈছিল। তেওঁ উঠি মোৰ ফাললৈ আহিল, ইংৰাজীতে কলে 'মই সুৰজিৎ সিং বেদী। মই এজন ব্যৱসায়ী।' মই মোৰ নিজৰ পৰিচয় দিলো। দুয়ো 'হেন্দচেক' কৰিলো, 'আপোনাৰ যদি কোনো লগ নাই মই আপোনাৰ ওচৰত বহিব পাৰোনে?'

'নিশ্চয় পাৰে।'

সুৰজিৎ সিং বেদীৰ লগত ইটো সিটোকৈ বহুত কথা হ'ল। ড্ৰিংক কৰিলে মানুহৰ দ্বিধা সংকোচবোৰ নোহোৱা হয়। গতিকে নানা কথা সৰল সহজ ভাবে পাতিব পাৰি। বিশেষ বাধা নাথাকিলে দুজন মানুহৰ সহজতে বন্ধুত্ব গঢ়িও উঠে। কিন্তু মদ খাই মতলীয়া হোৱা মানুহৰ ক্ষেত্ৰত এই মন্তব্য প্ৰযোজ্য নহয়।

মানুহজন প্ৰায় ৬ ফুটমান ওখ বয়স প্ৰায় ৩৪ বছৰ মান। গাত চৰ্বি বুলিবলৈ নায়েই। এজন শক্তিশালী মাচকিউলাৰ, ধুনীয়া মানুহ।

সুৰজিৎ সিং শিখ সম্প্ৰদায়ৰ মানুহ। আদি ঘৰ জলন্ধৰৰ ওচৰৰ মতিহাৰপুৰ গাঁৱত। কিন্তু তাৰ পৰা উঠি আহি দিল্লীৰ ৰাজেন্দ্ৰনগৰত বসতি কৰা বহুত বছৰ হ'ল। কেতিয়াবা কিবা বিশেষ কামত যোৱাৰ বাহিৰে জলন্ধৰৰ লগত বিশেষ সম্পৰ্ক নাই।

সুৰজিৎ সিং-এ চুলিখিনি কাটি পেলোৱা কিছুদিন হ'ল। দাড়িখিনি কিন্তু বঢ়িয়াকৈ থৈছে। তথাপিও কেতিয়াবা পাগুৰিটো মাৰে বিশেষকৈ নিজৰ ঠাইলৈ গলে আৰু কিবা অনুষ্ঠান আদিত।

সৌৰাষ্ট্ৰৰ পৰা তেওঁ মেকানিকেল ইঞ্জিনিয়াৰিং কৰি বম্বেত এম বি-এ পাছ কৰিলে। এতিয়া পাম্প্ ট্ৰেক্টৰ আদিৰ ব্যৱসায় কৰা এখন ডাঙৰ ফাৰ্মত কাম কৰে।

ইটো সিটোকৈ কম সময়ৰ ভিতৰতে নিজৰ সম্বন্ধে বহুত কথাই কলে। মই নিজে ডাক্তৰ বুলি কোৱাত তেওঁ বৰ ভাল পালে! 'এসময়ত মই নিজেই ডাক্তৰি পঢ়িম বুলি ভাবিছিলো, কিন্তু সেইটো হৈ নুঠিল। অলপ অংকৰ ভুল হৈ গ'ল।'

'এতিয়াও আপুনি যথেষ্ট ভালে আছে।'

সুৰজিৎ সিং বিবাহিত। আজি দু-বছৰৰ আগতে তেওঁৰ দিল্লীতে বিয়া হৈ গৈছে। ছোৱালী পাতিয়ালাৰ। একে সম্প্ৰদায়ৰে ছোৱালী আৰু দুয়োফালৰ পৰা মাক-দেউতাকে বন্দবস্ত কৰি দিয়া বিয়া।

'এইখন ছবি চাওক।' পকেটৰ পৰা এখন সৰু ফটো দেখুৱালে। দুয়ো হাতত ধৰাধৰিকৈ থিয় হৈ আছে স্বামী-স্ত্ৰী। ওখ-পাখ, লাহি গল, ধুনীয়া নাক মুখেৰে পৰমিন্দৰ কাউৰক বৰ ধুনীয়া ছোৱালী যেন লাগিল। তেওঁ বি এ পাছ কৰি সৰু ল'ৰা-ছোৱালীৰ স্কুল এখনত কাম কৰি আছিল। এতিয়া সেইবোৰ বাদ দিলে আৰু নিজৰ সংসাৰত ব্যস্ত হৈ গ'ল। কথা বতৰাৰ পৰা বুজিব পাৰিলো তেওঁলোক দুয়ো ইজনে সিজনক অসম্ভৱ ভাল পায়। কোনোদিন নজনা নুশুনা ঘৰৰ পৰা বন্দবস্ত বিয়াৰ পাছতো মানুহৰ বিয়া চাকচেচ্‌ফুল হ'ব পাৰে। কিন্তু বহুত বছৰ জনাশুনা ভাল পোৱাৰ পাছতো বিবাহিত জীৱন অনেক ক্ষেত্ৰত বিষময় হয়। বিদেশত বন্ধু-বান্ধৱে প্ৰায়ে সোধে 'কোনো দিন নজনা নুশুনা দুজন মানুহৰ দাম্পত্য জীৱন কেনেকৈ সম্ভৱ হয়?'

খুব কম সময়ৰ ভিতৰতে সুৰজিৎ সিং বেদীৰ লগত একৰকম বন্ধুত্ব হৈ গ'ল। বয়সত তেওঁ মোতকৈ ভালেমান সৰু। গতিকে মোলৈ ভালপোৱা আৰু লগতে সন্মানখিনিও তেওঁ দেখুৱাইছিল।

তেওঁৰ হেডকোৱাৰ্টাৰ কলিকতাতে কৰি লৈছিল। তাৰে পৰা ওচৰে পাঁজৰে আটাইকেইখন ৰাজ্যৰে কাম চলাই থাকে। বম্বে দিল্লীলৈও মাহেকত কমে দুবাৰ তিনিবাৰকৈ যায়। এক ব্যস্ততাৰ মাজেদি কাটি যোৱা জীৱন।

প্ৰেক্টিচ কৰা ডাক্তৰে সঘনাই ঘূৰি-ফুৰিব নোৱাৰে। কাৰণ ৰোগীয়ে ভাল নাপায়, কিন্তু কলিকতা বোম্বেৰ ডাঙৰ ডাঙৰ বিখ্যাত বিশেষজ্ঞ চিকিৎসক সকলে প্ৰায়ে বিদেশলৈ কন্‌ফাৰেন্স ইত্যাদিত যোগদান কৰিবলৈ যায়। তেওঁলোকৰ লগত এপইন্টমেন্ট কৰা বৰ টান। কিছুমানে আনকি দুই-তিনি মাহৰ পাছতহে এপইন্টমেন্ট দিয়ে। তথাপিও ৰোগীৰ ভিৰ। 'ফিজ'ও বহুত বেছি। মানুহে সকলো সহ্য কৰে।

এবাৰ কলিকতালৈ ফুৰিবলৈ যাওঁতে হঠাতে চৌৰংগীৰ মেট্ৰো চিনেমাৰ ভিৰৰ মাজতো লগ পালো সুৰজিৎ সিঙক। লগতে এগৰাকী সুন্দৰী ভদ্ৰ মহিলা – তেওঁৰ স্ত্ৰী। আগতে ছবিত দেখাৰ দৰেই তেওঁ ধুনীয়া। দুয়ো ঠিক মিলি গৈছে চেহেৰাপাতি গাৰ গঠন ইত্যাদিত।

চৌৰংগীৰ সেইখিনি ঠাইতে এখন সৰু ৰেষ্টোৰেন্ট আছে। আজিকালি বিশেষ চকুত নপৰে। ৰেষ্টোৰেন্টখনৰ নাম 'কাফে দি মনিক'। এইখন ভালেমানদিনৰ পুৰণি ৰেষ্টোৰেন্ট। আজি পঞ্চাশ বছৰ আগতে যি আছিল এতিয়াও সেই তেনেই আছে। কলিকতাত পঢ়ি থাকোতে মোৰ ই এখন বৰ প্ৰিয় ৰেষ্টোৰেন্ট। তাত বৰ ভাল চিকেন কাৰী আৰু ৰাইচ পায়। সুবিধা হলেই মাজে সময়ে তাতে গৈ মই 'চিকেনকাৰী ৰাইচ' খাইছিলো। চুটিংঅৰ মাজতে তেতিয়াৰ দিনৰ চিত্ৰ তাৰকা দুই এজনকো দুপৰীয়া খাবলৈ যোৱা দেখিছিলো। এতিয়া তালৈ ভাত খাবলৈ নাযাওঁ কিন্তু কেতিয়াবা কেতিয়াবা চাহ একাপ বা চপ এটাৰ কাৰণে

OKDISCD



সূত্ৰধাৰ □ ১-১৫ ডিচেম্বৰ, ১৯৯১

সোমাওঁ।

'আপোনাৰ কথা এওঁৰ মুখত বহুত শুনিছো। আপুনি কেতিয়া আহিলে?'

'মই অহা হ'ল দুদিনমান। ফুৰিবলৈকে আহিছো যদিও সৰু-সুৰা দুই-এটা কাম আছে। এইদৰে এই ভিৰত থিয় হৈ কি কথা পাতিম, কৰবাত চাহ একাপকে খাওঁ।'

'আপুনি ঠিকেই কৈছে' সুৰজিৎ সিঙে কলে।

আমি 'কাফে দি মনিক'তে সোমালো। কাফেদি মনিকৰ লগত মোৰ পুৰণা পৰিচয় আৰু ৰেষ্টোৰেন্টখনৰ প্ৰতি থকা মোৰ মৰমৰ কথা তেওঁলোকক কলো।

পৰমজিতে কলে 'আপুনি ৰেষ্টোৰেন্টখনকে ইমান ভাল পায় যেতিয়া – কোনো কোনো মানুহকো চাগে এইদৰেই ভাল পায়।'

'নিশ্চয় নিশ্চয়, এই অতি কম সময়ৰ ভিতৰতে যে আমাৰ পৰমজিৎ কাউৰৰ প্ৰতি মোৰ মৰম জাগি উঠা নাই কেনেকৈ জানিলা? মই তোমাক তুমি বুলিয়েই সম্বোধন কৰিম।'

আটাইয়ে হো হো কৰি জোৰেহে আহিলো।

ইয়াৰ পাছত বহুত কথা। কেৱল চেহেৰা পাতিতেই নহয় সুৰজিৎ সিং আৰু পৰমজিতৰ মনৰো ভীষণ মিল আৰু ইজনৰ সিজনৰ প্ৰতি থকা মৰমখিনি কথা-বতৰা ব্যৱহাৰত পৰিলক্ষিত হয়।

'আপোনালোকৰ যে ইমান মিল ইজনে সিজনক ইমান ভাল পায় কি বিয়াৰ আগতে চিনাকি আছিল নেকি?

'নাই নাই' দুয়ো একে লগে ক'লে। 'ই ভগৱানৰ ইচ্ছা' সুৰজিৎ সিঙে কলে।

আমি 'চিকেন কাট্‌লেট'ৰ অৰ্ডাৰ দিলো লগতে চাহ। আগতেই কৈ আহিছো পৰমজিৎ এজনী ধুনীয়া ছোৱালী। বেছ পৰিষ্কাৰ গাৰ ৰং। প্ৰায় সকলো সময়তে মুখত এক হাঁহি। হাঁহিলে দুয়ো গালত একোটা পোতোকা পৰি তেওঁৰ সৌন্দৰ্যটো আৰু বঢ়াই তোলে। তেওঁৰ চুলি যথেষ্ট দীঘল আৰু অতি সাধাৰণ ভাবে মেলি থয়। ইংৰাজী হিন্দী দুয়োটা ভাষা অতি সুন্দৰ ভাবে কয়, কলিকতাত থাকি থাকি দুই এটা বঙলা ভাষাও কয় যেনে 'দাদা' 'আমি জানি না' 'কেমন আছ' ইত্যাদি ইত্যাদি।

চাহ খোৱাৰ পৰ্ব শেষ হোৱাৰ পাছত ঠিক হ'ল পিছৰ দিনা সন্ধিয়া তেওঁলোকৰ তাত খাবলৈ যাব লাগে। 'না' টো সুৰজিৎ সিঙে নুশুনিলে।

উত্তৰ কলিকতাৰ ৰাজা দিনেন্দ্ৰ ষ্ট্ৰিটৰ এটা ফ্লেটত তেওঁলোক থাকে। ঘৰৰ সমুখত অতি ডাঙৰ দেশবন্ধু পাৰ্ক। তাৰ একাষত আছে শ্যামবাজাৰ টেনিচ ক্লাব আৰু হাটখোলা চুইমিং ক্লাব। এই চুইমিং ক্লাবৰ খুব এটা আধুনিক চুইমিং পুল নাই। কিন্তু তাতে সাঁতুৰিছিল এসময়ৰ নাম কৰা সাঁতোৰবিদ বিমলচন্দ্ৰ, আৰতি সাহা ইত্যাদিয়ে। দুয়ো ইংলিচ চেনেল সাতুৰি পাৰ হৈছিল। বিমল চন্দ্ৰই অলিম্পিকতো যোগদান কৰিছিল।

তেওঁলোকৰ প্ৰস্তাৱ মতেই আমি তিনিও পাৰ্কত ফুৰিবলৈ ওলাই গলো আৰু প্ৰায় এঘন্টামান খোজ কাঢ়িলো।

'এই পৰিশ্ৰমখিনিয়ে ভোক বঢ়াই তুলিব। ৰন্ধা বঢ়াত পৰমজিৎ বৰ পাকৈত নহয়তো। গতিকে সন্ধিয়া আমি সদায় খোজ কাঢ়ো।'

'মই ৰান্ধিব নাজানো কাৰণেই তোমাৰ পেটটো ওলাবলৈ আৰম্ভ কৰিছে।' পৰমজিত আৰু আমি দুয়ো হাঁহিলো।

পৰমজিতে মোক বহুত কথা সুধিলে। বিশেষকৈ ডাক্তৰি সম্পৰ্কে। ডাক্তৰি পঢ়োতে, ভয় লাগিছিলনে নাই, 'এনাতমি হল'ত মৰাশটো ভয় লাগিছিল নে নাই আৰু তাৰ পাছত সদায় জীৱন মৰণ লৈ যুদ্ধ কৰি থকা বেমাৰিবোৰৰ লগত কটোৱা দিনবোৰৰ কথা।

'মই পিছে কেতিয়াও এইবোৰ নোৱাৰিলোহেঁতেন দেই। মোৰ মৰা মানুহ দেখিলেই ভয় লাগে।'

'কিন্তু আমিতো সকলোৱেই এদিন মৰিম।' সুৰজিতে কলে।

'তাতে কি হ'ল? আমিতো জীয়াই থকাৰ সময়ত মৰাৰ কথা নাভাবো।'

'ভালদৰে জীয়াই থকাৰ সময়ত বুলি কোৱা' মই যোগ দিলো।

'পষ্টমৰ্টেম অত নো কি কৰে?'

'পষ্ট মৰ্টেম কৰে যেতিয়া বেমাৰটো ঠিক ধৰিব নোৱাৰাকৈ ৰোগীৰ মৃত্যু হয়। বিলাতৰ 'প্ৰত্যেক ৰোগীৰে মৃত্যুৰ পাছত পষ্টমৰ্টেম কৰে নাইবা আইন কানুন সম্পৰ্কত আমাৰ ইয়াত আৰু সকলো ঠাইতে মৃতদেহৰ ওপৰত পষ্টমৰ্টেম কৰা হয়।'

'গোটেই গাটো ফালি চিৰি চোৱা হয়।'

'তেজ ওলাইনে'

'নাই। তেজটো গোট মাৰে মৃতদেহত আৰু নীলা ৰঙৰ গোটমৰা তেজহে দেখা যায়।'

'আপুনি নিজে কেতিয়াবা পষ্টমৰ্টেম কৰিছেনে?'

'মই কৰা চাইছোহে। নিজে কৰা নাই। বিলাতত কাম কৰি থাকোতে একো একোটা পষ্টমৰ্টেম অত আমাক পাঁচগিনি কৈ দিছিল।'

এক গিনি মানে এক পাউন্ড এক চিলিং। বহুত পইছা আজিৰ হিচাপত। আমি আকৌ মানে সকলো ৰেছিডেন্ট ডাক্তৰে পইছাবোৰ গোটাই মাহেকে পষেকে পাৰ্টি কৰিছিলো। ভাবিলে কেনে লাগে।'

'সন্ধিয়া খাবলৈ আনি আপোনাক এইবোৰ কথা সুধি পৰমজিতে আপোনাক আমনিহে দিছে।'

'এৰা অন্য কথা পাতো দিয়ক' পৰমজিতে খোৱা বোৱা যোগাৰ কৰিবলৈ গ'ল। 'একেবাৰে সাধাৰণ খোৱা কিন্তু।'

মাটি মাহৰ তাৰখা। চিকেন কাৰী মটৰ পনীৰ আৰু ফুলকা ৰুটী। লগতে অলপ ৰায়েটা। খাবলৈ ভালেই লাগিল। খোৱাৰ পাছত সুৰজিৎ সিঙে গান দুই এটা গাই শুনালে। তেওঁৰ অলপ অচৰপ গজল গোৱাৰ অভ্যাস আছে, সন্ধিয়াটো ভাল দৰেই কাটি গ'ল।

দৈনন্দিন জীৱনৰ ব্যস্ততা আৰু সমস্যাবোৰে বহুত কথা পাহৰাই দিয়ে। সুৰজিৎ সিং বেদী আৰু পৰমজিৎ কাউৰৰ কথা প্ৰায় পাহৰি যোৱাৰ দৰেই। এদিন হঠাতে বেদীৰ এখন চিঠি। 'মই আৰু পৰমজিৎ আপোনালোকৰ চহৰত থাকিবলৈ ঠিক কৰিছো। আচল কথা মোৰ ট্ৰেন্সফাৰ হৈছে তালৈ। আপোনাক মাজে সময়ে লগ পাই থাকিম বুলিয়েই আমাৰ দুয়োৰে মনত আনন্দ' ইত্যাদি।

চিঠিখন পঢ়ি ভাল লাগিল। তেওঁলোকৰ দুয়োৰে চেহেৰা আৰু বহুত কথা চকুৰ আগত ভাহি পৰিল। মোৰ বন্ধু-বান্ধৱৰ ঘৰত ঘূৰি ফুৰাৰ বৰ অভ্যাস নাই বিশেষ ঘনিষ্ঠতা নাইবা আৱশ্যক নহলে। তথাপি মাজে সময়ে লগ পাবলৈ তেওঁলোক দুয়ো বেয়া নহ'ব।

মই খুব ৰাতিপুৱাই শুই উঠো বুলি সকলোৱে জানে। ই বহুত দিনৰ অভ্যাস জাৰৰ দিনেই হওক বা গৰমৰ দিনে হওক। অৱশ্যে ৰাতি শোওঁতেও পলম নকৰো। বন্ধু-বান্ধৱে সন্ধিয়া সাত বজাতে শোওঁ বুলি মাজে সময়ে মোক জোকাইও!

এদিন ৰাতিপুৱা পাঁচ বজাতে টেলিফোনটো বাজি উঠিল। এইখিনি সময়ৰ টেলিফোন সাধাৰণতে হস্পিতেলৰ নাইবা বাহিৰৰ চিৰিয়াচ ৰোগী সম্পৰ্কেই হয়। ভাবিলো কোনটো 'কেচৰ'নো গন্ডগোল। যোৱা কালি দুটা মেজৰ অপাৰেচন কৰিছিলো তাৰে কাৰোবাৰ কিবা বিজুতি ঘটিল নেকি। নে মিছেছ বৰুৱাৰ প্ৰসৱ বেদনা আৰম্ভ হ'ল। নিজে কৰা চাহ কাপ আৰু অলপ খাই টেলিফোনটো ধৰিলো।

'মই সুৰজিতে কৈছো। আজি দু-সপ্তাহমান হ'ল ইয়ালৈ অহা। ইটো-সিটো কাৰণত আপোনাক খবৰ দিবই পৰা নাই। মই ইমান ৰাতিপুৱাই আপোনাক আমনি কৰিব খোজা নাছিলো পৰমজিতে জোৰ কৰিলে।'

'ভালেই কৰিলে, মই চাৰে পাঁচ বজাত খেলিবলৈ ওলাই গ'লোহেঁতেন।'

'আপোনাৰ পৰা দুমাইলমান দূৰতে ঘৰ এটা লৈছো। ভালেই। আমি আজি সন্ধিয়া ৭ বজাত আহিব পাৰোনে?'

'অলপ ব্যস্ত থাকিম কিন্তু নিশ্চয় আহিব। মই বাট চাই থাকিম।'

ভালেমান দিনৰ পিছত সুৰজিৎ সিং বেদীৰ মাতটো শুনি ভাল লাগিল। নিজৰ কামৰ কাৰণে আচলতে দুবেলা অন্নসংস্থানৰ বাবে মানুহ ক'ত ক'ত ঘূৰি ফুৰে। সেই হিচাপে আমাৰ অসমীয়া মানুহ বাহিৰলৈ নোলায়েই।

বিলাতত পঢ়াশুনা সাং কৰি আমাৰ লগৰ বহুতো এমেৰিকালৈ গ'লগৈ ডলাৰ অৰ্জন আৰু লগতে এক আৰামৰ জীৱন যাপনৰ বাবে। আমি কিছুমান কিন্তু ঘৰলৈ আহিলো। মই আহিলো নিজৰ পৰিয়ালৰ কাকো এৰিব নোৱৰাৰ বাবে আৰু লগতে থকা বিহ হুচৰি কাতি মাহৰ হাঁহ বহাগ বিহুৰ সাজপানী, বৈতগাজ, খৰিছা, আমৰলি পৰুৱাৰ টোপ আদিৰ বাবে। অৱশ্যে আইতা দেউতাৰ স্থান আটাইতকৈ ওপৰত আছিল কাৰণ তেওঁলোকে মোক খুব ভাল পাইছিল।

মোৰ এই কথাবোৰ শেষৰ শাৰী দুটাৰ বাহিৰে বহুতে শুনি হাঁহে। 'আপুনিও ভাল মানুহ দিয়ক।'

সন্ধিয়া সাত বজাত চেম্বাৰটো বন্ধ কৰাৰ লগে লগেই সুৰজিৎ আৰু পৰমজিৎ সোমালহি। বৰ ভাল লাগিল দুয়োকে দেখি।

'আপোনালোক দুয়ো বেয়া। পৰমজিৎ তুমিতো আগৰে পৰাই বেয়া। দু-সপ্তাহৰ পিছতহে মোলৈ মনত পৰিল।'

'মোৰ গাত একো দোষ নাই। সুৰজিৎহে কেৱল কাম লৈ ব্যস্ত।'

তেওঁলোক বহুতৰ পৰ বহিলে, নানা কথা-বতৰা হ'ল, পৰমজিতে এটা 'কল্ডড্ৰিংক' আৰু সুৰজিতে দুটামান ব্ৰান্ডি খালে। তেওঁলোক এই চহৰত কিছুদিন মানে দু-বছৰমান থাকিব। মোক লগ পোৱাৰ এটা কাৰণ হ'ল তেওঁলোকৰ ল'ৰা-ছোৱালী নাই। ইমান দিনে বিচৰা নাছিল। এতিয়া বিচাৰিছে, তাৰ বাবে আৱশ্যকীয় উপদেশ।

নানা হাঁহি ধেমালিৰ কথা হ'ল যদিও মোৰ কিন্তু পৰমজিতক সিমান ভাল নালাগিল। কিবা মন মাৰি থকা যেন লাগিল।

'তোমালোকে এতিয়াহে চেষ্টা কৰিব খুজিছা ল'ৰা-ছোৱালীৰ বাবে। তুমি মন মাৰি আছা কিয় পৰমজিৎ? সকলো ঠিক হৈ যাব।'

'নহয় নহয় সেইটো ডাঙৰ কথা নহয়।'

'তেন্তে কি?' মই সুধিলো।

'আমাৰ দুই পৰিয়ালৰ ভিতৰত অলপ যৌতুকৰ সমস্যাহে আছে। আমি দুয়ো খুব সুখী। মই পৰমজিতক কিমান ভাল পাওঁ আৰু পৰমজিতে মোক কিমান ভাল পায় আপুনি জানে। কিন্তু তথাপিও আমাৰ জীৱনত এই অশান্তিবোৰ কিয় আহিব লাগে।'

হঠাতে পৰমজিতে উচুপিবলৈ ধৰিল। 'এইবোৰ নকৰিবা পৰমজিৎ। সকলো ঠিক হৈ যাব।' মই কলো –

'ঠিক হৈ নাযায়। মই জানো। মানুহৰ টকা-পইছাৰ প্ৰতি ইমান লালসা কিয়? সেইবোৰ লগত লৈ যাব জানো?' পৰমজিতে ক'লে।

'এতিয়া এইবোৰ ইয়াতে থোৱা। ডাক্তৰ চাহাবৰ নিজৰেই বহুত সমস্যা ইমান বেমাৰী আৰু হস্পিতেলৰ কাম লৈ। ডাক্তৰ চাহাব আমাক বেয়া নাপাব। আপোনাৰ সন্ধিয়াটো আমাৰ নিজৰ কথাকৈ নষ্ট কৰি দিলো।'

'একো চিন্তা নকৰিব। মই ঠিকেই আছো। আপুনি নহাহ'লে মই দুটা ব্ৰান্ডি খাবও নাপালোহেঁতেন।'

তিনিও আকৌ হাঁহিলো। 'পৰমজিৎ বেয়া সময় আহিলে সদায় হাঁহিবৰ চেষ্টা কৰিবা জোৰ কৰি হলেও' পৰমজিতে অলপ থমকি ক'লে–

'এই কথাটো মনত ৰাখিম।'

পৰমজিৎ আৰু সুৰজিৎৰ লগত বহুতবাৰ লগ পোৱা হ'ল প্ৰায় আঠ-নমাহৰ ভিতৰত। কেতিয়াবা মোৰ তাত খোৱা কেতিয়াবা তেওঁলোকৰ তাত। দুবাৰমান শ্বিলঙৰ পাইনউড্ হোটেলত।

কলিকতাৰ পৰা দুপৰীয়া প্লেনৰ পৰা নামি এয়াৰপৰ্টত হঠাতে দেখো সুৰজিৎ সিং। মোক দেখি হাঁহি এটা মাৰি হাতখন আগ বঢ়াই দিলে সুৰজিৎ সিং বেদীয়ে।

'মই এনেই ফুৰিবলৈ আহিছিলো। আপুনি এই ফ্লাইটত আহিব বুলি নাজানো।'

'যিয়েই নহওক লগ পাই বৰ ভাল পালো। পাছত লগ পাম। মই মোৰ বস্তুবোৰ লওঁ।'

মই সুৰজিৎ সিঙৰ লগ এৰিলো ঘৰ পাই চকী এখনত বহি অলপ আৰাম কৰিবৰ চেষ্টা কৰিলো। ৰাতিপুৱাই উঠিব লগা এই ফ্লাইটবোৰ বৰ বেয়া। ৰাতিপুৱাৰ সকলো কামখিনিয়েই অনিয়ম হৈ যায়।

ফোনটো বাজি উঠিল। 'মই ধনবাহাদুৰে কৈছো বেদী চাহাবৰ ঘৰৰ পৰা। চাহাবে নিজকে গুলিয়াই আত্মহত্যা কৰিলে অলপ আগতে।'

এক ভাবিব নোৱৰা কথা। এই অলপ আগতে তেওঁক লগ পালো। মোৰ লগত সাধাৰণ ভাবেই কথা পাতিছিল। সেই মানুহটোৱে অলপ সময়ৰ পাছত তেনে কাম কৰিব ভাবিবই নোৱাৰি।

বেদীৰ ঘৰ ওলালোগৈ। পৰমজিতে কান্দি কাটি অস্থিৰ। এনে ক্ষেত্ৰত বুজাবৰ চেষ্টা কৰি লাভ নাই।

বৰ বেয়াকৈ দিন আৰু ৰাতিটো কাটিল। ৰাতি পুৱা চাৰে চাৰি বজাত আকৌ টেলিফোন বাজিল।

'চাৰ মই ধনবাহাদুৰ। মেম চাহাবে বাথৰুমত নিজকে কেৰাচিন তেল ঢালি জ্বলাই দিলে অলপ আগতে। আমি কোনেও একো কৰিব নোৱাৰিলো। পুলিচ আহিছে।

কি কথা এইবোৰ। হঠাতে মনলৈ ইমান অশান্তি আহিল কি কৰো কি নকৰো ধৰিব নোৱাৰিলো।

সিহঁতৰ তালৈ গলো। কৰিবলৈ একো নাই।

দুয়োটা মৃতদেহ পুলিচে মৰ্গলৈ লৈ গ'ল। ৰাতিপুৱা দহমান বজাত মই গলো – মৰ্গলৈ য'ত সিহঁতৰ পষ্ট মৰ্টেম হ'ব। দেখিলো গাত লগালগিকৈ মাটিত পৰি আছে সুৰজিৎ আৰু পৰমজিত মৃত অৱস্থাত। পৰমজিতৰ মুখৰ বাহিৰে গাটো ভালে ঠাইত জ্বলি গৈছে। সিহঁতৰ পষ্ট মৰ্টেম হ'ল।

মূৰ, গোটেই গাটো ফলাচিৰা হ'ল। ইমান ধুনীয়া দুটা – নাঙঠ মৃতদেহৰ পৰা গোট মৰা অলপ নীলা তেজ পষ্ট মৰ্টেমৰ কৰত কটাৰিত লাগিল। মই দূৰৰ পৰা চাই থাকিলো।

পৰমজিতৰ সঁচাকৈয়ে সকলো ঠিক হৈ নগ'ল।

OZDISCD

# “ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু ইয়াৰ ভিতৰ চ’ৰা”

## এক স্পষ্টীকৰণ

সূত্ৰধাৰৰ ঊনবিংশ সংখ্যাত (১-১৫ নবেম্বৰ, ১৯৯১) প্ৰকাশিত স্বপ্না বেজবৰুৱাৰ “ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু ইয়াৰ ভিতৰ চ’ৰা” শীৰ্ষক সমালোচনাত্মক নিবন্ধটিৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষিত হৈছে। এখন জনপ্ৰিয় বাৰ্তালোচনীত ভুল তথ্য আৰু মন্তব্যৰ সহায়ত যুগুত কৰা লেখায়ে বহুজনৰ আশা আকাঙ্ক্ষাৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়খনৰ প্ৰতি জনমানসত এক বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে বুলি ভাবি এক স্পষ্টীকৰণ আগবঢ়োৱাৰ প্ৰয়োজন অনুভৱ কৰা হৈছে।

বিশ্ববিদ্যালয়খনত বৰ্তি থকা সম্পূৰ্ণ সুস্থ সাংস্কৃতিক আৰু শৈক্ষিক পৰিবেশৰ দোহাৰিয়ে আমি ক’ব খোজো যে এচাম স্বাৰ্থান্ধ বিষয়াৰ দুৰ্নীতিৰে বিশ্ববিদ্যালয়খন আবৰি পেলোৱা বুলি কৰা মন্তব্য সম্পূৰ্ণ অমূলক। বিশ্ববিদ্যালয়ত ডিগ্ৰীৰ দৰ দাম হয় বুলি কোৱা কথাষাৰ কেৱল সম্পূৰ্ণ অসত্যই নহয়, আপত্তিজনকো। বিশ্ববিদ্যালয়ৰ শিক্ষণীয় বিভাগ সমূহত নিয়মিত পাঠদানৰ উপৰিও গৱেষণা আদি কাৰ্যত প্ৰথিতযশা অধ্যাপক, অধ্যাপিকা সকলে ব্ৰতী হৈ ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক উৎকৰ্ষ সাধনত অবিৰত ভাবে নেতৃত্ব দি আহিছে।

বিশ্ববিদ্যালয়খনত স্নাতকোত্তৰ তথা স্নাতক পৰ্যায়ত পাঠদান কৰি থকা বিভাগ সমূহৰ সংখ্যাৰ ফালৰ পৰা বিশ্ববিদ্যালয়খনৰ পঁয়া লগা অৱস্থাৰ পৰিচয় নিদিয়ে, বৰং কে ক্ৰমোন্নয়ন অৱস্থাৰহে সাক্ষ্য বহণ কৰিছে। প্ৰবন্ধকাৰ তথা জনসাধাৰণক জনাওঁ যে এই বিশ্ববিদ্যালয়ত ১৯৮৯ চনত M. Ed. শ্ৰেণী খোলা হৈছে। এই বিভাগটো বৰ্তমানৰ CTE পৰ্যায়ৰ পৰা IASE পৰ্যায়লৈ উন্নীত কৰাৰ অৰ্থে ৰাজ্য চৰকাৰৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ উত্থাপন কৰা হৈছে। ইতিমধ্যে এই (শিক্ষা) বিভাগৰ কাৰণে এটি সুন্দৰ ভৱন সাজি উলিয়াই তাত পাঠদানৰ ব্যৱস্থা কৰা হৈছে। এবছৰীয়া তাই ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰম দুবছৰীয়া ডিপ্লমা পাঠ্যক্ৰমলৈ উন্নীত কৰা হৈছে আৰু পৰ্যায়ক্ৰমে তাই ভাষাত গৱেষণাৰ প্ৰতি উৎসাহ জনোৱাৰ উদ্দেশ্যে স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰম প্ৰবৰ্তনৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কম্পিউটাৰ প্ৰগ্ৰেমিং বিষয়ৰ চাৰ্টিফিকেট পাঠ্যক্ৰমো আৰম্ভ হৈছে।

৮ম পৰিকল্পনাৰ ভিতৰতে আগন্তুক শিক্ষা বৰ্ষৰ পৰাই M.A. in Education খোলাৰ বাবে প্ৰস্তাৱ কৰা হৈছে। মেনেজমেন্ট বিষয়ত M.M.S. (Master in Management Studies) পাঠ্যক্ৰম প্ৰবৰ্তন কৰাৰ বাবেও প্ৰাৰম্ভিক প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ উঠিছে। এই বিষয়ে UGC আৰু AICTE ৰ লগতো যোগাযোগ কৰা হৈছে। এইটো সন্তোষৰ কথা যে OIL-য়ে Management বিভাগৰ বাবে অহা বছৰৰ মাজভাগত এটি Instructional Building নিৰ্মাণ কৰি দিয়াৰ আশ্বাস দিছে। পৰ্যায়ক্ৰমে Petroleum Technology-ৰ এবছৰীয়া পাঠ্যক্ৰম দুবছৰীয়া/তিনিবছৰীয়া ডিগ্ৰী পাঠ্যক্ৰমলৈ আৰু B. Pharm পাঠ্যক্ৰম M. Pharm. পাঠ্যক্ৰমলৈ উন্নীতকৰণৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছে। তদুপৰি পৰিকল্পনা বহিৰ্ভূত অনুদান সাহায্যৰে Public Administration বিভাগ খোলা তথা ৮ম পৰিকল্পনাতেই পদাৰ্থ বিজ্ঞান আৰু প্ৰায়োগিক ভূতত্ব বিভাগ দুটাৰ সমন্বয়ত Geo–Physics-ৰ পাঠ্যক্ৰম খোলাৰো সিদ্ধান্ত কৰা হৈছে। এই সকলো কাৰ্য ব্যৱস্থাই বিশ্ববিদ্যালয়খনৰ পঁয়া লগা অৱস্থাৰ কথা নুবুজায় বৰঞ্চ প্ৰগতিৰ পথত দৃঢ় পদক্ষেপ লোৱাৰ কথাহে স্পষ্ট কৰি তোলে।

মহাবিদ্যালয় সমূহত Sociology আদিৰ দৰে বিষয় সমূহ খোলাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে সদায় উৎসাহ দি আহিছে। কি কি বিষয়ত মহাবিদ্যালয়ে শিক্ষা দান কৰিব, সেইটো মহাবিদ্যালয় সমূহে নিজেই থিৰাং কৰে আৰু বিশ্ববিদ্যালয়লৈ আবেদন জনায়। এনে আবেদন পোৱাৰ পাছত বিশ্ববিদ্যালয়ৰ নিয়ম অনুসৰি মহাবিদ্যালয় সমূহৰ পৰিদৰ্শকে পৰিদৰ্শন কৰি দাখিল কৰা প্ৰতিবেদনৰ ওপৰত Affiliation Committee-য়ে বিচাৰ কৰি যোগ্যতাৰ ভিত্তিত অনুমতি প্ৰদান কৰা হয়। অৰ্থাৎ মহাবিদ্যালয়ে কোনো এক বিষয় নতুনকৈ প্ৰবৰ্তন অথবা চলিত বিষয় এটাত Major পাঠ্যক্ৰম প্ৰবৰ্তন কৰাৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰি যোগ্যতা অৰ্জন কৰিলেই বিশ্ববিদ্যালয়ে অনুমতি দিয়ে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে যোৰহাটৰ জে বি আৰু উত্তৰ লক্ষ্মীমপুৰৰ উত্তৰ লক্ষ্মীমপুৰ মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে ক্ৰমে বাণিজ্য আৰু গণিত বিভাগত স্নাতকোত্তৰ শ্ৰেণী খোলাৰ অনুমতি দিয়াটো বিশ্ববিদ্যালয়খনৰ ৰূপালী জয়ন্তী বৰ্ষৰ অন্য এক উল্লেখনীয় পদক্ষেপ, পোন প্ৰথমবাৰৰ কাৰণে একাধিক মহাবিদ্যালয়ত Sociology-ত Major পাঠ্যক্ৰম খুলিবলৈ দিয়াটোও মহাবিদ্যালয় সমূহৰ লগতে বিশ্ববিদ্যালয়খনৰ কাৰণেও কৃতিত্বৰ কথা।

বিশ্ববিদ্যালয় এখনত শৈক্ষিক দিনপঞ্জী এখন থকাটো অতি আৱশ্যকীয়। ছাত্ৰ-ছাত্ৰী সকলেও এই দাবী তুলি আহিছে। বিশ্ববিদ্যালয়ৰ Post–Graduate Board আৰু Under–Graduate Board-য়ে বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰেক্টৰ অধ্যাপক ড০ কমল চন্দ্ৰ বৰুৱা আৰু উপ-পঞ্জীয়ক (শৈক্ষিক) ড০ মনোৰঞ্জন শৰ্মাক ক্ৰমে সভাপতি আৰু আহ্বায়ক হিচাপে লৈ এখন উপ-সমিতি গঠন কৰি দিয়ে। এই উপ-সমিতিয়ে বিভাগীয় মুৰব্বী, স্নাতকোত্তৰ ছাত্ৰ একতা সভাৰ প্ৰতিনিধি আদিৰ লগত কেইবালানিও আলোচনাৰ অন্তত এখন পূৰ্ণাংগ শৈক্ষিক দিনপঞ্জী প্ৰস্তুত কৰে। Under–Graduate Board, Post Graduate Board-ত এই খচৰা আলোচিত হয় আৰু চূড়ান্ত ভাবে Academic Council-য়ে অনুমোদন জনায়। এই দিনপঞ্জীয়ে এটা ডাঙৰ, দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰাৰ লগতে শিক্ষা বৰ্ষ আগুৱাই আনি গ্ৰীষ্ম বন্ধৰ ভিতৰতে পৰীক্ষা পতাৰ দিহা দিছে, যাতে নিয়মীয়া পাঠদান ব্যাহত নহয়। তাৰ উপৰি এই দিনপঞ্জীত নাম ভৰ্তিকৰণৰ পৰা আৰম্ভ কৰি, পাঠদান, পৰীক্ষাৰ সময়, নতুন শ্ৰেণী বহা আদিৰ সময় নিৰ্দিষ্ট কৰি দিয়া আছে যাতে শিক্ষাবৰ্ষ আগুৱাই আনিব পাৰি আৰু পৰীক্ষাৰ ফলাফলো অতি কম সময়ৰ ভিতৰতে ঘোষণা কৰিব পাৰি। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগেও পৰীক্ষা আদি বন্ধৰ সময়ৰ ভিতৰতেই শেষ কৰাৰ দিহা দিছে। এই দিনপঞ্জীখন বহুল ভাবে প্ৰচাৰিত হৈছে। স্নাতকোত্তৰ অথবা স্নাতক পৰ্যায়ৰ কোনো ব্যক্তি অথবা সংস্থা, সংগঠনৰ পৰা কোনো আপত্তি পোৱা নাই।

আশীৰ দশকত অসমৰ বিশ্ববিদ্যালয় সমূহত শিক্ষা বৰ্ষ অনিয়মীয়া হোৱাটো আৰু ইয়াৰ কাৰণ সমূহ পুনৰাই দোহৰাৰ প্ৰয়োজন নাই। পৰীক্ষা সমূহ সময় মতে পাতিব নোৱাৰাৰ তথা ফলাফল ঘোষণা কৰাত পলম হোৱাৰ বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ ওপৰতেই সকলো দোষ জাপি দিয়াটো কেতিয়াও সমীচীন নহয়, বৰং ইয়াৰ প্ৰতিকাৰৰ বাবে সকলোৰে সহ-যোগিতাৰহে প্ৰয়োজন। লেখিকাই কোৱাৰ দৰে এই বিশ্ববিদ্যালয়ৰ শ্ৰেণী সমূহ আগষ্ট মাহৰ পৰা আৰম্ভ নহয়, কাৰণ জুলাই আগষ্ট দুমাহ ছাত্ৰ শিক্ষকে গৰমৰ বন্ধ উপভোগ কৰে। এটা সময়ত ডিচেম্বৰ মাহত শ্ৰেণী সমূহ আৰম্ভ হৈছিল কিন্তু ১৯৮৯-৯০ আৰু ১৯৯০-৯১ শিক্ষা বৰ্ষৰ পৰা প্ৰিভিয়াচ্ শ্ৰেণী সমূহ ১ ছেপ্তেম্বৰৰ পৰাই আৰম্ভ কৰা হৈছে আৰু নতুন দিনপঞ্জী অনুসৰি আগন্তুক শিক্ষা বৰ্ষৰ পৰা প্ৰিভিয়াচ্ শ্ৰেণীত নাম ভৰ্তি ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহতেই হব। সেইদৰে শ্ৰেণী সমূহো চূড়ান্ত বৰ্ষৰ শ্ৰেণী সমূহৰ পাঠদান শেষ হোৱাৰ লগে লগে আৰম্ভ হব।

১৯৯০ চনৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষা সমূহ এইবাৰ চলিত বছৰৰ (১৯৯১) অক্টোবৰ মাহৰ শেষৰ ফালে পাতিবলৈ স্থিৰ কৰা হৈছিল। প্ৰকৃততে এই পৰীক্ষা আগষ্ট মাহতেই পাতিব লগীয়া আছিল যদিও সেই সময়ৰ ৰাজ্যখনৰ পৰিস্থিতিৰ পৰি-প্ৰেক্ষিতত প্ৰিভিয়াচ্ পৰীক্ষা সমূহো আগষ্ট মাহতে অনুষ্ঠিত কৰিব লগীয়া হ’ল। ছাত্ৰ একতা সভাই দুটা পৰীক্ষাৰ মাজত দুমাহৰ ব্যৱধান বিচৰাত বিষয়টো আলোচনা ক্ৰমে সিদ্ধান্ত লবলৈ ১৬ ছেপ্তেম্বৰত ছাত্ৰ একতা সভা, পৰীক্ষাৰ্থীসকলৰ প্ৰতিনিধি, বিভাগীয় মুৰব্বী আৰু আন জ্যেষ্ঠ শিক্ষক সকলৰ এখন যুটীয়া বৈঠক আহ্বান কৰা হৈছিল। কিন্তু ১৪ ছেপ্তেম্বৰ তাৰিখেই



একাংশ ছাত্ৰই উপাচাৰ্যক ঘেৰাও কৰি পৰীক্ষা পিছুৱাবলৈ জোৰ দিয়ে। ১৫ ছেপ্তেম্বৰ দেওবাৰ, সেয়েহে ১৬ ছেপ্তেম্বৰত এই বিষয়ত সিদ্ধান্ত লোৱা হব আৰু ছাত্ৰ একতা সভাৰ লগতে তেওঁলোকৰ প্ৰতিনিধিও সেই সভাত উপস্থিত থাকিব পাৰিব বুলি লিখিত ভাবে জনোৱা সত্বেও তেওঁলোকে শ্লোগান দি এক হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰে। বৰ্ধিত উত্তেজনা উপশম ঘটোৱাৰ বাবে সেই সময়ত উপাচাৰ্যৰ পদত্যাগৰ বাহিৰে বিকল্প আন একো নাছিল। এই বাতৰি প্ৰচাৰ মাধ্যমত প্ৰকাশ পাইছে। কেইজনমান সাংবাদিক নিজে ঘটনাস্থলীত উপস্থিত থাকি বাতৰি পৰিবেশন কৰিছিল।

বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা দাখিল কৰা ৩২ দফীয়া দাবীৰ ওপৰত যোৱা ২৫ ছেপ্তেম্বৰত এক দীঘলীয়া আলোচনা অনুষ্ঠিত হয়। এই আলোচনা মৰ্মে ছাত্ৰ একতা সভাই তেওঁলোকৰ আন্দোলনৰ কাৰ্যসূচী সাময়িক ভাবে স্থগিত ৰাখিছিল। ইতিমধ্যে হ্ৰস্বম্যাদী দাবী সমূহ পূৰণৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু কেইবাটাও দাবী পূৰণ কৰা হৈছে। কৰ্তৃপক্ষৰ ক্ষমতাৰ বাহিৰত থকা দাবী সমূহৰো ন্যায্যতা স্বীকাৰ কৰি লৈ উৰ্ধ্বতম কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰা হৈছে।

উল্লেখযোগ্য যে ছাত্ৰ একতা সভাই একাংশ বাতৰি কাকতত প্ৰকাশিত দুৰ্নীতি সম্পৰ্কীয় বা-বাতৰিৰ স্পষ্টীকৰণ বিচাৰে আৰু সেই মতেই বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে অনা অভিযোগ সমূহ খন্ডন কৰি স্পষ্টীকৰণ দিয়া হৈছে যদিও প্ৰত্যেকখন বাতৰি কাকত/আলোচনীত সময় মতে উত্তৰ দিব নোৱাৰাটোৱে, দুৰ্নীতিৰ অভিযোগ মানি লোৱাটো নুবুজায়।

শিক্ষক নিযুক্তি আৰু প্ৰমোচনৰ অনিয়মৰ অভিযোগ সম্পূৰ্ণ অসত্য। লেখিকাই বোধকৰো নাজানে যে প্ৰফেচাৰৰ পৰা ৰীডাৰলৈ কেতিয়াও প্ৰমোচন নহয়, ৰীডাৰৰ পৰাহে প্ৰফেচাৰলৈ প্ৰমোচন হয়। স্বজনপ্ৰীতিৰ অভিযোগ একেবাৰে অসত্য। বিশ্ববিদ্যালয় আইনৰ ২৯ ধাৰা মতে গঠিত এখন উচ্চ ক্ষমতাসম্পন্ন বাছনি সমিতিয়ে অন্যান্য বিশ্ববিদ্যালয়ৰ পৰা নিমন্ত্ৰণ কৰি অনা অভিজ্ঞ অধ্যাপক সকলৰ পৰামৰ্শ অনুসৰি সাক্ষাৎকাৰৰ পাছত উপযুক্ত শিক্ষক সকলক বাছনি কৰে আৰু এই বাছনি সমিতিৰ অনুমোদনক্ৰমে কাৰ্যবাহী পৰিষদে নিযুক্তি দিয়ে। বৰ্তমানৰ বাছনি সমিতিত থকা সদস্যসকল হৈছে– ড০ দণ্ডেশ্বৰ গগৈ, শ্ৰীৰজনী কান্ত চক্ৰবৰ্তী (দুয়ো কটন কলেজৰ অৱসৰপ্ৰাপ্ত শিক্ষক) আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড০ হীৰালাল দুৱৰা। তেখেত সকলক বাছনি কাৰ্যত সহায় কৰে বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা নিমন্ত্ৰণ কৰি অনা বিশেষজ্ঞ অধ্যাপক সকলে। প্ৰফেচাৰ বাছনিৰ ক্ষেত্ৰত বাহিৰৰ পৰা তিনিজন অধ্যাপক, ৰীডাৰৰ ক্ষেত্ৰত দুজন আৰু প্ৰবক্তাৰ ক্ষেত্ৰত ন্যূনতম এজন অধ্যাপক উপস্থিত থকা বা তেওঁলোকৰ লিখিত অভিমত দিয়াটো বাধ্যতামূলক। ইয়াৰ বাহিৰেও বিভাগৰ মুৰব্বী শিক্ষক আৰু এজন জ্যেষ্ঠ অধ্যাপকে বাছনি সমিতিক সহায় কৰে। এনে এখন সমিতিৰ অনুমোদন সম্পূৰ্ণ নিৰপেক্ষ আৰু শুদ্ধ হয়। অনিয়ম আৰু স্বজনপ্ৰীতিৰ অভিযোগ সম্পূৰ্ণ অসত্য।

বিশ্ববিদ্যালয়ৰ পাঁচজন শিক্ষকৰ বিৰুদ্ধে থকা শৃংখলাহীনতাৰ অভিযোগ বিশ্ববিদ্যালয়ৰ বৃহত্তৰ স্বাৰ্থত উপাচাৰ্যৰ পৰামৰ্শক্ৰমে কাৰ্যবাহী পৰিষদে আপোচ কৰি উঠাই লয়। উচ্চ ন্যায়ালয়ে শিক্ষক সকলৰ সপক্ষে ৰায় দিয়া নাই, বৰং তদন্ত চলি থাকিব বুলিহে কৈছিল। অৱশ্যে নিলম্বিত কৰণৰ অন্ত পেলাবলৈ কৈছিল যদিও তদন্ত বাহাল থাকিব বুলিহে কৈছিল। কিন্তু ওপৰত উল্লেখ কৰাৰ দৰে বিষয়টো সম্মানজনক ভাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষ আৰু শিক্ষকসকলে আপোচ মীমাংসাৰে শেষ কৰে। ফাৰ্মাচিউটিকেল চায়েনচ্ বিভাগৰ শিক্ষক এজনৰ পদোন্নতি আৰু আন এজনৰ নিযুক্তিৰ বিজ্ঞাপন; শিক্ষক সকলৰ সেৱা বিধি আৰু AICTE ৰ নতুন অৰ্হতাৰ বিসংগতিৰ কাৰণেহে নাকচ হ'ল। উচ্চতম ন্যায়ালয়ে তেওঁলোক দুয়োজনেই পুনৰ বিজ্ঞাপন দিলে প্ৰাৰ্থী হ'ব পাৰিব বুলি ৰায় দিছিল। তাৰে এজন শিক্ষকৰ নিযুক্তি আগৰ উপাচাৰ্যৰ দিনতেই হৈছিল।

উচ্চতম ন্যায়ালয়ে নাকচ কৰা আনজন শিক্ষকক কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতকোত্তৰ শ্ৰেণীত পাঠদান কৰিবলৈ নিযুক্তি দিছে। লেখিকাই অসমৰ এজন প্ৰাক্তন মন্ত্ৰীৰ ভায়েকক নিযুক্তি দিয়াৰ ক্ষেত্ৰত অনিয়ম দেখিছে, কিন্তু আৰু অলপ অনুসন্ধান কৰিলেই তেওঁ গম পালেহেঁতেন যে উপাচাৰ্যৰ সভাপতিত্বত বহা বাছনি সমিতিয়ে নিয়মীয়া পদটোৰ কাৰণে প্ৰাক্তন মুখ্য মন্ত্ৰীৰ ভায়েকক বাছনি নকৰি শ্ৰীসুনীল দত্তকহে বাছনি কৰে আৰু কাৰ্যবাহী পৰিষদে শ্ৰীদত্তকে নিযুক্তি দিয়ে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শৈক্ষিক উপ-পঞ্জীয়ক ড০ মনোৰঞ্জন শৰ্মা ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অৰ্থনীতিৰ জ্যেষ্ঠ অধ্যাপক আছিল। তেখেতে কামত যোগ দিয়াৰ পাছৰে পৰা অক্লান্ত পৰিশ্ৰম কৰি শৈক্ষিক দিশত যথেষ্ট অগ্ৰগতি লাভ কৰিব পাৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিভিন্ন দিশত হোৱা কাম-কাজৰ কথা প্ৰচাৰ মাধ্যমেৰে ৰাইজক জনাবলৈ কাৰ্যবাহী পৰিষদে তেখেতক জনসম্পৰ্ক ৰক্ষাৰ ভাৰো দিছে। অসমৰ বিভিন্ন সমস্যাৰ ওপৰত আগৰে পৰা তেখেতে বা-বাতৰি দি আহিছে আৰু প্ৰবন্ধ পাতিও প্ৰকাশ কৰি এজন জনপ্ৰিয় সাংবাদিক হিচাপে স্বীকৃতি লাভ কৰিছে। কোনো বাতৰিকে বা সত্যক ঢাকি ৰাখিবলৈ তেওঁ চেষ্টা কৰাৰ অভিযোগ সম্পূৰ্ণ ভিত্তিহীন। এজন অভিজ্ঞ সাংবাদিক হিচাপে তেওঁ বাতৰি কাকতৰ স্বাধীনতা সম্পৰ্কে সম্পূৰ্ণ ভাবে সজাগ। পৰীক্ষা পিছুৱাবলৈ ছাত্ৰ একতা সভাক চেৰাই গৈ, এচাম ছাত্ৰই উপাচাৰ্য আৰু অন্যান্য বিষয়া সকলক ঘেৰাও কৰা কাৰ্যক সমৰ্থন নকৰাৰ কথা ছাত্ৰ একতা সভাই আচাৰ্যলৈ দিয়া তাঁৰ বাৰ্তা আৰু প্ৰস্তাৱ আদিৰ দ্বাৰা স্পষ্ট প্ৰতীয়মান হৈছে। বিশ্ববিদ্যালয়ৰ শিক্ষক সংস্থাইও এনে কাৰ্যৰ তীব্ৰ গৰিহণা দি উপাচাৰ্যৰ পদত্যাগ গ্ৰহণ নকৰিবলৈ আচাৰ্যলৈ লেখাটোও সম্পূৰ্ণ সত্য। কৰ্মচাৰী সংস্থা আৰু বিষয়া সংস্থাইও অনুৰূপ ব্যৱস্থা লয়। উপ-পঞ্জীয়কে ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ত শৈক্ষিক দিশত যথেষ্ট কাম কৰিছে। এনে নিষ্ঠাবান বিষয়াৰ ওপৰত অযথা কটাক্ষপাত কৰাটো চৰিত্ৰহননৰ প্ৰয়াসৰ বাহিৰে আন একো নহয়।

ডিব্ৰুগড় বিশ্ববিদ্যালয় আইনখনৰ পুনৰ মুদ্ৰন বৰ্তমান উপাচাৰ্যৰ কাৰ্যকালৰ বহুতো আগেয়েই সৃষ্টি কৰা হৈছিল। এই পুনৰমুদ্ৰণে কিন্তু কোনো আহুকালৰ সৃষ্টি কৰা নাই। কাৰণ বিশ্ববিদ্যালয়ৰ কাম-কাজত উপাচাৰ্যৰ হাত থকা মূল আইনখনহে অনুসৰণ কৰা হয়। কিন্তু বৰ্তমান প্ৰচলিত আইনখনৰ কেতবোৰ ধাৰাৰ সংশোধনৰ প্ৰয়োজন হোৱাত কাৰ্যবাহী পৰিষদে এখন উপ-সমিতি গঠন কৰি দিয়ে। সেই উপ সমিতিয়ে সকলো দিশ বিবেচনা কৰি যথেষ্ট সংশোধন প্ৰস্তুত কৰিছে আৰু এইখিনি বৰ্তমান কাৰ্যনিৰ্বাহক পৰিষদে বিবেচনা কৰি আছে। আইনখন সংশোধন কৰিবৰ বাবে অহা ২৮ নবেম্বৰত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। তাৰ পাছত চৰকাৰৰ লগত যোগাযোগ কৰা হব যাতে বিধান সভাত অতি সোনকালে এই সংশোধনীখিনি গ্ৰহণ কৰিবৰ কাৰণে যাবতীয় ব্যৱস্থা গ্ৰহণ কৰে।

বৰ্তমান উপাচাৰ্যই সপ্তম পৰিকল্পনাৰ শেষৰ ফালেহে কাৰ্যভাৰ গ্ৰহণ কৰে। যথেষ্ট আৰ্থিক সংকটৰ মাজতো শিক্ষক, বিষয়া, ছাত্ৰ আৰু কৰ্মচাৰী প্ৰতিনিধি আদি সকলোৰে সমবেত প্ৰচেষ্টাত বিশ্ববিদ্যালয় কেম্পাচ ডেভলেপমেন্ট সমিতি গঠন কৰি ৰেক্টৰ অধ্যাপক ড০ কমল চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত বাকী থকা সকলো কাম অতি সোনকালে সমাধা কৰাৰ ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে বাট-পদূলি আদিৰ যথেষ্ট উন্নয়ন সাধন কৰা হৈছে। অংক শাস্ত্ৰৰ ভৱনটো এই মাহৰ শেষৰ ফালে সম্পূৰ্ণ কৰা হব। অৰ্থনীতি, বাণিজ্য গৃহটোও অহা ছমাহ এবছৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ কাৰ্যকৰী ব্যৱস্থা লৈছে। যোৱা পঁচিশ বছৰে নথকা প্ৰশাসনীয় ভৱনৰ কাম আবন্টন কৰা হৈছে আৰু প্ৰেক্ষাগৃহৰ আধৰুৱা কাম হাতত লৈ সোনকালে সাজি উলিওৱাৰ ব্যৱস্থা কৰা হৈছে।

অভিযোগ কৰা মতে কোনো ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তা আমাৰ বিশ্ববিদ্যালয়ত অৰ্থ বিষয়ৰ উচ্চ পদত অধিষ্ঠিত হৈ থকা নাই। গাণনিক আৰু হিচাপত অৰ্হতা থকা উপযুক্ত লোক পোৱা বিৰল। এনে লোকৰ মকৰলৰ কাৰণে চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে যাতে উপযুক্ত অভিজ্ঞ আৰু অৰ্হতাসম্পন্ন লোকক এই পদলৈ আনিব পৰা হয়।

বৰ্তমান উপাচাৰ্যৰ দিনতে শিক্ষকৰ আবাসগৃহ সম্পূৰ্ণ কৰি আবন্টন দিয়া হয়। তাৰ উপৰি কেইবাজনো শিক্ষকক নিজৰ ঘৰ সাজিবৰ বাবে ঋণ দিয়া হৈছে। উপাচাৰ্যৰ বাস ভৱনৰ কাৰণে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে ৭ম পৰিকল্পনাত যি ধন দিছে, তাক আন শিতানত খৰছ কৰিব নোৱাৰি। এই বাস ভৱনৰ কাৰণে ৩৫ লাখ টকা খৰছ কৰাতো নাভূত-নাশ্ৰুত কথা আৰু একেবাৰে মিছা কথা। এই বাস ভৱনৰ ওপৰৰ মহলাহে উপাচাৰ্যৰ আবাস স্থান। তলত থকা আটাইকেইটা কোঠা বিশ্ববিদ্যালয়ৰ সভাকক্ষৰ পৰা আৰম্ভ কৰি কাৰ্যালয়ৰ কামতহে ব্যৱহাৰ কৰা হৈছে। তলৰ মহলাত উপাচাৰ্যৰ বাহিৰেও তেখেতৰ ব্যক্তিগত সচিব, বিশেষ কৰ্তব্যৰত বিষয়া আৰু এটা আচুতীয়া কোঠাত সমিতি সমূহ বহে। উপাচাৰ্যৰ আগৰ বাস ভৱনৰ ওপৰ মহলা পঞ্জীয়কৰ বাস ভৱনলৈ আৰু তলৰ মহলা ৰেক্টৰৰ কাৰ্যালয় আৰু পৰীক্ষা নিয়ন্ত্ৰকৰ কাৰ্যালয়ৰ একাংশ হিচাপে ব্যৱহাৰ কৰা হৈছে। ছাত্ৰসকলৰো বহুদিনীয়া দাবী আছিল যে পঞ্জীয়কৰ বাসস্থান বিশ্ববিদ্যালয়ৰ চৌহদতে হব লাগে।

ডিব্ৰুগড় বিশ্ববিদ্যালয় মডেল স্কুলখন প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ মাধ্যমিক পৰ্যায়লৈকে অলপতেহে উন্নীত কৰা হৈছে আৰু এই উচ্চ পৰ্যায়ৰ শ্ৰেণী কোঠা সাজিবৰ কাৰণে ডক্টৰ দেৱ ফুকন আৰু তেখেতৰ বাই-ভনী কেইগৰাকীয়ে তেখেত সকলৰ মাক দেউতাকৰ স্মৃতিত আঢ়ৈ লাখ টকা দান আগবঢ়াইছে। আশা কৰা হৈছে নতুন কোঠা কেইটাৰ কাম অলপতে আৰম্ভ কৰা হব।

পৰীক্ষা সংক্ৰান্ত কথাত বিশ্ববিদ্যালয়ে কোনো নিয়ম ভংগ কৰা নাই। ব্যক্তিগত পৰীক্ষাৰ্থীৰ স্বাৰ্থ চাই পৰীক্ষক নিয়োগ কৰা অভিযোগ গোকাট মিছা। পৰীক্ষা নিয়ন্ত্ৰকে বিধি অনুসাৰে বিভাগীয় পাঠ্য সমিতিয়ে দিয়া পৰীক্ষকৰ পেনেলৰ পৰা পৰীক্ষক সকলক নিযুক্তি দিয়ে। স্নাতকোত্তৰ শ্ৰেণীৰ পৰীক্ষাৰ কাৰণে একাংশ শিক্ষক ৰাজ্যৰ বাহিৰৰ বিশ্ববিদ্যালয়ৰ পৰা লোৱা হয় যাতে সৰ্ব ভাৰতীয় মানদন্ড ঠিক ৰাখিব পৰা হয়।

ডিগ্ৰী বেচা-কিনাৰ অভিযোগ সম্পূৰ্ণ মনে সজা। আজিলৈকে এনে অভিযোগ পোৱা হোৱা নাই। পৰীক্ষা সম্পৰ্কীয় যাবতীয় কাম বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক আৰু বাহিৰৰ শিক্ষা ব্ৰতীৰে গঠিত পৰীক্ষা সমিতিয়ে পৰ্যালোচনা কৰি বিভিন্ন সিদ্ধান্ত সমূহ লয়। প্ৰশ্ন কাকত, মডাৰেচনৰ পৰা আৰম্ভ কৰি পৰীক্ষাৰ নম্বৰ সমূহ টেবুলেচন কৰালৈকে সকলো কাম বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক সকলেই কৰে। ইয়াৰ পৰা এইটোকে ন দি ক'ব খোজো যে পৰীক্ষাৰ ক্ষেত্ৰত কৰা লেখিকাৰ মন্তব্য অবান্তৰ। গোকাট মিছা উদ্দেশ্যপ্ৰণোদিত এনে মন্তব্য, বিশ্ব-বিদ্যালয়ৰ শুভাকাঙ্ক্ষীৰ কেতিয়াও হব নোৱাৰে। "পৰীক্ষাৰ্থীৰ স্বাৰ্থ মানে হ'ল কুকৰ্ম কৰাৰ সুযোগ পোৱা ............... বিশ্ববিদ্যালয়ৰ ডিগ্ৰী কিনিব পাৰি ............... শিক্ষক বা বিষয়াৰ বিৰুদ্ধে মাত মাতে তেনেহ'লে তেওঁলোকৰ ভৱিষ্যতৰ বাটত হুল পোতা ..................'' ইত্যাদি মন্তব্য সঁচাই দুৰ্ভাগ্যজনক। বিশ্ববিদ্যালয় এখন এনে পৰ্যায়ত উপনীত হ'লে ই আপোনা আপুনি জহি-খহি যাব। শ্ৰীমতী বেজবৰুৱাৰ দৰে লেখিকাৰ কলমৰ অপচেষ্টাৰ আৱশ্যক নহব। এইবাৰ প্ৰিভিয়াচ্ পৰীক্ষাৰ ফলাফল সমূহ এমাহ পাঁচদিনৰ ভিতৰত প্ৰকাশ কৰি এই বিশ্ববিদ্যালয়ে অভিলেখৰ সৃষ্টি কৰিলে। লেখিকা কিন্তু এই বিষয়ে নিমাত হৈ ৰ'ল।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক বিষয়া সকল কোনো ৰাজনৈতিক দলৰ সক্ৰিয় সদস্য বা পৃষ্ঠপোষক নহয়। এজন বা দুজনৰ হয়তো তেনে যোগাযোগ থাকিব পাৰে আৰু লেখিকাই লেখাৰ দৰে ব্যক্তি মাত্ৰৰেই ৰাজনৈতিক ভাবধাৰা থকাটো অস্বাভাৱিক নহয়। কিন্তু এই বিষয়া সকলে সম্পূৰ্ণ নিৰপেক্ষ ভাবে কাৰ্যনিৰ্বাহ কৰে। শৈক্ষিক দিশত ৰাজনৈতিক প্ৰভাৱ পৰা অভিযোগ সম্পূৰ্ণ অসত্য। প্ৰশাসনীয় বিষয়াই নাম ভৰ্তিকৰণৰ ক্ষেত্ৰত বিভাগীয় সমিতিৰ ওপৰত কেতিয়াও হস্তক্ষেপ নকৰে। অৱশ্যে শিক্ষা পৰিষদে (Academic Council) বান্ধি দিয়া চাহ বনুৱা সম্প্ৰদায়, বিকলাংগ, খেলা-ধূলা, সাহিত্য-সাংস্কৃতিক আদিৰ সংৰক্ষিত আসনত নাম ভৰ্তিৰ বাবে দিয়া নিৰ্দেশ সম্পূৰ্ণ বিধিসম্মত।

পাঁচ বছৰৰ আগতে হোৱা সৌৰভ বৰাৰ নিন্দনীয় হত্যাকান্ডৰ লগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আবাসিক সকলক জড়িত কৰি লেখিকাই দিয়া মন্তব্য দুৰ্ভাগ্যজনক।

গঠনমূলক সমালোচনা সদায় আদৰণীয়। কিন্তু প্ৰকৃত তথ্য নজনাকৈ গঠনমূলক সমালোচনা কৰিব নোৱাৰি। সত্যৰ অপলাপ গঠনমূলক সমালোচনা হব নোৱাৰে। লেখিকাই অলপ কষ্ট স্বীকাৰ কৰি বিশ্ববিদ্যালয় কৰ্তৃপক্ষক লগ পাই প্ৰকৃত কথাৰ ভূ-লবলৈ চেষ্টা কৰা হ'লে এনে ধৰণে সত্যৰ অপলাপ কৰিব লগা নহ'লহেঁতেন।

*পঞ্জীয়ক*
ডিব্ৰুগড় বিশ্ববিদ্যালয়

OKDISCD

# কবীন ফুকনৰ মুখাৰ আঁৰৰ 'ভাৱবাদ'

কুমুদ বৰুৱা

## (ক)

'Matter is a philosophical category denoting the objective reality which is given to man by his sensations, and which is copied, photographed and reflected by our sensations, while existing independently of them'.

(V. I. LENIN.)

বৈজ্ঞানিক যুক্তিবাদে অসমত গা কৰি উঠিছে বুলি ক'বলৈকে ভয় হৈছে। অতিশয় দুৰ্ভাগ্যজনক যে, আশাৰ বিপৰীতে বিদ্বৎ সমাজতেই তাৰ প্ৰতি ঘাই অবিচাৰ লক্ষণীয়। ইয়াৰ কাৰণ যথাৰ্থ জ্ঞানৰ অভাৱ নে ইচ্ছাকৃত বিকৃতি? পঢ়িবলৈ পাইছিলো যে যুক্তি বস্তুটোৰ প্ৰয়োগগত ব্যক্তি অভ্যস্ত হ'লেও সি মূলতঃ ব্যক্তিৰ নিজৰ সম্পত্তি নহয়, সমাজৰহে সম্পত্তি। কিন্তু যুক্তিৰ অপ-প্ৰয়োগৰ ফলত সৃষ্টি হোৱা বস্তুও সমাজৰ সম্পত্তি নে? সেই বিচাৰ যুক্তিবাদী পাঠকৰ হাতলৈ থলো।

'সূত্ৰধাৰ'ৰ পাতত (১-১৫ আৰু ১৬-৩০ ছেপ্তেম্বৰ, ১৯৯১) যশস্বী কবি শ্ৰীযুত নৰকান্ত বৰুৱাদেৱৰ ওপৰত লিখা ৰচনাটোৰ পৰা যি ধৰণৰ যুক্তিবাদী প্ৰতিক্ৰিয়া মই আশা কৰিছিলো, তাৰ বিপৰীতে শ্ৰীযুত কবীন ফুকনদেৱৰ প্ৰথম প্ৰতিক্ৰিয়া ৰূপত লিখা 'যুক্তিবোৰ'.পঢ়ি মোৰ হ'লে মনৰ সংশয়হে বাঢ়িব লাগিছে। বৈজ্ঞানিক তত্ত্ব অথবা বিশ্বাসৰ লগত বাস্তৱ কাৰ্যকৰণৰ (phenomenon) সম্পৰ্ক সঠিকভাৱে বুজিব নোৱৰা বা বুজিবলৈ ইচ্ছা নকৰা মানুহৰ বাবে গোড়ামি অথবা নিজৰ জ্ঞান-বুদ্ধিক সৰ্বোৎকৃষ্ট বুলি ভবা এক ধৰণৰ কৰ্তৃত্বৰ (Authority) প্ৰতি বুৰ্জোৱা মোহ সততেই প্ৰবল। কিন্তু প্ৰশ্ন উঠে, সেই গোড়ামি তথা কৰ্তৃত্বৰ গুৰিত সাহস যোগোৱা যুক্তিৰ ভিত্তি কি? শ্ৰীযুত ফুকনদেৱৰ যুক্তিবাদক চিন্তনৰ এক নিৰ্ভৰযোগ্য পদ্ধতিৰ ফল বুলি বিবেচনা কৰিব পাৰিনে? আশা ৰাখিছো এনে মৌলিক প্ৰশ্নৰ উত্তৰ বিচাৰিব পাৰিলেহে তেখেতৰ প্ৰতিবাদৰ চিঠিত (সূত্ৰধাৰ, ১-১৫ নৱেম্বৰ, ১৯৯১) সগৌৰৱেৰে দাঙি ধৰা 'কৰ্তৃত্ব-সুলভ' যুক্তিৰ সমুচিত প্ৰত্যুত্তৰ পাঠকৰ জ্ঞাতাৰ্থে খাড়া কৰিব পাৰিম।

চিঠিখন পঢ়িলে বুজাত এধানিও পলম নহয় যে তাৰ এটা প্ৰধান, প্ৰচ্ছন্ন ইংগিত হ'ল এই যে কবি নৰকান্তৰ আলোচনাত তেখেতৰ প্ৰসংগটো মই অপ্ৰয়োজনীয় ভাৱে টানি আনিছো। যিহেতু তেখেতে নিজেই



পৰিষ্কাৰ কৰি দিয়া মতে 'ইয়াত নদী আছিল' কবিতাৰ সাহিত্য বিচাৰৰ অৰ্থে কৰা নিৰ্বচনটো (Interpretation) প্ৰধানকৈ নৈৰ্ব্যক্তিক ধৰণৰ আছিল, (অৰ্থাৎ, সমালোচনাৰ খাতিৰত সমালোচনা আছিল,– যেনেকৈ 'নৈৰ্ব্যক্তিক প্ৰত্যুত্তৰ'ৰ প্ৰসংগ সংগত কৰা হৈছে!) সেয়ে মই উত্থাপন কৰা অভিযোগ 'বহুদূৰ প্ৰসংগচ্যুত' (Decontextualized)। যুক্তিৰ ৰাজহুৱা স্বাৰ্থৰ ভূমিকাৰ পৰিপ্ৰেক্ষিততেই পুনৰবাৰ দোহাৰো যে মোৰ চিন্তন-প্ৰক্ৰিয়াত কোনো বিজুতি ঘটা নাই ('নিতান্তই ভ্ৰমযুক্ত' হৈছে বুলি মন্তব্য কৰা হৈছে) আৰু আলোচ্য কবি গৰাকীৰ ৰাজহুৱা মূল্যায়নৰ পৰি-প্ৰেক্ষিততেই মোৰ অভিযোগৰ পূৰ্বৰ স্থিতি সলনি কৰাৰো কোনো 'সঠিক' অভিনৱ যুক্তি মই তাত বিচাৰি পোৱা নাই। মোৰ যুক্তিবোৰ পৰিষ্কাৰ কৰিবলৈ, শ্ৰীযুত ফুকনদেৱৰ মূল পাঠৰ পৰা (সূত্ৰধাৰ, ১৬-৩০ জুন '৮৯) পুনশ্চ দুটা উদাহৰণ দাঙি ধৰাৰ প্ৰয়োজন বোধ কৰিছোঃ

(১) 'প্ৰায় দুটা দশকৰ আগতে লিখা এই কবিতাটিত আগতীয়াকৈয়ে যেন অনুভূত হ'ল সাম্প্ৰতিক কালৰ অশ্লীল আৰু দুৰ্বিসহ অৱক্ষয়ৰ এখন মূৰ্ত ছবি। কবিতাটিত থকা অনুভূতিৰ প্ৰবাহে এক ক্ষয়িষ্ণু বস্তু জগতক জীৱন ধৰ্মী চেতনাৰ পোহৰেৰে পোহৰাইছে। এনেকৈয়ে "ইয়াত নদী আছিল"ৰ নিচিনা সাৰ্থক কবিতাই পঢ়ুৱৈৰ হৃদয় আৰু মগজুক বস্তু জগতৰ আৰু বস্তু জগতক হৃদয় আৰু মগজুৰ অভিমুখে পোনাই দিয়ে। এনে সংযোগতেই কবিতাৰ অভ্যন্তৰত অৰ্থৱহ বাস্তৱবোধ ওপজে।'

ইয়াত কোনো পৰম প্ৰত্যয় অথবা চেতনাৰ মুখ্য ভূমিকাই অলৌকিক শক্তিৰ বলত বস্তুক নিয়ন্ত্ৰণ কৰিব খোজা নাই নে? তৃতীয় বাক্যটিত তেখেতৰ 'দ্বন্দ্বজ্ঞান'ৰ (Knowledge of Dialectics) ব্যৱহাৰে তেখেতক নিজকে এটা স্ব-বিৰোধী অৱস্থানলৈ নিমন্ত্ৰণ কৰি কবিতাৰ যথাৰ্থ বিচাৰকেই ধুঁৱলী-কুঁৱলী কৰি তোলা নাই নে? শ্ৰীযুত কবীন ফুকনদেৱৰ মতে বস্তু জগতৰ পৃথক বাস্তৱ মানুহৰ চেতনাৰ অভ্যন্তৰত – শেষৰ বাক্যটিয়ে তেনে এটা ইংগিতকে আমাক দিয়া নাইনে?

(২) 'এনে এক প্ৰাথমিক বৌদ্ধিক প্ৰত্যয় অনুভূত প্ৰত্যয় ৰূপে প্ৰকাশ পাইছে "ইয়াত নদী আছিল" কবিতাটোত। এই প্ৰত্যয় বৈজ্ঞানিক সমীক্ষাৰ ঊৰ্দ্ধত; অনুভূতিৰ নিষ্ঠা আৰু পোহৰ এনে প্ৰত্যয়ৰ একমাত্ৰ প্ৰমাণ।'

অৰ্থাৎ, শ্ৰীযুত ফুকনদেৱৰ মতে অনুভূতিৰ যি নিষ্ঠা আৰু পোহৰে বস্তু জগতৰ 'ক্ষয়িষ্ণু' ধাৰণা মুকলি কৰিব পাৰে, তেনে চেতনাই বস্তুৰ পৃথক বাস্তৱো প্ৰকাশ কৰিব পৰাটোও যুক্তিসংগত। তাৰ মানে, তেখেতৰ বিচাৰত বৌদ্ধিক চেতনাই প্ৰাথমিক নহয় জানো? তেখেতৰ বিচাৰত এয়াই 'শুদ্ধ' 'Materialistic outlook' নহয় জানো? শ্ৰীযুত ফুকনদেৱৰ চিন্তাৰ গতি-প্ৰকৃতি দেখি সহজেই ধাৰণা কৰিব পাৰি যে, (যিটো দৰাচলতে প্ৰতিবাদৰ চিঠিত প্ৰমাণিত হৈ গৈছে) প্ৰকৃততে তেখেতৰ কোনো সঠিক (correct) যুক্তিবাদী দৃষ্টিভংগী নাই। গোলমাল আচলতে সেইখিনিহে। বৈজ্ঞানিক বস্তুবাদৰ মতে, বস্তু সম্পৰ্কত তেনে জ্ঞান নিৰ্ভুল নহয়। লেনিনৰ উল্লিখিত ভাবোদ্দীপক মন্তব্যই এই ক্ষেত্ৰত সকলো যথাৰ্থ বস্তুবাদীৰ দ্বাৰা সমাদৃত মন্তব্য।

গতিকে বিভ্ৰম প্ৰকৃততে কাৰ ঘটিছে, সেই সম্পৰ্কে অধিক মন্তব্য নিষ্প্ৰয়োজন। পাঠকে নিজেই বিচাৰ কৰিব পাৰিব। এনে বিৰোধ, শুদ্ধ বস্তুবাদী দৃষ্টিভংগী গ্ৰহণ নকৰা শিল্পী-বুদ্ধিজীৱীৰ বাবে অৱধাৰিত। এই প্ৰসংগতে, তেনে শিল্পী-বুদ্ধিজীৱীৰ চিন্তাত অন্তৰ্নিহিত দ্বন্দ্বৰ অনিবাৰ্য পৰিণামৰ ওপৰত বিখ্যাত মাৰ্ক্সবাদী সমালোচক CHRISTOPHER CAUDWELL-এ কৰা এষাৰ সাৰুৱা মন্তব্য এই ক্ষেত্ৰত বিশেষ ভাৱে প্ৰযোজ্য হবঃ At each stage the bourgeois contradiction by unfolding itself revolutionises its own base and secures a fresh development of technical resources... .............. But it cannot continue indefinitely. The conflict between technical resources and content reaches a limit where it explodes and begins to turn into its opposite' (ILLUSION AND REALITY, P. 110). স্পষ্টভাৱে ধাৰণা কৰিব পাৰি যে শ্ৰীযুত কবীন ফুকনদেৱে তেখেতৰ নিজস্ব ভাৱবাদী ধাৰণাবলয়ত অৱস্থান কৰা বস্তুবাদী বিজ্ঞানৰ illusion-ৰ মাজতহে যথাৰ্থ কবিতাৰ মৰীচিকা খেদি ফুৰিছে। তাৰ ফল তেওঁ হাতে হাতে পাই থকা নাইনে? ('এনেকৈয়ে দিন এনেকৈয়ে ৰাতি' দ্ৰষ্টব্য!)।

## (খ)

এফালে শ্ৰীযুত ফুকনদেৱে মানি লৈছে যে 'Mass of Matter' অক্ষয়। কিন্তু তেল পুৰৰ পৰা বাষ্প জুলি-পুৰি নিঃশেষ হোৱা কাৰ্য, শিল ক্ষয় হোৱা কাৰ্য, লোহা মামৰ হোৱাৰ কাৰ্য– ক্ষয়তকৈ এনেবোৰ কাৰ্যকৰণৰ অন্যান্য Scientific interpretation আছে যদিও, সাধাৰণ অৰ্থত ক্ষয় পোৱা বুলিলেও পদাৰ্থ বিজ্ঞানীয়েই কিয়, আমিও মানো যে, তাত সাধাৰণ মানুহো জাঙুৰ খাই নুঠে। ইয়াৰ পোনপটীয়া অৰ্থ, তেখেতৰ 'ক্ষয়িষ্ণু বস্তু জগত'ৰ ধাৰণা সত্বেও মই জাঙুৰ খাই উঠিব নেলাগিছিল। কিন্তু মই ভাবো, তেখেতৰ 'যথাৰ্থ' কাব্যিকতা ল'ব'ৰ ধেমালি নহয়। কিয়নো তেখেতে এনেবোৰ কথা গুৰুত্ব সহকাৰে ব্যক্ত কৰাৰ পিছতেই নিজেই দেখোন কৈছে– "এইবোৰ বস্তু জগতত সঁচাসঁচিকৈ হোৱা ক্ষয়, এইবোৰ অবৈজ্ঞানিক বাতুলৰ কল্পনা নহয়"। এনেকুৱা স্ব-বিৰোধে কি প্ৰমাণ কৰে? বিভ্ৰম নে Authority সুলভ অসাধাৰণ কাব্যিকতা?

মোৰ এই প্ৰত্যুত্তৰতে স্পষ্ট কৰি দিব খোজো যে শ্ৰীযুত ফুকনদেৱে বস্তু জগতৰ নানান পৰিবৰ্তন তথা বিকাশকে 'সঁচাসঁচিকৈ' হোৱা 'ক্ষয়' বুলিহে ভাবে। একে কাৰণতে তেখেতৰ বিশ্বাস যে 'ক্ষয়িষ্ণু বস্তু জগত'ৰ এনেকুৱা বাস্তৱ ধাৰণাই 'ইয়াত নদী আছিল' নামৰ কবিতাটোৰ কেন্দ্ৰীয় ধাৰণা। 'ক্ষয়িষ্ণু বস্তু জগত' নামৰ বাক্যাংশক আমি 'নিৰ্দোষ' বুলি মানি ল'লোহেঁতেন, যদিহে প্ৰকৃত বৈজ্ঞানিক কাৰণ সত্বেও বাষ্প জুলি-পুৰি শেষ হোৱা কাৰ্যক 'ক্ষয়' বোলাৰ দৰে, 'ক্ষয়িষ্ণু বস্তু জগত'ৰ ধাৰণাটোকো আমি 'সাধাৰণ' অৰ্থত ব্যৱহাৰ কৰিব পাৰিলোহেঁতেন। কবি নৰকান্তই লেখিছিল–

"এইদৰে শেষ হোৱা ....... এই যে ৰোমান্স মৰণ......
ই যে প্ৰৌঢ়া ৰমণীৰ ৰমণ বিলাস, অনভিজ্ঞ কিশোৰৰ স'তে। য'ত
প্লানিৰ অতৃপ্তি নাই, তৃপ্তিৰ অশান্তি নাই,
ধ্বংসৰ সৌন্দৰ্য নাই– কেৱল ক্ষয়ৰ আবিলতা,
অনায়াস গ্ৰহণৰ কেৱল ক্লীৱতা।"

[Emphasis লেখকৰ নিজা] ['ইয়াত নদী আছিল']

ইয়াত (অথবা সমগ্ৰ কবিতাটোতে ) 'ক্ষয়'ৰ অৰ্থাৎ 'ক্ষয়িষ্ণু বস্তু জগত'ৰ কি দৰ্শন বা তত্ত্ব কথা আছে আমাৰ চুটি মগজুৱে ঢুকি পোৱা নাই। তাৰ উপৰি নদী শুকাই যোৱা, বন-বিৰিখ কাটি তহিলং কৰা, মাটিৰ উৎপাদিকা শক্তি কমি যোৱা, জড় জগতৰ অন্যান্য আটক সম্পদ হ্ৰাস পাই অহা কাৰ্যই 'ক্ষয়িষ্ণু বস্তু জগত'ৰ তত্ত্ব কথা প্ৰচাৰ কৰে বুলিও দেখোন পতিয়ন যাব নোৱাৰো। এনেবোৰ 'পৰিৱৰ্তন' সঁচাসঁচিকৈ হোৱা 'ক্ষয়' নে? দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰে 'বস্তুগত' ভাৱে দেহ আৰু মনৰ 'ক্ষয়' সম্ভৱ কৰি তুলিব পাৰে নে?

যথাৰ্থ বৈজ্ঞানিক দৃষ্টিকোণেৰে পণ্ডিত সকলে এনেকুৱা বিভ্ৰমৰ কাৰণ কেতিয়াবাই নিৰ্ণয় কৰি থৈ গৈছে। দাৰ্শনিক কান্ট, হেগেল, ফয়েৰবাখ আদিৰ চিন্তাৰ পৰা মুক্ত হৈ বা তাৰ বহুতো লাগতিয়াল সাৰ গ্ৰহণ কৰি মহামতি মাৰ্ক্স এংগেলচে এই দিশত যুগান্তকাৰী বিশ্ববীক্ষা (World outlook) আমাৰ বাবে এৰি গৈছে। শ্ৰীযুত ফুকনদেৱে আঙুলিয়াই দেখুৱাব খোজা অধিবিদ্যাগত (Metaphysical) অথবা ভাৱবাদী (Idealist) তত্ত্ব কথাৰে আমাৰ বস্তুবাদী ধাৰণাৰ সংশোধন নহয় কিন্তু!

আমাৰ কথাবোৰ কিছু ব্যাখ্যা কৰাৰো প্ৰয়োজন হয়তো আছে। পাৰিপাৰ্শ্বিক জগতৰ বিভিন্ন বস্তু, ঘটনা আৰু পৰিৱৰ্তন প্ৰক্ৰিয়া সমূহ সযত্নে লক্ষ্য কৰিলে দেখা যাব যে সেইবোৰৰ বোধগম্যতা হয়তোবা বস্তুগত নহ'লে ভাৱগত। সেইবোৰেই হ'ল বস্তুগত যিবোৰৰ বাস্তৱ অস্তিত্ব আছে, যি অস্তিত্ব মানুহৰ চেতনাৰ বাহিৰত অৱস্থিত আৰু তাৰ ওপৰত নিৰ্ভৰশীল নহয়। আনফালে যিবোৰ অস্তিত্ব মানুহৰ চেতনাৰ অভ্যন্তৰত আৰু যিবোৰ তেওঁৰ মানসিক ক্ৰিয়াকলাপৰ লগত যুক্ত তেনেবোৰৰ বোধগম্যতাই হ'ল ভাৱগত।

কিন্তু বস্তুগত (Material) আৰু ভাৱগত (Ideal) বোধগম্যতা হ'ল একো একোটা পৃথক পৃথক বাস্তৱ। কিন্তু এনে পাৰ্থক্য সত্বেও এই দুয়োবিধ বাস্তৱৰ মাজত নিৰ্দিষ্ট এটা সম্পৰ্কও আছে। বস্তু (Matter) আৰু চেতনাৰ (conciousness) মাজত, বস্তুগত আৰু ভাৱগতৰ মাজত সম্পৰ্কৰ মৰ্মাৰ্থৰ প্ৰশ্নটোৱেই হ'ল দৰ্শনৰ (Philosophy) মৌলিক প্ৰশ্ন।

যিসকল দাৰ্শনিক বা বুদ্ধিজীৱীয়ে বিশ্বাস কৰে যে বস্তুৱেই মুখ্য (Primary). চৈতন্য গৌণ (Secondary) আৰু চৈতন্যৰ বাস্তৱতা বস্তুগত সত্তাৰ ওপৰত নিৰ্ভৰ কৰে, সেই সকলে গঠন কৰে বস্তুবাদী শিবিৰ। আৰু যিসকলে চেতনাক মুখ্য আৰু বস্তুক গৌণ বুলি ভাবে, তেওঁলোকে গঠন কৰে ভাৱবাদী শিবিৰ।

শ্ৰীযুত কবীন ফুকনদেৱ ভাৱবাদীৰ শিবিৰত পৰে। কিন্তু বস্তুবাদী শিবিৰৰ লগত তেওঁলোকৰ সংগ্ৰাম অৱধাৰিত। সেয়ে দৰ্শনৰ ওপৰোক্ত মৌলিক প্ৰশ্নটোৰ উত্তৰ এৰাই চলিবলৈ কৰা যিকোনো প্ৰচেষ্টাই ব্যৰ্থ হবলৈ বাধ্য। যিহেতু পাৰিপাৰ্শ্বিক জগতখনক, তাৰ বিভিন্ন কাৰ্যকৰণক নিৰ্মোহ ভাৱে উপলব্ধি কৰিবলৈ চেষ্টা কৰাৰ পৰিবৰ্তে, ভাৱবাদী সকলে নিজৰ চিন্তা, অনুভূতি আৰু

ভাবাবেগক বোধশক্তিৰ অভিমুখে ঢাল খুৱায়; সেয়ে, তেওঁলোকৰ চৈতন্যত আলোকিত 'বস্তুবাদী' আশাবাদ আৰু মানৱতাবাদ সদায়েই নৈৰাজ্যৰ কবলত পৰিবলৈ বাধ্য। বুৰ্জোৱা সমাজ ব্যৱস্থাৰ বিকাশে এই সত্য প্ৰতিদিনেই উন্মোচন কৰিব লাগিছে। শুদ্ধ বস্তুবাদী স্থিতি লব নোৱৰাৰ বাবেই, আশাভংগ আৰু অসাফল্যৰ মাজতো, এই ভাববাদী সকলে বুৰ্জোৱা আশাৰ মাজত বিৰোধ তথা বিশ্বাসঘাতকতা হৃদয়ংগম কৰাত সদায়েই বিফল হয়। এনে কাৰণতেই, আপাততঃ সঠিক যেন লগা শ্ৰীযুত ফুকনদেৱৰ চিন্তাৰ মাজতো Absolute Idea-ৰ প্ৰাধান্য বা প্ৰাথমিকতাৰ বিৰোধ লক্ষ্য কৰিব পাৰি। সেয়ে দৃঢ়তাৰে কওঁ, প্ৰত্যুত্তৰ ৰূপত শ্ৰীযুত ফুকনদেৱৰ লেখাটো– 'An idealist offensive against scientific materialism'! কিয়নো, ভাববাদীৰ দৃষ্টিত 'মুখ্য' চেতনাই বস্তু জগতৰ সঁচাৰ্সঁচিকৈ হোৱা ক্ষয়ৰ ধাৰণা লৈ বৈজ্ঞানিক দ্বন্দ্বমূলক বস্তুবাদৰ (Dialectical Materialism) ভেটিতেই কুঠাৰাঘাত কৰে। 'সাধাৰণ' অৰ্থতো মানি লওঁ কেনেকৈ? সমস্যাৰ তাতেই শেষ বুলি জানিব পৰা হ'লেও কথা নাছিল। কিন্তু শ্ৰীযুত ফুকনদেৱৰ বাবে এনে ধাৰণাই 'সাধাৰণ'ৰ পৰা 'বিকশিত' হৈ সি 'পৰম প্ৰত্যয়ত' (Absolute Idea) নিমজ্জিত হৈছেগৈ– যিটো মৌলিক কথাক তেখেতে 'ইয়াত নদী আছিল' কবিতাৰ 'কেন্দ্ৰীয় ধাৰণা' বুলিও নিজ মুখে স্বীকাৰ কৰিছে।

ফ্ৰেডাৰিক এংগেল্‌চে দঢ়াই দঢ়াই কৈ গৈছিল যে বস্তুৰ ধাৰণাটোক ইয়াৰ কোনো মূৰ্ত প্ৰৰূপ অথবা অভিব্যক্তিৰ (concrete types or manifestations) লগত অভিন্ন ৰূপত চাব নেলাগিব। আনহাতে কিন্তু বস্তুক সেই অৱস্থাতে, ইয়াৰ মূৰ্ত অভিব্যক্তিবোৰৰ বাহিৰত অধ্যয়ন কৰিবলৈ প্ৰকৃতিবিদ (Naturalists) সকলৰ যি প্ৰচেষ্টা, তাকো তেওঁ সমালোচনা কৰিছিল।

বস্তু জগতৰ উল্লিখিত যিবোৰ Phenomenaৰ জৰিয়তে শ্ৰীযুত কবীন ফুকনদেৱে objective reality-ৰ মূৰ্ত প্ৰৰূপ বা অভিব্যক্তি দেখা পাইছে, সেয়া জানো বস্তু জগতৰ কাৰ্যকৰণৰ প্ৰকৃত সত্য? Metaphysical ধাৰণা থাকিলেহে, তেনে ব্যক্তিয়ে বস্তু জগতৰ (প্ৰকৃতিৰ) পৰিবৰ্তন আৰু বিকাশ প্ৰক্ৰিয়াক, ইতিমধ্যেই যাৰ অস্তিত্ব আছে, তাৰ মাজতেই মাথোন হ্ৰাস অথবা বৃদ্ধি হিচাপে দেখে। মাৰ্ক্সৰ আগৰ (Pre–Marxian) বস্তুবাদী ধাৰণাতো Natural Science-ৰ গাত ভেঁজা দিয়া ভাববাদী মনোবৃত্তি আছিল প্ৰবল। একে ধৰণেই শ্ৰীযুত ফুকনদেৱেও আধুনিক বিজ্ঞানৰ ধ্যান-ধাৰণাৰ (?) লগত, নিজৰ ধ্যান-ধাৰণাৰ বিসংগতি লক্ষ্য কৰিব পৰা নাই। দৰাচলতে এয়া আত্ম-প্ৰবঞ্চনা মাথোন। তেওঁৰ ধ্যান-ধাৰণাক সমৰ্থন কৰা বিজ্ঞানৰ হয়বোলনৰ সত্য তেখেতে 'যুক্তি-তথ্যে'ৰে প্ৰমাণ কৰি দেখুৱাব পাৰিব নে?

## (গ)

এক বিশেষ ধৰণৰ বৌদ্ধিক আত্মপ্ৰত্যয়ত উদ্বুদ্ধ বহুতো আধুনিক কবিৰ বুৰ্জোৱা আশাবাদ আৰু মানৱতাবাদৰ স্বৰূপ আজি নানা তৰহৰ Anarchism-এ উদঙাই দেখুৱালৈ চাই 'প্ৰয়োজনীয় সকীয়নি'ৰ ৰহস্যোদ্ধাৰ হয়তো ইয়াত নকৰিলেও চলিব! তেখেত সকলৰ ভাববাদী দৰ্শন যেতিয়া Agnosticism-ৰ সমাৰ্থক হয়, তেতিয়াই এনেকুৱা ভাববাদীৰ বাবে 'Pseudo Scientific camouflage'-ৰ প্ৰয়োজন আহি পৰে। তেনে কষ্টকৰ, অধ্যৱসায়ী পক্ষপাতিত্বৰ পৰিবেশত সুস্থ বিতৰ্কৰ অৱকাশ নাইকিয়া হয়। 'ক্ষয়িষ্ণু বস্তু জগত'ৰ ধাৰণাৰে বুৰ্জোৱা কবিৰ অনুভূতিশীলতা যদি এটা 'অজ্ঞেয়বাদী' বাস্তৱতা, তেনেহ'লে সেই অনুভূতিশীলতা 'Wasted Sensibility'-ৰেই এটা 'নিৰ্দোষ' বাস্তৱতা মাথোন। আমাৰ সাম্প্ৰতিক পৰিবৰ্তিত পৰিস্থিতিয়ে প্ৰমাণ কৰে যে তাৰ বিকশিত এটা স্তৰত বুৰ্জোৱা মানৱতাবোধৰ ৰাজ্যত চূড়ান্ত নৈৰাজ্য অৱধাৰিত। কিন্তু আমাৰ মনে নধৰে যে কবি নৱকান্তৰ 'ক্ষয়ৰ আবিলতা'ই 'ক্ষয়িষ্ণু বস্তু জগত'ৰ কেন্দ্ৰীয় ধাৰণা সমৰ্থন কৰে।

আমাৰ এনেবোৰ চিন্তা, অনুসন্ধান আৰু বিচাৰ-বিশ্লেষণত, আমাৰ ভাষা সদায়ে প্ৰকাশক্ষম হৈ নুঠিবও পাৰে। সেয়ে সহৃদয় পাঠকলৈ অনুৰোধ, মানৱ সমাজ বিকাশৰ প্ৰগতিশীলতাৰ স্বাৰ্থত, তেখেতসকলে দৰ্শনৰ (Philosophy) আদি পাঠৰ সহায়ত, বৈজ্ঞানিক বস্তুবাদৰ (Scientific Materialism) জ্ঞানেৰে ভাববাদৰ ধূসৰ জাল ফালি তাত সঠিক জ্ঞানৰ পোহৰ পেলাব। অন্তিম বিচাৰত শ্ৰীযুত কবীন ফুকনদেৱৰ 'জড়-অৱক্ষয়'ৰ (নে ৰূপান্তৰ? কবি নৱকান্তই বা আচলতে কি কথা বুজিছিল!) 'conception'এই আচলতে পৰিষ্কাৰ নহয়। এনে পৰিস্থিতিত বস্তুবাদৰ (Materialism) বৈজ্ঞানিক আলোচনাৰ পথ ৰুদ্ধ হয় আৰু আমাৰো মূল্যবান সময় 'বৰবাদ' নোহোৱাকৈ নেথাকে।

বাকী থাকিল কবি-সুলভতা, পক্ষপাত-দুষ্টতা, প্ৰতিক্ৰিয়াশীলতা আদিৰ ব্যৱহাৰৰ বিষয়টো। ভাববাদী শিবিৰৰ পক্ষ লোৱা বাবে, বস্তুবাদীয়ে পক্ষপাতিত্বৰ অভিযোগ আনিলে ভুল হব জানো? আৰু ন্যায় বিচাৰৰ স্বাৰ্থত তেনেজাতীয় প্ৰতিক্ৰিয়াশীলতাও বাস্তৱ অভিযোগ। যি 'Wasted Sensibility'-ক শ্ৰীযুত ফুকনদেৱে কবি-সুলভ বুলি ভাবে, আমি তেনেকৈ নেভাবো। কাৰণ এনে কবি সুলভতাই অবৈজ্ঞানিক প্ৰত্যয়ৰ জন্ম দি নৈৰাজ্যৰ ৰাজ্যত আত্মপ্ৰত্যয়হীন কবিৰ শ্বাসহে ৰুদ্ধ কৰে।

চিন্তা, অনুসন্ধান আৰু বিশ্লেষণ শূন্যতাৰ অভিযোগৰ প্ৰত্যুত্তৰত কওঁ যে বিপৰীত দাৰ্শনিক পদ্ধতি হিচাপে দ্বান্দ্বিক অৱস্থান আৰু অধিবিদ্যাগত অৱস্থান (concept of method — Dialectics and Metaphysics as opposite philosophical methods)— এই মূল বিষয়ৰ জ্ঞানেই শ্ৰীযুত ফুকনদেৱক বুজাই দিব যে মোৰ চিন্তা, অনুসন্ধান আৰু বিশ্লেষণ, শূন্যতাৰ নামান্তৰ নহয়; বৰং নিৰ্দিষ্ট পদ্ধতিৰে বক্তব্য ৰখাৰ উপায়। মোৰ বক্তব্য হ'ল যে বস্ত জগতক মই 'অৱক্ষয়ী' বুলি নেভাবো। বোলো কথাতে কয়–'নেখাওঁ ভাত খুৱালি, নোচোবাওঁ কি কৰ কৰ', অন্য কোনো ধৰণৰ প্ৰতিৰোধ-ব্যৱস্থা সদ্যহতে মোৰ হাতত নাই। মোৰ Standpoint-ৰ পৰা এনেকুৱা দৃষ্টিভংগীয়েই শুদ্ধ যে– 'Matter is eternal'। চিন্তা, অনুসন্ধান আৰু বিশ্লেষণৰ গভীৰতাৰ মাজেৰে আমি এইটোৱেই খাটাংকৈ বুজি পাওঁ যে সকলো কবিতাৰ বাবেই বক্তব্যই তাৰ প্ৰাণ; যদিও, সি শেষ কথা নহয় বুলিও বহুতে ক'ব খোজে। নিজৰ যুক্তি-তথ্যৰ অভাৱত 'সাধাৰণ উল্লেখেৰে' (General remark) তেনে উপলব্ধিৰ বাবে প্ৰয়োজনীয় উদ্যমক চিন্তাশূন্যতা বুলি ক'লেই কিন্তু সি শিলৰ ৰেখা হৈ নেযায়। 'ইয়াত নদী আছিল' কবিতাৰ নিৰ্বচনৰ ভেটি স্বৰূপ 'ক্ষয়িষ্ণু বস্তু জগত'ৰ 'conception'-ৰ correctness-ৰ ওপৰতেই আজি আমাৰ আপত্তি আছে। চিন্তা, অনুসন্ধান আৰু বিশ্লেষণ শূন্যতাৰ দোষে আচলতে কাক চুবগৈ, সময়েহে তাক প্ৰমাণ কৰিব।






## গ্ৰন্থবাৰ্তা

বছৰটোত বাৰু অসমীয়া সাহিত্যৰ কিতাপ কেইখন প্ৰকাশ হয়? যি কেইখন প্ৰকাশ হয় তাকো উপযুক্ত প্ৰচাৰৰ অভাৱত পাঠক সকলৰ অনেকেই গমকে নাপায়। সেই বাবেই এই শিতানত লেখক সকলে প্ৰস্তুত কৰি থকা বা ছপাবলৈ দিয়া কিতাপৰ খবৰ আগ্ৰহী পাঠক সকলক দিবলৈ দিহা কৰা হৈছে। ইচ্ছুক লেখক বা প্ৰকাশক সকলে প্ৰকাশ হ'ব লগীয়া কিতাপৰ খবৰ পঠালেও এই শিতানত অন্তৰ্ভুক্ত কৰা হ'ব।

অসম সাহিত্য সভাৰ সভাপতিৰ কাৰ্যভাৰ নতুন সভানেত্ৰী গৰাকীক অৰ্পণ কৰাৰ পিছত শ্ৰীনৱকান্ত বৰুৱাই এতিয়া আজৰি পাইছে আৰু আকৌ লেখাৰ কামত ধৰিছে। তেখেতৰ কেইবাখনো কিতাপ কিছুদিনৰ পিছত পঢ়ুৱৈ সকলে পাব বুলি আশা কৰিব পাৰি।

পঢ়ুৱৈ সকলে নিশ্চয় জানে যে কবিতা, গীত, উপন্যাস, শিশু সাহিত্য, প্ৰবন্ধৰ উপৰিও শ্ৰীবৰুৱাই অনুবাদৰ যোগেদিও আমাৰ সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। কিছু বছৰৰ আগতে তেখেতে হুইটমেন, ৰবীন্দ্ৰনাথ, নজৰুল ইছলাম, পুস্কিন, ভাস্ক' পপা, সুমিত্ৰানন্দন পন্তৰ কবিতাৰ অনুবাদ আগবঢ়াইছিল। এইবাৰ তেখেতে অন্যতম বিশ্ববন্দিত কবি গ্যেটেৰ বিখ্যাত 'ফাউষ্টৰ' অনুবাদ কৰিছে। গ্ৰন্থখন প্ৰকাশৰ পথত।

তদুপৰি, পাঠক সকলে জানি হয়তো আনন্দিত হ'ব যে তেখেতৰ নিৰ্বাচিত কবিতাৰ বাংলা ভাষান্তৰৰ সংকলন এটি অলপতে প্ৰকাশ পাব। 'বন্ধু-সুজন' নামেৰে তেখেতৰ লিমাৰিক বিলাকৰ সংকলন এটাও প্ৰকাশৰ পথত।

কবি সাহিত্যিক গৰাকীয়ে মুখ্য সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰা অধুনা-লুপ্ত মাহেকীয়া আলোচনী 'সীৰলু'ৰ সম্পাদকীয় প্ৰবন্ধখিনিয়ে চিন্তাশীল মহলত দৃষ্টি আকৰ্ষণ কৰিছিল। 'সীৰলুৰ শহ' নামেৰে প্ৰবন্ধখিনিৰ সংকলন এটাও প্ৰকাশৰ যো-জা চলিছে।

*–সাহিত্যদূত*

# সত্ৰীয়া সংস্কৃতিৰ মনোজ্ঞ অনুষ্ঠান

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়, কলিকতাৰ পূব-মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰ আৰু ডিমাপুৰৰ উত্তৰ-পূব মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰৰ সমূহীয়া উদ্যোগত যোৱা ১৪ নৱেম্বৰৰ শিশু দিৱসৰ সন্ধিয়া স্থানীয় ৰবীন্দ্ৰ ভৱনত শিশু সাংস্কৃতিক অনুষ্ঠান এখন উপভোগ কৰিছিলো। কলিকতা আৰু ডিমাপুৰৰ সাংস্কৃতিক কেন্দ্ৰই উদ্যোগ গ্ৰহণ কৰিলেও সেই দুই অঞ্চলৰ কোনো অনুষ্ঠান অৱশ্যে দেখুওৱা নহ'ল। মূলতঃ বৰপেটা অঞ্চলৰ দল তিনিটায়ে সিদিনাৰ সন্ধিয়াটো উপভোগ্য কৰি তুলিছিল। তাৰ উপৰি আছিল গুৱাহাটীৰ গোবিন্দ ৰাম কলিতা সত্ৰীয়া গৱেষণা আৰু চৰ্চা কেন্দ্ৰ, ৰাজ্যিক বাল-ভৱন আৰু গুৱাহাটী সত্ৰীয়া সংস্কৃতি আৰ্হি গৱেষণা আৰু চৰ্চা কেন্দ্ৰৰ শিশু আৰু কিশোৰ শিল্পীসকল।

বৰপেটাৰ সত্ৰীয়া সংস্কৃতি সেৱা সমিতিৰ শিল্পী– কল্পনা, মৃদুলা, মল্লিকা, জুপিতৰা আৰু দুলুৰাণীয়ে ৰূপায়ণ কৰা 'মাটি আখৰা' নামৰ ঝুমুৰা ভিত্তিক নৃত্যটি উচ্চ পৰ্যায়ৰ হৈছিল। বিশেষকৈ কল্পনা দাসৰ অংগ সঞ্চালন আৰু ব্যায়াম কৌশলৰ প্ৰদৰ্শন অতি মনোমোহা। লোকগীত পৰিবেশনৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতি বহণ কৰিছে বৰপেটা বামুনা সত্ৰৰ শিশু শিল্পী নিৰ্মল দাসে। আৰু ভাল লাগিছে বৰপেটাৰে কণমানি হৰজ্যোতি মিশ্ৰৰ কৃষ্ণ নৃত্য। আৰম্ভণিতে ডলী, সবিতা, ডলীমণি, হীৰামণি, জুৰিমণি, চুমি ভনিতা আৰু টুনুই গোবিন্দ ৰাম কলিতা সত্ৰীয়া গৱেষণা আৰু চৰ্চা কেন্দ্ৰৰ পক্ষৰ পৰা আগবঢ়োৱা বৰগীতে মন পৰশি গৈছিল। একে অনুষ্ঠানৰ পৰাই সংগীতা দত্তই পৰিবেশন কৰা দশাৱতাৰ নৃত্যৰ সাবলীল ভংগিমাই দৰ্শকক আকৰ্ষণ কৰিব পাৰিছে। বৰপেটাৰ ডঙৰকুছি সাংস্কৃতিক কেন্দ্ৰই পৰিবেশন কৰা ভোৰতাল নৃত্যত মুকুটমণি, বাবুল, মহাদেৱ আৰু মন্টু দাসে পাৰদৰ্শিতা দেখুৱাব পাৰিছে। অন্যান্য শিশু সকলেও নিজ প্ৰতিভা প্ৰদৰ্শনৰ ক্ষেত্ৰত সাধ্যানুসাৰে চেষ্টা কৰিছে।

শিশু সকলৰ এই আগ্ৰহ আৰু একাগ্ৰতাৰ বিপৰীতে অভিভাৱক সকলৰ নিষ্পৃহ ভাবে আমাক হতাশ কৰিছে। কাৰণ সিদিনাৰ অনুষ্ঠানত উপস্থিতিৰ সংখ্যা আছিল নগণ্য। শিশুসকলে ইমান নিষ্ঠাৰে অসমীয়া সংস্কৃতিৰ চৰ্চা কৰিছে, পৰিবেশন কৰিছে অথচ তাক উৎসাহ দিবলৈ দৰ্শকৰ অভাৱ। সংস্কৃতিত অপ-সংস্কৃতিৰ পয়োভৰ হৈছে বুলি হা-হুতাশ কৰা মানুহৰ কিন্তু অভাৱ নাই। সি যিয়েই নহওক, শিশুসকলক অসমীয়া সত্ৰীয়া সংস্কৃতিৰ সৈতে চিনাকি কৰি দিয়াৰ এই সুন্দৰ প্ৰয়াসৰ বাবে উদ্যোক্তাসকল প্ৰশংসাযোগ্য।

সবিতা লহকৰ

### শুধৰণি

'১৬-৩০ নৱেম্বৰ ১৯৯১' সংখ্যা সূত্ৰধাৰত প্ৰকাশিত 'স্বাধীন অসম কিয় বিচাৰো বা কিয় নিবিচাৰো' নামৰ প্ৰবন্ধৰাজিৰ, মুকুল মহন্তৰ প্ৰবন্ধটোৰ কেইটামান ভুলৰ শুধৰণি এই সংখ্যা সূত্ৰধাৰত প্ৰকাশ কৰা হ'ল।

১১ পৃষ্ঠাৰ মাজৰ কলমৰ ৮ম শাৰীৰ পৰা – আৰু শেষৰ কলমৰ প্ৰথম শাৰীটো এনে হ'ব লাগিছিল–

'.........আৰু তাকে বিদেশৰ বজাৰত বিক্ৰী কৰি প্ৰতি বছৰে ৩০০ মিলিয়ন কিলোৰ পৰা ৬০০ মিলিয়ন ডলাৰ বেলেগ বেলেগৰ পকেটত সুমুৱায়গৈ।'

'আৰু হেৰুৱাব অসমৰ পৰা Junk Foods আৰু Trinkets বেচি পোৱা ১৫০০ কোটি টকা।'

প্ৰমাদবশতঃ প্ৰবন্ধটোত ওপৰোক্ত ৱাক্য দুটা ভুলকৈ ছপা হোৱা বাবে আমি দুঃখিত।

*সম্পাদক, সূত্ৰধাৰ*




OKDISCD

# চৰকাৰৰ ঐতিহাসিক সিদ্ধান্ত

নৱকান্ত বৰদলৈ

দুজন পুলিচ বিষয়াই কৰা ভুলৰ বাবে এখন চৰকাৰে এজন ব্যক্তিৰ ওচৰত দুখ প্ৰকাশ কৰা ঘটনাটো বৰ্তমান সময়ৰ আটাইতকৈ উল্লেখযোগ্য বিষয়। ক্ষমতাৰ ৰাগিত মাতাল হৈ দুজন পুলিচ বিষয়া নৰ্থ-ইষ্ট টাইমচ কাকতৰ সম্পাদকৰ কোঠাত সোমাল আৰু চৰকাৰে দিয়া বন্দুক পিস্তল জোঁকাৰি অমুকটো বাতৰি কিয় ছপা কৰা হ'ল বুলি সম্পাদক গৰাকীক জবাব দিহি কৰাৰ লগতে তেওঁক টানি আজুৰি পুলিচ থানালৈ নিয়াৰ চেষ্টা চলালে। এই ঘটনাটো একো বিক্ষিপ্ত ঘটনা নহয়। এনেকুৱা ঘটনা, মানৱাধিকাৰ বা গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰাৰ ঘটনা দেশখনৰ লগতে ৰাজ্যখনত দৈনিক এশ এবুৰি ঘটিবলৈ লৈছে। মানৱাধিকাৰ, গণতান্ত্ৰিক অধিকাৰ এতিয়া কাৰো নিজা ব্যক্তিগত বিষয় হৈ থকা নাই। এইবোৰ কিবা ৰাজহুৱা বিষয় হৈ পৰিছে। অৰ্থাৎ মোৰ গণতান্ত্ৰিক আনকি নৈতিক অধিকাৰো আন এক পক্ষইহে নিৰ্দিষ্ট কৰি দিয়াৰ দিন পৰিল। এজন পুলিচ বিষয়াৰ কাৰণে পিস্তল ৰিভলভাৰ খেলাৰ বস্তু নহয় – ই প্ৰয়োজনৰ বস্তু। খেলাৰ বস্তু হ'ব পাৰে ল'ৰা-ছোৱালীৰ কাৰণে, উগ্ৰপন্থীৰ কাৰণে বা বেআইনীভাবে এইবোৰ সংগ্ৰহ কৰা লোকৰ কাৰণে। কিন্তু বন্দুক বাৰুদ পিস্তল ৰিভলভাৰ ব্যৱহাৰ সম্পৰ্কীয় সুদীৰ্ঘ দিনৰ প্ৰশিক্ষণ লোৱা পুলিচ বিষয়াইও যেতিয়া যধে-মধে, প্ৰয়োজনে অপ্ৰয়োজনে সেইবোৰ অস্ত্ৰ জোঁকাৰি আনপক্ষৰ অন্তৰত ভীতি সঞ্চাৰ কৰিব খোজে তেতিয়া নাগৰিক, গণতান্ত্ৰিক, মানৱ অধিকাৰ বোলা বিষয় সমূহ সংবিধানৰ পাত শুৱনি কৰা বিধৰ হৈ পৰে। সেয়েহে আজি সৰ্বত্ৰ এইবোৰ অধিকাৰ খৰ্ব হৈছে। মানুহে নিজৰ ঘৰ এখনত শান্তিৰে শুব নোৱাৰে কষ্টোপাৰ্জিত ধন ৰাখি খাব নোৱাৰে, আনকি সূৰ্য আকাশত থকা সময়খিনিকো দিন বুলি কব নোৱৰা হৈছে।


দুজন পুলিচ বিষয়াই কৰা ভুলৰ বাবে এখন চৰকাৰে এজন ব্যক্তিৰ ওচৰত দুখ প্ৰকাশ কৰা ঘটনাটো বৰ্তমান সময়ৰ আটাইতকৈ উল্লেখযোগ্য বিষয়। ক্ষমতাৰ ৰাগিত মাতাল হৈ দুজন পুলিচ বিষয়া নৰ্থ-ইষ্ট টাইমচ কাকতৰ সম্পাদকৰ কোঠাত সোমাল আৰু চৰকাৰে দিয়া বন্দুক পিস্তল জোঁকাৰি অমুকটো বাতৰি কিয় ছপা কৰা হ'ল বুলি সম্পাদক গৰাকীক জবাব দিহি কৰাৰ লগতে তেওঁক টানি আজুৰি পুলিচ থানালৈ নিয়াৰ চেষ্টা চলালে।

এনে এক অস্থিৰ সময়ত হিতেশ্বৰ শইকীয়াৰ চৰকাৰে এজন ব্যক্তিৰ ওচৰত দুখ প্ৰকাশ কৰিবৰ কাৰণে এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰাটো নিতান্তই তাৎপৰ্যপূৰ্ণ কথা। চৰকাৰখনে ইয়াৰ দ্বাৰা গণতন্ত্ৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ লগতে এজন ব্যক্তিৰ গাত থাকিব লগা আটাইখিনি মহৎ গুণ প্ৰদৰ্শনো কৰিলে। আমি দৈনিক কৰি যোৱা অজস্ৰ কামত দুই এটা ভুল হোৱাটো নিতান্তই স্বাভাৱিক – কোনো লোক দোষ, গুণ, ভুল-ত্ৰুটীৰ ঊৰ্ধ্বত থাকিব নোৱাৰে। ইতৰ প্ৰাণীয়েও ভুল কৰে কিন্তু এই ক্ষেত্ৰত ইতৰ প্ৰাণী আৰু মানুহৰ মাজত পাৰ্থক্য এয়ে যে মানুহে কৰা ভুল উপলব্ধি হোৱাৰ পিছত ভুল স্বীকাৰ কৰাৰ এক মহান আদৰ্শ আছে। কিন্তু নিতান্ত দুখ আৰু পৰিতাপৰ বিষয় এয়ে যে আমাৰ মাজত আজিকালি এই বিৰল মানৱীয় গুণৰ অভাৱ ঘটিছে। যি সকলৰ কাম-কাজে সমাজত বৃহত্তৰ প্ৰভাৱ পেলায় সেই সকলে নিজকে সম্পূৰ্ণ নিৰ্ভুল (perfect) বুলি ভাবে – যেন ইংলণ্ডৰ ৰজাৰ দৰে তেওঁলোকে কোনো ভুল নকৰে। এনে অহমিকাৰ বাবেই আজি সমাজত বিভিন্ন ধৰণৰ সমস্যাই দেখা দিছে। গতিকে শইকীয়াৰ চৰকাৰে এনে মহানুভৱতা, বদান্যতা আদি মহৎ গুণৰ অনুশীলন কৰি দেখুৱাটোও নিতান্তই আনন্দদায়ক তথা আশাপ্ৰদ। এতিয়া আমি ঘটনাৰ প্ৰাসংগিকতা বৰ বেছি আলোচনা নকৰিও এই কথা কব পাৰো যে সংশ্লিষ্ট পুলিচ বিষয়া দুজনেও তেওঁলোকৰ ভুলৰ বাবে ৰাজহুৱা ভাবে ক্ষমা প্ৰাৰ্থনা কৰা উচিত। তেওঁলোকে এই কথা নতুনকৈ উপলব্ধি কৰিব লাগে গাত খাকী কাপোৰ যোৰা, কঁকালত পিস্তল, কান্ধত চৰকাৰ প্ৰদত্ত বেজ, ক'লা টকা সংগ্ৰহৰ অবৈধ লাইচেঞ্চ থাকিলেও প্ৰাথমিকভাবে তেওঁলোক মানুহ – পুলিচ হোৱা হেতুকেই তেওঁলোকক সুকীয়া অধিকাৰ দিয়া হোৱা নাই। ভাৰতীয় দণ্ডবিধি ধাৰা সমূহ তেওঁলোকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় বুলিতো কতো লেখা নাই। কিন্তু চৰম দুৰ্ভাগ্যৰ কথা আমি এনে এখন সমাজত বাস কৰিছো য'ত অধিক সংখ্যক পুলিচৰ লোকে নিজকে আইনৰ ৰক্ষক নহৈ আইনৰ হৰ্তা-কৰ্তা-বিধাতা বুলি গণ্য কৰে।

আজি এনে প্ৰশ্নও উঠিব পাৰে যে এখন কাকতৰ সম্পাদকৰ ওচৰত এখন চৰকাৰৰ ই নৈতিক পৰাজয়। বিৰোধী দলৰ লোকৰ কাৰণে তেনে মন্তব্য দাঙি ধৰাটো নিতান্ত স্বভাৱসুলভ কথা হ'ব। কাৰণ সকলো বিৰোধী দলেই চৰকাৰ এখনক শ'লঠেকত পেলাবলৈ অহৰহ চিন্তা চৰ্চা কৰি থাকে –সিন্ধিৰ ঠাই বিচাৰি ফুৰোতে খোলা দুৱাৰ পালেতো আৰু অধিক আনন্দৰ কথা। বিৰোধী দল বা চৰকাৰৰ সমালোচক বা ৰাজনৈতিক সমীক্ষকে ইয়াৰ ওপৰত যিয়েই মন্তব্য নকৰক, নিৰ্মোহ বিচাৰ বিশ্লেষণেৰে এই সম্পৰ্কে ইয়াকে কব পাৰি যে এই কাৰ্যই চৰকাৰৰ উদাৰতা, মহানুভৱতা তথা উচ্চ আদৰ্শৰ উদাহৰণ দাঙি ধৰিছে। গতিকে ইয়াক পৰাজয় বুলি ক'ব নোৱাৰি। ইয়াৰ শিক্ষণীয় দিশটো যদি আমাৰ চৰকাৰৰ বিষয়া কৰ্মচাৰীয়ে গ্ৰহণ কৰে, তেনেহলে এই ঘটনা এক মাইলৰ খুঁটি হৈ ৰ'ব – এক নতুন কৰ্ম সংস্কৃতিৰো সূচনা হ'ব বুলি ধৰিব পাৰি। কিয়নো আমাৰ প্ৰায় দুই আঢ়ৈ লাখ বিষয়া কৰ্মচাৰীয়ে চৰকাৰৰ হৈ কাম কৰে। এখন চৰকাৰৰ সফলতা বিফলতা এই সকল কৰ্মচাৰীৰ কৰ্ম পদ্ধতিৰ ওপৰতে নিৰ্ভৰ কৰে। চৰকাৰৰ অংশ বিশেষ হিচাপে তেওঁলোকে চৰকাৰৰ হৈ কৰা প্ৰতিটো কামৰ বাবে তেওঁলোক দায়বদ্ধ। চৰকাৰ একোখনৰ কোটি কোটি টকাৰ আঁচনি পৰিকল্পনাৰ ৰূপায়ণ নিৰ্ভৰ কৰে এই সকল লোকৰ ওপৰতে। কিন্তু এনে আঁচনিৰ অধিকাংশই বিফল হয় এচাম বিষয়া কৰ্মচাৰীৰ কাৰণে, জনকল্যাণৰ কোটি কোটি টকা পানীত পৰে। যদি এনে এক অৱস্থাৰ পৰিপ্ৰেক্ষিতত এই সকল লোকৰ চেতনাৰ উদয় হয় যে তেওঁলোকৰ কাম কাজতহে চৰকাৰ এখনৰ কৃতিত্ব বা বিফলতা প্ৰতিফলিত হয় তেন্তে কিবা ভাল এটা আশা কৰিব পাৰি। পৰিদৰ্শক এচ ডি মটক আৰু ভাৰপ্ৰাপ্ত বিষয়া (চাব-ইন্সপেক্টৰ) ৰোহিনী বৰগোহাঁই নামৰ বিষয়া দুজন বিচাৰত যি শাস্তি পাব তেনে শাস্তি যদি অন্যান্য অভিযুক্ত বিষয়া, কৰ্মচাৰীৰ বিৰুদ্ধেও কৰা যায় তেনেহলে কিছু সংস্কাৰৰ আশা কৰিব পাৰি। পিছে পৰিতাপৰ বিষয় বহুতো ৰৌ বৰালি জালত পৰিও জাল ফালি যাবলৈ সক্ষম হৈছে। আমি আশা কৰো এই ঘটনাই এক শুভাৰম্ভ হওক ইয়াৰ পিছত সকলো ধৰণৰ অপৰাধত জড়িত বিষয়াই শাস্তি পাওক। এই ক্ষেত্ৰত ৰাজনৈতিক দৃষ্টিভংগী চিন্তা চৰ্চাই অগাডেৱা নকৰিলেই ভাল।

চৰকাৰৰ এই কাৰ্য ব্যৱস্থাৰ বিৰুদ্ধে সৰ্বস্তৰতে সমালোচিত বিষয় হ'ল যে কাকত এখনৰ সম্পাদকৰ বিশেষাধিকাৰ ৰক্ষাৰ কাৰণেই চৰকাৰে এনে নমনীয়তা প্ৰদৰ্শন কৰিলে। ড০ ক্ষীৰেণ ৰয়ৰ কোঠাত পুলিচ সোমোৱাৰ সময়তে অসমৰ শ শ লোকৰ শয়ন কক্ষলৈ পুলিচ সেনাবাহিনী সোমাই শ্লীলতা পৰ্যন্ত হানি কৰিছে। ভিত্তিহীন অভিযোগ বা মনে সজা কাহিনীৰ ভিত্তিতো পুলিচে নিৰপৰাধী লোকক হাৰা শাস্তি কৰিছে। ভাৰতীয় দণ্ডবিধিক পুলিচৰ লোকেই উৎখাত কৰি আছে। ধৰ্ষণৰ দৰে গুৰুতৰ অপৰাধত অভিযুক্ত পুলিচ বিষয়াকো আইনৰ গণ্ডীলৈ আনিব পৰা হোৱা নাই। শ শ পুলিচ বিষয়া বা চৰকাৰৰ কৰ্তৃত্বাধীন লোকে দৌৰাত্ম্য প্ৰদৰ্শন কৰি ফুৰাৰ পিছতো যদি কাকতৰ সম্পাদকৰ কোঠাত কৰ্তৃত্ববিহীন ভাবে পুলিচ প্ৰবেশ কৰাটোকহে অপৰাধ বুলি গণ্য কৰা হয় তেতিয়া ৰাজনৈতিক দৃষ্টিভংগী নথকা লোকেও সমালোচনা কৰিবলৈ বাধ্য হ'ব যে সংবাদসেৱীৰ কলম লৈহে চৰকাৰৰ ভয়। পুলিচ বিষয়া দুজনে খোদ সম্পাদকক অপমান নকৰি এজন ক্ষুদ্ৰ সাংবাদিকক, হকাৰক বা ফটো জাৰ্নেলিষ্টক অপমান কৰা হলে চৰকাৰৰ মূৰৰ বিষ নহ'লহেঁতেন। চৰকাৰে কৰা এই মহৎ কাৰ্যটোক এশ ভাগেই সমৰ্থন বা প্ৰশংসা কৰিও এই প্ৰশ্ন কৰিব পৰা যায় যে বাটেঘাটে অযথা পুলিচৰ আতিশয্যৰ সমুখীন হোৱা, শাৰীৰিক ভাবে অপদস্ত হোৱা অসাংবাদিক অসম্পাদক (বা মফছলীয় সাংবাদিক) লোকৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে। তেনে ঘটনাৰ তালিকাই বা চৰকাৰৰ হাতত আছেনে?

শেষত আমি আশা কৰিম চৰকাৰৰ এই কাম এক শুভাৰম্ভ বুলি পৰিগণিত হওক। পৰবৰ্তী সময়ত প্ৰতিটো এনে ঘটনাৰ বাবে ই এক পূৰ্ব-দৃষ্টান্ত ৰূপে গণ্য হওক। নহলে.........



# ডিকচৈন

দীপক কুমাৰ বৰকাকতী



ল'মাৰ সাজ পোছাক পৰিপাটি। মুখখন মিহি। চকুত চছমা। তাৰ তলত আগৰ দৰেই দুটা উজ্বল চকু। বৰ বজাৰৰ ব্যস্ততাৰ মাজত ল'মাই ৰেমাৰ বাহুত ধৰি মাতিলে– ৰেমা নহয়নে?

মাত আৰু কথাৰ সুৰত ৰেমাই ল'মাক চিনি পালে। সি উচ্ছ্বাসেৰে ক'লে– মোক কেনেকৈ চিনি পালি?

– তহঁতক আৰু মানুহৰ মাজত চিনি পোৱাটো অসুবিধানে? তহঁতৰ গাৰ পৰা বন-জংঘলৰ গোন্ধ এতিয়াও যোৱাই নাই। তাতে তোৰ মুখৰ দাড়ি আৰু মূৰৰ হেট্‌টোৰ কথা খুমীয়ে কৈছে।

– অ'– খুমী!–

– অঁ। তাই আইজ'লত থকা আমাৰ গাঁৱৰ নিচিনা মানুহ কোনোবা আছেনে? তাই বিয়া-বাৰু নকৰালেই। গোটেইখন পন-পনাই ফুৰে। তাই তোৰ বিবৰণ দিয়াৰ পাছৰ পৰা মই দাড়ি মোচ থকা আৰু টুপি পিন্ধা কাৰোবাক দেখিলেই মন কৰো, কিজানি তয়েই!

তই এতিয়া কি কৰি আছ? – ৰেমাই সুধিলে।

– মোৰ কথা কম বাৰু। তোৰ কথা ক'। ব'লচোন ব'ল চাহৰ দোকান এখনতে বহোগৈ। চাহো খাম, কথাও পাতিম।

সিহঁত দুয়োটা তিৰোতা কেইজনীমানে চলোৱা হোটেল এখনত বহিলগৈ। হোটেলখনত ল'মাৰ চিনাকি মুখৰ মানুহ দুই এটা আছে। সি মানুহ কেইটাৰ ভাল বেয়াৰ খবৰ ল'লে। তাৰ পাছত হোটেলৰ গাভৰু এজনীক পৰ্ক-চাউ দুই প্লেট আৰু চাহ দিবলৈ কৈ ৰেমাৰ চকুলৈ চাই ক'লে– ক'চোন, তোৰ কেনে? এতিয়া কি কৰিম বুলি ভাবিছ? এতিয়াতো তহঁতৰ অস্থায়ী চৰকাৰ গঠন হ'লেই।

ল'মাই চুক্তি অনুসাৰে এম এন এফ-বোৰে গঠন কৰা অস্থায়ী চৰকাৰৰ কথাকে বুজালে। ৰেমাই এবাৰ টুপিটো ঠিক কৰিলে, আনবাৰ জেকেটটোৰ বাহু দুটা জোঁকাৰি হাঁহি মাৰি কিবা এটা ক'ব খুজিলে। কিন্তু তাৰ আগতে পুনৰ ল'মাই ক'লে– মোৰ লগত আত্ম-সমৰ্পণেই নকৰিলি যেতিয়া তই আৰু কি কৰিবি? মই জানো তই ৰাজনীতিহে কৰিবি–

ল'মাৰ তাৰ ওপৰত থকা ধাৰণাৰ বাবে ৰেমাৰ ভাল লাগিল। সি ক'লে– চাওঁচোন কি কৰিব পাৰো। ৰাজনীতি কৰিলে যদি আমাৰ কষ্টৰ সপোন ফলিয়ায় তেনেহ'লে তাকে কৰিম!

– ময়ো তাকেই কৰি আছো। – ল'মাই ক'লে। – ইয়াৰ বাবেই ময়ো যোল বছৰ আগতেই বন-জংঘল এৰিছিলো।

ৰেমাৰ হঠাতে ল'মাৰ কথা দুৰ্বোধ্য যেন লাগিল। ল'মাই আৰু কেইটামান কথা ক'লে। ৰেমাই বৰ ভালদৰে বুজিব নোৱাৰিলে।

ল'মাই তাক তাৰ ঘৰলৈ গৈ গ'ল– ব'ল। মোৰ ঘৰটো চাই আহিবি।

ল'মাৰ ঘৰটো ৰ'থানপুইয়া আৰু কিমিহঁতৰ ঘৰৰ তুলনাত সাধাৰণ। তাতে আসাম-টাইপৰ। মজিয়াত মিহি কাঠৰ তক্তা পৰা। ঘৰটো কেইডালমান বাটামৰ ওপৰত পাহাৰৰ দাঁতিত চাংঘৰ হিচাপে বনোৱা আছিল। ল'মাই এটা বিশেষ বুদ্ধিৰে ঠেকা-ঠুকলি দি গোটেই ঘৰটো এডোপ দুডোপকৈ ওপৰলৈ তুলি তলৰ পৰা চিমেন্টৰ খুঁটা ঢালাই কৰি আনিছে আৰু গোটেই ঘৰৰ ভেটিটো সুদৃঢ় কৰি তুলিছে।

ঘৰটো দেখুৱাই দেখুৱাই ল'মাই ৰেমাক ক'লে– ঘৰটো আৰু এমহলা ওপৰলৈ তুলিম আৰু ঢালাই দিয়া খুঁটাবোৰ ওপৰলৈ বঢ়াই তাত এই আসাম টাইপৰ ঘৰটো বহুৱাম। তলৰ দুমহলাত ফুল-ৱাল দি পকী ঘৰ বনাম।

ল'মাৰ কথা শুনি ৰেমাৰ ধাৰণা হ'ল তাৰ সাংসাৰিক বুদ্ধিত পক ধৰিছে। ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী তিনিটাৰে সি ঘৰুৱা ভাবে বেচ সুখত আছে।

ল'মাই পুনৰ ক'লে– যোৱা আঠ বছৰ মই এই ঘৰত থাকিয়েই মিজোৰামৰ উন্নতিৰ সপোন দেখিছো। তহঁতে জংঘলত থাকি যিহৰ বাবে যুঁজ কৰিছিলি মই আমাৰ দলৰ আনবোৰৰ লগত তাকেই পোৱাৰ বাবে আন্দোলন কৰিছো। তহঁতৰ আন্দোলন আছিল ৰোমাঞ্চকৰ আৰু আমাৰ প্ৰেক্‌টিকেল্–

ৰেমাই বুজি উঠিল ল'মাই ৰাজনৈতিক আদৰ্শৰ কথা কৈ তাক প্ৰভাৱান্বিত কৰিব খুজিছে। বন্দুক-বাৰুদ লৈ বনে-জংঘলে ঘূৰি ফুৰোতে তাক যদিও হতাশাই আগুৰি ধৰিছিল তথাপি এতিয়া লগৰ লগত দলবদ্ধ হৈ ঘূৰা-ফুৰা কৰিলে আৰু লগতে কিছুমান মানুহৰ সিহঁতৰ ওপৰত আস্থা দেখিলে সি নিজে ৰোমাঞ্চিত হয়। ল'মাৰ কথা শুনি তাৰ গালত থকা কটা দাগটো পিৰ-পিৰাই উঠিল। সেইটো মোহাৰি মোহাৰি সি গৰ্বেৰে ক'লে– চা, তহঁতে কৰা আন্দোলনৰ কথা মই নাজানো। কিন্তু আমি কৰা আন্দোলনটোৰ কথা জগতে জানে। মিজোৰামৰ কিবা দাবী আমি জংঘলত থাকোতে যদি পূৰণ হৈছিলও সেয়া আমাৰ বাবেই। গতিকে আমাৰ অৰিহণাহে মিজোৰামৰ উন্নতিৰ বাবে বেছি।

ল'মাৰ মসৃণ মুখখনত হাঁহি বিৰিঙিল। চছমাযোৰৰ তলৰ উজ্জ্বল চকু দুটাও হাঁহিবলৈ ধৰিলে। সি যেন ৰেমাই তেনেদৰে ক'ব বুলি ভাবিছিলেই। সি ক'লে– বাৰু তহঁতৰো এটা মতবাদ আছে। সেই বিষয় লৈ মই আৰু তৰ্ক নকৰো। কিন্তু অহা নিৰ্বাচনত আমাৰ দলৰহে ক্ষমতালৈ অহাৰ সম্ভাৱনা বেছি।

এইবাৰ ৰেমাৰ মুখতো হাঁহি বিৰিঙিল। সি ক'লে– দেখা যাওক কি হয়। নিৰ্বাচনতো পালেহিয়েই!

উলটি আহোতে ৰেমাই বুজি উঠিল ল'মা নিপুণ ৰাজনীতিবিদ হৈ উঠিছে।

★ ★ ★

নিৰ্বাচনৰ পয়োভৰ আছিল অভূতপূৰ্ব। লম্‌কিমাহঁতৰ দলটো যেনেদৰে উঠি পৰি লাগিছিল, ল'মাহঁতৰ দলটোও পিছপৰি থকা নাছিল। তাৰ মাজত নতুন আশাৰ বতৰা লৈ জংঘলৰ পৰা ওলাই অহা এম এন এফ-ৰ দলটো আছিলেই।

ৰেমনা-ৰণত থকা এম এন এফ-ৰ মানুহ কিছুমানে ইতিমধ্যে দুই এটা চাকৰিত যোগ দিছিল, দুই এটা ঠিকা-ঠুকলি কৰাত ব্যস্ত আছিল। কিছুমানে টেক্সিৰ পাৰ্মিট লবলৈ চেষ্টা কৰিছিল। তাৰ মাজতে যি যেনেকৈ পাৰে নিৰ্বাচনৰ বাবে দলৰ প্ৰচাৰ অভিযানত দিহিঙে দিপাঙে গ'ল। ৰেমা গ'ল থানয'মাৰ প্ৰচাৰ অভিযানৰ বাবে।

নিৰ্বাচনত থানয'মা জিকিল। যুৱালা আৰু আৱাঙাও নিজৰ নিজ প্ৰাৰ্থীবোৰ জিকাই কেম্পলৈ উলটিল। এম এন এফ দলটোৱে চৰকাৰ গঠন কৰিলে। দহ দিনমান অ'ত ত'ত আনন্দ, স্ফূৰ্তি হুলস্থূল বৰাখানা আদিৰ মাজেৰে পাৰ হ'ল। থানয'মা ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰী হ'ল। যুৱালাহঁতে ৰেমাক ক'লে– এতিয়া তোৰ জহতে যদি আমাৰো থানথিত কিবা এটা লাগে আৰু!

ৰেমাৰ তোষামোদটো ভাল লাগিল। সি অনুভৱ কৰিলে এয়ে চাগে' ৰাজনীতি কৰাৰ সোৱাদ।

★ ★ ★

ৰেমাই যুৱালা আৰু আৱাঙাৰ দুটামান কামৰ দায়িত্ব ল'লে। যুৱালাক ইণ্ডাষ্ট্ৰী খোলাৰ বাবে এটা শকত ঋণৰ ব্যৱস্থা কৰি দিয়া আৱাঙাক পুলিচ বিভাগত ইন্সপেকটৰৰ চাকৰিত সুবিধা কৰাৰ। এই দুয়োটাৰ বাবে ৰেমাই পু-থানয'মাক অফিচ চেম্বাৰত তিনিবাৰ লগ ধৰিছে। তিনিওবাৰেই নতুন কাপোৰ কানিৰ উজ্জ্বলতাৰ মাজতো জিলিকি পৰা পু-থানয'মাৰ সোণ খটোৱা দাঁতটোৰ চিক্‌মিকনি চকুত পৰিছে। পু-থানয'মাই




OKDISCD

হাঁহি হাঁহি কৈছে– হব– হব–। অলপ ৰ'চোন। কামবোৰ লাহে ধীৰে সকলো হব।

থানয়'মাৰ চকুৰ তিৰবিৰণিত ৰেমাই দেখা পালে তেওঁৰ চকুত নতুন সপোনৰ ৰেঙণি।

থানয়'মাৰ ভৰসাত ৰেমা ছমাহমান ৰ'ল। ইতিমধ্যে অন্ৰাঙাহঁতৰ দৰ্খাস্তবোৰ বিভিন্ন বিভাগবোৰলৈ পৰীক্ষা-নিৰীক্ষাৰ বাবে পঠোৱা হ'ল। পুলিচ বিভাগৰ পৰা অন্ৰাঙাক পোনেই ইন্সপেকটৰত ভৰ্তি কৰোৱাৰ বিষয়ত সন্মতি নাহিল। ৰেমাই অন্ৰাঙাৰ পৰা কথাটো গম পাই ক'লে– ৰ'– মই কথাটো পু-থানয়'মাক ঘৰত লগ পাই কম। তেওঁ একলম লিখি দিলেই হব–

ৰেমা পুৱাই থানয়'মাৰ কোৱাৰ্টাৰলৈ গ'ল। মন্ত্ৰীৰ ঘৰৰ বাহিৰত চিকিউৰিটিৰ আৰেষ্টনী। ঘৰৰ ভিতৰতো মানুহৰ ভিৰ। থানয়'মা যিটো কোঠাৰ ভিতৰত বহি আছিল সেইটো বেচ আহল বহল। ডাঙৰ ডাঙৰ চ'ফাৰে পৰিপাটিকৈ সজোৱা। তাত মানুহ কিছুমান আগতেই বহি আছিল। কোঠাটোত বহিবলৈ ঠাই নথকাত ৰেমা বাৰান্দাৰ বেঞ্চ এখনতে বহিব লগা হ'ল। অলপ সময় বহিয়েই তাৰ আমনি লাগিল। সি বাৰান্দাতে থানয়'মাৰ চকুত পৰিব পৰাকৈ ইফালে সিফালে খোজ দিবলৈ ধৰিলে। থানয়'মাই তাক দেখিলে, কিন্তু কাষৰ মানুহৰ লগত কথা পাতি থকাৰ বাবেই নেকি ৰেমাক নামাতিলে।

এঘন্টামান ৰৈ ৰেমাৰ লাহে লাহে অস্বস্তি লাগি আহিল। সি বাৰান্দাৰ পৰা ওলাই চোতালত পায়চাৰি কৰিবলৈ ধৰিলে। অলপ পাছত কোনোবা এটাই তাক মাতিলে– কা-পু! এইফালে আহচোন।

মানুহটোৱে তাক কোৱাৰ্টাৰটোৰ পিছফালে যাবলৈ ক'লে। পিছফালৰ বাৰান্দাত অন্ৰাঙী ৰৈ আছিল। তাইৰ কঁকালত পিন্ধা পোৱানখন আৰু ব্লাউজটো পৰিষ্কাৰ। কিন্তু সাধাৰণতে আইজ'লৰ তিৰোতাবোৰে পিন্ধাৰ দৰে মিহি আৰু পৰিপাটি নহয়। অন্ৰাঙীক দেখি ৰেমাৰ ভাল লাগিল। কিন্তু তাইৰ দুকুৰি বছৰীয়া মুখখনত যিটো উজ্জ্বলতা ৰেমাই আশা কৰিছিল সেইটো দেখা নাপালে। তাৰ মনটো কিছু দমিল। তথাপি সেয়া প্ৰকাশ নকৰি সি ক'লে– উ অন্ৰাঙ! তই কেতিয়া আহিলি ক'চোন?

– হ'ল অ' দুদিনমান।

অন্ৰাঙীৰ কথাত কোনো উৎফুল্লতা নাছিল। মুখখন কিবা যেন এক বিষাদৰ প্ৰলেপ। প্ৰায় আঠ বছৰৰ আগতে না-থীয়ালত থানয়'মাৰ বাবে অন্ৰাঙীৰ মনটো সজীৱ আৰু অন্তৰখন বাউলি হৈ থকা ৰেমাই গম পাই আহিছিল। এতিয়া থানয়'মাক লগ পাই তাই মুখত হাঁহি লৈ তাক আদৰাতো ৰেমাই আশা কৰিছিল। কিন্তু অন্ৰাঙীৰ কথাত বিষাদৰ আভাস পাই সি অলপ আচৰিত হ'ল।

অন্ৰাঙীয়ে ৰেমাক ভিতৰৰ কোঠা এটালৈ মাতি নিলে। তাৰ পাছত তাক এনে কিছুমান কথা ক'বলৈ ধৰিলে যে সি বুজি উঠিল অন্ৰাঙী ,ইমান বছৰে যিটো আশাৰে থানয়'মাৰ বাবে ৰৈ আছিল, থানয়'মাক লগ পোৱাৰ লগে লগে তাৰ যতি পৰিল।

ৰেমা বহুত সময় তাইৰ লগত বহি থাকিল। অন্ৰাঙীৰ জীয়েকজনীও লগত আহিছিল। তাইৰ নাম ঙুৰী। তাইৰ অনুজ্জ্বল কাপোৰৰ মাজতো পাটগাভৰু দেহৰ চিক্‌মিকনি বেচ মনোমোহা আছিল। ৰেমাই তাইৰ লগতো দুই এষাৰ কথা পাতিলে। তাই না-থীয়ালৰ হাইস্কুলত পঢ়ে। পঢ়া-শুনাত বেয়া নহয়। তাৰ উপৰি সিহঁতৰ চামটোৰ ধৰ্মীয় অনুষ্ঠান কে, টি পি-ৰ তাই সক্ৰিয় সদস্যা।

মানুহ কিছুমান আছিলেই, কিন্তু অফিচ চেম্বাৰলৈ যোৱাৰ সময় হৈ অহাৰ বাবে থানয়'মা ৰেমাহঁত বহি থকা পিছফালৰ বাৰান্দাখনলৈ আহিল। তেওঁৰ ভাত খোৱাৰ সময় হ'ল।

সিহঁতক একেলগে বহি থকা দেখি থানয়'মাক ভালপোৱা যেন নালাগিল। তথাপি ৰেমালৈ চাই সুধিলে– অ'– কি হ'ল তোৰ?

ৰেমাই অন্ৰাঙাৰ কথাটো বিৱৰি ক'লে– তাৰ দৰে মেট্ৰিক পাছ কৰা ল'ৰা এটাক ইন্সপেক্টৰৰ চাকৰি দিবলৈ অনুমতি নিদিয়াতো আচৰিত কথা।

থানয়'মাৰ মুখখন গহীন হৈ ৰ'ল। ক'লে– ডিপাৰ্টমেন্টৰ পৰা আহিলেই হ'লনে, মই তাক ইন্সপেক্টৰ বনাইহে এৰিম।

থানয়'মাৰ কথা শুনি ৰেমাৰ ভাল লাগিল। ভাত খাবলৈ বহি থানয়'মাই ৰেমাক মাতিলে– আহ- তয়ো খা-হি।

– উ- অন্ৰাঙহঁত আছেই দেখোন- ৰেমাই ক'লে।

তই সিহঁতৰ বাবে চিন্তা কৰিব নালাগে। সিহঁতে পিছত খাব–

থানয়'মাৰ কথাষাৰ এইবাৰ ৰেমাৰ ভাল নালাগিল। পৰিয়ালৰ সকলোবোৰ ঘৰত থকা অৱস্থাত বেলেগে বেলেগে ভাত খোৱাটো বৰ আচহুৱা কথা। সিদিনা কিমিহঁতৰ ঘৰত ভাত খাওঁতেও ৰেমাই সিহঁতৰ আটাইমখা টেবুলৰ চাৰিওফালে একেলগে বহি ভাত খোৱা দেখা পাইছিল।

ৰেমাই এবাৰ থানয়'মালৈ আৰু আনবাৰ অন্ৰাঙীলৈ চালে। সি মন কৰিলে অন্ৰাঙীৰ মুখন শেঁতা পৰিছে। মাকৰ কাষতে থিয় হৈ থকা ঙুৰীয়ে অন্ৰাঙীক মনে মনে ক'লে– কানু, আমি ইয়াৰ পৰা যাওঁগৈ ব'ল–

★ ★ ★

এম এন এফ-ৰ মানুহবোৰ উলটি অহাৰ পিছৰে পৰা তাতে থানয়'মা মিনিষ্টাৰ হোৱাৰ পৰাও অন্ৰাঙীয়ে ভৱিষ্যতৰ বহুতো ৰঙীন সপোন দেখিছিল। তাতে না-থীয়ালত থকা তাইৰ আপোন দুই এজনীয়েও তাইক থানয়'মাৰ ওচৰলৈ যাবলৈ উপদেশ দিছিল। তাই পুতেক লালৰ'ণা আৰু জীয়েক ঙুৰীক কথাটো ক'লে। সিহঁত দুয়োটায়ে সিহঁতৰ বাপেক থানয়'মাৰ কথা জানে। তথাপি লালৰ'ণা মাকৰ লগত আহিবলৈ মান্তি নহ'ল। ঙুৰীহে তাইৰ লগত আহিল। বাপেকে তাইলৈ দুই এটা উপহাৰ কিনি অনালে। কিন্তু সিহঁতক পৰিয়ালৰ এজনৰ মৰ্যাদা নিদিলে। সেয়েহে তায়েই মাকক ক'লে– কানু, আমি ইয়াৰ পৰা যাওঁগৈ ব'ল–

অন্ৰাঙীয়ে মনত বৰ বেজাৰ পালে। তাই না-থীয়াললৈ উলটি আহিল। মনৰ আঘাত শাম কটাবলৈ তাই দুমাহমানৰ পাছত ধৰ্মৰ পুনৰ অভ্যুত্থানৰ বাবে পতা এল বেথেল্ নামৰ কেম্প এটাত যোগ দিলে। তাই শ শ আন মানুহৰ লগত জংঘললৈ যায় আৰু ডাঙৰ ডাঙৰ গছবোৰৰ মাজত আনবোৰৰ দৰেই চকু মুদি থিয় হৈ হাত ওপৰলৈ তুলি চিঞৰি চিঞৰি ভগৱানৰ গুণ গৰিমা আৰু লগতে অন্তৰৰ দুঃখ বিৱৰি কয়। এনেদৰে চাৰি পাঁচ দিনমান কৰাৰ পাছত তাই হঠাতে এদিন ভাগৰত গছ এজোপাৰ কাষত বহি পৰিল। তাইৰ চকুৰ আগত উজ্জ্বল পোহৰ এটা বিৰিঙিল, তাৰ মাজত যেন যীশুৰ শান্ত-সৌম্য মুখখন। তাৰ পাছত গুৰু গম্ভীৰ স্বৰত দু-আষাৰ কথা তাই শুনিবলৈ পালে–ভগৱানে তোমাৰ চকুৰ লোতক মচি দিব। এজন বন্ধুৱে আনজনক সকলো সময়তে সমানে ভাল পায়। ভগৱান তোমাৰ প্ৰিয় বন্ধু।





অন্ৰাঙী ফোঁপাবলৈ ধৰিলে। তাইৰ কাষলৈ তিৰোতা এজনী দৌৰি আহিল। তাই অন্ৰাঙীক সুধিলে– তোৰ কি হৈছে?

ভাগৰত অন্ৰাঙীৰ মুখৰ মাতেই নোলাল। মানুহবোৰ যেতিয়া একগোট হৈ নিজৰ নিজৰ অভিজ্ঞতাৰ কথা ক'বলৈ ধৰিলে অন্ৰাঙীও ভাগৰৰ মাজতে থিয় হ'ল আৰু নিজে সপোনৰ দৰে দেখা আৰু শুনা কথাবোৰ বিৱৰি ক'বলৈ ধৰিলে। তাই কথাখিনি কৈ উঠিয়েই অনুভৱ কৰিলে তাইৰ ভাগৰৰ বোজা যেন টিলিকতে আঁতৰি গৈছে। তাই যেন গভীৰ টোপনিৰ পৰাহে শান্ত ভাবে সাৰ পাইছে।

এল্-বেথেল্ কেম্পটো শেষ হোৱাৰ তিনি মাহমানৰ পাছত তাই এদিন হঠাৎ না-থীয়াল বজাৰৰ মাজত এটা অদ্ভুত অনুভূতি উপলব্ধি কৰিলে। তাই বাটৰ কাষতে থিয় হৈ ক'ব নোৱাৰাকৈ ভগৱান যীশুৰ গুণ-গৰিমা আৰু লগতে স্বৰ্গৰ বিমল আনন্দৰ কথা অনৰ্গল কৈ যাবলৈ ধৰিলে। বজাৰৰ বেপাৰী আৰু গ্ৰাহক কিছুমানে মৌন হৈ অন্ৰাঙীৰ কথা মন দি শুনিবলৈ ধৰিলে।

★ ★ ★

থানয়'মাৰ প্ৰচেষ্টাতো অন্ৰাঙাৰ ইন্সপেক্টৰৰ চাকৰিটো নহ'ল। নিৰ্দিষ্ট বিভাগটোৱে লিখিলে যদি অন্ৰাঙাই ইচ্ছা কৰে তেন্তে এ এছ আই হিচাপেহে চাকৰি আৰম্ভ কৰিব পাৰে। থানয়'মাই কথাটো লগৰ আন মিনিষ্টাৰ আনকি চীফ্ মিনিষ্টাৰৰো কাণ চোৱালে। পিছে বিভাগীয় মতামতৰ সাল-সলনি নহয়। আনহাতে যুৱালাৰ ঋণৰ মঞ্জুৰী সিহঁতে বিচৰাৰ পাঁচ ভাগৰ এভাগহে দিয়াৰ অনুমোদন ইণ্ডাষ্ট্ৰী বিভাগে দিলে।

থানয়'মা হতাশ নহ'লহেঁতেন, যদিহে এই দুটা ক্ষেত্ৰতহে বিফল হ'লহেঁতেন। কিন্তু তেওঁ হাতত লোৱা শতকৰা আশী ভাগ কামতেই অনুমোদনৰ হকা-বধা আহি পৰিছে। চৰকাৰৰ মুখিয়াল লোক দহজনমানৰ এজন হৈয়ো নিজ ইচ্ছাৰে কামবোৰ কৰিব নোৱৰাটো থানয়'মাৰ বাবে বৰ অস্বস্তিকৰ। তেইছ বছৰৰ আত্মোৎসৰ্গ আৰু সপোনৰ পৰিণতি কি এয়েই–থানয়'মাই ভাবিবলৈ ধৰিলে।

থানয়'মা এনিশা দেৰিকৈ ঘৰলৈ উলটিল। ঘৰৰ ভিতৰত কোনেও তেওঁলৈ অপেক্ষা কৰি থকা নাছিল। হয়তো দেৰি হোৱাৰ বাবেই। অন্ৰাঙী আহি উভতি যোৱা আঠমাহ মানেই হ'ল। এতিয়া সিহঁত থকা হেঁতেন সিহঁতক লৈয়ে অলপ সময় কটাব পৰা গ'লহেঁতেন। কিন্তু সিহঁত উভতি অহাৰ আশা তেনেই কম। ৰেমাৰ দৰে বিশিষ্ট অনুচৰবোৰো আজিকালি অহাতো কমাই দিছে। সিহঁতৰ কোনোবা এটাকে পোৱা হ'লে মনৰ কথা দু-আষাৰমান পাতিব পাৰিলোহেঁতেন।

হঠাতে থানয়'মাৰ নিজকে বৰ অকলশৰীয়া অকলশৰীয়া লাগিল। গাটোও অৱশ অৱশ লাগিল। বহু সময় তেনেদৰে বহল কোঠাটোত অকলে সোমাই থাকি কথাবোৰ ভাবি থাকোতে থানয়'মাৰ অনুভৱ হ'ল তেওঁ যেন অপাৰ মৰুভূমিৰ মাজত থিয় দি আছে। কোনটো দিশৰ যাত্ৰা শ্ৰেয় তেওঁ যেন বিচাৰি উলিয়াব পৰা নাই। তেওঁৰ ডিঙিটো লাহে লাহে শুকাই আহিবলৈ ধৰিলে। তাৰ মাজতে তেওঁৰ মনত পৰিল সেই তাহানি ডেকা-বয়সত বাৰ্মিজ আৰ্মিত থকা কালত শুকান ডিঙিটো এবিধ বিশেষ পানীয়ৰে তিওৱাৰ ব্যৱস্থা কৰিছিল। থানয়'মাৰ বাৰে বাৰে সেইবোৰ কথা মনত পৰিবলৈ ধৰিলে। নিশা বেছি হৈ অহাৰ লগে লগে তেওঁক সকলোবোৰ কথাই এনেদৰে হেঁচা দি ধৰিলে যে এটা মুহূৰ্তত ক'ব নোৱৰাকৈ মানুহ এটা মাতিলে আৰু বস্তু এটা আনি দেচোন বুলি তেওঁ কাগজ এখিলাত লিখিলে– এ ফাইন হুইস্কি–

★ ★ ★

ৰেমাই চাকৰি পোৱাৰ খবৰটোত বিশেষ বৈচিত্ৰ নাছিল। কাৰণ ইতিমধ্যে কেম্পটোত থকা কেইবাটায়ো কিবা-কিবি কামত সোমাই পৰিছে। কিন্তু বৈচিত্ৰ্য হ'ল ৰেমায়ে চাকৰি কৰিবলৈ ইচ্ছা কৰাটোহে। ইয়াৰ বীজ অৱশেষ ৰেমাৰ মগজুত যুৱালা আৰু অন্ৰাঙায়ে সিঁচিছিল।

নিৰ্বাচনৰ পাছত যুৱালাহঁতৰ লগত ৰেমা ঘূৰি ফুৰোতে এদিন ল'মাই সিহঁতক লগ পাই কৈছিল– চা, তহঁতৰ চৰকাৰ গঠন হৈছে হয়, আমাৰ চৰকাৰ হোৱা হ'লে তহঁতক যিমান দিলোহেঁতেন, তিমান তহঁতৰ চৰকাৰে দিব নোৱাৰে।

যুৱালা আৰু অন্ৰাঙা ৰেমাৰ দৰে বৰলা নহয়। সিহঁতৰ পৰিয়াল আছে। সিহঁতৰ মঞ্জুৰীৰ প্ৰথম কিস্তিৰ টকা ঢুকাই অহাত যুৱালাই এদিন আবেলি ভাগৰত কেম্পটোত সোমাই ৰেমাহঁতৰ আগত ক'লে– ল'মাই কোৱা কথাই ঠিক। চৰকাৰৰ ওপৰত এই আশা ভৰসাবোৰ ফুটুকাৰ ফেন। আমি

নিজেই নিজৰ কিবা কৰিব লাগিব।

কথাযাৰৰ গুৰুত্ব অৰাঙায়ে নহয়, ৰেমায়ো বুজি পালে। সিয়ো কেইবা মাহৰো পৰা এটা আশ্চৰ্য গুপুত ভয়ত ভুগিছে। কিন্তু কাকো ক'ব পৰা নাই। সি যুৱালাই নিজেই নিজৰ কিবা কৰাৰ কথা কোৱাৰ পৰা বুজি উঠিছে সিহঁতৰ নিচিনা মানুহক ৰাজনীতিয়ে নুখুৱায়। তাৰ লগৰ কিছুমানে সিহঁতৰ নেতাবোৰৰ ওপৰত ভৰসা এৰি আন এটা ৰাজনৈতিক দল গঠন কৰিবলৈ যো-জা কৰিছে। সি কিন্তু ৰাজনীতিত প্ৰলোভন নগৈ মনে মনে চাকৰিৰহে চেষ্টা কৰিলে। সিহঁতৰ বহুতেই অৰাঙাই বিচৰাৰ দৰে পুলিচৰ চাকৰি বাছি লৈছে। কাৰণ ইউনিফৰ্ম পিন্ধা আৰু বন্দুক চালনাই সিহঁতক এম এন এফ-ৰ দিনবোৰৰ কথা সোঁৱৰাই থাকিব। আন কিছুমানৰ এনেবোৰ চাকৰিৰ মোহ নাই। ৰেমাৰ বাবে অফিচৰ চাকৰিৰ মাদকতাই যেন বেলেগ। অফিচত কাম কৰা মানুহবোৰৰ খোজ-কাটল, ব্যস্ততা, কথা-বতৰা তাৰ বাবে বেচ আকৰ্ষণীয়। মেজৰ কাষৰ চকী এখনত বহি অফিচলৈ কামত অহা মানুহক ইচ্ছা গ'লেহে অনুগ্ৰহ প্ৰদান কৰাত যেন বেচ আমোদ আছে। এনে ধৰণৰ চাকৰি অৱশ্যে সংখ্যাত তেনেই কম। দুই এটাইহে তেনে চাকৰি পাইছে। ৰেমায়ো তেনে চাকৰি এটা পোৱাত যুৱালা আৰু অৰাঙা বেচ আনন্দিত হ'ল।

অৰাঙাই ক'লে– তই এম এন এফ-ত নাম কৰাৰ বাবেই মানুহবোৰৰ অনুগ্ৰহ পাইছ।

– এনেকুৱা চাকৰি এটা পালে মই কিন্তু ৰাজনীতি কৰাৰ কথা নাভাবো। – যুৱালাই ক'লে।

পাছদিনা বেচ আনন্দ মনেৰেই ৰেমা কামত যোগ দিবলৈ গ'ল। যাওঁতে সি খুমীক তাইৰ ভাড়া ঘৰটোত সোমাই খবৰটো দি আহিল।

চিভিল চেক্ৰেটৰিয়েটটো কেইবা মহলাৰ। ডাঙৰ বিল্ডিংটোৰ মাজে মাজে খোজ দি নিজৰ বিভাগটো বিচাৰি উলিয়াওঁতে সি বেচ গৰ্ব অনুভৱ কৰিবলৈ ধৰিলে।

বিভাগটোৰ চুপাৰিন্‌টেনডেন্ট জন বয়সীয়া। তেওঁ তাক কথাবোৰ বুজাই দিলে। সি থাকিব লাগিব ডেচ্‌পাটচ্ চেক্‌চনত। অফিচৰ পৰা যাব লগা চিঠি-পত্ৰবোৰৰ ৰেকৰ্ড এখন ৰেজিষ্ট্ৰাৰত ৰাখিব লাগিব। সময়ত সি ফাইল আৰু চিঠিবোৰ অফিচৰ ভিতৰত অথবা চেক্ৰেটৰিয়েট্‌বোৰৰ মাজত ইফাল সিফাল কৰিব লাগিব। চুপাৰিন্‌টেন্‌ডেন্টজনে কোঠাটোৰ এফালে চাই কাৰোবাক সুধিলে– চকীৰ যে অৰ্ডাৰ দিছিলো কি হ'ল?

মানুহজনে উত্তৰলৈ অপেক্ষা নকৰি তাক কোঠাটোৰ চুকত থকা মেজ এখন আৰু তাৰ সিপাৰেই থকা টুল এখন দেখুৱাই ক'লে– তই ইয়াতে বহিবি।

অফিচৰ আন মানুহ এটাই ৰেমাই কৰিব লগা কামবোৰ বিতংকৈ বুজাই দিলে। আৱশ্যক হ'লে চুপাৰিন্‌টেন্‌ডেন্টজনৰ কাষৰ পৰা ফাইল অফিচাৰৰ কাষলৈকো নিব লাগিব। তাকে বুজাবলৈ মানুহটোৱে তাৰ হাতত ফাইল এটা তুলি দি ক'লে– আহ, অফিচাৰৰ কোঠাটো দেখুৱাই দিওঁ।

সিহঁত বাহিৰৰ বহল কৰিডৰটোলৈ ওলাই আহিল। দুয়োকাষে অফিচৰ বিভিন্ন কোঠা। কৰিডৰডোখৰ অন্ধকাৰ হৈ থাকে কাৰণে টিউব লাইট জ্বলাই থোৱা আছে। অলপ আঁতৰতে চেক্ৰেটাৰীৰ কোঠা। দৰজাৰ কাষৰ ফলকত নাম লিখা আছে–পি, লালজীকা, আই এ এছ।

ৰেমাৰ নামটো অলপ পৰিচিত যেন লাগিল। লগৰ মানুহটোৱে ফাইলটো চেক্ৰেটাৰীৰ টেবুলত থবলৈ কোৱাত সি ভিতৰলৈ সোমাই গ'ল। সি বুজি পালে চেক্ৰেটাৰীজন আন কোনো নহয় না-থীয়াল গ্ৰুপ-চেন্টাৰত ওঠৰ বছৰমানৰ আগতে লগ পোৱা পিটাৰ লালজীকাহে। ৰেমাৰ মুহূৰ্তৰ বাবে ভাল লাগিল। সি কিবা ক'ব খুজিলে। কিন্তু মনৰ উচ্ছ্বাস মনতে হঠাতে মৰহি গ'ল। নিজৰ পৰিচয় দিবলৈ সি ভাল নাপালে। পিটাৰে তালৈ ভালদৰে মূৰকে তুলি চোৱা নাই। ফাইলত কিবা পঢ়ি আছে। এবাৰহে তাক মূৰৰ পৰা ভৰিলৈকে চকু ফুৰাই নতুন নেকি সুধি পুনৰ ফাইল লৈ ব্যস্ত হৈ পৰিল। সি আশ্বস্ত হ'ল।

পিটাৰক ৰেমাই এমাহমানৰ বাবেহে লগ পাইছিল। সেই কেইদিনৰ ভিতৰতে তাৰ চোকা বুদ্ধি আৰু ধ্যান-ধাৰণাৰ কথা সি বুজি পাইছিল।

দ্বিতীয়বাৰ চেক্ৰেটাৰীৰ কাষলৈ ফাইল এটা নিব লগা হওঁতে কোঠাটোত সোমোৱাৰ আগতে কৰিডৰতে না-থীয়ালত পিটাৰক লগ পোৱাৰ কথা ৰেমাই ভাবি আছিল। তেনেদৰে থিয় দি থাকোতে সি অনুভৱ কৰিলে কৰিডৰৰ কাষৰ বেঞ্চত বহি থকা পিয়ন দুটামান সন্ত্ৰস্ত হৈ পৰিছে। অলপ দূৰৰ পৰা খট্ খট্ জোতাৰ শব্দ ওচৰ চাপি আহিছে। আনবোৰৰ লগতে সিয়ো সেইফালে চালে। হাতত ফাইল এটা লৈ সিহঁতৰ ফালে কিমি আগুৱাই আহিছে।

কিমিৰ পোছাক চৌখীন। তাই পোৱানেই পিন্ধি আহিছে। কিন্তু গাঁৱৰ তিৰোতাবোৰৰ দৰে জধলা আৰু অপৰিপাটি নহয়। পোৱানখন মিহি, ফুলাম আৰু উজ্জ্বল ৰঙৰ। তাইৰ মসৃণ দীঘল মুখত অপৰূপ উজ্জ্বলতা। মুখখনত দৃঢ়তা। ফ্লৰ'চেন্ট লাইটৰ পোহৰত চেক্ৰেটৰিয়েট বিল্‌ডিঙৰ কৰিডৰেৰে জোতাৰ খট্ খট্ শব্দেৰে আগুৱাই অহা কিমিৰ প্ৰতি খোজতে আত্মবিশ্বাসৰ চিন।

কিমিক দেখি ৰেমাৰ ভাল লাগিল। সি বুজি পালে কিমিয়ে তাক দূৰৰ পৰাই দেখিছে। কিন্তু কাষ চাপি অহাৰ লগে লগে তাইৰ দৃষ্টি সমুখলৈ স্থিৰ হৈ ৰ'ল। তাৰ আগেৰেই তাই পাৰ হৈ গ'ল। তাৰ ফালে কেৰাহিকৈয়ো নাচালে। তাই দৃঢ় খোজেৰে পিটাৰ লালজীকাৰ কোঠাত সোমাই পৰিল।

ৰেমাই মনটো মুহূৰ্ততে সংকুচিত হ'ল। তাক তেনেদৰে থিয় দি থকা দেখি কোনোবা এটাই ক'লে– এই যে গ'ল তেওঁ হ'ল– লালথান্‌কিমি। আমাৰ বিভাগৰে আন্দাৰ চেক্ৰেটাৰী। কাম কাজত পটু বুলি সকলোৱে জানে। কামত তেৰি মেৰি নচলে। বৰ কাঢ়া। ওপৰৰ সকলোৰে মাজত তেওঁ বেচ প্ৰিয়।

ৰেমাই কথা কোৱা মানুহটোৰ মুখলৈ এনেয়ে কিছুসময় চাই থাকিল। কৰিডৰতে সি আৰু কিছুসময় থিয় হৈ ৰ'ল। কোঠাটোৰ ভিতৰতে লালজীকা আৰু কিমি বহি আছে। সি যাবলৈ সংকোচ অনুভৱ কৰিলে।

কি হ'ল তোৰ? – পিয়ন এটাই সুধিলে।

ৰেমা যেন তেনে সুযোগ এটাৰ বাবেহে অপেক্ষা কৰিছিল, তেনে ভাবত সি পিয়নটোৰ কথাৰ উত্তৰ নিদি ক'লে– এই ফাইলটো ভিতৰত দেগৈচোন।

মানুহটোৱে ফাইলটো ভিতৰলৈ নিয়াৰ লগে লগে ৰেমা কৰিডৰ আৰু ষ্টেপেৰে খোজ দি বিল্‌ডিঙটোৰ বাহিৰলৈ ওলাই আহিল। চেক্ৰেটৰিয়েট এলেকাৰ গাড়ী মটৰ আৰু মানুহৰ ভিৰৰ মাজত সি খন্তেকতে সোমাই পৰিল।

সি আৰু অফিচলৈ উলটি নগ'ল।

*ক্ৰমশ*





# দক্ষিণ আফ্ৰিকাৰ আন্তৰ্জাতিক ক্ৰিকেটত প্ৰৱেশ



১০ নবেম্বৰ। ১৯৯১ চন। সুদীৰ্ঘ একৈশ বছৰৰ মূৰত দক্ষিণ আফ্ৰিকাই আন্তৰ্জাতিক ক্ৰিকেটত পুনঃপ্ৰৱেশ কৰে কলিকতাৰ ইডেন গাৰ্ডেনৰ ৯০ হেজাৰতকৈও অধিক দৰ্শকৰ উৎসাহ উদ্দীপনাৰ মাজত। দক্ষিণ আফ্ৰিকাৰ আন্তৰ্জাতিক ক্ৰিকেটৰ অন্তৰ্ভুক্তি ভাৰতীয় দৰ্শকৰ বাবে কম সৌভাগ্যৰ কথা নহয়। ছাৰজাহ কাপ চলি থকাৰ সময়তেই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ বৈঠকত দক্ষিণ আফ্ৰিকাৰ অন্তৰ্ভুক্তিৰ বিষয়ে আলোচনা কৰা হয় আৰু পোন প্ৰথমবাৰৰ বাবে দক্ষিণ আফ্ৰিকাক আগন্তুক বিশ্বকাপত অংশগ্ৰহণৰ অনুমতি দিয়া হয়। বৰ্ণবাদী আমোলৰ ওপৰত হেঁচা প্ৰয়োগৰ অৰ্থে তেওঁলোকক সকলো আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া ক্ষেত্ৰতে একৈশ বছৰ পূৰ্বে বৰ্জন কৰা হৈছিল। অৱশ্যে ১০ নবেম্বৰৰ দিনা খেলা খেলখনৰ যোগেদি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট জগতলৈ দক্ষিণ আফ্ৰিকাৰ আগমনৰ লগে লগেই সুদীৰ্ঘ একৈশ বছৰীয়া বৰ্জনৰ অন্ত পৰিল।

ছাৰজাহ কাপৰ পিছত পাকিস্তানে ভাৰতত ছিৰিজ খেলিবলৈ অমান্তি হোৱাৰ সময়তেই ভাৰতে দক্ষিণ আফ্ৰিকাৰ লগত তিনিখন এদিনীয়া খেলৰ এটা ছিৰিজ খেলিবলৈ সিদ্ধান্ত কৰে। এই সিদ্ধান্ত অনুসৰিয়েই দক্ষিণ আফ্ৰিকাৰ দলটোৰ ভাৰতলৈ আগমন। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ অভিজ্ঞতা নাথাকিলেও দক্ষিণ আফ্ৰিকাৰ যথেষ্ট কাউন্টি খেলাৰ অভিজ্ঞতা আছে। তাৰেই প্ৰমাণ ১০ নবেম্বৰত ইডেন গাৰ্ডেনত অনুষ্ঠিত প্ৰথমখন এদিনীয়া খেলত দেখুওৱা তেওঁলোকৰ পাৰদৰ্শিতা। এই খেলখনেই প্ৰমাণ কৰে আগন্তুক বিশ্বকাপত দক্ষিণ আফ্ৰিকা এটা শক্তিশালী দল ৰূপে অৱতীৰ্ণ হ'ব। এই খেলখনৰ প্ৰধান আকৰ্ষণ আছিল পেচ বলাৰ ডনাল্ড। খেলখনত তেওঁ সৰ্বমুঠ পাঁচটা উইকেট দখল কৰে। এসময়ত টেষ্ট ক্ৰিকেটত দক্ষিণ আফ্ৰিকাক নেতৃত্ব দিয়া ওৱেছেলছে অসীম ধৈৰ্যৰে ভাৰতীয় বলাৰ সকলৰ বিৰুদ্ধে খেল খেলি অৰ্ধশতৰাণ কৰে। কাইপাৰৰ সৈতে লগ লাগি দলৰ ৰাণ সংখ্যা এক সন্মানজনক স্থিতিলৈ লৈ যোৱাত ওৱেছেলছে যথেষ্ট সহায় কৰে। মহাৰাণী ভিক্টোৰিয়াৰ যুগৰ মুদ্ৰাৰে টচ কৰি আৰম্ভ কৰা ঐতিহাসিক খেলখনত দক্ষিণ আফ্ৰিকা তিনি উইকেটত পৰাস্ত হলেও তেওঁলোকে সাহসেৰে শক্তিশালী ভাৰতীয় দলটোৰ প্ৰত্যাহ্বান গ্ৰহণ কৰে। ভাৰতীয় দলটোক বিজয়ৰ মালা পিন্ধোৱা উল্লেখযোগ্য খেলুৱৈ দুজন আছিল ক্ৰমান্বয়ে প্ৰবীণ আমৰে আৰু শচীন তেন্ডুলকাৰ। প্ৰবীণ আমৰে এইখন খেলত অৰ্ধশতৰাণ কৰি খেলুৱৈ হিচাপে নিজ পৰিচয় দৰ্শকৰ আগত দাঙি ধৰে। মেন অৱ দি মেচ বঁটা লাভ কৰে যুগ্ম ভাবে ক্ৰমান্বয়ে ডনাল্ড আৰু শচীন তেন্ডুলকাৰে।

গোৱালিয়ৰত অনুষ্ঠিত দ্বিতীয়খন খেলতো ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ৩৮ ৰাণত জয়লাভ কৰে। দীৰ্ঘদিন বিৰতিৰ মূৰত পুনৰ দলত অন্তৰ্ভুক্ত কৰা ভাৰতীয় দলৰ অপেনাৰ শ্ৰীকান্তৰ খেল প্ৰদৰ্শন এই খেলখনৰ এক উল্লেখনীয় দিশ আছিল। তেওঁ ২৭ অভাৰ বেট কৰি ৬৮ ৰাণ সংগ্ৰহ কৰে। স্নেলৰ বলত শ্ৰীকান্ত আউট হয়। এসময়ৰ অষ্ট্ৰেলিয়াৰ হৈ খেল খেলা দক্ষিণ আফ্ৰিকাৰ অভিজ্ঞ বেটচ্‌মেন ওৱেছেলছে ভাৰতীয় বলাৰ সকলক ব্যতিব্যস্ত কৰি ৭১ ৰাণ সংগ্ৰহ কৰে। আনহাতে ভাৰতীয় দলৰ হৈ নবীন খেলুৱৈ সঞ্জয় মঞ্জৰেকাৰে সেইদিনা অৰ্ধশতৰাণ কৰে। দক্ষিণ আফ্ৰিকাৰ পেচ বলাৰ ডনাল্ড সেইদিনা ভাৰতীয় দলৰ আতংকৰ কাৰণ হৈ পৰিছিল। তেওঁ সৰ্বমুঠ ৩৬ ৰাণ দি ৩ টা উইকেট দখল কৰে।

২২৪ ৰাণৰ লক্ষ্য আগত ৰাখি দক্ষিণ আফ্ৰিকা দলে ইনিংছ মুকলি কৰিয়েই বিপৰ্যয়ৰ সমুখীন হয়। তেওঁলোকৰ ওপেনাৰ কুক প্ৰথম অভাৰতে কপিলৰ বলত এক ৰাণো নকৰাকৈ আউট হয়। সেই দিনাৰ খেলখনত ডনাল্ডৰ বলত আমৰেৰ ষ্টাম্প দুটুকুৰা হৈ যায়। ওৱেছেলছ আৰু মঞ্জৰেকাৰক যুটীয়াভাবে মেন অৱ দি মেচ পুৰস্কাৰ দিয়া হয়।

এদিনীয়া শৃংখলাৰ শেহৰখন খেল অনুষ্ঠিত হয় দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত। প্ৰথম দুখন খেলৰ অপৰাজেয় বিজয়ৰ উল্লাস ভাৰতীয় দলটোৰ শেষ হৈ তেতিয়াও যোৱা নাছিল। তদুপৰি ভাৰতে টচত জিকি বেট কৰি ২৬৩ ৰাণৰ বিনিময়ত অভাৰ শেষ কৰে। দক্ষিণ আফ্ৰিকাৰ দলটোৱে এই লক্ষ্যত অৱতীৰ্ণ হ'ব পাৰিব বুলি প্ৰায় কল্পনাই কৰিব পৰা নাছিল। কিন্তু ক্ৰিকেট হৈছে এনে এক খেল যাক শেষ মুহূৰ্তলৈকে কোনেও ঠিৰাং কৰিব নোৱাৰে। ভাৰতৰ ক্ষেত্ৰতো ঠিক সেইটোৱেই হ'ল। (ক্লাইৱ ৰাইচৰ নেতৃত্বাধীন দলটোৱে শেহ মুহূৰ্তলৈকে বিন্দুমানো লক্ষ্যক ইফাল সিফাল নকৰিলে।) অতি সহজেই তৃতীয়খন খেলত ভাৰতৰ বিৰুদ্ধে তেওঁলোকে জয় লাভ কৰিলে। ২১ বছৰৰ বিৰতিৰ অন্তত এই দুঃসাহসী দলটোৱে প্ৰমাণ কৰিলে যে সাহস, মনোবল আৰু অনুশীলন থাকিলে একুৰি এবছৰ আন্তৰ্জাতিক খেলুৱৈৰ সমুখীন নোহোৱাকৈয়ো খেলত বিজয়ী হ'ব পাৰি। দিনে নিশাই চলা এই খেলখনত ভাৰতে টচত জিকি প্ৰথমে বেট কৰিবলৈ সিদ্ধান্ত লয় আৰু দক্ষিণ আফ্ৰিকাক ২৪৮ ৰাণৰ লক্ষ্য বান্ধি দিয়ে। আগৰ দুখন খেলৰ বিজয়ৰ উন্মাদনাত ভাৰতীয় দলটোৱে ভাবিব পৰা নাছিল যে দক্ষিণ আফ্ৰিকা দলে এই লক্ষ্যত উপনীত হ'ব পাৰিব। কিন্তু ক্লাইৱ ৰাইচৰ নেতৃত্বাধীন দক্ষিণ আফ্ৰিকা দলে আৰম্ভণিৰে পৰা আত্মবিশ্বাস আৰু ধৈৰ্য সহকাৰে খেলি ২৪৮ ৰাণৰ কঠিন লক্ষ্যত উপনীত হৈ তেওঁলোকৰ বিজয় সাব্যস্ত কৰে। দক্ষিণ আফ্ৰিকা দলৰ সেই দিনাৰ খেলৰ বিজয়ৰ ক্ষেত্ৰত মুখ্য অৱদান আছিল কেপলাৰ ওৱেছেলছৰ। ভাৰতীয় দলৰ হৈ শতৰাণ কৰা সঞ্জয় মঞ্জৰেকাৰ আৰু কেপলাৰ ওৱেছেলছক যুটীয়াভাবে মেন অৱ দি মেচ পুৰস্কাৰ দিয়া হয়। সুদীৰ্ঘ একৈশ বছৰৰ মূৰত আন্তঃৰাষ্ট্ৰীয় খেলত এয়া আছিল দক্ষিণ আফ্ৰিকা দলৰ প্ৰথম বিজয়।

মালবিকা পাঠক





# পৰম আত্মাৰ লগত বিলীন হোৱাৰ আগতে

গৰিমা হাজৰিকা

এদিন নহয় এদিন পৰম আত্মাৰ লগত বিলীন হ'বই লাগিব। কিন্তু কেনেকৈ? বেলুন ফুটাদি মুহূৰ্ততে? নে চেঞ্চুৰী কোবাই? নে চিকিৎসা কৰাই কৰাই ভাগৰি পৰি? নে – আধাবুঢ়া বয়সতে বিছনাতে নিজৰ নিত্য-নৈমিত্তিক কামবোৰ আনৰ হতুৱাই সমাধান কৰাই? কথাটোতো কোনেও নেজানে কি গতিৰে গৈ পৰম আত্মাত বিলীন হ'ব। বিজ্ঞান আৰু বেমাৰ সমানে সমানে আগ বাঢ়িছে। বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰ মানুহৰ ভালৰ কাৰণেই –কিন্তু বেমাৰ? বেমাৰটো মানুহৰ ভালৰ কাৰণে নহয়। কিছুমানে অতি ভোগাব, কিছুমানে তৎক্ষণাৎ মাৰিব, আকৌ কিছুমানে এনেয়ে অশান্তি কৰিব – যেনে পানীলগা, মূৰৰ বিষ, কাহ ইত্যাদি। বেমাৰ বাৰু বেমাৰেই। শৰীৰ আছে যেতিয়া তাত বেমাৰ ধৰিবই। আগৰ দিনত পেটৰ বিষ, কাহ, পানীলগা হৈয়েই থাকে – বনদৰব আসুৰি কৰি ভালো পায়, আকৌ কেতিয়াবা পেটৰ বিষ বিষকৈ মৰিও যায়। কিন্তু আজিকালিতো নহ'ব – বিজ্ঞানে সহজে পৰম আত্মাত বিলীন হবলৈ দিলেহে। বেমাৰনো কি, ক'ত হৈছে, কি হ'বগৈ পাৰে, কি কৰিলে ভাল হ'ব আটাইবোৰ খৰচি মাৰি কৈ দিব পৰা হ'ল। বেমাৰত মৰা হাৰ, লাহে লাহে বিজ্ঞানৰ আৱিষ্কাৰে কমাই আনিছে ঠিকেই – বেমাৰ হলে আগৰ দৰে ভয় নাই। কিন্তু চিকিৎসা পদ্ধতি এনেকুৱা হৈছে যে যি কোনো মানুহে চম্ভালা টান। অংগ, প্ৰত্যংগ, উপাংগ প্ৰত্যেকৰে বেলেগ বেলেগ ডাক্তৰ। কি বেমাৰত কাৰ ওচৰলৈ যাব, সেইটো জনাই বৰ ডাঙৰ কথা। ধৰি লওক এজন মধ্যবিত্ত মানুহৰ হাতৰ বিষ, জিন্ জিনাই, আভোক আভোক লাগে – তেতিয়া কোন বিশেষজ্ঞৰ ওচৰ চাপিব? মানুহ জনক পৰামৰ্শ বহুতে বহুত ৰকমে দিব – 'অমুক ডাক্তৰৰ ওচৰলৈ যাওঁক বৰ সুন্দৰ কৈ চায়, মোৰ ভতিজাটোৰ পিঠিৰ বিষ দুদিনতে ভাল কৰিলে নহয়।' 'নাই নাই আপুনি হোমিওপেথিক কৰাওক বুজিছে।' 'আনৰ কথা নুশুনিব অমুক ডাক্তৰক দেখুৱাওক।' 'ইচ্ ইচ্ সৰ্বনাশ তেওঁক নেদেখুৱাব মোৰ ভাগিনজনীৰ লিভাৰ নষ্ট কৰি দিলে।' 'আপুনি মই কোৱা ডাক্তৰজনকে প্ৰথমে দেখুৱাওক, অলপ কঠুৱা কথা বতৰা, কিন্তু ভাল।' ইত্যাদি ইত্যাদি নানান পৰামৰ্শ। তাৰ উপৰি নিজৰ পৰিয়াল আৰু আত্মীয়ৰ পৰামৰ্শতো আছেই। তাৰ পাছত ডাক্তৰ এজন ঠিক কৰি দেখুৱাব। ডাক্তৰে চাই প্ৰথমে এখন গতানুগতিক পৰীক্ষা কৰাবলৈ লিষ্ট দিব। লিষ্ট মতে পৰীক্ষা কৰোৱাই ডাক্তৰক দেখুৱাব। আজিকালি আকৌ বেমাৰবোৰৰ ফেচনেই বেলেগ নহয়। ডাক্তৰে ঘপহকৈ ৰিস্ক লব নোখোজে। আন এজন বিশেষজ্ঞলৈ 'ৰেফাৰ'। তেওঁ আকৌ কিছুমান পৰীক্ষাৰ লিষ্ট দিব – সেই লিষ্ট মতে ঘূৰা ঘূৰি কৰি শাৰীৰিক মানসিক কষ্টেৰে কৰি অনা পৰীক্ষাৰ ফল ডাক্তৰক দেখুৱাব। ডাক্তৰৰ যদি অলপমানো সন্দেহ হয় –তেতিয়া 'স্কেনিং' পৰ্ব আৰম্ভ। স্কেনিং ক'ত কৰাব? ডাক্তৰে কব এঠাইত, পৰিয়াল বৰ্গই ক'ব এঠাইত, বন্ধু-বান্ধৱে ক'ব এঠাইত। আকৌ ঘূৰা-ঘূৰি, স্কেনিং'অৰ এপইনমেন্ট – ৰোগীৰ অৱস্থা কাহিল। ইতিমধ্যে টকা পইছাও যথেষ্ট খৰচ হৈছে। বাছে, ৰিক্সাই ঘূৰি ঘূৰি পৰীক্ষা কৰাই থকাটোও কম ডাঙৰ জঞ্জাল নে? স্কেনিং'অৰ ফল পোৱাৰ পাছতহে ডাক্তৰে চিকিৎসাৰ কথা চিন্তা কৰিব। দৰৱ পাতিত যদি ভাল হয় তেনেহ'লেতো ভালেই। যদি অস্ত্ৰোপচাৰৰ বাহিৰে উপায় নাই তেতিয়া? অস্ত্ৰোপচাৰৰ নাম শুনা মাত্ৰকে ৰোগী আৰু ৰোগী হৈ নেথাকে। পৰম আত্মাৰ ওচৰ চাপিলো বুলিয়েই ধৰি লয়। এতিয়া কথা আহিব অপাৰেচনটো কেনে ধৰণৰ। অসমত সেই বিশেষ অপাৰেচনটো হ'ব নে নহয়। কাৰণ অসমৰ চিকিৎসালয় সমূহত সকলো ধৰণৰ অস্ত্ৰোপচাৰৰ আহিলা পাতিৰ অভাৱ। এই অভাৱ কেতিয়া কেনেকৈ পূৰণ হ'ব কোনেও ক'ব নোৱাৰে। মানুহবোৰৰো কোনো আপত্তি নাই।

ডাক্তৰেও কৈ দিব অপাৰেচন ইয়াত নহ'ব বাহিৰলৈ যাওঁক। ৰোগীৰ হয়তো দিল্লী, বোম্বে, মাদ্ৰাজত অপাৰেচন কৰোৱাৰ সামৰ্থ্য নেথাকিব পাৰে। কিন্তু কি কৰিব উপায় নাই। কষ্ট পাই থকাত কৈ ৰোগীৰ পৰিয়ালে মাটি বাৰী বন্ধকত দি ৰোগীক টানি টানি ৰেলত লৈ গৈ মদ্ৰাজ, বোম্বে পোৱাবগৈ। ইমানখন কৰি যদি ৰোগী ভাল হয়তো ভালেই। যদি আধা ভাল হয়? অসমলৈ ঘূৰি আহি যদি আকৌ ৰোগে দেখা দিয়ে? তেতিয়া? ৰোগ হয়তো চিকিৎসাৰ বাহিৰো হ'ব পাৰে। মনোকষ্ট, ধনোকষ্ট অথলে। তাৰ উপৰি এনেকুৱাও শুনা যায় কেতিয়াবা ৰোগীক লৈ যোৱা পৰিয়ালৰ সুস্থ মানুহজনো অসুখত পৰে। খোৱা-বোৱা থকা মেলাৰ অসুবিধাত নগুৰ নাগতি হয়। অসমত দিল্লী, বোম্বে, মদ্ৰাজৰ দৰে সু-পৰিকল্পিত, পৰিষ্কাৰ চিকিৎসালয় নাই –সেইটো সঁচা। কিন্তু দিল্লী, বোম্বেক ফেৰ মাৰিব পৰা বিশেষজ্ঞৰ অভাৱ নাই।

অসমত যদি এটা সু-পৰিকল্পিত পৰিষ্কাৰ হস্পিটেল হয় কিমান ভাল হ'ব। যিটো হস্পিটেলত সকলো ধৰণৰ ৰোগৰ পৰীক্ষা আৰু চিকিৎসাৰ সুবিধা থাকিব। পৰীক্ষা আৰু চিকিৎসাৰ কাৰণে হাবাথুৰি খাব নেলাগিব। অন্ততঃ পৰম আত্মাৰ লগত সোনকালে বিলীন হ'ব লগীয়া হলেও কম কষ্ট হ'ব। ■